# ভাৰতৰ স্বাধীনতা সংগ্ৰামত উঃ লক্ষীমপুৰৰ ভূমিকা

শ্ৰীহৰিচন্দ্ৰ বৰুৱা

সম্পাদক

বুৰঞ্জী সংকলন সমিতি

Bharatar Swadhinata Sangramat : Uttar Lakhimpurar Bhumika written and published by Shri Hari Chandra Barua, Secy. Buranji Sankalan Samittee, Lakhimpur Jila Mukti Jujaru Sanmilon, Uttar Lakhimpur, Assam.

**প্ৰকাশক ঃ**
**শ্ৰীহৰিচন্দ্ৰ বৰুৱা**
সম্পাদক, বুৰঞ্জী সংকলন সমিতি
লক্ষীমপুৰ জিলা মুক্তি যুঁজাৰু সন্মিলন
উত্তৰ লক্ষীমপুৰ (অসম)

**প্ৰথম প্ৰকাশ ঃ** ২০০১-২০০২

**বেটুপাত ঃ** জাকিৰ হুছেইন

**টাইপ চেটিং ঃ**
প্লাচ ৱান অফচেট্ এণ্ড ডিজাইনাৰ
উদয়াচল, গুৱাহাটী- ৫

**মূল্য ঃ** ৮০.০০ **টকা** মাত্ৰ

**মুদ্ৰণ ঃ**
**প্লাচ ওৱান** অফচেট্ এণ্ড ডিজাইনাৰ
**উদয়াচল,** গুৱাহাটী- ৫

# অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলন

মুক্তি যুঁজাৰু জিৰণী ঘৰ, ৰূপনগৰ, গুৱাহাটী-৩২

# ASOM RAJYIK MUKTI JUJARU SANMILON

**Mukti Jujaru Jirani Ghar, Rupnagar, Guwahati-32**

Registration No. 1122/1981-82

---

## শুভেচ্ছা



প্ৰাদেশিক সংগঠনবোৰ শক্তিশালী হোৱাৰ বাবেহে ভাৰতৰ স্বাধীনতাৰ জাতীয় সংগ্ৰাম শক্তিশালী হ'ব পাৰিছিল; সেইদৰে আঞ্চলিক সংগঠনবোৰ শক্তিশালী হোৱাৰ বাবেহে প্ৰাদেশিক সংগঠনবোৰ শক্তিশালী হ'ব পাৰিছিল। গতিকে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত আঞ্চলিক সংগঠনবোৰৰ অবদান অপৰিসীম।

মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত, ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ সৰ্বাত্মক 'ভাৰত ত্যাগ' আন্দোলনত অংশগ্ৰহণ কৰি, কাৰাবাস খটা বা আত্মগোপন কৰি কৰি আন্দোলন চলাই যোৱা লক্ষীমপুৰ জিলাৰ প্ৰয়াত আৰু জীৱিত সকলো মুক্তি যুঁজাৰুলৈ মোৰ বৈপ্লিৱিক অভিনন্দন জনালোঁ।

'ভাৰতৰ স্বাধীনতা সংগ্ৰামত উত্তৰ লক্ষীমপুৰৰ ভূমিকা' গ্ৰন্থখনৰ প্ৰকাশনৰ প্ৰতিও মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ইতি—

**শ্ৰীনবদ্বীপ ৰঞ্জন পাটগিৰি**

তাৰিখ ঃ ১১/৬/২০০২

সভাপতি

অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলন

ৰূপনগৰ, গুৱাহাটী-৭৮১০৩২

# আগকথা

শৃঙ্খললাবদ্ধ ভাৰত মাতৃক উদ্ধাৰ কৰিবৰ কাৰণে মহামানৱ মহাত্মা গান্ধী ভাৰতবৰ্ষত আবিৰ্ভাৱ হৈছিল। তেখেতৰ নেতৃত্বত ভাৰতৰ জনগণ তথা কংগ্ৰেছে ইং ১৯২১ চনৰ পৰা ১৯৪৪ চনলৈকে অভুতপূৰ্ব অহিংস -স্বাধীনতা আন্দোলন চলাইছিল। ভাৰতবাসীয়ে মহাত্মাৰ সত্য আৰু অহিংসা নীতিত আশ্ৰয় লৈ আন্দোলন চলাইছিল তাৰ বিনিময়ে বহুলোকে জেল-লাঠি-গুলী আদি শাস্তি খাব লগা হৈছিল। শেষত সত্য আৰু অহিংসাৰ জয় হ'ল। অসমৰ উঃ লক্ষীমপুৰ বাসীয়েও এই আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি অসমত দ্বিতীয় স্থান লাভ কৰিছিল। তাৰে সংক্ষিপ্ত বিৱৰণ এটি লক্ষীমপুৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ হৈ জিলা বুৰঞ্জী সংকলন সমিতিয়ে যুগুতাই উলিয়াইছে। টকা-পইচাৰ অভাৱত সংকলনটি প্ৰকাশ কৰোতে পলম হ'ল। বৰ্তমান বুৰঞ্জী সংকলন সমিতিৰ সম্পাদক শ্ৰীহৰিচন্দ্ৰ বৰুৱাই ছপাৰ যাৱতীয় খৰচ বহন কৰিবলৈ আগবঢ়াত আমি তেওঁক ধন্যবাদ জ্ঞাপন কৰি পুস্তিকাখনি সোনকালে প্ৰকাশ কৰিবৰ বাবে অনুৰোধ জনালো। এইখিনি কৰিবলৈ যাওঁতে আমাৰ জ্ঞাতে-অজ্ঞাতে বহু ত্ৰুটি-বিচ্যুতি হ'ব পাৰে সেইখিনিও মাৰ্জনা কৰিবলৈ সকলো মুক্তি যুঁজাৰুলৈ অনুৰোধ **আগবঢ়ালো**

**শ্ৰীগোলক বৰুৱা**
সভাপতি
বুৰঞ্জী সংকলন সমিতি
লক্ষীমপুৰ মুক্তি যুঁজাৰু সন্মিলন

# পাতনি

প্ৰবল প্ৰতাপী বৃটিছ জাতিৰ কবলৰ পৰা ভাৰতক মুক্ত কৰিবৰ কাৰণে ভাৰতৰ জনগণে মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত যি অহিংস সংগ্ৰাম চলাইছিল অসমৰ কলীয়াপানী নামে খ্যাত অনাদৃত, অৱহেলিত লক্ষীমপুৰেনো কি ভূমিকা লৈছিল তাৰ এখন ইতিহাস লিখাৰ হাবিয়াস জিলাখনৰ প্ৰত্যেকজন মুক্তিযোদ্ধাই স্বাধীনতা পোৱাৰ পিছৰ পৰাই কৰি আহিছে। ইতিমধ্যে শ্ৰীটুনিৰাম হাজৰিকাদেৱে যদিও এখন বুৰঞ্জী প্ৰকাশ কৰিছিল তাতো গোটেই জিলাখনৰ বিৱৰণ দিয়া নহ'ল। ১৯৫২ চনতে এখন বুৰঞ্জী লিখাৰ কথা চিন্তা কৰি সেই সময়ৰ জিলা কংগ্ৰেছ কমিটীয়ে জিলাখনৰ মুক্তিযোদ্ধাসকলৰ এখন তালিকাও প্ৰস্তুত কৰিছিল। পিছে বুৰঞ্জী লিখা নহ'ল।

১৯৭৫ চনত বিহপুৰীয়াৰ গোসাঁই পথাৰত বিশিষ্ট মুক্তিযোদ্ধা তথা জিলা সংগ্ৰাম পৰিচালক স্বৰ্গীয় হৰিপদ দত্তৰ সভাপতিত্বত বহা জিলা মুক্তি যুজাৰু সন্মিলনে এখনি বুৰঞ্জী লিখা স্থিৰ কৰি স্বৰ্গীয় হৰিপদ দত্তক সভাপতি আৰু শ্ৰীহৰি চন্দ্ৰ বৰুৱাক সম্পাদক নিৰ্বাচন কৰি এখন বুৰঞ্জী সংকলন সমিতি গঠন কৰে। সম্পাদক শ্ৰীবৰুৱাই প্ৰায় বাৰ বছৰ কাল গোটেই জিলা পৰিভ্ৰমণ কৰি জিলা আন্দোলন পৰিচালক, সমষ্টি পৰিচালকসকলৰ উপৰি বিশিষ্ট মুক্তিযোদ্ধাসকলক লগ কৰি তেখেতসকলৰ পৰা আন্দোলনৰ বিৱৰণ আৰু আন্দোলনত অংশগ্ৰহণ কৰা কৰ্মীসকলৰ নাম আদি যাৱতীয় তথ্য সংগ্ৰহ কৰি ১৯৮৬ চনতে এখনি ইতিহাস প্ৰণয়ন কৰি সভাপতি হৰিপদ দত্তৰ হাতত দিয়ে; দত্তদেৱেও বুৰঞ্জীখনত লিখা ঘটনা আৰু কথাবিলাক সত্য আৰু বিশ্বাসযোগ্য বুলি মত প্ৰকাশ কৰে; কিন্তু কিতাপখনত ভুল-ভ্ৰান্তি বৈ যাব পাৰে বুলি পুনৰ চালি-জাৰি চাওঁতে আৰু ইতিমধ্যে সংকলন সমিতিৰ সভাপতিৰ পৰলোক হোৱাত কাম স্থগিত হৈ ৰয়। পিছত জিলা মুক্তিযোদ্ধা সন্মিলনেও নতুন কমিটী গঠন কৰি দিয়াত পলম কৰাত এই পুথি প্ৰকাশ কৰাত পলম হয়।

**বিহপুৰীয়া** — **শ্ৰীলীলাৰাম ভূঞা**, সভাপতি

**ইং ১৫/১১/৯৩** — বুৰঞ্জী সংকলন সমিতি

# ভূমিকা

এঘাৰ বছৰৰ পূৰ্বে ১৯৭৫ চনৰ মাৰ্চ মাহৰ ২ তাৰিখে বিহপুৰীয়া গোসাঁই পথাৰ নিম্ন প্ৰাইমাৰী স্কুলত মোৰ সভাপতিত্বত বহা লক্ষীমপুৰ জিলাৰ মুক্তিযুঁজাৰু সন্মিলনত সৰ্বসন্মতিক্ৰমে গৃহীত প্ৰস্তাৱেৰে গঠন কৰি দিয়া বুৰঞ্জী সংকলন সমিতিৰ সম্পাদক শ্ৰীহৰিচন্দ্ৰ বৰুৱাই বহু কষ্ট কৰি জিলাখনৰ ইমূৰৰ পৰা সিমূৰলৈকে থকা মুক্তিযুঁজাৰুসকলৰ পৰা তথ্যপাতি সংগ্ৰহ কৰি আৰু তাৰ পিছত সমিতিয়ে সম্পাদনা কৰিবলৈ দিয়া দায়িত্বও বহন কৰি লক্ষীমপুৰ জিলাৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীৰ পাণ্ডুলিপি লিখি উলিয়ালে। সেইখন আজাদৰ ইন্দ্ৰেশ্বৰ শৰ্মাই চকু ফুৰাই চাই বুৰঞ্জীখনত লিখা ঘটনা আৰু কথাবিলাক সত্য আৰু বিশ্বাসযোগ্য হৈছে বুলি জনোৱাত আনন্দিত হৈছো। মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰস্তাৱটো ৰূপায়ণ কৰাৰ বাবে মই উক্ত দিনৰ সন্মিলনৰ সভাপতিস্বৰূপে বুৰঞ্জী সংকলন সমিতি আৰু সম্পাদকক ধন্যবাদ জ্ঞাপন কৰিলো। স্বাধীনতা আন্দোলনৰ স্মৃতি চিহ্নস্বৰূপে প্ৰণয়ন কৰা এই বুৰঞ্জীখনে প্ৰকাশৰ ক্ষেত্ৰত হিতাকাংক্ষী লোকসকলৰ পৰা সমাদৰ লাভ কৰিব পাৰিব বুলি আশা থাকিল।

ঢলপুৰ

এপ্ৰিল ৫, ১৯৮৬ ইং

**শ্ৰীহৰিপদ দত্ত**

প্ৰাক্তন জিলা পৰিচালক (২য়)

জৰুৰী শাখা সমিতি, উঃ লক্ষীমপুৰ

# মতামত

মাননীয় সম্পাদক মহোদয়,

বুৰঞ্জী সংকলন সমিতি, উঃ লক্ষীমপুৰ

মহোদয়,

সমিতিৰ ৯/১০/৭৬ তাৰিখৰ নিৰ্দেশ অনুসৰি 'ভাৰতৰ স্বাধীনতা আন্দোলনত লক্ষীমপুৰ' শীৰ্ষক পুথিখনৰ পাণ্ডুলিপিটো পঢ়ি চালো। মতামত সম্পৰ্কে তলৰ কথাখিনিৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলো।

পুথিখনৰ আৰম্ভণিটো লক্ষীমপুৰ জিলাৰ এটা ইতিবৃত্তৰ জৰিয়তে আৰম্ভ কৰি বাকী সৰ্বভাৰতীয় আন্দোলনৰ সামান্য উল্লেখ কৰি তাৰ পিছতহে লক্ষীমপুৰে কেতিয়াৰ পৰা বিশেষভাৱে এই আন্দোলনত যোগ দিছে, এনে বিৱৰণবোৰ বিস্তৃতভাৱে দিলে ভাল হ'ব।

বিশেষ ঘটনাবিলাকৰ প্ৰয়োজন হ'লে বিস্তৃত বিৱৰণ দিলেও ক্ষতি নহয় বুলি ভবা হ'ল; যেনে- নাও দুবোৱা ঘটনা।

শ্লিপ আকাৰে বিভিন্ন ঠাইত তৰা (✡) চিন দি কোনো ঠাইত তেনেদৰে নিদিয়াকৈও দুই-চাৰিটা মনত থকা ঘটনা কাগজত লিখি গাঁঠি দিয়া হৈছে। সেই ঘটনাসমূহক পুথিত ঠাই দিলে ভাল হ'ব বুলি বিবেচনা কৰা হ'ল। শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীদেৱৰ গোহাৰি পত্ৰৰ নিচিনা অনেক ছপা কাকত আপোনাক দিয়া হৈছিল; তাৰে প্ৰয়োজনীয় চাই দুই-চাৰিখন এই পুথিত সেই মতেই ছপা কৰাৰ ব্যৱস্থা কৰিলে ভাল হ'ব।

সদৌ শেষত সমিতিয়ে মোক এই সুবিধা দিয়াৰ বাবে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আপোনাৰ সজ চেষ্টা সাৰ্থক হওক। এই আশা ৰাখি সামৰিলো। ইতি—

আপোনাৰ

**শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মা**

প্ৰাক্তন জিলা পৰিচালক (৫ম)

জৰুৰী শাখা সমিতি, উঃ লক্ষীমপুৰ

এঠাকটীয়া গাঁও

ডাকঘৰ- আজাদ, উঃ লক্ষীমপুৰ

অক্টোবৰ ২৬, ১৯৭৬ ইং

# সম্পাদকৰ নিবেদন

'বৃটিছ ৰাজ্যত বেলি ডুব নেযায়' বুলি এষাৰ কথা প্ৰচলিত আছিল। তেনে বিৰাট সাম্ৰাজ্যৰ দুৰ্জয় শক্তিসম্পন্ন সেই বৃটিছ জাতিয়ে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা আহি ভাৰতবৰ্ষত বাণিজ্য কৰিবলৈ লোৱাৰ চলেৰে নানা কৌশল অবলম্বন কৰি সমগ্ৰ ভাৰতৰ স্বাধীনতা হৰণ কৰিলে। তেওঁলোকে দেশখনত শাসন আৰু শোষণ দুয়োটাকে প্ৰবৰ্তন কৰি ভাৰতবাসীক দাসৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে। ভাৰতৰ জনগণে বৃটিছৰ অভিপ্ৰায় বুজিব পাৰি পৰাধীনতাৰ শিকলিডাল চিঙি দেশমাতৃক মুক্ত কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল। সেই অৰ্থেই ১৯২১ খৃঃৰ পৰাই ভাৰতবাসীয়ে মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত আন্দোলন আৰম্ভ কৰিলে। ১৯২৯ চনত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে ভাৰতৰ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰি তেতিয়াৰ পৰাই অহিংসা নীতিৰে স্বাধীনতা অৰ্জনৰ কামত আগবাঢ়ি গ'ল। সত্যৰ ওপৰত প্ৰতিষ্ঠিত এই অসহযোগ আন্দোলনত জনগণে সৰ্বান্তঃকৰণেৰে সহযোগ কৰিলে; কিন্তু ইয়াত সহযোগ নকৰিলে কেৱল মুছলিম লীগ আৰু ৰজা-মহাৰজাসকলে। হেজাৰ হেজাৰ লোকে অৰ্থ দণ্ডৰ উপৰি জেল, লাঠি-গুলী-ফাঁচি বৰণ কৰিলে। ১৯৪২ চনৰ ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণৰ পিছত ভাৰতত স্বতঃস্ফূৰ্ত গণ বিপ্লৱে পুনৰ চৰম অৱস্থা পালেগৈ। এই সময়ত চলি থকা দ্বিতীয় মহাসমৰত ভাৰতৰ পূব ৰণাংগনত জাপানৰ হাতত ক্ৰমে হাৰি পশ্চাৎপদ হোৱা বৃটিছক গণতন্ত্ৰ সমৰ্থনকাৰী আমেৰিকা আৰু চীন দেশেও ভাৰতৰ স্বাধীনতা আন্দোলনক স্বীকৃতি দিয়াত বৃটিছ গৱৰ্ণমেণ্টে নিজৰ ভৱিষ্যৎ মংগল কামনা কৰি ভাৰতৰ ওচৰত স্বাধীনতা প্ৰদানৰ প্ৰস্তাৱ আগবঢ়ালে। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰিলে। সৰ্বভাৰতীয় এই স্বাধীনতা আন্দোলনত লক্ষীমপুৰৰ জনগণে কেনে ধৰণেৰে সহযোগ কৰি বৰঙণি যোগাইছিল তাৰেই থুলমূল বিৱৰণ ইয়াত লিপিবদ্ধ কৰা হ'ল।

## বুৰঞ্জী লিখাৰ পৰিকল্পনা

১৯৭৩ চনৰ ৩১ মে'ৰ দিনা গান্ধী মৈদামত অনুষ্ঠিত হোৱা লক্ষীমপুৰৰ মুক্তিযোদ্ধাসকলৰ সম্বৰ্দ্ধনা সভাত ভাৰতৰ মাননীয়া প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই যেতিয়া ছমাহৰ ওপৰ কাৰাবাস খটা মুক্তিযোদ্ধাসকলক তাম্ৰপত্ৰ প্ৰদান কৰিছিল, তেতিয়া লগতে 'ভাৰতৰ মুক্তিযুঁজত অসম' নামৰ এখন পুস্তকো দিছিল। এই গ্ৰন্থখনি অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ অভিবৰ্তনত ১৯৭২ চনত অভ্যৰ্থনা সমিতিয়ে সম্পাদনা কৰিছিল। আৰু পিছত প্ৰকাশো কৰিছিল। এই গ্ৰন্থখনত বিয়াল্লিছৰ আন্দোলনত উঃ লক্ষীমপুৰৰ বিশেষ ঘটনাৰাজি আৰু নিৰ্যাতিত বিশিষ্ট লোকসকলৰ নাম নথকাত সেইদিনা তাম্ৰপত্ৰ লৈ চৰকাৰী গাড়ীত ঘূৰি আহোঁতে লক্ষীমপুৰৰ স্বাধীনতা আন্দোলনৰ ১৯৪২ চনৰ জিলা পৰিচালক প্ৰয়াত হৰিপদ দত্তদেৱৰ লগত আলোচনা কৰি এখনি বুৰঞ্জী প্ৰণয়ন কৰিবলৈ প্ৰথম সিদ্ধান্ত কৰা হৈছিল। সেই বছৰৰ পৰাই এই লিখকে বুৰঞ্জীৰ তথ্যপাতি সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিলে।

১৯৭৫ চনৰ মাৰ্চ মাহৰ ২ তাৰিখে ১ নং গোসাঁই পথাৰ গাঁৱৰ নিম্ন প্ৰাইমাৰী স্কুলত বিশিষ্ট মুক্তিযোদ্ধা হৰিপদ দত্তদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা লক্ষীমপুৰ জিলা মুক্তিযুঁজাৰু সন্মিলনে আলোচনাপূৰ্বক লক্ষীমপুৰ জিলাৰ স্বাধীনতা আন্দোলনৰ এখন বুৰঞ্জী প্ৰণয়ন কৰিবলৈ সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত কৰি এই লিখকক সম্পাদক মনোনীত কৰি এখন বুৰঞ্জী সংকলন সমিতি গঠন কৰিলে। সন্মিলনে দিয়া এই দায়িত্ব গ্ৰহণ কৰি দুগুণ উৎসাহেৰে জিলাখনৰ বিভিন্ন উন্নয়ন খণ্ডত থাকি গ্ৰামসেৱক হিচাপে সেৱা আগবঢ়োৱাৰ লগে লগে মুক্তিযোদ্ধাসকলক লগ কৰি ১৯২১ চনৰ পৰা আৰম্ভ কৰি ১৯৪২ চনৰ আন্দোলনলৈকে লিখিত তথ্যপাতি সংগ্ৰহ কৰা হ'ল। সংগৃহীত এই তথ্যপাতিসমূহ ১৯৭৫ চনৰ শেষৰ ফালে লক্ষীমপুৰ জিলা কংগ্ৰেছ কাৰ্যালয়ত বুৰঞ্জী সংকলন সমিতিত দাখিল কৰা হ'ল। সমিতিৰ সদস্যসকলে এই অভাজনকে বুৰঞ্জীৰ সম্পাদনা কাৰ্যৰো দায়িত্ব অৰ্পণ কৰিলে। ৫-১০-৭৫ তাৰিখে বুঃ সঃ সমিতিৰ সদস্য শ্ৰীলীলা ভূঞা, শ্ৰীশৈলেন্দ্ৰ নাথ শইকীয়া, স্বৰ্গীয় অনন্ত কুমাৰ দত্ত আৰু স্বৰ্গীয় পানীৰাম বৰুৱা এই অভাজনৰ ঘৰতে সমবেত হৈ বুৰঞ্জীৰ এটা পাণ্ডুলিপি প্ৰস্তুত কৰিবলৈ আঁচনি কৰি দিলে। সেই মতেই পাণ্ডুলিপিটো লিখা শেষ কৰি ১৯৭৬ চনৰ ১১ আৰু ১২ ছেপ্টেম্বৰৰ দিনা বিহপুৰীয়াৰ মুক্তিযোদ্ধা স্বৰ্গীয় নন্দ দলৈৰ ঘৰত ৰাতি বহি মুক্তিযোদ্ধা

স্বৰ্গীয় ৰমেশ চন্দ্ৰ বিদ্যাৰ্থীৰ সভাপতিত্বত বুঃ সং সমিতি বহি বুৰঞ্জীৰ পাণ্ডুলিপিটো পাঠ আৰু আলোচনা কৰা হ'ল। পিছে এই কাম সম্পূৰ্ণকৈ কৰিবলৈ সময়ৰ নাটনি হোৱাত সেই চনৰে ন অক্টোবৰ তাৰিখে সমিতিৰ সিদ্ধান্তক্ৰমে স'লাল তেলাহী কমলাবৰীয়া উচ্চ ইংৰাজী স্কুলত এই সমিতি পুনৰ বহিল। সেইদিনৰ সভাত আগৰ সদস্যসকলৰ উপৰিও প্ৰয়াত মুক্তিযোদ্ধা স্বৰ্গীয় গোবিন্দ চন্দ্ৰ বৰা, স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মা আৰু উমা দাসো উপস্থিত আছিল। সেইদিনৰ সভাত পাঠ আৰু আলোচনা আৰম্ভ কৰা হ'ল যদিও সম্পূৰ্ণ হোৱাৰ আশা নেদেখি বাকী অংশছোৱাৰ কাৰণে প্ৰাক্তন পৰিচালক স্বৰ্গীয় ইন্দ্ৰেশ্বৰ শৰ্মাক দায়িত্ব দিলে। শৰ্মাদেৱে পাণ্ডুলিপিটো চাইচিতি মাজে মাজে অন্তৰ্ভুক্ত কৰিবলৈ টুকুৰা কাগজত কিছু কথা লিখি পিনআপ কৰি পৰামৰ্শসহ পাণ্ডুলিপিটো ওভতাই পঠালে। ইয়াৰ পিছত এই পাণ্ডুলিপিত সংযোগ কৰিবৰ কাৰণে বিশিষ্ট মুক্তিযোদ্ধা ঁসৰ্বেশ্বৰ বৰুৱা, ঁইন্দ্ৰেশ্বৰ শৰ্মা, শ্ৰী উমাকান্ত ৰাজখোৱা, শ্ৰীলীলাৰাম ভূঞা, শ্ৰীথানেশ্বৰ গগৈ, ঁৰমেশ চন্দ্ৰ বিদ্যাৰ্থী, ঁহেমকান্ত দুৱৰা, ঁহৰিপদ দত্ত, ঁআনন্দ দত্ত, ঁভৱকান্ত বৰা, নিৰণ ভূঞা, ঁললিত শৰ্মা, ঁউমা দাস, ঁপূৰ্ণ ভৰালী, ভোগেশ্বৰ দত্ত, ঁলক্ষ্মীনাথ শৰ্মা বৰুৱা, ঁদেৰাজুদ্দিন আহমেদ, শ্ৰীগণ নাথ গোঁহাই, শ্ৰীগোলোক চন্দ্ৰ বৰুৱা, ঁগোপাল চন্দ্ৰ কোচ, শ্ৰীগোলাপ চন্দ্ৰ শইকীয়া (সান্দহখোৱা), শ্ৰীমহেন্দ্ৰ নাথ ভূঞা, শ্ৰীমেঘনাথ ভৰালী, শ্ৰীঅকমান দত্ত, শ্ৰীপদ্ম বৰা আদি লোকসকলৰ ঘৰলৈ গৈ তেখেতসকলৰ পৰাও লিখিতভাৱে তথ্যপাতি সংগ্ৰহ কৰা হ'ল। এইখিনি সংগ্ৰহ কৰোতেও কেইবা বছৰ পাৰ হৈ গ'ল। সংগৃহীত তথ্যপাতিৰ প্ৰয়োজনীয়খিনি যোগ দি এটা নতুন পাণ্ডুলিপি তৈয়াৰ কৰা হ'ল।

ইতিমধ্যে যোৱা ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ ১ আৰু ২ তাৰিখে গান্ধী মৈদামত অনুষ্ঠিত হোৱা লক্ষীমপুৰ জিলা মুক্তিযুঁজাৰু সন্মিলনে স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী ছপা কৰি প্ৰকাশ কৰিবৰ কাৰণে সিদ্ধান্ত কৰে। এই কামৰ কাৰণে নিম্নলিখিত লোকসকলেৰে এখন বুৰঞ্জী সংকলন সমিতি পুনৰ গঠন কৰি দিলে। সমিতিৰ সদস্যসকল হ'ল — সৰ্বশ্ৰী মহানন্দ বৰা, বিষ্ণুনাৰায়ণ শাস্ত্ৰী, থানেশ্বৰ গগৈ, লীলাৰাম ভূঞাঁ, হৰিচন্দ্ৰ বৰুৱা, শৈলেন্দ্ৰ নাথ শইকীয়া, অকমান দত্ত, মেঘ ভৰালী, টুনিৰাম হাজৰিকা, মহেন্দ্ৰ নাথ ভূঞা আৰু সতীশ চন্দ্ৰ গগৈ। এই সমিতিৰ সভাপতি শ্ৰীলীলাৰাম ভূঞা আৰু সম্পাদক শ্ৰীহৰিচন্দ্ৰ বৰুৱা, শ্ৰীবাপুৰাম দত্তক নিৰ্বাচন কৰা হ'ল।

এই বুঃ সং সমিতিখন ২৯/১২/৯০ তাৰিখে নাৰায়ণপুৰৰ হাৰমতি গাঁৱৰ প্ৰবীণ কৰ্মী শ্ৰীথানেশ্বৰ গগৈদেৱৰ ঘৰত অনুষ্ঠিত কৰা হৈছিল। সেই বৈঠকত সিদ্ধান্ত কৰা হৈছিল যে শ্ৰীহৰিচন্দ্ৰ বৰুৱাই আগৰ পৰা লিখি যুগুতাই ৰখা বুৰঞ্জীৰ পাণ্ডুলিপিখন জিলাখনৰ তিনিওটা সমষ্টিৰ মুক্তিযোদ্ধাসকলক লগ কৰি তাত বৈ যাব পৰা ভুল ভ্ৰান্তি চাইচিতি উক্ত পাণ্ডুলিপিটো সম্পূৰ্ণ কৰিব লাগে। সেই কামৰ কাৰণে নিম্ন লিখিত লোকসকলক তথ্যপাতি সংগ্ৰহৰ দায়িত্ব দিয়া হ'ল—

১। পূব সমষ্টিৰ কাৰণে — সৰ্বশ্ৰী মেঘনাথ ভৰালী, অকমান দত্ত, শৈলেন্দ্ৰ নাথ শইকীয়া।

২। মধ্য সমষ্টিৰ কাৰণে — সৰ্বশ্ৰী বাপুৰাম দত্ত, টুনিৰাম হাজৰিকা, বংশী ভূঞা, অকমান দত্ত।

৩। পশ্চিম সমষ্টিৰ কাৰণে — সৰ্বশ্ৰী শৈলেন্দ্ৰ নাথ শইকীয়া, মহেন্দ্ৰ নাথ ভূঞা, হৰিচন্দ্ৰ বৰুৱা।

পূব সমষ্টিৰ পৰা পূৰ্বে সংগ্ৰহ কৰা তথ্যপাতিৰ বাহিৰে সংশ্লিষ্ট কৰ্মীসকলে কোনো তথ্যপাতি যোগান ধৰিব নোৱাৰিলে। মধ্য আৰু পশ্চিম সমষ্টিৰ পৰা যিবিলাক তথ্য সংগ্ৰহ কৰা হৈছিল, সেইবিলাক আৰু জিলা মুক্তিযুঁজাৰু সন্মিলনে প্ৰকাশ কৰা ছপা ফৰমত যিসকল লোকে ব্যক্তিগতভাৱে প্ৰতিবেদন আকাৰে আত্মজীৱনী যোগান ধৰিছিল, এই সকলোখিনি বুৰঞ্জী সংকলন সমিতিৰ বিভিন্ন তাৰিখে, বিভিন্ন স্থানত অনুষ্ঠিত হোৱা বৈঠকসমূহত আলোচনা কৰি পাণ্ডুলিপিত সংযোগ কৰা হ'ল। বৈঠকসমূহ তলত উল্লেখ কৰা হ'ল —

১) ১৮/৩/৯১ তাং শ্ৰীশৈলেন্দ্ৰ নাথ শইকীয়াৰ বাসভৱন, ভোগপুৰ চাৰিআলি,

২) ৮/৪/৯১ তাং শ্ৰীনবীন বৰা, উঃ লক্ষীমপুৰ নগৰৰ বাসভৱন।

৩) ২৬/৭/৯২ তাং শ্ৰীলীলা ভূঞাৰ বাসভৱন, পিছলাগুৰি নাৰায়ণপুৰ।

৪) ৩১/৭/৯২ তাং শ্ৰীমহেন্দ্ৰ নাথ ভূঞাৰ বাসভৱন নাৰায়ণপুৰ

৫) ৭,৮/১১/৯২ তাং শ্ৰীটুনিৰাম হাজৰিকাৰ বাসভৱন, হিন্দুগাঁও, উঃ লক্ষীমপুৰ

৬) ১০/১১/৯২ তাং শ্ৰীশৈলেন্দ্ৰ নাথ শইকীয়াৰ বাসভৱন, ভোগপুৰ চাৰিআলি

৭) ১৭/১১/৯২ তাং শ্ৰীটুনিৰাম হাজৰিকাৰ বাসভৱন, ভোগপুৰ চাৰিআলি

৮) ১৯/৩/৯৩ তাং শ্ৰীসেৱাব্ৰত বৰুৱাৰ বাসভৱন, বিহপুৰীয়া

৯) ১৪/৯/৯৩ তাং শ্ৰীশৈলেন্দ্ৰ নাথ শইকীয়াৰ বাসভৱন, ভোগপুৰ চাৰিআলি

১০) ৯/১০/৯৩ তাং শ্ৰীঅকমান দত্তৰ বাসভৱন, পানীগাঁও

১১) ৬/১১/৯৩ তাং শ্ৰীহৰিচন্দ্ৰ বৰুৱাৰ বাসভৱন, জামুগুৰি

১২) ১৫/১১/৯৩ তাং স্বৰ্গীয় বিষ্ণু বৰাৰ বাসভৱন, বিহপুৰীয়া

সদৌ শেষত সমিতি আৰু সভাপতিৰ পুনৰীক্ষণৰ পিছত চতুৰ্থবাৰলৈ এইটো পাণ্ডুলিপি প্ৰকাশৰ কাৰণে প্ৰণয়ন কৰা হ'ল। এই কাৰ্যত যিসকল মুক্তিযোদ্ধাই আন্তৰিকতাৰে সহায়-সহযোগিতা আগবঢ়ালে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। স্বাধীনতা আন্দোলনত লক্ষীমপুৰ জিলাৰ ৰাইজে স্বতঃস্ফুৰ্তভাৱে শাৰীৰিক, মানসিক আৰু আৰ্থিকভাৱে সহায়-সহযোগ আগবঢ়াইছিল। সেইসকল লোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। অজ্ঞতাৰ কাৰণত যদি কোনো কৰ্মীৰ নাম অথবা ঘটনাৰাজি এই পুস্তিকাত লিপিবদ্ধ হোৱা নাই তাৰ বাবে সেইসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

বিহপুৰীয়া<br>ইং ১৫/১১/৯৩

শ্ৰীহৰিচন্দ্ৰ বৰুৱা

# সূচীপত্ৰ


লক্ষীমপুৰ জিলাৰ অৱস্থিতি ..... ১
লক্ষীমপুৰ নামটোৰ ঐতিহ্য ..... ১
বসতি ..... ১
জিলাখনৰ বৈশিষ্ট্য ..... ২
বৃটিছ চৰকাৰৰ দিনৰ গড়কাপ্টানি পথ ..... ৪
স্বাধীনতা লাভৰ পিছত হোৱা ৰাস্তাসমূহ ..... ৫
ৰেলপথ ..... ৫
শিক্ষানুষ্ঠান ..... ৬
উত্তৰ লক্ষীমপুৰ জিলা কংগ্ৰেছ প্ৰতিষ্ঠা ..... ৬
মহাত্মা গান্ধীৰ দৰ্শন লাভ ..... ৭
বস্ত্ৰমেধ যজ্ঞ ..... ৯
১৯২১ চনৰ আন্দোলনত নিৰ্য্যাতন ভোগ কৰা লোকসকলৰ বিবৰণ ..... ১১
কংগ্ৰেছৰ গতিশীল গঠনমূলক কাম ..... ১৫
ত্ৰিৰঙ্গ পতাকা ..... ২২
কানি অনুসন্ধান সমিতিৰ তদন্ত ..... ২২
পাণ্ডু কংগ্ৰেছত যোগদান ..... ২৩
চাইমন কমিচনলৈ ক'লা পতাকা দৰ্শন ..... ২৩
পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ ..... ২৪
লোণ আইন অমান্য আন্দোলন আৰু লক্ষীমপুৰ ..... ২৫
কানিংহাম চাৰ্কুলাৰ আৰু লক্ষীমপুৰ ..... ২৬
কংগ্ৰেছৰ চাৰিঅনীয়া সভ্য ..... ২৮
ৰায়ত সভা ..... ২৯
অসহযোগ আন্দোলন ..... ৩০
ৰঙা নদীৰ মথাউৰি নিৰ্মাণ ..... ৩০
কংগ্ৰেছৰ ৰূপালী জয়ন্তী ..... ৩২
নতুন সংগঠনসমূহ ..... ৩২
আইন অমান্য আন্দোলন ..... ৩৩
ভাৰতৰ শাসন সংস্কাৰ আৰু নিৰ্বাচন ..... ৩৪
জৱাহৰলাল নেহৰুৰ আগমন ..... ৩৫
কৰ্মীসকলৰ আনুষ্ঠানিক কাম ..... ৩৬
সেৱাদল গঠন ..... ৩৮
দ্বিতীয় মহাসমৰ আৰু ভাৰতবৰ্ষ ..... ৩৯

১৯৪১ চনৰ একক সত্যাগ্ৰহ আন্দোলন ........ ৪০
দ্বিতীয় তালিকা ঃ ১৯৪১ চনৰ সত্যাগ্ৰহীৰ তালিকা ........ ৪১
প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ শান্তিসেনা বাহিনী গঠনৰ সিদ্ধান্ত ........ ৪২
কংগ্ৰেছ নেতাদ্বয়ৰ উঃ লক্ষীমপুৰ ভ্ৰমণ ........ ৪৩
জিলা জৰুৰী শাখা সমিতি গঠন ........ ৪৪
বৃটিছ মন্ত্ৰী মিছন ........ ৪৫
বিখ্যাত ভাৰত ত্যাগ প্ৰস্তাৱ ........ ৪৫
সেই সময়ত অসমৰ অৱস্থা ........ ৪৬
যুদ্ধৰ বিভীষিকাত অসম ........ ৪৬
গণ বিপ্লৱ ১৯৪২ (ইং) ........ ৪৭
উত্তৰ লক্ষীমপুৰত বিয়াল্লিছৰ গণবিপ্লৱৰ সূচনা ........ ৪৭
জিলা পৰিচালক মনোনীত ........ ৫০
ব্যাপক গণ বিপ্লৱ ........ ৫১
জাপিসজীয়া জিলা শিবিৰ ........ ৫২
চাকৰিয়ালসকলৰ চাকৰি ত্যাগ ........ ৫৪
চৰকাৰী অনুষ্ঠানৰ লগত অসহযোগ ........ ৫৬
মুক্তিসেনা সকলৰ কাৰ্যালয় ........ ৫৭
দমনৰ প্ৰাৱল্য ........ ৫৮
ফুচোলোৱা (পিকেটিং) ........ ৫৯
জিলাৰ কেন্দ্ৰীয় শিবিৰ ভংগ ........ ৬১
গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ উঃ লক্ষীমপুৰলৈ আগমন ........ ৬৩
১৪৪ ধাৰা আইন ভংগ ........ ৬৬
গড়মূৰ সত্ৰাধিকাৰৰ বাধ্যতামূলক প্ৰত্যাগমন ........ ৬৮
ঢলপুৰ বিমান দুৰ্ঘটনা ........ ৬৯
টুপী হৰলুকি ........ ৭০
বিহপুৰীয়া থানাত জাতীয় পতাকা উত্তোলনৰ প্ৰচেষ্টা ........ ৭২
জিলা পৰিচালক হেমচন্দ্ৰ হাজৰিকা গ্ৰেপ্তাৰ আৰু হৰিপদ দত্তৰ দায়িত্ব গ্ৰহণ ........ ৭৫
২ অক্টোবৰ গান্ধীজয়ন্তী ........ ৭৭
পুলিচৰ নৃশংস অত্যাচাৰ ........ ৭৯
জিলা শিবিৰৰ অৱস্থা ........ ৮০
মুক্তিসেনা আৰু শান্তিসেনাৰ শিবিৰসমূহ ........ ৮২
ডেৰগএগ্ৰা গাঁৱৰ অত্যাচাৰ ........ ৮৫
কানিদোঁৱাৰৰ কৰ্মী সন্মিলন আৰু পৰিচালক গোবিন্দ বৰা গ্ৰেপ্তাৰ,
লীলা ভূএগ্ৰা পৰিচালক ........ ৮৬

শিঙিয়া সন্মিলন ........ ৮৯
ধানৰ নাও দুবোৱা ........ ৯১
পাইকাৰী জৰিমনা ........ ৯৩
মুক্তি সৈনিকৰ অনশন ........ ৯৩
১৯৪৩ চনৰ ব্যক্তিগত সত্যাগ্ৰহ ........ ৯৪
হিংসা নীতিৰ কাৰণে মহাত্মা গান্ধীৰ প্ৰায়চিত্ত ........ ৯৮
উজনি অসম কংগ্ৰেছ কমিটী ........ ৯৯
কৰ্মীসকলৰ নৌকাৰে গড়মূৰ ভ্ৰমণ ........ ১০১
শ্বহীদ কুশল কোঁৱৰৰ আদ্যশ্ৰাদ্ধ পালন ........ ১০২
বিলতীয়া গাঁৱত কৰ্মী সন্মিলন ........ ১০৩
উজনি অসম কংগ্ৰেছত যোগদান ........ ১০৫
পষেকীয়া প্ৰচাৰ পত্ৰ ........ ১০৬
গান্ধী মুক্তি যাত্ৰা ........ ১০৭
পুলিচৰ বিলৈ, এজন লোকক থিয়গোৰ, কনকেশ্বৰ দত্ত ধৃত ........ ১০৯
বঙালৰ চুকৰ কৰ্মী সন্মিলন ........ ১১০
গান্ধী জয়ন্তী পালন ........ ১১১
উপায়ুক্ত আৰু মৌজাদাৰসকললৈ পত্ৰ প্ৰেৰণ ........ ১১৩
আন্দোলনৰ সামৰণি ........ ১১৪
জাতীয় পতাকা উত্তোলনৰে স্বাধীনতা দিবস পালন আৰু আন্দোলনৰ সমাপ্তি ........ ১১৫
লক্ষীমপুৰ কাৰাগাৰৰ কাহিনী ........ ১১৭
সৰ্বভাৰতীয় ঘটনাৰাজি আৰু আন্তৰ্জাতিক পৰিস্থিতি ........ ১১৮
ভাৰতৰ স্বাধীনতা লাভ ........ ১২০
ভাৰত বিভাজনৰ প্ৰতিক্ৰিয়া ........ ১২১
স্বাধীনতাৰ আগে পাছে জিলা কংগ্ৰেছ কৰ্মীসকলৰ উন্নয়নমূলক কাম ........ ১২১
১। জাপজুপ কস্তুৰবা বিদ্যা মন্দিৰ ........ ১২২
২। পাণবাৰী বুনিয়াদী বিদ্যালয় ........ ১২৩
৩। ৰঙানদী মথাউৰি নিৰ্মাণ ........ ১২৩
৪। পানীগাঁও চিকিৎসালয় ........ ১২৩
মহাত্মা গান্ধীৰ মহাপ্ৰয়াণ ........ ১২৪
ভাৰতৰ সংবিধান আৰু সাৰ্বভৌম গণতন্ত্ৰ ........ ১২৫
১৯৫০ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্প আৰু সোৱণশিৰি নদীৰ অভুতপূৰ্ব ধ্বংস লীলা ১২৬
১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত কাৰাবৰণ কৰা আৰু হাজোতত
বাস কৰা লোকসকলৰ তালিকা ........ ১২৮
একনিষ্ঠ আৰু সক্ৰিয় কৰ্মীসকল ........ ১৩৭

দেশাত্মবোধক জাতীয় গীতৰ ভূমিকা ........ ১৪০
ৰাষ্ট্ৰীয় সঙ্গীত— কবি ........ ১৪০
জাতীয় গীত ........ ১৪১
কংগ্ৰেছ কৰ্মীসকল আৰু জনগণে প্ৰতি বছৰে
পালন কৰা জাতীয় উৎসৱসমূহ ........ ১৪১
কংগ্ৰেছ কৰ্মীসকলৰ নিত্য-নৈমিত্তিক কৰ্তব্য ........ ১৪২
ৰাজ্যিকৰ পৰা সমষ্টিলৈকে যোগাযোগ ........ ১৪২
আন্দোলনত কৰ্মীসকলৰ আশ্ৰয় দাতাসকল ........ ১৪৪
শলাগৰ শৰাই ........ ১৪৪
পিয়নসকলৰ একনিষ্ঠতা ........ ১৪৫
স্বাধীনোত্তৰ কালত বিভিন্ন জিলাৰ পৰা উঠি আহি লক্ষীমপুৰ
জিলাৰ বিভিন্ন ঠাইত বসতি কৰা মুক্তিযোদ্ধাসকল ........ ১৪৬
স্বাধীনতা যুদ্ধৰ দ্বিতীয় অধ্যায় ........ ১৪৭
১। "মোৰ অহিংসা"- মহাত্মা গান্ধী ........ ১৪৭
২। কংগ্ৰেছ কৰ্মী সকললৈ দিয়া নিৰ্দেশাৱলী ........ ১৫০
৩। গোহাৰি ........ ১৫১
৪। ২ নং বুলেটিন ........ ১৫১
অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী - প্ৰস্তাৱ ........ ১৫৩
Quit India ........ ১৫৮
ভাৰত চৰকাৰৰ দ্বাৰা লক্ষীমপুৰৰ তাম্ৰপত্ৰপ্ৰাপ্ত মুক্তিযুঁজাৰুসকল ........ ১৬২
মোতামোতি হিচাব ........ ১৬৬
১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত কাৰাবৰণ কৰা
আৰু হাজোতবাস কৰা লোকসকল ........ ১৭২
একনিষ্ঠ সক্ৰিয় কৰ্মীসকল ........ ১৭৬
পিকেটিং, শোভাযাত্ৰা বা অন্যপ্ৰকাৰে পুলিচৰ আঘাতপ্ৰাপ্ত
আৰু অৰ্থহানি বা সম্পত্তি বাজেয়াপ্ত লোকৰ তালিকা ........ ১৭৭
১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামৰ লক্ষীমপুৰ জিলাৰ
নেতৃস্থানীয় লোকসকলৰ চমু পৰিচয় ........ ১৮১

# লক্ষীমপুৰ জিলাৰ অৱস্থিতি

অসম ৰাজ্যৰ উত্তৰ-পূব কোণত লক্ষীমপুৰ জিলা অৱস্থিত। স্বাধীনতা আন্দোলনৰ সময়ত লক্ষীমপুৰ আৰু ডিব্ৰুগড় দুটা মহকুমাৰ সৈতে লক্ষীমপুৰ জিলা আছিল। ১৯৭১ চনৰ গান্ধী জয়ন্তীৰ দিনা এই জিলাখন অসম চৰকাৰে শাসনৰ সুবিধাৰ কাৰণে লক্ষীমপুৰ আৰু ডিব্ৰুগড় নামে দুখন জিলা গঠন কৰিলে। পৰৱৰ্তী কালত লক্ষীমপুৰ জিলাখন উত্তৰ লক্ষীমপুৰ আৰু ঢকুৱাখনা মহকুমা লৈ আৰু ধেমাজি জিলাখন ধেমাজি আৰু জোনাই মহকুমাক লৈ গঠন কৰিলে।

স্বাধীনতা আন্দোলনৰ সময়ত পূৰ্বৰ লক্ষীমপুৰ মহকুমাৰ চাৰিসীমা আছিল পূবে ব্ৰহ্মপুত্ৰ নদী, পশ্চিমে হাৰাজান নৈ, উত্তৰে অৰুণাচল প্ৰদেশ আৰু দক্ষিণে লোহিত সুঁতি।

## লক্ষীমপুৰ নামটোৰ ঐতিহ্য ঃ

প্ৰবাদ আছে যে ৰজা আৰিমত্তৰ বংশৰ শেষ ৰজাজনৰ মৃত্যুৰ পিছত মন্ত্ৰী সমুদ্ৰ ৰজা হৈছিল। সমুদ্ৰৰ মৃত্যুৰ পিছত নাতিনীয়েক লক্ষী ৰাণী হৈ পঞ্চদশ শতিকাৰ আদিভাগত এই ৰাজ্য শাসন কৰিছিল। লক্ষীৰাণীৰ নাম অনুযায়ী ৰাজধানী আৰু ৰাজ্যখনৰো নাম লক্ষীমপুৰ হ'ল। এই জিলাত ধানখেতি আগৰে পৰা পৰ্যাপ্ত পৰিমাণে হয় কাৰণে জনসাধাৰণে ঠাইখনৰ নাম লক্ষীমপুৰ হ'ল বুলি গৌৰৱ কৰে।

## বসতি ঃ

লক্ষীমপুৰ জিলাত হিন্দু, মুছলমান, খৃষ্টান আৰু বৌদ্ধ ধৰ্মৰ লোকেই প্ৰধানকৈ বাস কৰে। ইয়াত বৰ্ণ হিন্দু সম্প্ৰদায়ৰ লোকৰ উপৰি অতীতত ডিব্ৰুগড় অঞ্চলৰ পৰা অহা জনজাতি সম্প্ৰদায়ৰ দেউৰী, শদিয়া অঞ্চলৰ পৰা বুঢ়িছে অনা বৌদ্ধধৰ্মী বৰ খামতিলোকসকল, যোৰহাট অঞ্চলৰ পৰা অহা সোনোৱাল কছাৰীসকল

আৰু মিৰি পাহাৰ অঞ্চলৰ পৰা মিচিং লোকৰ উপৰি, চুতীয়া, কোঁচ, অনুসুচিত সম্প্ৰদায়ৰ কৈৱৰ্ত্ত লোক এই জিলাৰ খিলঞ্জীয়া লোক। চাহ বাগিচাসমূহত বাস কৰা লোকসকলো বৃটিছে মধ্য আৰু অন্ধ্ৰপ্ৰদেশৰ পৰা অনা। তদুপৰি বৃটিছৰ ৰাজত্বৰ শেষছোৱাত অসমৰ প্ৰধানমন্ত্ৰী ছাৰ চৈয়দ ছাদুল্লাই অধিক শস্য উৎপাদনৰ কাৰণ দৰ্শাই পূৰ্ববঙ্গৰ পৰা মৈমানসিঙিয়া অসমলৈ আনে। ভাৰত বিভাজন হৈ স্বাধীনতা লাভ কৰাৰ আগে-পাছে লাখে লাখে মিঞা, বঙালীৰে অসম ভৰি পৰিল। ইয়াৰ বাহিৰেও ৰাজস্থান, বিহাৰ, পঞ্জাৱ, উত্তৰ প্ৰদেশ আদি চুবুৰীয়া ৰাজ্যসমূহৰ পৰা বিভিন্ন ব্যৱসায়, কৃষি-শিল্প আৰু চাকৰি আদিৰ সুবিধা লৈ অহা অনা-অসমীয়া লোক হেজাৰ-বিজাৰ এই জিলাত আছে।

## জিলাখনৰ বৈশিষ্ট্য ঃ

নাৰায়ণপুৰ মৌজাৰ কাচিকটা আৰু ৰঙাজান নৈৰ মাজত থকা লেতেকু পুখুৰী নামৰ ঠাইত মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান। বদতিঘাটৰ ওচৰত মহাপুৰুষ শঙ্কৰদেৱৰ পদধূলি মিশ্ৰিত চাণ্ডিনীথান অদ্যাপিও বিদ্যমান। সক্ৰাহিত পদ্ম আতা আৰু হৰিদেৱ, ঢলপুৰৰ বিষ্ণু বালিকুঞ্চিত অনিৰুদ্ধদেৱৰ জন্ম হৈছিল। এই অনিৰুদ্ধৰে সমাধিস্থান বিহপুৰীয়াৰ নাহৰআটী স্থানত। বালিকুঞ্চি আৰু নাহৰআটী থান দুয়োখনেই মায়ামৰা সম্প্ৰদায়ৰ পবিত্ৰ থান। নাৰায়ণপুৰৰ অনতিদূৰত হাৰমতী নামৰ এগৰাকী কুঁৱৰীৰ নামত হাৰমতী গড়। কালিকা পুৰাণত থকা বুৰঞ্জী প্ৰসিদ্ধা গৌতমস্য মহাফলা তীৰ্থ পিছলা নদী। যোগিনীতন্ত্ৰত উল্লেখ থকা সৌমাৰপীঠৰ হাৰমতী ওচৰেদি, অধিষ্ঠাত্ৰী দেৱী দিক্কৰ বাসিনীয়ে ডিক্ৰং নামেৰে অৰুণাচলৰ পৰা বৈ আহি দ্বিতীয় বাসুদেৱ থানৰ কাষেদি গৈ বদতিঘাটৰ ওচৰত সোৱণশিৰি নদীত মিলিছে। ইয়াৰ অলপ উজনিত হিমালয়ৰ পৰা পাষাণ ভেদি অহা ৰঙানৈয়ে জিলাখনৰ মাজেৰে বৈ আহি লোহিতত মিলিছে। অতীতত সোৱণশিৰি নদীত সোণোৱালসকলে সোণ কমাইছিল। খেৰাজখাট মৌজাৰ পিছলা নৈৰ বাওঁপাৰে ফুলবাৰী দেৱালয়। দুজনা গুৰুৰ মিলন ক্ষেত্ৰ মাজুলীৰ ধুৱাহাট বা বেলগুৰি সত্ৰৰ বৰ্তমান স্থান নাৰায়ণপুৰত: ইয়াৰ ওচৰতে বদুলা সত্ৰ। বিহপুৰীয়া মৌজাৰ হমৰা গাঁৱত ৰঘুগুৰি আৰু হমৰা থান। এইবিলাক পদ্ম আতা (বদলা) ৰ জিৰণি থল। এই মৌজাৰে ডিক্ৰং নৈৰ পূব পাৰে এলেঙী সত্ৰ আৰু পাভ ৰিজাৰ্ভৰ ওচৰত আদি এলেঙী সত্ৰ। ঢলপুৰৰ ওচৰত পেতুৱা গোসাঁনীৰ থান; তাৰ পৰা

কিছু দূৰত মাঘনোৱা দ'ল আছে। খেৰাজখাট মৌজাৰ গোসাঁইবাৰী, নাৰায়ণপুৰ মৌজাৰ বৰ খামটি গাঁৱত বাপুচাং আৰু বুদ্ধদেৱৰ মূৰ্ত্তিসহ বৌদ্ধ মন্দিৰ আছে। ইয়ালৈ বছৰত একোবাৰকৈ শ্ৰীলঙ্কা, ব্ৰহ্মদেশ আৰু থাইলেণ্ডৰ পৰা বৌদ্ধ গুৰু (ভিক্ষু) সকল আহে। উঃ লক্ষীমপুৰ নগৰৰ ওচৰত ঘাৰমৰা আৰু বৰমাহৰা সত্ৰ আছে। গোঁহাই মৌজাত বাসুদেৱ থান আছে। ধেমাজি মহকুমাৰ লিকাবালিৰ ওচৰত প্ৰখ্যাত মালিনী থান আছে। প্ৰবাদ আছে, অতীতত ইয়াতে এগৰাকী মালিনীয়ে সদাশিৱৰ প্ৰেম ভিক্ষাৰিণী হোৱাৰ কাৰণে তাৰ প্ৰতিফল স্বৰূপে পাৰ্বতীৰ কোপত পৰি মালিনীগৰাকীৰ শিৰ পতন হ'ল। কালিকা পুৰাণৰ মতে শিৰবিহীন এই নাৰীগৰাকীৰ মালিনী উপাধিৰে পীঠস্থানখনৰ নামো মালিনী থান হ'ল। ইয়াৰ ওচৰেদি আকাশীগঙ্গা বৈ গৈছে। ঢকুৱাখনা অঞ্চলত হাৰ্হি দেৱালয় আছে। অতীতত এই অঞ্চলত আহোমৰ লগত কোঁচৰ আৰু আহোমৰ লগত মুছলমানৰ দুখন যুদ্ধ লাগিছিল। বৰদলনিৰ কুমতীয়া নৈৰ পাৰত মণিপুৰীয়া গোসাঁনীৰ থান আছে। কৰ্দ্দন গাঁৱৰ পৰা আনি উঃ লক্ষীমপুৰ নগৰত প্ৰতিষ্ঠা কৰা ষোড়শী মহাবিদ্যাৰ বিগ্ৰহ বৰ্তমানেও বিদ্যমান। ইয়াক পঞ্চানন দেৱালয় নামেৰেও জনাজাত। এই নগৰৰ উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ কাষত সোৱণশিৰি আবাসী সেৱাশ্ৰম। ইয়াত অৰুণাচলৰ ল'ৰা-ছোৱালীবিলাকক উচ্চ ইংৰাজী পৰ্যায়ৰ শিক্ষা দিয়াৰ উপৰি অসমৰ মহাপুৰুষীয়া কলা-কৃষ্টিৰ শিক্ষা দিয়া হয়। অনুষ্ঠানটিয়ে পৰ্বত-ভৈয়াম পাহাৰী অসমীয়া জাতিৰ সমন্বয় সাধন কৰিছে।

গোটেই লক্ষীমপুৰ জিলাত এড়ী, মুগা আৰু পাত পলু পুহি সূতা কাটি কাপোৰ তৈয়াৰ কৰি ব্যৱহাৰ কৰা অভ্যাস আছে যদিও ঢকুৱাখনা অঞ্চল সমগ্ৰ পৃথিৱীৰ ভিতৰতে মুগা খেতিৰ কাৰণে প্ৰখ্যাত। ইয়াৰ প্ৰায় সমুদায় লোকেই পূৰ্বৰ মুগা খেতি কৰি সোণবৰণীয়া কাপোৰ তৈয়াৰ কৰি পৰিধান কৰিছিল। আজিকালি মুগা পলু বাৰীয়ে বাৰীয়ে থকা চোম গছত পুহি ইয়াৰ বাহ (cocoon) বিলাক শুৱালকুছিৰ বেপাৰীক বিক্ৰী কৰি একোটা পৰিয়াল আৰ্থিকভাৱে টনকিয়াল হৈছে। শুৱালকুছিৰ বেপাৰীসকলে ইয়াৰ পৰা কিনি নিয়া ককুনবিলাকৰ পৰা আধুনিক পদ্ধতিৰে মেচিনত সূতা কাটি ৰিহা, মেখেলা, চাদৰ তৈয়াৰ কৰি লোৱাৰ উপৰি নানান ধৰণৰ পোছাক, ঠান কাপোৰ কলিকতাই দি ভাৰতৰ বিভিন্ন ঠাই আৰু বিভিন্ন দেশলৈ চালান কৰি দেশৰ অৰ্থনৈতিক ক্ষেত্ৰত সঁহাৰি জনাইছে। সেইবাবে ঢকুৱাখনা আৰু শুৱালকুছি অঞ্চলৰ বাইজ গৌৰৱৰ পাত্ৰ।

জিলাখনৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত খন্দা সৰু-ডাঙৰ অসংখ্য পুখুৰী আছে। প্ৰবাদ আছে এসময়ত আৰিমত্ত ৰজাই তেওঁৰ পাপ খণ্ডনৰ কাৰণে জনসাধাৰণে পানী খাবলৈ বহুত পুখুৰী খান্দিছিল। এই পুখুৰীবিলাকৰ কিছু উল্লেখ কৰা হ'ল। নাৰায়ণপুৰৰ ওচৰত সৰ্ববৃহৎ ৰাধা পুখুৰী, বিহপুৰীয়াৰ পৰা কিছু দূৰত কন্দলি পুখুৰী আৰু জাপজুপ পুখুৰী আছে। ঘিলামৰা অঞ্চলত নপুখুৰী, ৰণচালি, নাহৰ পুখুৰী, বাটমাৰীৰ বৰপুখুৰী, এছাৰিখনাৰ ঢেকীয়া পুখুৰীয়েই প্ৰধান।

লখিমীপ্ৰধান এই জিলাখনৰ খেতিয়ক ৰাইজে ধান খেতিৰ উপৰি মাহ, সৰিয়হ, কুঁহিয়াৰ, মৰাপাট, আলু-কচু, শাক-পাচলি আদিৰ খেতি কৰে। বাৰিষা শালিধানৰ খেতিৰে বসুন্ধৰা সেউজীয়া বোলেৰে বোলাই আকৌ খৰালি সোণবৰণীয়া পথাৰৰ পৰা সোণগুটি বুটলি আনি ভঁৰাল ভৰায়। ৰাহি হোৱা ধান বেচি ঘৰ চলায়, জগতবাসীকো খাদ্যৰ যোগান ধৰে। তদুপৰি সেউজীয়া ৰঙেৰে প্ৰকৃতিৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে আপুৰুগীয়া চাহ খেতিয়ে। এই জিলাত হাৰমতী, দ'লহাট, টুনিজান, দিজু, চিলনিবাৰী, চিনাতলীয়া, জয়হিং, চিয়াজুলি, কৈলামাৰী, পথালিপাম, বৰদৈবাম, মধুপুৰ আৰু আনন্দ বাগান আছে। চাহখেতি আৰু ইয়াৰ ওপৰত গঢ়ি উঠা উদ্যোগত হাজাৰ হাজাৰ বনুৱাই জীৱন নিৰ্বাহ কৰাৰ উপৰি বিদেশী মুদ্ৰা অৰ্জনত সহায় হৈছে।

**বৃটিছ চৰকাৰৰ দিনৰ গড়কাপ্তানি পথ ঃ**

(১) তেজপুৰৰ পৰা হাৰাজান হৈ বিহপুৰীয়ালৈ এটা কেঁচা ৰাস্তা।

(২) বদতি জাহাজঘাটৰ পৰা বিহপুৰীয়া-উঃ লক্ষীমপুৰ নগৰলৈ (দঙ্গি বিলেদি)

(৩) উঃ লক্ষীমপুৰৰ পৰা ঢকুৱাখানলৈ (ঘিলামৰা হৈ)

(৪) উঃ লক্ষীমপুৰ নগৰৰ পৰা পথালিপামলৈ (বৰদলনি হৈ)

(৫) উঃ লক্ষীমপুৰ নগৰৰ পৰা গড়মূৰ সত্ৰ হৈ কমলাবাৰী ঘাটলৈ।

সেই সময়ত ৰঙানৈ, ডিক্ৰং নৈ আৰু সোৱণশিৰি নদীত নাৱেৰেহে পাৰাপাৰ হোৱাৰ ব্যৱস্থা আছিল। সেই সময়ত জল পৰিবহণ ব্যৱস্থা আছিল। ডিব্ৰুগড়ৰ পৰা এখন ডাঙৰ জাহাজ ব্ৰহ্মপুত্ৰ নদীয়েদি নিয়মিত-তেজপুৰ হৈ গুৱাহাটীলৈ চলিছিল। বদতি ঘাটৰ পৰা এখন সৰু জাহাজ সোৱণশিৰি নদীয়েদি নিয়ামাতি ঘাটলৈ চলিছিল। এই জাহাজখনেদি মানুহ সোৱণশিৰি মুখত উঠা-নমা কৰি যোৰহাট, তেজপুৰ, গুৱাহাটীলৈ অহা-যোৱা কৰিছিল। এই জলপথেদিয়েই কৃষি,

শিল্পজাত সামগ্ৰীৰ বাণিজ্য চলিছিল। বদতিঘাট লক্ষীমপুৰ জিলাৰ দুৱাৰমুখস্বৰূপ আছিল। কিছুদিন বদতিঘাটৰ পৰা আন এখন ক্ষুদ্ৰ জাহাজ বঙালীনেয়েদি লক্ষীমপুৰৰ ওচৰৰ পোতাবিল ঘাটলৈ অহা-যোৱা কৰিছিল।

## স্বাধীনতা লাভৰ পিছত হোৱা ৰাস্তাসমূহ ঃ

১) উত্তৰ ট্ৰাংকৰোড নাৰায়ণপুৰ হৈ পথালি পাহাৰৰ কাষেদি লালুক-লক্ষীমপুৰ নগৰলৈ।
২)· গোগামুখৰ পৰা ধেমাজি হৈ সোণাৰিঘাটলৈ।
৩) বিহপুৰীয়াৰ পৰা পথালি পাহাৰ হৈ লালুকলৈ। পথালি পাহাৰৰ ওচৰৰ বান্দৰদেৱাহে অৰুণাচলৰ ৰাস্তাইদি আৰুণাচললৈ অহা-যোৱা কৰিব পাৰি।
৪) বিহপুৰীয়াৰ পৰা লাহলিয়াল হৈ বাঁহগড়া দেউৰী গাঁও।
৫) চিনাতলীৰ পৰা খৰা কন্দলি হৈ বদতি জামুগুৰিলৈ।
৬) বিহপুৰীয়াৰ পৰা লেতেকুপুখুৰী হৈ ভোগপুৰ চাৰিআলিলৈ।
৭) নাৰায়ণপুৰৰ পৰা শিলিখাগুৰিলৈ।
৮) নাৰায়ণপুৰৰ পৰা তাতিবাহাৰ হৈ ৰঙতিলৈ।
৯) ঢলপুৰৰ পৰা শিমলুগুৰিলৈ।
১০) ঢলপুৰৰ পৰা বনপুৰ জামুগুৰিলৈ।
১১) পছমৰাৰ পৰা কিমিনলৈ।
১২) পছমৰাৰ পৰা চিলনিবাৰীলৈ।
১৩) লালুকৰ ওচৰৰ ১২ মাইলৰ পৰা দ'লহাট বাগিচা হৈ ফুলবাৰীলৈ।
১৪) ঘিলামৰাৰ পৰা মাছখোৱা হৈ ধেমাজিলৈ।
১৫) ঢকুৱাখনাৰ পৰা মাছখোৱা হৈ ধেমাজিলৈ।
১৬) ঢকুৱাখনাৰ পৰা জালভাৰি হৈ বাসুদেৱলৈ।
১৭) ঢকুৱাখনাৰ পৰা জালভাৰি আৰু কৈঁকুৰী বেৰেজীয়া হৈ জেঙেৰাইমুখলৈ।

## ৰেলপথ ঃ

১৯৬২ চনত ৰঙাপাৰাৰ পৰা মুৰ্কংচেলেকলৈকে মিটাৰগজ ৰেলপথ নিৰ্মাণ হ'ল। লক্ষীমপুৰ অঞ্চলত এই ৰেলৰ ২২ টা ষ্টেচন আছে।

বৰ্তমান মটৰ আৰু ৰেলগাড়ীৰ উপৰি উৰাজাহাজেৰে লক্ষীমপুৰৰ লীলাবাৰী বিমান পথাৰৰ পৰা ডিব্ৰুগড়, যোৰহাট, গুৱাহাটীলৈ যাব পৰা হ'ল

## শিক্ষানুষ্ঠান :

স্বাধীনতাৰ আগত উঃ লক্ষীমপুৰ আৰু বিহপুৰীয়াত দুখন হাইস্কুল আছিল। উঃ লক্ষীমপুৰ, বিহপুৰীয়া, ঢলপুৰত আৰু ঢকুৱাখনাত একোখনকৈ অসমীয়া মজলীয়া বিদ্যালয় আছিল। ইয়াৰ উপৰি স্বাধীনোত্তৰ কালত লক্ষীমপুৰ জিলাত বহুতো শিক্ষানুষ্ঠান গঢ় লৈ উঠে।

## উত্তৰ লক্ষীমপুৰ জিলা কংগ্ৰেছ প্ৰতিষ্ঠা :

ইং ১৯০৩ চনত ডিব্ৰুগড়ত মাণিক চন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা আৰু ফৈজনুৰ আলী আদি কবি কেইজনমান চিন্তাবিদ আৰু বিজ্ঞ লোকে অসম এছ'চিয়েছন প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত এই অনুষ্ঠানটোৱেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত যোগাযোগ কৰা অনুষ্ঠান আছিল। পিছত এই এছ'চিয়েছনেই ১৯২০ চনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীলৈ পৰিৱৰ্তন হ'ল। কংগ্ৰেছৰ ১৯০৭ চন পৰ্যন্ত উদ্দেশ্য আছিল বৃটিছ চৰকাৰৰ ওচৰত অচলাভক্তি অটুট ৰাখি বিভিন্ন বিষয়ত আবেদন-নিবেদন কৰা। ১৯২১ চনৰ পৰা কংগ্ৰেছৰ উদ্দেশ্য হ'ল গঠনমূলক কাৰ্যৰ ভিত্তিত অহিংস বিপ্লৱ আৰু আৱশ্যক হ'লে বৃটিছ চৰকাৰৰ লগত অসহযোগ কৰা।

১৯২০ চনৰ অক্টোবৰ মাহত সেই সময়ৰ লক্ষীমপুৰ মহকুমাৰ বিশিষ্ট কৰ্মীৰ প্ৰচেষ্টাত নগৰৰ পঞ্চানন দেবালয় প্ৰাঙ্গণত অশ্বিনী কুমাৰ সৰকাৰৰ সভাপতিত্বত এখনি ৰাজহুৱা সভা অনুষ্ঠিত কৰি খিলাফট আন্দোলনৰ বিষয়ে আলোচনা, জালিয়ানৱালাবাগৰ হত্যাকাণ্ড আৰু অমৃতসৰত জনতাৰ ওপৰত বীভৎস উৎপীড়নৰ বাবে নিন্দা কৰি প্ৰতিবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। এই প্ৰস্তাৱসমূহ ভাৰত চৰকাৰ, নিখিল ভাৰত কংগ্ৰেছ কমিটী, মহামানৱ মহাত্মা গান্ধীলৈ আৰু খিলাফটৰ প্ৰস্তাৱটো মঃ আলী ভাতৃদ্বয়লৈ পঠিওৱা হৈছিল। সভাত হোৱা আলোচনা আৰু গৃহীত প্ৰস্তাৱসমূহ প্ৰকাশৰ বাবে কলকাতাৰ 'অমৃত বাজাৰ' পত্ৰিকালৈও প্ৰেৰণ কৰা হৈছিল। এই সভাতে উঃ লক্ষীমপুৰ জিলা কংগ্ৰেছ কমিটী প্ৰথমবাৰলৈ গঠন কৰা হ'ল। সমিতিৰ সদস্যসকল আছিল সভাপতি

সৰ্বেশ্বৰ বৰুৱা, সম্পাদক শশীধৰ ফুকন, ৰজনীকান্ত খাৰঘৰীয়া, মহম্মদ উল হক বৰুৱা, শিৱ চন্দ্ৰ গোস্বামী, চন্দ্ৰশেখৰ দাস, চৈয়দ মহিবুল হুছেইন, ধনিৰাম গগৈ, মণিকান্ত হাজৰিকা, নীলকান্ত গোঁহাই বৰুৱা, বেণী মাধৱ দাস্তদাৰ, সোণাৰাম শইকীয়া (চাৰবতি), ৰবিচন্দ্ৰ হাজৰিকা, নকুলেশ্বৰ খাটনিয়াৰ, আব্দুলগণি হাজৰিকা, আব্দুল বাৰি, চন্দ্ৰকুমাৰ দে, মীনকান্ত গোস্বামী, হাঁহিৰাম শইকীয়া (নাওবৈচা), জয়চন্দ্ৰ মহন্ত (তেলীয়াগাঁও) ধনিৰাম শইকীয়া (বদতি জামুগুৰি), হলধৰ ভূঞা (নাৰায়ণপুৰ)। এই সভাতে শশীধৰ ফুকনে জিলা কংগ্ৰেছৰ কাৰ্যালয়ৰ কাৰণে মাকৰ নামত এটি ঘৰ দান কৰিছিল। এই কাৰ্যালয়ৰ পৰাই কংগ্ৰেছ কৰ্মীসকলে পৰৱৰ্তী অসহযোগ আন্দোলনৰ কাম চলাইছিল।

## মহাত্মা গান্ধীৰ দৰ্শন লাভ ঃ

১৯২১ চনৰ আগষ্ট মাহৰ ১৮ তাৰিখে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ আমন্ত্ৰণ ক্ৰমে ভাৰতৰ অবিসম্বাদী নেতা মোহন দাস কৰম চাঁদ গান্ধী, আলী ভ্ৰাতৃদ্বয় মহম্মদ আলী, চৌকত আলী, অসহযোগ আন্দোলনৰ প্ৰস্তুতি আৰু প্ৰচাৰৰ কাৰণে আহি গুৱাহাটী পাইছিল। ২৪ তাৰিখে তেখেতসকল আহি যোৰহাট পালেহি। তেখেতসকলক সম্বৰ্দ্ধনা জনাবলৈ যোৰহাটত বিৰাট আয়োজন কৰা হৈছিল। মহাত্মাৰ দৰ্শন লাভ আৰু সম্বৰ্দ্ধনা জনাবলৈ কেইবাখনো জিলাৰ মানুহ তাত গোট খাইছিল। উত্তৰ লক্ষীমপুৰৰ পৰাও খোজকাঢ়ি আৰু চাইকেলেৰে কমলাবাৰী নিয়ামাতী ঘাটেদি আৰু বদতি ঘাটত জাহাজত উঠি সোৱণশিৰিৰ মুখত বৰ জাহাজত আৰোহণ কৰি নিয়ামাতী ঘাটত নামি যোৰহাট পাইছিলগৈ। যোৱাসকলৰ ভিতৰত আছিল খৰ্গেশ্বৰ খনিকৰ, ৰূপৰাম দাস, আব্দুল বাৰি, নগেন্দ্ৰ নাথ শইকীয়া, তীৰ্থেশ্বৰ হাজৰিকা আদি। যোৰহাটৰ বিৰাট জনসভাত যোগদান কৰি সকলোৱেই মহাত্মাক সম্বৰ্দ্ধনা জনালে। জনসাধাৰণে মহাত্মা গান্ধী আৰু আলি ভ্ৰাতৃদ্বয়ৰ বাণী শ্ৰবণ কৰি নিজে ধন্য হ'ল। সভাস্থলীৰ ওচৰত আয়োজন কৰা বস্ত্ৰমেধ যজ্ঞত বস্ত্ৰ আহুতি দিয়া কাৰ্য দৰ্শন কৰি সকলোলোকে স্বদেশী ভাবত অনুপ্ৰাণিত হ'ল। দূৰ-দূৰণিৰ পৰা যিসকল লোক খোজকাঢ়ি গৈ দুঃখ দুৰ্গতি ভোগ কৰিছিল সেইসকলে মহামানৱৰ দৰ্শন লভি সেইবোৰ পাহৰি গৈছিল। মহাত্মাক আন্তৰিক সশ্ৰদ্ধ প্ৰণাম জনাই সকলোৱে জীৱন সাৰ্থক হ'ল বুলি ভাবিছিল। মহাত্মাই জনগণক যি আহ্বান জনাইছিল সেই আহ্বান নত

শিৰে গ্ৰহণ কৰি নিজ নিজ ঘৰলৈ ঘূৰি গাঁৱে-ভূঞে চাৰিওফালে মহাত্মাৰ গুণগান আৰু বাণী প্ৰচাৰ কৰিছিল।

উত্তৰ লক্ষীমপুৰৰ কংগ্ৰেছ কৰ্মীসকলো ঘূৰি আহি এদিন বাৰ লাইব্ৰেৰীত জিলাৰ অন্য কৰ্মীসকলেৰে সৈতে এখন সভা পাতি, যোৰহাটত তেখেতসকলে যি দেখিছিল আৰু শুনিছিল তাত সকলো ব্যক্ত কৰিছিল। তেখেতসকলে কোৱা কথাখিনি আছিল মহাত্মাই কপাহৰ খেতি কৰি, সেই কপাহৰ পৰা হাতেৰে সূতা কাটি, সেই সূতাৰে শিপিনীসকলে কাপোৰ বৈ সেই খদ্দৰ কাপোৰ পৰিধান কৰিবলৈ কৈছিল। এড়ী, মুগা, পাট পলু পুহি তাৰ পৰা সূতা কাটি কাপোৰ বৈ সোণবৰণীয়া পোছাক পিন্ধা দেখি মহিলাসকলক মহাত্মাই ভূয়সী প্ৰশংসা কৰিছিল। খেতে খেতি-বাতি কৰি নিজৰ খাদ্য নিজে উৎপাদন কৰিবলৈ, খেতিয়কৰ আৱশ্যকীয় সকলো আহিলাপাতি সঁজুলি ঘৰুৱা শিল্পকাৰ্য্যৰ যোগেদি যোগাৰ কৰিবলৈ কৈছিল। কৃষি শিল্প বাণিজ্য সকলোতে আত্মনিয়োগ কৰি দেশখনক স্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ উপদেশ দিছিল। তদুপৰি গাঁৱে-ভূঞে শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি সকলো ল'ৰা-ছোৱালীক পঢ়ুৱা, চৰকাৰী আদালত বৰ্জন কৰি গাঁৱৰ বিচাৰ গাৱঁতে কৰা, কানি, মদ, ভাং খোৱাৰ পৰা বিৰত থাকি ওঠৰ দফা গঠনমূলক কামত সহযোগ কৰিবলৈ কৈছিল। ধৰ্মীয় বা জাত-পাতৰ ভেদাভেদ পাহৰি মিলাপ্ৰীতিৰে বসবাস কৰি স্বৰাজ আন্দোলনত সক্ৰিয় সহযোগ কৰিবলে সকলো লোকক গোহাৰি জনাইছিল। বাৰ লাইব্ৰেৰীৰ সভাত উপস্থিত থকা কৰ্মীসকলে বক্তাসকলৰ মুখে মহাত্মাৰ বাণী শুনি অতি আনন্দিত হৈছিল। সমবেত লোকসকলে মহাত্মাৰ বাণীত গুৰুত্ব দিলে আৰু কাৰ্যত ৰূপায়িত কৰিবৰ কাৰণে সিদ্ধান্ত কৰিলে। কৰ্মীসকলে মহাত্মাৰ বাণী সাৰোগত কৰি সেই বাণী গাঁৱলৈ কঢ়িয়াই নি ৰাইজক ঘৰে-পৰে, মেলে-মিটিঙে ব্যাখ্যা কৰি নিজেও ধন্য হ'ল আৰু ৰাইজকো আনন্দ দিলে। তেতিয়াৰ পৰা কৰ্মীসকলৰ প্ৰতি ৰাইজৰ শ্ৰদ্ধা বাঢ়িল আৰু গঠনমূলক কামৰ মাজেদি স্বৰাজ আন্দোলনৰ সুযোগ মিলিল।

সেই সময়ছোৱাৰ আগৰ পৰাই অসমত শিক্ষিত, অশিক্ষিত আনকি জ্ঞানী মানুহেও কানি খোৱা ভাল প্ৰথা বুলি বিশ্বাস কৰিছিল। সেইবাবে সমাজৰ আগশাৰীৰ মানুহেও কানি খাইছিল। কানি ৰৰবিহ খাই মানুহ সৰ্বশ্ৰান্ত হৈ মনুষ্যত্ব লোপ পোৱা কথাটো কানিয়াসকলে উপলব্ধি কৰিব পৰা নাছিল। যিসকল লোকে কানি খোৱা নাছিল, সেইসকলক কানীয়াসকলে ভাবিছিল যে ইহঁত চৰকাৰী কানি

মহলৰ পৰা কানিকে যদি কিনি খাবলৈ অপাৰগ ইইঁতে পৰিয়ালো পোহ্পাল দিব নোৱাৰিব; গতিকে ইইঁতলৈ ছোৱালী বিয়া দিব নোৱাৰি। সেই সময়ত উঃ লক্ষীমপুৰত বছৰি ৭২/৭৩ সেৰ পৰ্যন্ত কানি, কানি মহলবিলাকত বিক্ৰী হৈছিল। কানীয়াসকলক কানি খাবলৈ এৰিবৰ কাৰণে কংগ্ৰেছ কৰ্মীসকলে ব্যাপকভাৱে খাটনি ধৰিছিল। উদাহৰণ স্বৰূপে চিচি বৰগাঁৱত স্থানীয় কৰ্মীসকলৰ প্ৰচেষ্টাত দুহেজাৰ মান কানীয়াক কানি খাবলৈ এৰুৱাই তেওঁলোকৰ কানিৰ টেমা আৰু পট্টাবিলাক একেবাৰতে কংগ্ৰেছ কাৰ্যালয়ত জমা দিয়া হৈছিল। এই কাম কৰোতে কংগ্ৰেছ কৰ্মীসকলে বহুত খাটিব লগা হৈছিল আৰু মান-সন্মানলৈ পিঠি দিছিল। কানি নিবাৰণৰ এই অভিযান লক্ষীমপুৰত বহুদিনলৈকে চলাই থকা হৈছিল। ফলত কানীয়াবিলাকে খোৱা কানিৰ পৰিমাণ কমাই নিছিল; কিছুদিনৰ পিছত সম্পূৰ্ণ এৰি দিছিল। নতুনকৈ কানি খোৱা লোপ পাইছিল। কৰ্মীসকলে কানি নিবাৰণ অভিযানত কৃতকাৰ্য হৈছিল।

**বস্ত্ৰমেধ যজ্ঞ ঃ**

মহাত্মা গান্ধী অসমৰ পৰা ঘূৰি যোৱাৰ পিছত গুৱাহাটীৰ খ্যাতনামা ব্যৰিষ্টাৰ তৰুণৰাম ফুকন, কুলধৰ চলিহা, পজিৰুদ্দিন আহমেদ আদি নেতাসকল জাহাজেৰে বদতি ঘাটেদি উঃ লক্ষীমপুৰলৈ আহিছিল। তেওঁলোক অহাত ইং ১৭/১১/২১ তাৰিখে কাছাৰী ঘৰৰ সন্মুখৰ খেলপথাৰত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। তাত বিলাতী সাজ-পোছাকৰ এটা কাপোৰৰ দ'ম সাজু কৰি ৰখা হৈছিল। ফুকন ডাঙৰীয়াই কাপোৰৰ এই দ'মত অগ্নি সংযোগ কৰি বস্ত্ৰমেধ যজ্ঞ সম্পন্ন কৰিলে। সভাত ফুকন ডাঙৰীয়াৰ ভাষণ শুনি মানুহৰ মাজত নতুন উৎসাহ-উদ্দীপনা জাগি উঠিছিল। বহু লোকে তেতিয়া পিন্ধি থকা কাপোৰ অগ্নিকুণ্ডত পেলাই জ্বলাই দি এখনীয়া বস্ত্ৰৰেই ঘূৰি গৈছিল। তেখেতে বিলাতী কাপোৰৰ পৰিবৰ্তে যঁতৰত কপাহৰ সূতা কাটি তাৰে কাপোৰ বৈ পিন্ধিবলৈ জনতাক অনুৰোধ জনাইছিল। ফুকন ডাঙৰীয়াৰ অনুৰোধ ক্ৰমে সেইদিনা বহুত কানীয়াই কানিৰ পট্টা চমজাই দি কানি খাবলৈ এৰিছিল। এই সভাতে লক্ষীমপুৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ শিক্ষক মহিবুল হুছেইন আৰু হেম পূজাৰীয়ে চাকৰি ইস্তফা দিছিল।

সেই একেদিনাই ৰাতি কংগ্ৰেছ কৰ্মীসকলৰ এখন সভা জিলা কাৰ্যালয়ত

অনুষ্ঠিত হৈছিল। সভাই যোৱা বছৰ অক্টোবৰ মাহত গঠন কৰি দিয়া কংগ্ৰেছ কমিটীখন ভঙ্গ কৰি নতুনকৈ এখন জিলা কংগ্ৰেছ কমিটী গঠন কৰি দিলে। এই সমিতিৰ সভাপতি সৰ্বেশ্বৰ বৰুৱা, উপ-সভাপতি চন্দ্ৰশেখৰ দাস, সম্পাদক মহিবুল হুছেইন, খিলাফট শাখাৰ সম্পাদক মহম্মদ উলহক বৰুৱা আৰু সদস্যসকল হ'ল— সিদ্ধেশ্বৰ গগৈ, শশীধৰ ফুকন (এখেতসকল ক্ৰমে সাংগঠনিক সম্পাদক, ধনভঁৰালী) দেৱাজুদ্দিন আহমেদ, তীৰ্থেশ্বৰ হাজৰিকা, লক্ষীনাথ শৰ্মা বৰুৱা, কেশৱ চন্দ্ৰ গোহাঁই, নগেন্দ্ৰ নাথ শইকীয়া, থানুৰাম তামুলী ফুকন, ৰজনীকান্ত খাৰঘৰীয়া আৰু মীনকান্ত গোস্বামী।

১৯২১ চনৰ জানুৱাৰী মাহৰ ২৬ তাৰিখৰ পৰা আৰম্ভ কৰি জিলা কংগ্ৰেছৰ আহ্বান ক্ৰমে কৰ্মীসকলে সভা, শোভাযাত্ৰা, স্কুল-কাছাৰীত আৰু কানি মহলত পিকেটিং কৰিবলৈ আৰম্ভ কৰিলে। শিক্ষা বৰ্জন, মাদক দ্ৰব্য নিবাৰণ আৰু সূতাকটা কামত কৰ্মীসকলে আত্মনিয়োগ কৰিলে। জিলা কৰ্তৃপক্ষই নগৰত ১৪৪ ধাৰা আইন জাৰি কৰিলে। এদিন এই আইন ভঙ্গ কৰিবলৈ শোভাযাত্ৰা কৰা হ'ল। আইন ভঙ্গ কৰাৰ কাৰণে পুলিচে আগচি ধৰি শোভাযাত্ৰাত লাঠি চাৰ্জ কৰিলে; ফলত বহুত লোক ঘূৰ্ণীয়া হ'ল, কিছুমানক ধৰি নি হাজোতত ৰাখিলে। দূৰ-দূৰণিৰ পৰা আহি শোভাযাত্ৰাত যোগদান কৰা লোকসকলৰ ভিতৰত আছিল— খগেশ্বৰ দাস, ঘন দাস, ৰুদ্ৰ গগৈ, হীৰা শৰ্মা, কুল প্ৰসাদ গোস্বামী, গণেশ শৰ্মা, ঘন হাজৰিকা, মেঘৰাম দাস, মোহন গগৈ, ৰঘু শইকীয়া, নীলকান্ত গোহাঁই, হলধৰ গগৈ, ৰবিচন হাজৰিকা, মদন হাজৰিকা, নগৰৰ ওচৰৰ সিদ্ধেশ্বৰ গগৈ, হোঁকোৰা কৈৱৰ্ত্ত, হাৰিয়াল দাস, জিন্নত আলী, মীনকান্ত গোস্বামী, থানুৰাম তামুলী, কনক চন্দ্ৰ গায়ন, প্ৰসন্ন মজুমদাৰ আৰু ভোলা দত্ত। উঃ লক্ষীমপুৰ উচ্চ ইংৰাজী স্কুলৰ শিক্ষক আৰু ছাত্ৰসকলৰ ভিতৰত মহিবুল হুছেইন, তীৰ্থেশ্বৰ হাজৰিকা, খগেশ্বৰ খনিকৰ, দেৱাজুদ্দিন আহমেদ, কেশৱ চন্দ্ৰ গোহাঁই, দুতিৰাম সোণোৱাল, গগন চন্দ্ৰ দাস, বদন চন্দ্ৰ বৰুৱা, টঙ্কেশ্বৰ গগৈ, গাজাধৰ কুৰ্মী, গোলাপ চন্দ্ৰ দত্ত, যজ্ঞোৰাম ঠেঙাল, নগেন্দ্ৰ নাথ শইকীয়াই যোগদান কৰিছিল। এই শোভাযাত্ৰাত ১৫০ জন চাহ বনুৱা প্ৰতাপ গৌৰৰ নেতৃত্বত আহিও যোগদান কৰিছিল। এওঁলোককে ধৰি শোভাযাত্ৰাত কেইবাজনো লোক আহত হ'ল, ৩৫ জনক পুলিচে গ্ৰেপ্তাৰ কৰিলে, ইয়াৰে কিছুমানক পিছত এৰি দিলে। তীৰ্থেশ্বৰ হাজৰিকাদেৱে বাগানৰ বনুৱাসকলৰ মাজতো সোমাই সংগঠনৰ কাম কৰিছিল।

এদিন কনুৱা নেতা প্ৰতাপ গৌৰৰ নেতৃত্বত ডেকশজনৰ এটা শোভাযাত্ৰা উঃ লক্ষীমপুৰ নগৰলৈ অনা হৈছিল। কনুৱাসকলে শোভাযাত্ৰাত মহাত্মা গান্ধী আৰু ভাৰত মাতৃৰ জয়ধ্বনি দিছিল। মহকুমাধিপতি (HM Preacherd) চাহাবে পুলিচ লগাই বাধা দি ৩৫ জনক গ্ৰেপ্তাৰ কৰি বাকীসকলক এৰি দিলে। এওঁলোকৰ প্ৰত্যেককে ৬০/ টকা জৰিমনা অনাদায়ে ৩ মাহ কাৰাদণ্ড বিহিলে। হাজোতত থকাৰ সৈতে কাৰাগাৰত ৪ মাহকৈ থাকিব লগা হৈছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত সমগ্ৰ জিলাখনৰ মুঠ ১৭৫ জনমান লোকে কাৰাদণ্ড ভোগ কৰিছিল; তাৰ ভিতৰত ছাত্ৰ ৭০ জন মান আছিল।

সেই সময়ৰ মহকুমাধিপতি প্ৰিচাৰ্ড চাহাবে আন্দোলন কৰা লোকসকলক বিভিন্ন ধাৰাত গ্ৰেপ্তাৰ কৰাই বিচাৰত জেল-জৰিমনা কৰিছিল। তাৰ বিৱৰণ তলত দিয়া হ'ল।

**১৯২১ চনৰ আন্দোলনত নিৰ্য্যাতন ভোগ কৰা লোকসকলৰ বিৱৰণ —**

| ক্ৰম নং | নাম | ঠিকনা | নিৰ্যাতন |
|---|---|---|---|
| ১ | সৰ্বেশ্বৰ বৰুৱা | উঃলক্ষীমপুৰ নগৰ | আটকবন্দী, ওকালতিৰ লাইচেন্স বাতিল। |
| ২ | শশীধৰ ফুকন | উঃলক্ষীমপুৰ নগৰ | ছমাহ সশ্ৰম কাৰাদণ্ড, এশটকা জৰিমনা বন্দুক বাজেয়াপ্ত, সম্পত্তি নীলাম বিক্ৰী। |
| ৩ | তীৰ্থেশ্বৰ হাজৰিকা | উঃলক্ষীমপুৰ নগৰ | ৩ মাহ সশ্ৰম কাৰাদণ্ড, সম্পত্তি নীলাম |
| ৪ | কনক চন্দ্ৰ গায়ন | ৰাংচলিয়া, ঘাৰমৰা | ৩ মাহ সশ্ৰম কাৰাদণ্ড, এশ টকা জৰিমনা |
| ৫ | দেৰাজুদ্দিন আহমেদ | উঃ লক্ষীমপুৰ | শিক্ষা ত্যাগ, ৩ মাহ ৪ দিন হাজোত বাস, ২৫ টকা জৰিমনা। জৰিমনাৰ বাবত এহাল গৰু নীলাম বিক্ৰী। |
| ৬ | মহম্মদ উল হক বৰুৱা | উঃ লক্ষীমপুৰ | এদিন কাৰাবাস। |
| ৭ | ধনিৰাম গগৈ | আহোম গাঁও | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৮ | সিদ্ধেশ্বৰ গগৈ | আহোম গাঁও | ৩ মাহ সশ্ৰম কাৰাদণ্ড |

| ক্রম নং | নাম | ঠিকনা | নির্যাতন |
|---|---|---|---|
| ৯ | থানুৰাম তামুলী | উঃ লক্ষীমপুৰ | ৫ মাহ সশ্ৰম কাৰাদণ্ড |
| ১০ | মকবুল আহমেদ | উঃ লক্ষীমপুৰ | ১ দিন হাজোত বাস |
| ১১ | নবীন শৰ্মা | উঃ লক্ষীমপুৰ | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ১২ | ৰজনীকান্ত খাৰঘৰীয়া | উঃ লক্ষীমপুৰ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৩ | আব্দুল বাৰি | উঃ লক্ষীমপুৰ | শিক্ষা ত্যাগ, ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ১৪ | চৈয়দ মহিবুদ্দিন | শিৱসাগৰ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৫ | গগন গগৈ | গোগামুখ | ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ১৬ | মুখেশ্বৰ মুক্তিয়াৰ | পলসপৰা বেবেজীয়া | ১ বছৰ সশ্ৰম কাৰাদণ্ড, শিক্ষকতাৰ পৰা বহিষ্কাৰ |
| ১৭ | চন্দ্ৰশেখৰ দাস | ঢকুৱাখনা | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ১৮ | টঙ্কেশ্বৰ গগৈ | শিঙিমাৰী | ৩ মাহ সশ্ৰম কাৰাদণ্ড, শিক্ষা ত্যাগ |
| ১৯ | গোলাপ বৰুৱা | চাবতি | বেত্ৰাঘাত, চাকৰিৰ পৰা বৰ্খাস্ত |
| ২০ | লক্ষীনাথ শৰ্মা বৰুৱা | উঃ লক্ষীমপুৰ নগৰ | শিক্ষা ত্যাগ, হাজোত বাস। |
| ২১ | নগেন্দ্ৰ নাথ শইকীয়া | বদতি জামুগুৰি | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ২২ | গগন ফুকন | উঃ লক্ষীমপুৰ নগৰ | হাজোত বাস |
| ২৩ | বঁদন চন্দ্ৰ বৰুৱা | চমুৱা গাঁও | ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু শিক্ষা ত্যাগ। |
| ২৪ | ভোলানাথ দত্ত | কমলাবৰীয়া | হাজোত বাস |
| ২৫ | দয়াৰাম মিৰি | কমলাবৰীয়া | এদিন কাৰাবাস |
| ২৬ | গাজাধৰ কুৰ্মী | এঙাৰখোৱা | শিক্ষা ত্যাগ, হাজোত বাসৰ উপৰি ৩ দিন ফাটেক |
| ২৭ | শম্ভুৰাম গোড় | এঙাৰখোৱা | এমাহ সশ্ৰম কাৰাদণ্ড |
| ২৮ | ঘন হাজৰিকা | বৰদলনি | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ২৯ | বানেশ্বৰ দাস | মৰল গাঁও, বৰদলনি | ৩ মাহ সশ্ৰম কাৰাদণ্ড, এশ টকা জৰিমনা, পাঁচশ টকাৰ সম্পত্তি হানি |
| ৩০ | গগন দাস | মৰল গাঁও, বৰদলনি | ৬ মাহ সশ্ৰম কাৰাদণ্ড |

| ক্রম নং | নাম | ঠিকনা | নির্যাতন |
|---|---|---|---|
| ৩১ | উমাকান্ত কলিতা | মৰল গাঁও, বৰদলনি | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩২ | ঘনকান্ত দাস | গোহাঁই মৌজা | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩৩ | খগেশ্বৰ খনিকৰ | গোহাঁই মৌজা | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩৪ | কুল প্ৰসাদ গোস্বামী | ঘিলামৰা | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩৫ | দুতিৰাম কছাৰী | গোহাঁই মৌজা | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩৬ | ফুলেশ্বৰ চেতীয়া | গোহাঁই মৌজা | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩৭ | ধনপুৰ সুত | ঘাঁহিগাঁও | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩৮ | বিলাসৰায় খেমানি | বেবেজীয়া | ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩৯ | কলীয়া সুত | ঘাঁহীগাঁও | ৫০ টকা জৰিমনা |
| ৪০ | মনেশ্বৰ দেচুৱালী | ঘাঁহীগাঁও | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৪১ | কেশৱ চন্দ্ৰ গোহাঁই | ঢকুৱাখনা | ৪ মাহ সশ্ৰম কাৰাদণ্ড আৰু এশটকা জৰিমনা |
| ৪২ | গণনাথ গোহাঁই | ঢকুৱাখনা | শিক্ষকতা ত্যাগ, পুলিচে পাঁচশ টকাৰ সম্পত্তি কাঢ়ি নিছিল |
| ৪৩ | হলধৰ গগৈ | তেজপুৰ | [illegible] মাহ সশ্ৰম কাৰাদণ্ড |
| ৪৪ | হেমকান্ত বৰপূজাৰী | তেজপুৰ | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৪৫ | তিলেশ্বৰ দত্ত | ঢকুৱাখনা | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৪৬ | মহেশ্বৰ শৰ্মা | তেজপুৰ | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৪৭ | হীৰানাথ শৰ্মা | মাছখোৱা | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৪৮ | দুপৰ কোঁচ | মাছখোৱা | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৪৯ | যজ্ঞোৰাম ঠেঙাল | বিহপুৰীয়া | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৫০ | জিউৰাম বৰা | বিলতীয়া, নাওবৈচা | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৫১ | যোগেশ্বৰ ৰাজখোৱা | নাওবৈচা | হাজোত বাস |
| ৫২ | মীনকান্ত গোস্বামী | ফুকনৰ হাট | ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ৫৩ | অঘুৰাম ফুকন | আহোম গাঁও | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৫৪ | ভৱকান্ত বৰা | তাতিবাহাৰ | ছাত্ৰ হিচাপে স্কুলৰ পৰা ৩ বছৰ বহিষ্কাৰ |
| ৫৫ | লোকনাথ গোস্বামী | বিহপুৰীয়া | চাকৰি ত্যাগ, কাৰাবাস |
| ৫৬ | মালভোগ বৰুৱা | তাতিবাহাৰ | ৩ মাহ সশ্ৰম কাৰাদণ্ড |

| ক্ৰম নং | নাম | ঠিকনা | নিৰ্যাতন |
|---|---|---|---|
| ৫৭ | গম্ভীৰ চন্দ্ৰ দাস | ঢলপুৰ | চাকৰি ত্যাগ |
| ৫৮ | উপেন্দ্ৰ নাথ বৰুৱা | ঢলপুৰ | ১ মাহ সশ্ৰম কাৰাদণ্ড |
| ৫৯ | মহিবুল হুচেইন | উঃ লক্ষীমপুৰ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৬০ | মহাবল গোড় | উঃ লক্ষীমপুৰ | ৫০ টকা জৰিমনা |
| ৬১ | জিনত আলী | উঃ লক্ষীমপুৰ | ৩ মাহ সশ্ৰম কাৰাদণ্ড, শিক্ষকতাৰ পৰা বহিস্কাৰ |
| ৬২ | হোকোৰা দাস | বচাগাঁও | শিক্ষকতাৰ পৰা বঞ্চিত |
| ৬৩ | আব্দুলগণি হাজৰিকা | উঃ লক্ষীমপুৰ | শিক্ষকতাৰ পৰা বঞ্চিত, হাজোত বাস |
| ৬৪ | মধ্যসিং দেউৰী | বৰদেউৰী গাঁও | হাজোত বাস |
| ৬৫ | হলধৰ ভুঞা | নাৰায়ণপুৰ | হাজোত বাস |
| ৬৬ | মহাৰথ ওজা | | হাজোত বাস |
| ৬৭ | জয়চন্দ্ৰ মহন্ত | | হাজোত বাস |
| ৬৮ | অনিৰাম হাজৰিকা | | হাজোত বাস |
| ৬৯ | লোকনাথ ফুকন | | |
| ৭০ | ইন্দ্ৰ খাৰঘৰীয়া | | |
| ৭১ | মনাই কৈবৰ্ত্ত | | |
| ৭২ | সোণাৰাম দত্ত | | |
| ৭৩ | দুতিৰাম সোণোৱাল | কেকুৰি, দাংধৰা | |
| ৭৪ | মহেশ্বৰ খনিকৰ | বৰদেৰাম | |
| ৭৫ | কন্দ্ৰ গগৈ | ঢকুৱাখনা | |
| ৭৬ | মোহন গগৈ | কদম | |
| ৭৭ | বধু শইকীয়া | কদম | |
| ৭৮ | নীলকান্ত গোহাঁই | নকাৰী | |
| ৭৯ | ৰবিচন হাজৰিকা | লক্ষীমপুৰ | |
| ৮০ | মদন হাজৰিকা | লক্ষীমপুৰ | |
| ৮১ | লোকনাথ খাটনিয়াৰ | পানীগাঁও | |
| ৮২ | গণেশ শৰ্মা | বৰদলনি | |
| ৮৩ | ঘনকান্ত শইকীয়া | বৰদলনি | |
| ৮৪ | মেঘৰাম দাস | বচাগাঁও | |
| ৮৫ | হাবিয়াল দাস | বচাগাঁও | |
| ৮৬ | প্ৰসন্ন কুমাৰ মজুমদাৰ | উঃ লক্ষীমপুৰ | |

উল্লিখিত ৭৩ নম্বৰৰ পৰা ৮৬ নং পৰ্য্যন্ত লোকসকলে ১৯২১ চনৰ স্বাধীনতা আন্দোলনত উঃ লক্ষীমপুৰ নগৰৰ জিলা কংগ্ৰেছৰ কাৰ্যালয়ত স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণ লৈ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। লক্ষীমপুৰৰ আন্দোলনে অসমৰ ভিতৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল।

## কংগ্ৰেছৰ গতিশীল গঠনমূলক কাম :

মহাত্মা গান্ধীয়ে কংগ্ৰেছত যোগদান কৰিয়েই অনুষ্ঠানটো কেইজনমান গণ্যমান্য লোকেৰে গঠিত অনুষ্ঠানৰ পৰিবৰ্তে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বিভিন্ন সম্প্ৰদায়, গোষ্ঠীৰ গাঁৱলীয়া আৰু বনুৱা লোকৰ দ্বাৰা গণতান্ত্ৰিক অনুষ্ঠানত পৰিণত কৰিলে। তেওঁ ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ জাতীয় ঐক্য আৰু সংগঠনৰ কামত ফুৰিবলৈ ধৰিলে। স্বৰাজ আন্দোলন গাঁৱৰ পৰা নগৰলৈ, সাধাৰণ বনুৱা লোকৰ পৰা বুদ্ধিজীৱিসকললৈ আৰু নিম্ন শ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীলৈ সকলোৱে যাতে সক্ৰিয় অংশগ্ৰহণ কৰি স্বৰাজৰ ভেটি টনকিয়াল কৰি গঢ়িব পাৰে তাৰ বাবে মহাত্মাই ভাৰতবাসী মাত্ৰেই সকলোৰে পৰা সহায়-সহযোগ বিচাৰিলে। আন্দোলন যাতে শিথিল হ'বলৈ নাপাই তাৰ বাবে গাঁও আৰু জিলা পৰ্যায়ত সংগঠনৰ ব্যৱস্থা কৰিলে। এই সংগঠনৰ দ্বাৰা ইপ্সিত স্বৰাজ স্থায়ীভাৱে প্ৰতিষ্ঠা কৰিব পাৰি তাৰ বাবে ১৮ দফা গঠনমূলক কামৰ উদ্ভাৱন কৰিলে। সেই দফাসমূহৰ ব্যাখ্যা তলত দিয়া হ'ল —

**(১) গাঁও সংগঠন :** এখন দেশ গাঁও, নগৰ-চহৰ লৈয়েই গঠিত হয়। ভাৰতৰ নগৰ বা চহৰবিলাকৰ প্ৰায়েই উন্নত। সেই অনুপাতে গাঁওসমূহ সকলো দিশতে পিছপৰা। পিছপৰা অৱস্থাৰ পৰা উন্নত অৱস্থা লাভ কৰিবলৈ দেশৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে মুঠ বান্ধি চেষ্টা নকৰিলে দেশৰ উন্নতি অসম্ভৱ। অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত দেশৰ উন্নতি আৰু সমৃদ্ধি লাভ কৰিবলৈ সকলো গাঁৱৰ সকলো ৰাইজে মাৰ বান্ধি যত্ন কৰিব লাগিব। দেশখনক বিপদৰ পৰা ৰক্ষা কৰিবলৈ হ'লেও গাঁওবোৰ সংগঠিত হ'ব লাগে। এই মাৰৰ যোগেদি গওঁৰ ৰাইজে সকলো দিশতে গাঁওখন প্ৰগতিৰ পথত আগবঢ়াই নিব পাৰে। গাঁৱৰ উন্নতিয়েই দেশৰ উন্নতি।

**(২) সাম্প্ৰদায়িক ঐক্য :** আমাৰ দেশ জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে বিভিন্ন আচৰণ আৰু সমাজ ব্যৱস্থাৰে পৰিপূৰ্ণ। এখন ঘৰ বা এটা পৰিয়ালৰ

মাজত যদি একতা নেথাকে সেই ঘৰ বা পৰিয়াল উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। তেনেকৈ এখন দেশৰো বিভিন্ন সমাজ ব্যৱস্থাৰ মাজত মিলামিছা আৰু একতা নাথাকিলে প্ৰগতি অসম্ভৱ। দেশৰ স্বাধীনতাৰ কাৰণে একতা অতি আৱশ্যক ভাবি মহাত্মাই সাম্প্ৰদায়িক ঐক্যৰ কাৰণে দেশবাসীক আহ্বান জনাইছিল।

(৩) **অস্পৃশ্যতা নিবাৰণ ঃ** স্পৃশ্য মানে পবিত্ৰ; অস্পৃশ্য মানে অপবিত্ৰ। য'ত মলি থাকে সেয়েই অপবিত্ৰ। শাৰীৰিকভাৱেই হওক বা মানসিকভাৱেই হওক মলিঅনতাৰ পৰা মানুহৰ অসুখ-অশান্তি হ'ব পাৰে। শৰীৰৰ মলি ধুই চাফা কৰিব পাৰি, কিন্তু মনৰ মলি সৎসংগ, সৎ আচৰণ আৰু সৎ চৰ্চাৰেহে দূৰ কৰিব পাৰি। জন্মতে সকলো মানুহ শুদ্ধ হৈয়েই জন্মধাৰণ কৰে। বয়স বৃদ্ধিৰ লগে লগে অসতৰ সংমিশ্ৰণত অসৎ আৰু সৎৰ সংমিশ্ৰণত সাধু হয়। কৰ্ম দোষত মানুহ চাণ্ডালত্ব প্ৰাপ্তি হয়। মানুহ শৰীৰ, মন, পোছাক-পৰিচ্ছদ পৰিষ্কাৰ কৰি শুদ্ধ হ'ব পাৰে; তেতিয়া তাত অস্পৃশ্যতা নেথাকে। হিন্দু ধৰ্মৰ উচ্চ বৰ্ণৰ কিছু মানুহে নিম্ন বৰ্ণৰ মানুহক অস্পৃশ্য জ্ঞান কৰে। ঠাণ্ডা দেশৰ মানুহে গৰম দেশৰ ক'লা মানুহক নিন্দা বা ঘৃণা কৰা যেনে অন্যায়, উচ্চবৰ্ণৰ মানুহে নিম্ন বৰ্ণৰ মানুহক ঘৃণা কৰা তেনে অন্যায়। ভগৱানৰ দৃষ্টিত যেতিয়া সকলো মানুহ সমান, মানুহৰ দৃষ্টিতো আমি সকলোকে সমান জ্ঞান কৰিব লাগে। তেতিয়া নিন্দা বা ঘৃণা থাকিব নোৱাৰে। অস্পৃশ্যতাও নেথাকে। জাত-কুল-ধৰ্ম-ব্যৱসায় নিৰ্বিশেষে উচ্চ-নীচ ভাবৰ যি তাৰতম্য, পৰম্পৰা হিচাপে আমাৰ সমাজত বৰ্তি আছে সেই ভেদ ভাব কমাই নি তাক সমূলে ত্যাগ কৰিব পাৰিলেহে ব্যাধিস্বৰূপ সেই অস্পৃশ্যতা দূৰ হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্হিৰে সমাজ গঠন কৰিলে দেশত একতা আৰু সমৃদ্ধি উত্তৰোত্তৰ বৃদ্ধি পাব।

(৪) **খাদী প্ৰচলন ঃ** খোদ বা নিজে সূতা কাটি বৈ লোৱা কাপোৰকে খাদী বোলে। মানুহ জীয়াই থাকিবলৈ আহাৰৰ প্ৰয়োজন, সভ্যতাৰ চিনাকি দিবলৈ কাপোৰৰ প্ৰয়োজন। অন্নই হওক বা বস্ত্ৰই হওক নিজে উৎপাদন কৰি ব্যৱহাৰ কৰাটোত গৌৰব আছে। অসমৰ দৰে বিভিন্ন ৰাজ্যত মানুহে সূতা কাটি কাপোৰ বোৱাৰ অভ্যাস অতীজৰ পৰা আছে। এসময়ত ভাৰতৰ কাপোৰে অন্য দেশত যথেষ্ট সমাদৰ লাভ কৰিছিল। অসমৰ কপাহী, এড়ী, মুগা, পাট-কাপোৰে বিভিন্ন দেশ আৰু বিদেশত সমাদৰ লাভ কৰিছিল। বৃটিছে আমাৰ দেশ লোৱাৰ পিছত তেওঁলোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে ইংলণ্ডত তেনে কাপোৰ তৈয়াৰ কৰি

ভাৰতৰ বজাৰ দখল কৰিলে। আনকি ভাৰতীয়ৰ হাতৰ বুঢ়া আঙুলি পৰ্যন্ত কাটি উৎপাদনত ব্যাঘাত জন্মাইছিল। ফলত ব্যৱসায়িক ভিত্তিত যিসকল তাঁতীয়ে কাপোৰ উৎপাদন কৰিছিল, সেইসকল অৰ্থনৈতিক ক্ষেত্ৰত জুৰুলা হ'ল। বস্ত্ৰৰ ক্ষেত্ৰত দেশখনক পৰনিৰ্ভৰশীল নহৈ স্বাৱলম্বী কৰিবৰ কাৰণে মহাত্মা গান্ধীয়ে এই বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰি কংগ্ৰেছ কৰ্মীসকলক খদ্দৰ উৎপাদন আৰু পৰিধান বাধ্যতামূলক কৰি গাঁও-ভূঁইলৈ ইয়াৰ ব্যাপকতা বঢ়াই তুলিলে। মহাত্মাৰ বাণী সাৰোগত কৰি দেশৰ সৰ্বসাধাৰণ লোকেও খদ্দৰ কাপোৰ তৈয়াৰ কৰি ব্যৱহাৰ কৰিবলৈ ধৰিলে। ইয়াৰ দ্বাৰা এই শিল্পৰ উন্নতি হ'ল আৰু আৰ্থিকভাৱে জুৰুলা শ্ৰেণীৰ লোক কিছু লাভৱান হ'ল।

(৫) **স্ত্ৰী-উন্নয়ন ঃ** নৰ আৰু নাৰী উভয়ে মিলি পূৰ্ণ মানৱ। নাৰী গুণ-গৰিমাৰে মহান হ'লেও তেওঁক মহিলা বুলি কোৱা হয়। মহাত্মা গান্ধীয়ে নাৰীক তিৰোতা নুবুলি মহিলা বুলিবলৈ উপদেশ দি গৈছে। পৃথিৱীৰ সকলো দেশতে পুৰুষ আৰু মহিলাৰ সংখ্যা কম-বেছি অনুপাতে প্ৰায় সমান। শাৰীৰিক গঠনৰ ফালৰ পৰা মহিলা পুৰুষতকৈ কিছু কোমল আৰু দুৰ্বল হ'লেও মানসিক ক্ষেত্ৰত পিছপৰা নহয়। ৰজাক যেনেকৈ মন্ত্ৰীৰ মন্ত্ৰণা অপৰিহাৰ্য, পুৰুষকো তেনেকৈ মহিলাৰ মন্ত্ৰণা অপৰিহাৰ্য। অসমীয়াত এফাকি কথা আছে, 'তিৰীয়ে পুৰুষে হ'বা একে মতি, তেহে সিজিব হৰিত ভকতি।' অকল হৰিত ভকতি সিজাই নহয়, বৰঞ্চ এই বচন ফাকিৰ দ্বাৰা সকলো ক্ষেত্ৰতে পুৰুষ আৰু মহিলা মিলি আলোচনা-বিলোচনা কৰি সংসাৰৰূপী যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হৈ কৃতকাৰ্যতা লাভ কৰিব পাৰে। আধ্যাত্মিক, ৰাজনৈতিক, সমাজিক সকলো ক্ষেত্ৰত অতীজৰে পৰা নাৰীৰ অবদান আছে। ভাৰতবৰ্ষত নাৰীৰ মৰ্যাদা মহান, অথচ এই দেশতে নাৰী বহুত পিছপৰা। নাৰী পুৰুষৰ ভোগ-বিলাসৰ সামগ্ৰী হ'ব নেলাগে আৰু তেওঁলোকক কঠোৰ শাসনো কৰিব নেলাগে। নাগৰিক হিচাপে পুৰুষ-মহিলা উভয়েই নিজ গুণ গৰিমাৰে মহিমামণ্ডিত আৰু সমানে স্বাধীন। এই ক্ষেত্ৰত পুৰুষসকলে নাৰীসকলক প্ৰগতিৰ সকলো দিশতে আগবাঢ়ি যাব পৰাকৈ সুযোগ সুবিধা দিয়া উচিত। পূৰ্ণ পৰ্যায়ৰ উন্নত সমাজ গঢ়িবৰ বাবে মহাত্মাই স্ত্ৰী উন্নয়নত গুৰুত্ব আৰোপ কৰিলে।

(৬) **নিৰক্ষৰতা দূৰীকৰণ ঃ** লিখা-পঢ়া কৰিব নজনা মানুহক নিৰক্ষৰ বুলি কোৱা হয়। অন্যান্য জীৱ-জন্তুৰ দৰে মানুহৰো স্বাভাৱিক স্থান থাকে; কিন্তু এই

সীমিত জ্ঞান মানুহৰ কাৰণে যথেষ্ট নহয়। এই জ্ঞান শাস্ত্ৰ আৰু বিজ্ঞ লোকৰ পৰা লাভ কৰিব পাৰি। মানুহে সকলো বিষয়তে পৰিপূৰ্ণ জ্ঞান অৰ্জন কৰিব নোৱাৰিলেও প্ৰয়োজনীয় জ্ঞান লাভ কৰিবলৈ পুথি বা বিজ্ঞ লোকৰ কাষ চাপিব লাগে। উন্নত আৰু শিক্ষাৰ জগতত নিজক আৰু পৰিয়ালৰ লগত খাপ খুৱাই চলিবলৈ অক্ষৰ জ্ঞান থাকিব লাগে। লিখা-পঢ়া নজনা লোকে সময়ে সময়ে ঠোকৰ খাব লাগে। পৰাধীন ভাৰতৰ অশিক্ষিত মানুহে স্বাধীনতা কি তাক বুজি পোৱা নাছিল। একোখন গাঁৱত মাত্ৰ দুই-এজন লোকেহে লিখা-পঢ়া কৰিব জানিছিল। দেশ স্বাধীন হ'লে দেশ চলাবলৈ মানুহ শিক্ষিত আৰু কাৰিকৰী জ্ঞানৰ অধিকাৰী হ'ব লাগিব। দেশৰ প্ৰশাসন, জ্ঞান-বিজ্ঞান আদিত দেশখন আগবঢ়াই নিবলৈ সকলো মানুহেই শিক্ষিত হ'ব লাগিব। এই কাৰণে মহাত্মাই দেশৰ নিৰক্ষৰতা দূৰ কৰিবলৈ সকলো ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষা কামনা কৰিছিল; আনকি গাঁৱে-ভূঞে থকা সকলো পুৰুষ-মহিলা, যিসকল নিৰক্ষৰ আছিল তেওঁলোককো অক্ষৰ জ্ঞান দিবৰ বাবে কংগ্ৰেছ কৰ্মী আৰু শিক্ষিত লোকসকলক এই কামৰ ভাৰ দিছিল। তেতিয়া ঘৰুৱাভাৱেই হওক বা আনুষ্ঠানিকভাৱেই হওক (নৈশ বিদ্যালয়) এই কাম কৰ্মীসকলে কৰিছিল।

(৭) **ৰাষ্ট্ৰভাষা** ঃ সকলো দেশতে দেশৰ শাসনকাৰ্য চলাবলৈ একোটা ৰাজকীয় ভাষাৰ দৰকাৰ। যেনেকৈ ইংলেণ্ডত ইংৰাজী চৰকাৰী ভাষাৰে দেশৰ শাসনকাৰ্য চলাইছে, আৰু ভাৰতবৰ্ষতো সেই ভাষাৰেই ৰাজকাৰ্য চলাইছে তেনেকৈ আমাৰ দেশ স্বাধীন হ'লে এই দেশতো এটা চৰকাৰী ভাষাৰ প্ৰয়োজন অনুভৱ কৰি মহাত্মাই ভাৰতবৰ্ষত সৰহসংখ্যক লোকে ব্যৱহাৰ কৰা হিন্দী ভাষাৰ লগতে উৰ্দ্দু ভাষাৰ সমন্বয় ঘটায় এটা ৰাষ্ট্ৰভাষা প্ৰৱৰ্তন কৰি সমস্ত ভাৰততে এই ভাষা শিকিবলৈ আৰু শিকাবলৈ ব্যৱস্থা কৰিলে। অৱশ্যে প্ৰতি ৰাজ্যতে ৰাজ্যিক ভাষা অব্যাহত থাকিব।

(৮) **কুটীৰ শিল্প** ঃ কুটীৰ বা সাধাৰণ পঁজাঘৰত থাকি, খেতি বা ঘৰুৱা কামকাজত ব্যৱহাৰ কৰিব পৰা সঁজুলি বা আহিলাপাতি যিকোনো সময়ত তৈয়াৰ কৰা হয় তাকে কুটীৰ শিল্প বোলে। এইবিলাক বস্তু সাধাৰণতে সোণ, ৰূপ, তাম, পিটল, নিকেল, কাঁহ, হাতীৰ দাঁত, মূল্যবান পাথৰ, লোহা, কাঠ, বাঁহ, মাটি, বেত, গছৰ পাত আদিৰে তৈয়াৰ কৰা হয়। প্ৰতি পৰিয়ালৰ লোকেই এইবিলাক শিল্পৰ শিক্ষা গ্ৰহণ কৰি ঘৰৰ আৱশ্যকতা পূৰাব পাৰে আৰু অতিৰিক্তখিনি বিক্ৰী

কৰি অৰ্থ উপাৰ্জন কৰিব পাৰে। সূতাকটা, কাপোৰ বোৱা, নক্সা অঁকা, মূৰ্তি তৈয়াৰ কৰা এইবোৰো শিল্প। বৃহৎ শিল্প উদ্যোগবিলাকত কম মানুহে, কম সময়ৰ ভিতৰত বহুত বস্তু উৎপাদন কৰি শিপিনিসকলে পুঁজিপতি হ'ব পাৰে। বৃহৎ উদ্যোগবিলাকৰ পৰা সৰ্বসাধাৰণ ৰাইজ আৰ্থিকভাৱে বেছি উপকৃত নহয়। মহাত্মাই কুটীৰ শিল্পৰ ওপৰত এই কাৰণেই জোৰ দিছিল যাতে নিজৰ ঘৰখন আৰু গাঁওখনৰ কাৰণে প্ৰয়োজনীয় বস্তুখিনিৰ কাৰণে লোকৰ ওচৰত হাত নপতাকৈ নিজৰ ঘৰতে তৈয়াৰ কৰি ল'ব পাৰে। তেতিয়াহে পৰিয়াল তথা দেশৰ উন্নতি হ'ব।

**(৯) মাদক দ্ৰব্য বৰ্জন :** সাধাৰণতে কানি, মদ, ভাং জাতীয় বস্তু মাদক দ্ৰব্য বা ৰাগীয়াল বস্তু বুলি ধৰা হয়। অসমীয়া কিছু লোকে কানি খোৱা দেখি বৃটিছ চৰকাৰে কানিক ব্যৱসায় স্বৰূপে লৈ নিজৰ দেশ চহকী কৰিবলৈ আফুখেতি কৰি কানি তৈয়াৰ কৰি সেইবিলাকৰ মহল খুলি মানুহবোৰক কানি খুৱাই মনুষ্যত্ব লোপ পোৱাবলৈ ধৰিছিল। সেইদৰে মদ আৰু ভাঙৰ ব্যৱসায়ো তেওঁলোকৰ হাতলৈ নি সেইবোৰ উৎপাদন কৰি ঠায়ে ঠায়ে মহল পাতি বিক্ৰী কৰিবলৈ ধৰিলে। মদ খোৱা মানুহৰ যেনেকৈ হিতাহিত জ্ঞান কম আৰু অমাৰ্জিত কাম কৰে ভাং খোৱা মানুহৰো বিবেচনা শক্তি লোপ পায়। ভাৰতবাসীক ৰাগীয়াল বস্তু খুৱাই, মানুহবোৰক অকৰ্মণ্য কৰি দেশত শাসন প্ৰৱৰ্তন কৰি থকাই আছিল বৃটিছ জাতিৰ উদ্দেশ্য। মহাত্মা গান্ধীয়ে ভাবিলে এই ৰাগীয়াল বস্তু খালে মানুহবিলাকৰ বুদ্ধি-বৃত্তি লোপ পাব। দেশবাসী স্বাস্থ্যহীন আৰু দুৰ্বল হ'ব, তেনে মানুহৰ দ্বাৰা স্বৰাজো টিকাই ৰখা টান হ'ব। গতিকে এইবিলাক বস্তু ত্যাগ কৰিবলৈ, প্ৰচাৰ আৰু যত্ন ল'বলৈ ইয়াক গঠনমূলক কাৰ্যসূচীৰ অন্তৰ্ভুক্ত কৰিলে।

**(১০) পঞ্চায়তীৰাজ স্থাপন :** মহাত্মা গান্ধীয়ে গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ কাৰণে পঞ্চায়তীৰাজৰ কল্পনা কৰিছিল। গাঁৱে গাঁৱে প্ৰাপ্তবয়স্ক লোকৰ দ্বাৰা পঞ্চায়ত গঠন কৰা ইয়াৰ উদ্দেশ্য। ইয়াৰ সদস্যসকল স্বাভাৱিকতে সত্যৰ প্ৰতি আগ্ৰহ থকা লোক হ'ব লাগিব। এওঁলোক নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্বাচিত হ'ব। পঞ্চায়তলৈ ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা হ'ব। পঞ্চায়তে গাঁওখনৰ শিক্ষা, আলি-পদূলি, খেতি, চিকিৎসা আদি বিষয়ত গাঁৱলীয়া ৰাইজক সকলো প্ৰকাৰে সহায় কৰিব। এই পঞ্চায়তত বিচাৰ, প্ৰশাসন আৰু সৰ্বধৰ্মৰ প্ৰতি সমান অধিকাৰ থকা আইন তৈয়াৰ কৰা সংক্ৰান্ত ক্ষমতা থাকিব। গাঁও পঞ্চায়তৰ আৰ্হিৰেই জিলা

পঞ্চায়ত আৰু ৰাষ্ট্ৰীয় পঞ্চায়ত গঠন হ'ব।

এই গাঁও পঞ্চায়তসমূহে উল্লিখিত দফাসমূহৰ উপৰি (১১) বুনিয়াদী শিক্ষা, (১২) চাফাই, (১৩) কৃষি, (১৪) স্বাস্থ্য, (১৫) মাতৃভাষা উন্নয়ন, (১৬) প্ৰাকৃতিক চিকিৎসা, (১৭) পশুপালন, (১৮) মেহতৰ উন্নয়ন। এই ওঠৰ দফা গঠনমূলক কামত আত্মনিয়োগ কৰা কংগ্ৰেছ কৰ্মীসকলৰ দৈনন্দিন কৰ্তব্যৰ ভিত্তৰত আছিল।

মহাত্মা গান্ধীয়ে প্ৰথমতে সবৰমতী আশ্ৰম আৰু তাৰ পিছত সেৱাগ্ৰামত আশ্ৰম পাতি তাত এনেকুৱা কিছুমান কৰ্মী গঢ়িবলৈ ধৰিছিল যে সেইসকল কৰ্মীয়ে উল্লিখিত গঠনমূলক কামৰ প্ৰশিক্ষণ লোৱাৰ উপৰি নিম্নলিখিত একাদশ ব্ৰতত ব্ৰতী হ'ব লাগিব। একাদশ ব্ৰত —

(১) **অহিংসা** ঃ অহিংসা পৰম ধৰ্ম। কোনোৱে কাকো শাৰীৰিক বা মানসিকভাৱে হিংসা কৰিব নালাগে। অহিংসাৰ প্ৰয়োগ অকল মানুহৰ ক্ষেত্ৰতে আবদ্ধ নাৰাখি প্ৰাণী জগতলৈও বিয়পাই দিব লাগে। অহিংসা অমোঘ অস্ত্ৰ।

(২) **সত্য** ঃ সৎ শব্দৰ পৰা সত্য হৈছে। যি সদায় আছে আৰু আগলৈও থাকিব সেয়েই সত্য। গান্ধীজীৰ মতে সত্যই ঈশ্বৰ। মানুহ সত্য পৰায়ণ আৰু ঈশ্বৰ বিশ্বাসী হ'ব লাগে। সত্যৰ সদায় জয়।

(৩) **ব্ৰহ্মচৰ্য্য** ঃ শৰীৰৰ ইন্দ্ৰীয়বোৰ সংযম কৰি স্বাস্থ্যৰ উন্নতি সধা। ব্ৰহ্মচৰ্য্য পালন কৰিলে শক্তি বৃদ্ধি পায়; আৰু ঈশ্বৰৰ সান্নিধ্য লাভ কৰিব পাৰি।

(৪) **শৰীৰ শ্ৰম** ঃ জীৱননিৰ্বাহ কৰিবলৈ শ্ৰম কৰিব লাগে। শাৰীৰিক শ্ৰম কৰিলে উৎপাদনৰ উপৰি শৰীৰ আৰু মনৰ উৎকৰ্ষ সাধন হয়। শ্ৰম নকৰাকৈ লোকৰ উপাৰ্জনৰ ওপৰত চলিব নেলাগে। বুদ্ধিজীৱীসকলেও সু-স্বাস্থ্যৰ কাৰণে শ্ৰম কৰিব লাগে।

(৫) **অস্তেয়** ঃ অযাচিতে কোনো বস্তু অপহৰণ নকৰা।

(৬) **অসংগ্ৰহ** ঃ প্ৰয়োজনতকৈ বেছি বস্তু সংগ্ৰহ নকৰা।

(৭) **অস্বাদ** ঃ জিভাৰে সোৱাদ লোৱাত সংযত হোৱা। স্বাস্থ্যৰ উপযোগী পৰিমিত আহাৰ গ্ৰহণ কৰিব লাগে।

(৮) **সৰ্বত্ৰ ভয় বৰ্জন** ঃ অন্যায় আৰু অধৰ্মত চলা মানুহৰ ভয় সৰ্বদায় আৰু সকলোতে আছে। সেই কাৰণে ন্যায় আৰু ধৰ্মত চলিব লাগে। সৎ পথত চলা মানুহৰ ভয়ৰ কাৰণ নাথাকে।

(৯) **সৰ্বধৰ্ম সমানত্ব** ঃ সকলো মানুহৰে নিজা ধৰ্ম আছে। সমাজ ধৰি ৰখা

যি নীতি-নিয়ম সেয়ে ধৰ্ম। এই ধৰ্ম হ'ল— হিন্দু, মুছলমান, খৃষ্টান, বৌদ্ধ, জৈন ইত্যাদি। বেলেগ বেলেগ দেশত বেলেগ বেলেগ ধৰ্মাৱলম্বী লোক আছে যদিও ভাৰতবৰ্ষত সকলো ধৰ্মৰ মানুহ আছে। সকলো ধৰ্মৰ মানুহে ঈশ্বৰ বিশ্বাস কৰে। সকলো ধৰ্মৰ মানুহৰ ঈশ্বৰ একেজনেই। তেৱেঁই সৃষ্টি, স্থিতি, প্ৰলয়ৰ হৰ্তা-কৰ্তা। তেৱেঁই ভগৱান। সেইজন ঈশ্বৰকে নিজ ধৰ্ম অনুযায়ী বিভিন্ন প্ৰকাৰে শ্ৰদ্ধা-ভক্তি নিবেদন কৰে; অৰ্থাৎ বিভিন্ন পদ্ধতিৰে উপাসনা কৰে। সকলো ধৰ্মৰ লোকে নিজৰ ধৰ্মক আৰু এই ধৰ্মৰ লোকক শ্ৰেষ্ঠ আৰু আপোন জ্ঞান কৰে; কিন্তু ভগৱানৰ দৃষ্টি তেনে নহয়। তেওঁৰ দৃষ্টিত সকলো সমান। গতিকে মানুহৰ ক্ষেত্ৰতো সকলোৱে সকলোকে সমান আৰু আপোন জ্ঞান কৰিব লাগে। পৰস্পৰৰ প্ৰতি পৰস্পৰৰ দয়া, কৰুণা আৰু অনুগ্ৰহ থাকিব লাগে। সকলো ধৰ্মৰ প্ৰতি সমান শ্ৰদ্ধা থাকিব লাগে।

**(১০) স্বদেশী ঃ** নিজৰ দেশত জন্ম বা উপাৰ্জন হ'লে তাক স্বদেশী আৰু পৰদেশত হ'লে বিদেশী বোলে। নিজৰ জন্মভূমি বা দেশক মানুহে মাতৃভূমি বুলি মাকৰ নিচিনাকৈ ভাল পাব লাগে। একে মাকৰ সন্তানসকল যেনেকৈ প্ৰত্যেকেই প্ৰত্যেকৰ ককাই-ভাই, বাই-ভনী তেনেকৈ একে দেশত জন্মগ্ৰহণ কৰা লোকসকল ভাতৃসদৃশ, আপোন আৰু স্বদেশী। জাতি বা দেশৰ মঙ্গলৰ কাৰণে নিজ দেশৰ উৎপাদিত বস্তু ব্যৱহাৰ কৰিব লাগে। তেতিয়া দেশৰ উন্নতি হয়।

**(১১) স্পৰ্শভাবনা ঃ** একেটা ধৰ্মৰে মানুহ হ'লেও উচ্চ হিন্দু সকলে নিম্ন হিন্দুসকলক বিশেষকৈ হৰিজনসকলক নোচোৱে। জন্ম হওঁতে সকলো শিশু একেই। সকলোৰে হৃদয়ত জীৱাত্মাৰূপে পৰমাত্মা বা পৰমেশ্বৰ বিৰাজমান। সকলো একেই চৈতন্য। মৃত্যুৰ পিছৰ অৱস্থাও একেই; বিষ্ঠা, পলু, ছাই মাত্ৰ থাকে। গতিকে উচ্চ-নিম্ন, স্পৃশ্য-অস্পৃশ্যৰ ভেদ আহিল ক'ৰ পৰা। বৃত্তি বা ব্যৱসায় লৈ জীৱননিৰ্বাহ কৰিলে বুলিয়েই উচ্চ বা নীচ জ্ঞান হ'ব লাগেনে? মলিয়ন কাম কৰিলে চাফ্-চিকুণ হ'লেই শুদ্ধ হ'ব পাৰে। গতিকে সকলোৱেই শুদ্ধ। বৃত্তি বা ব্যৱসায় নিন্দনীয় নহয়। সিয়ো জগতৰ হিতৰ কাৰণ। সকলোকে ভগৱত জ্ঞান কৰি চোৱা-গজা, সজ আচৰণ মানৱীয় ধৰ্ম।

মহামানৱ মহাত্মা গান্ধীয়ে তৃণমূলৰ পৰা এনেকুৱা এখন সমাজ গঢ়াৰ পৰিকল্পনা কৰিছিল যে সেই সমাজ সেই দেশ ভূ-স্বৰ্গত পৰিণত হ'লহেঁতেন; কিন্তু তেওঁৰ

পিছুৰ অনুগামীসকলে ইয়াৰ দৰ্শন বুজিব নোৱাৰাৰ দোষত সমাজত কলঙ্কৰ চেকা এতিয়াও মাৰ যোৱা নাই।

## ত্ৰিৰঙ্গ পতাকা ঃ

ভাৰতবাসীয়ে মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত ১৯২১ চনত 'ভাৰতবৰ্ষ এটা জাতি' বুলি ভাবিবলৈ চেতনা লাভ কৰিছিল। এক শতাব্দীতকৈও অধিক কাল বৃটিছ জাতিৰ দাসত্বত থাকি ভাৰতবাসীৰ চেতনা লোপ পাইছিল। এই চেতনা জাগৃত কৰিবলৈ সক্ষম কৰাটোৱেই ভাৰত মাতাৰ প্ৰতি গান্ধীজীৰ সৰ্বোচ্চ দান। অন্যান্য স্বাধীন জাতিৰ থকাৰ দৰেই বৃটিছ সাম্ৰাজ্যৰ ভিতৰত ভাৰতভূমিত তেওঁ পৰিকল্পনা কৰিলে, জনসাধাৰণৰ অৰ্থনৈতিক জীৱনৰ প্ৰাণকেন্দ্ৰ স্বৰূপ যঁতৰৰ ছবি থকা জাতীয় ত্ৰিৰঙ্গ পতাকা, যিখন সৰ্বসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতীক। নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে গ্ৰহণ কৰা এই পতাকাৰ তলত সমবেত হৈ ভাৰতবাসীয়ে লাভ কৰিলে জাতীয় চেতনা আৰু স্বৰাজৰ লক্ষ্য স্থলত উপনীত হ'বৰ অদম্য উৎসাহ। সেইদিনাৰ পৰা সকলোৱে হৰ্ষধ্বনি কৰিলে, "ত্ৰিৰঙ্গ পতাকা কী জয়", "মহাত্মা গান্ধীজী কী জয়"।

জাতীয় নিচানৰ কাপোৰখন খদ্দৰৰ। নিচানত থকা ৰং তিনিটাৰ উদ্দেশ্য হ'ল— ওপৰৰ গেৰুৱা ৰঙৰ 'সাহ আৰু ত্যাগ', মাজৰ বগা ৰঙৰ 'সত্য আৰু শান্তি' আৰু তলৰ সেউজীয়া ৰঙৰ উদ্দেশ্য 'বিশ্বাস'। ভাৰতবাসী এই গুণেৰে গুণান্বিত আৰু উদ্দেশ্যপ্ৰণোদিত হ'ব লাগিব। যঁতৰৰ ছবিটোৰ উদ্দেশ্য হ'ল নিজে যঁতৰত সূতা কাটি কাপোৰ বৈ লৈ সেই কাপোৰ পৰিধান কৰি স্বাৱলম্বী কৰা আৰু দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰা। ইয়াৰ দ্বাৰা স্বৰাজৰ ভেটি সুদৃঢ় আৰু যুগমীয়া হ'ব।

## কানি অনুসন্ধান সমিতিৰ তদন্ত ঃ

অসমৰ স্বৰাজ দলে কুলধৰ চলিহাক চেয়াৰমেন, ৰোহিণী হাতীবৰুৱাক ছেক্ৰেটৰী আৰু কৃষ্ণ নাথ শৰ্মাক সদস্যৰূপে লৈ এখন কানি অনুসন্ধান সমিতি গঠন কৰিছিল। এই সমিতিৰ উদ্দেশ্য আছিল সমিতিয়ে গোটেই ৰাজ্যত ঘূৰি অনুসন্ধানপূৰ্বক কানিৰ প্ৰচলন কমোৱা।

কানি অনুসন্ধান সমিতিৰ সদস্যসকল উঃ লক্ষীমপুৰলৈ আহোঁতে বদতি

জাহাজ ঘাটতে তেখেতসকলক সম্বৰ্দ্ধনা জনোৱা হৈছিল। সমিতিৰ সদস্যসকলৰ আগত লক্ষীমপুৰৰ নেতৃস্থানীয় লোকসকলৰ উপৰি চন্দ্ৰশেখৰ দাস, গহন গোস্বামী, হৰিপদ দত্ত আদিয়েও সাক্ষ্য দিছিল। সমিতিৰ সদস্যসকলে কৈছিল "কানীয়াসকলে কানি খাবলৈ একেবাৰতে এৰিব নোৱাৰিলেও, লাহে লাহে কমাই নিলেও এসময়ত ইয়াৰ প্ৰচলন সম্পূৰ্ণ বন্ধ কৰিব পৰা হ'ব। বৃটিছে কানিৰ পৰিমাণ বঢ়াই, কানীয়াৰো সংখ্যা বৃদ্ধি কৰাৰ পৰিবৰ্তে স্থানীয় কংগ্ৰেছ কৰ্মীসকলৰ আপ্ৰাণ চেষ্টাৰ ফলত অলপ দিনৰ ভিতৰতে কানিৰ পৰিমাণ আধালৈ কমাব পৰা হ'ল। কংগ্ৰেছ কৰ্মীসকলে লোৱা ভূমিকাৰ দ্বাৰা কানি বৰবিহ একেবাৰে উঠাই দিব পৰা হ'ব বুলি প্ৰমাণ কৰি দেখুৱা হ'ল। অৱশ্যে কিছুমান কানীয়াৰ কানি খোৱা একেবাৰে বন্ধ কৰা হ'ল।

১৯২৪-২৫ চনত জেনেভাত বহা জাতি সংঘৰ এখন সন্মিলনৰ সিদ্ধান্ত ক্ৰমে চিকিৎসা আৰু বিজ্ঞানৰ ব্যৱহাৰৰ বাহিৰে কানি প্ৰচলন সম্পূৰ্ণ বন্ধ কৰা হ'ল। বৃটিছ ইচ্ছাৰ বিৰুদ্ধে হ'লেও ৰাষ্ট্ৰসংঘৰ সিদ্ধান্ত বৃটিছ চৰকাৰে মানি কানিৰ প্ৰচলন বন্ধ কৰিলে। লগতে অসমীয়া জাতিও নিবীৰ্য্য হোৱাৰ উপক্ৰমৰ পৰা ৰক্ষা পৰিল।

## পাণ্ডু কংগ্ৰেছত যোগদান ঃ

১৯২৬ চনৰ ২৬ ডিচেম্বৰৰ দিনা পাণ্ডুত শ্ৰীনিবাস আয়েঙ্গাৰৰ সভাপতিত্বত বহা নিখিল ভাৰত কংগ্ৰেছ মহাসভালৈ মহাত্মা গান্ধী, সৰোজিনী নাইডু, মহাদেৱ দেশাইকে আদি কৰি মহান নেতাসকল আহি যোগদান কৰিছিল। এই সভালৈ উঃ লক্ষীমপুৰ জিলা কংগ্ৰেছৰ তৰফৰ পৰা সৰ্বেশ্বৰ বৰুৱা, শশীধৰ ফুকন, লক্ষী শৰ্মা বৰুৱা, ৰজনী কান্ত খাৰঘৰীয়া, হৰিপদ দত্ত, গম্ভীৰ চন্দ্ৰ দাস প্ৰমুখ্যে ৫৯ জন স্বেচ্ছাসেৱকে যোগদান কৰিছিল। তেখেতসকলে মহাসভাত প্ৰথমবাৰলৈ যোগদান কৰি নথৈ আনন্দিত হৈছিল। তাৰ পৰা ঘূৰি আহি নিজৰ জিলাত দলৰ সংগঠন আৰু গঠনমূলক কামত আত্মনিয়োগ কৰিলে।

## চাইমন কমিচনলৈ ক'লা পতাকা দৰ্শন ঃ

স্বায়ত্তশাসন প্ৰদানৰ কাৰণে ভাৰতবাসী কিমান উপযুক্ত হৈছে তাৰ অনুসন্ধান কৰি এটা ৰিপৰ্ট দিবলৈ বৃটিছ গবৰ্ণমেণ্টে ১৯২৮ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতলৈ

পঠোৱা চাইমন কমিচন ভাৰতবৰ্ষ পোৱাৰ দিনা তেওঁলোকৰ পৰা সুফল পোৱাৰ আশা কৰিব নোৱাৰি ৩ ফেব্ৰুৱাৰী তাৰিখে কংগ্ৰেছ তথা ভাৰতবাসীয়ে হৰতাল পালন কৰি ক'লা পতাকা দেখুৱাইছিল। উঃ লক্ষীমপুৰ নগৰতো সেইদিনা হৰতাল পালন কৰি ক'লা পতাকা লৈ শোভাযাত্ৰা কৰি 'চাইমন কমিচন গ' বেক্' বুলি প্ৰতিবাদসূচক ধ্বনি দি চৰকাৰক জাননী দিয়া হৈছিল।

## পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ ঃ

১৯২৯ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখে লাহোৰ নগৰীত পণ্ডিত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত বহা ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাত ডাঙি ধৰা পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত হ'ল। দেশৰ ৰাজনৈতিক নেতৃত্বও এই বছৰেই পোনপ্ৰথম বছৰৰ কাৰণে যুৱক দলৰ হাতলৈ গ'ল। ১৯৩০ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে মহাত্মা গান্ধীৰ পৰিকল্পিত আইন অমান্য আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি স্বাধীনতা আন্দোলনৰ বাবে দেশক সাজু কৰিবলৈ মহাত্মা গান্ধীৰ ওপৰত ক্ষমতা অৰ্পণ কৰিলে।

১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰতীয় জনতাই চৰখাযুক্ত ত্ৰিৰঙ্গ পতাকাৰ তলত সমবেত হৈ 'বন্দেমাতৰম' আৰু 'বিজয় বিশ্ব ত্ৰিৰঙ্গ প্যাৰা' এই দুটি জাতীয় গীত গাই নিয়ম-শৃঙ্খলাৰে পতাকা উত্তোলন কৰি, 'ত্ৰিৰঙ্গ পতাকা কী জয়', স্বাধীন ভাৰত কী জয়', আৰু 'মহাত্মা গান্ধীজী কী জয়', এই তিনি জয় দি, ভাৰতৰ আকাশ মুখৰিত কৰি, ভাৰতৰ স্বাধীনতাৰ শপত বাক্য গ্ৰহণ কৰিলে; আৰু লগতে সকলোৱে প্ৰতিজ্ঞা কৰিলে পূৰ্ণ স্বাধীনতা নোহোৱালৈকে 'আমি ভাৰতবাসীয়ে নিজকে সাজু কৰি কংগ্ৰেছৰ নিৰ্দেশত আন্দোলন কৰি যাম। শপত বাক্য — ১৮ (ক)

উঃ লক্ষীমপুৰ নগৰতো সেইদিনা সমগ্ৰ দেশৰ কংগ্ৰেছ কৰ্মীসকলৰ দৰে জাতীয় পতাকাৰ তলত সমবেত হৈ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰি শপতবাক্য ল'লে। এই সংকল্প বাক্য প্ৰতিজন মুক্তিযোদ্ধাই ভাৰতবৰ্ষ স্বাধীন নোহোৱা পৰ্যন্ত, প্ৰতি বছৰৰ ২৬ জানুৱাৰীৰ দিনা জাতীয় পতাকাৰ তলত সমবেত হৈ মুখেৰে উচ্চাৰণপূৰ্বক গ্ৰহণ কৰি জাতিৰ পিতা মহাত্মা গান্ধীৰ নিৰ্দেশ মতে লক্ষ স্থানলৈ আগবাঢ়ি যাবলৈ ধৰিলে। উঃ লক্ষীমপুৰ জিলা কংগ্ৰেছ কৰ্মীসকলেও সমগ্ৰ দেশবাসীৰ দৰেই প্ৰতিজ্ঞাবদ্ধ হৈ জন্মগত স্বত্ব স্বাধীনতা অৰ্জন আন্দোলনত

সেইদিনাৰ পৰা সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ ধৰিলে।

## লোণ আইন অমান্য আন্দোলন আৰু লক্ষীমপুৰ ঃ

লোণ ভাৰতৰ সকলো লোকৰে এবিধ অৰিহাৰ্য খাদ্য সামগ্ৰী। সাগৰৰ পাৰত বসবাস কৰা লোকসকলে সাগৰৰ লুণীয়া পানীৰ পৰা নিমখ তৈয়াৰ কৰি সেই নিমখ দৈনিক খাদ্যৰূপে ব্যৱহাৰ কৰে আৰু আনক বিক্ৰীও কৰে। ইয়াত বৃটিছ জাতিৰ চকু পৰিল। তেওঁলোকে ভাবিলে এই ব্যৱসায়টো কৰিব পাৰিলে নিজৰ দেশ চহকী কৰিব পাৰিব। তেওঁলোকে প্ৰথমে ঘৰুৱাভাৱে তৈয়াৰ কৰা লোণ শিল্পৰ ওপৰত কৰ বহুৱাই দিলে। তাৰ পিছত নিজ দেশত লোণ তৈয়াৰ কৰি সাগৰেৰে জাহাজত আনি ভাৰতত বিক্ৰী কৰিবলৈ ধৰিলে। তাৰ বাবে আইনো প্ৰণয়ন কৰিলে। মহাত্মাই এই অবাঞ্ছনীয় আইন অমান্য কৰিবলৈ সুযোগ পালে। সেয়ে তেখেতে সৰবমতী আশ্ৰমৰ পৰা ভাৰতৰ পশ্চিম উপকূল দাণ্ডি অভিমুখে ১৯৩০ চনৰ ৬ এপ্ৰিলৰ দিনা পদব্ৰজে যাত্ৰা কৰি বিৰাট জনতাৰ মাজত উপস্থিত হ'লগৈ। তেখেতে এটুকুৰা লোণ হাতত লৈ লৱণ আইনৰ বিৰুদ্ধে ৭ এপ্ৰিলৰ পৰা ১৩ এপ্ৰিললৈকে জাতীয় সপ্তাহ বুলি ঘোষণা কৰি সত্যাগ্ৰহ আৰম্ভ কৰিলে। এই কাৰ্যত কৰ্মীসকলৰ বাহিৰেও হাজাৰ হাজাৰ মানুহে সাগৰৰ পানী গৰম কৰি লোণ তৈয়াৰ কৰা কাৰ্যত সহযোগ কৰিলে। পুলিচে জনতাৰ ওপৰত অমানুষিক অত্যাচাৰ চলালে। গান্ধী প্ৰমুখ্যে নেতাসকলক আইন অমান্য কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিলে। লগে লগে সমগ্ৰ ভাৰতজুৰি আইন অমান্য আন্দোলনে তীব্ৰৰূপ ধাৰণ কৰিলে। চৰকাৰে কংগ্ৰেছ অনুষ্ঠান আৰু স্বেচ্ছাসেৱক বাহিনী 'বে-আইনী' ঘোষণা কৰিলে; আৰু লগতে সদৌ ভাৰততে সৰু-বৰ কৰ্মীসকলক ধৰি নি পিঞ্জৰাবদ্ধ কৰিলে। যিবোৰ ৰাজ্যত নিমখ তৈয়াৰ কৰা কাৰবাৰ নাছিল তাত স্থানীয়ভাৱে আইন অমান্য কৰিবলৈ ধৰিলে। অসমেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে।

অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে মহাত্মা গান্ধীৰ ইঙ্গিতত আইন অমান্য কৰিবলৈ ল'লে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী-শিক্ষকসকলৰ উপৰি ৰাইজে আইন অমান্য আন্দোলনত জঁপিয়াই পৰিল। ফলত বহুতে গ্ৰেপ্তাৰ বৰণ কৰিলে।

এই সময়তে লোণ আইন অমান্য আন্দোলন সাগৰৰ পাৰৰ পৰা চৌৰ সদৃশেৰে উজাই আহি লক্ষীমপুৰ জিলা পৰ্যন্ত পালেহি। লক্ষীমপুৰীয়া ৰাইজেও ইয়াত

বাৰুকৈয়ে ভোবোৰা খাব্লে; অৰ্থাৎ আইন অমান্য আন্দোলনত জঁপিয়াই পৰিল।

## কানিংহাম চাৰ্কুলাৰ আৰু লক্ষীমপুৰ ঃ

ছাত্ৰ-ছাত্ৰীসকলে আন্দোলনত যোগ দিয়াৰ কাৰণে সেই সময়ৰ অসমৰ শিক্ষাধিকাৰ মিঃ জে. আৰ. কানিংহামে চাৰ্কুলাৰ এখনৰ যোগে ১৯৩০ চনত অসমৰ ছাত্ৰ-ছাত্ৰীসকলক আন্দোলনত যোগদান কৰিব নোৱাৰাকৈ নিৰ্দেশ জাৰি কৰিলে। এই চাৰ্কুলাৰ মতে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিজ্ঞা পত্ৰত চহী কৰি আন্দোলনত যোগদান নকৰো বুলি লিখি দিব লগা হৈছিল। চাৰ্কুলাৰত বৃত্তি আদি সুবিধা সমূহৰ পৰা বঞ্চিত হোৱাৰ উপৰি অধ্যয়নৰ পৰাও বঞ্চিত হোৱাৰ আদেশ আছিল। এই চাৰ্কুলাৰখনৰ প্ৰতিবাদকল্পে গোটেই অসমজুৰি স্কুল-কলেজত হৰতাল পালন কৰি চাৰ্কুলাৰখন উঠাই ল'বলৈ দাবী জনোৱা হৈছিল। তাৰ কাৰণে অসমৰ অন্যান্য জিলাৰ লগতে লক্ষীমপুৰতো স্কুল পিকেটিং, সভা, শোভাযাত্ৰা অনুষ্ঠিত হৈছিল; পুলিচৰ মাৰপিট চলিছিল আৰু ধৰি নি পিছত এৰি দিছিল। বহু ছাত্ৰই চিৰদিনৰ কাৰণে স্কুল ত্যাগ কৰিছিল।

১৯৩১-৩২ চনত লক্ষীমপুৰ জিলা কংগ্ৰেছৰ সভাপতি লক্ষীনাথ শৰ্মা বৰুৱা আৰু সম্পাদক দেবাজুদ্দিন আহমেদ আছিল। এখেতসকলৰ আহ্বান ক্ৰমে এদিন কাছাৰী ঘৰৰ সন্মুখত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সভাত লোণ কৰ উঠাই ল'বলৈ আৰু কানিংহাম চাৰ্কুলাৰ বাতিল কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰি বৃটিছ কৰ্তৃপক্ষলৈ পঠোৱা হৈছিল। কংগ্ৰেছ কৰ্মীসকলে গাঁৱলৈ গৈ আইন অমান্য আন্দোলন অব্যাহত ৰাখিবলৈ কৰ্মী সংগ্ৰহ কৰা আৰু প্ৰচাৰ কাৰ্যত লাগি গ'ল। কানি মহলবিলাকত কানীয়াক কানি নেখাবলৈ আৰু নিকিনিবলৈ পিকেটিং কৰা হ'ল। খাদী প্ৰচলনৰ কাৰণে খেতিয়কৰ দ্বাৰা কপাহ খেতি কৰোৱা, নেওঠনীৰে কপাহ নেওঠা, কপাহ ধুনা যঁতৰ আৰু টাকুৰীত সূতা কটা আৰু এইবোৰ গাঁৱে গাঁৱে প্ৰদৰ্শন কৰা হৈছিল। তেতিয়াৰ পৰা বহু গাঁৱত বহু পৰিয়ালৰ লোকে খদ্দৰ কাপোৰ উৎপাদন কৰি বহু বছৰলৈকে ব্যৱহাৰ কৰিবলৈ ধৰিলে। ধুতি-চাৰ্ট, ৰিহা-মেখেলা বৈ কাটি লৈ পৰিধান কৰি আনকি আনকো বিক্ৰী কৰি ঘৰ চলাই আনন্দ উপভোগ কৰিবলৈ ধৰিলে। ইয়াৰ লগতে এড়ী, মুগা, পাট পলু পুহি কাপোৰ তৈয়াৰ কৰাতো জোৰ দিয়া হ'ল, আৰু সেইসকল লোকক সমাদৰ কৰা হ'ল। কেৰাচিন তেল আৰু নিমখকণৰ বাহিৰে কৃষিজাত অন্যান্য খাদ্য দ্ৰব্যসমূহ

উৎপাদন কৰি স্বাৱলম্বী কৰি তোলাৰ কাৰণে সেই সময়ৰ কৰ্মীসকলে দেহে-কেহে খাটিছিল। গাঁৱৰ হাই-কাজিয়া গাঁৱতে মীমাংসা কৰিবলৈ, গাঁৱৰ আলি পদূলি গাঁৱৰ ৰাইজৰ দ্বাৰা নিৰ্মাণ আৰু মেৰামতি কৰিবলৈ আৰু বহুতো কামৰ বাবে গাঁৱে গাঁৱে পঞ্চায়ত সমিতি গঠন কৰি এইবিলাক কামৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। ঠায়ে ঠায়ে শিক্ষানুষ্ঠান পাতি দিয়াৰ উপৰি চৰকাৰৰ লগত অসহযোগ কৰিবলৈ ব্যৱস্থা দিয়া হৈছিল।

এদিন উঃ লক্ষীমপুৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট কৰি স্কুলৰ পৰা ওলাই আহি এখন সভা পাতি কানিংহাম চাৰ্কুলাৰ আৰু লোণ কৰৰ প্ৰতিবাদমূলক প্ৰস্তাৱ গ্ৰহণ কৰি শিক্ষাধিকাৰ আৰু চৰকাৰলৈ পঠোৱা হৈছিল। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ নেতৃত্ব বহন কৰিছিল ডুবীয়া অঞ্চলৰ থানেশ্বৰ বৰা, বৰদলনিৰ দুৰ্যোধন হাজৰিকা, উত্তৰ লক্ষীমপুৰৰ গঙ্গাধৰ হাজৰিকা, উমেশ বৰদলৈ, তেলীয়াগাঁৱৰ পদ্মেশ্বৰ হাজৰিকা আদিয়ে। উক্ত সভাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে শোভযাত্ৰা কৰি জয়ধ্বনি দি নগৰ পৰিভ্ৰমণ কৰিছিল। পুলিচে শোভাযাত্ৰাত লাঠি চাৰ্জ কৰি শোভাযাত্ৰা ভঙ্গ কৰি দিলে। থানুৰাম বৰা আৰু দুৰ্যোধন হাজৰিকা দুয়োজনকে নেতৃত্ব লৈ কাম কৰা বাবে স্কুলৰ প্ৰধান শিক্ষকে স্কুলৰ পৰা বহিষ্কাৰ কৰিলে। তদুপৰি এওঁলোকৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি হোৱাত ডিব্ৰুগড়ত এওঁলোক ধৰা পৰি গ্ৰেপ্তাৰ বৰণ কৰিব লগা হ'ল। বিচাৰত এওঁলোক দুয়োজনৰে তিনি মাহকৈ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। গোবিন্দ চন্দ্ৰ বৰাই কলেজৰ পৰা আৰু তীৰ্থেশ্বৰ হাজৰিকাই কলিকতা আইন কলেজৰ পৰা শিক্ষা বৰ্জন কৰি আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিলে।

১৯৩০-৩১ চনৰ আইন অমান্য আন্দোলনত লক্ষীমপুৰ জিলা মহিলা সমিতিৰ সভানেত্ৰী যুগলেশ্বৰী বৰুৱানী, সহ সম্পাদিকা মাধবী লতা বৰুৱানী উভয়ে বিভিন্ন গাঁৱলৈ গৈ মহিলা সমিতি গঠন কৰা, সূতা কাটি কাপোৰ বৈ পৰিধান কৰা আদি গঠনমূলক কামৰ প্ৰচাৰ কৰিছিল। তদুপৰি গৃহস্থীখন স্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ ৰাইজক গোহাৰি জনাইছিল। আইন অমান্য আন্দোলনৰ কথা কৈ ৰাইজৰ সক্ৰিয় সহযোগ বিচাৰিছিল। তেতিয়াৰ পৰাই মহিলাসকলে আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীত সহযোগ কৰিবলৈ ধৰিলে।

এই বছৰতে গহপুৰ অঞ্চলৰ পৰা আইন অমান্য আন্দোলনৰ প্ৰচাৰকৰ দল এটা লক্ষীমপুৰলৈ আহিছিল। এই দলটোত আছিল ডম্বৰু খাউণ্ড, ফণীধৰ খাউণ্ড,

চাকিধৰ নেওগ, গুণদা শৰ্মা, ভুতকুৰি কেওট আৰু ডুবীয়াৰ থানুৰাম বৰা। দলটোৱে তেজীয়াগাঁৱত শিবিৰ পাতিছিল। স্থানীয় লোকসকলে এখেতসকলক আদৰণি জনাই থকা-খোৱাৰ সকলো ব্যৱস্থা কৰি দি প্ৰচাৰ কাৰ্যত সহযোগ কৰিছিল। দলৰ কৰ্মীসকলে গাঁৱে গাঁৱে সভা পাতি সভাত কপাহ ধুনি, সূতা কটা প্ৰদৰ্শন কৰিছিল। কানি, মদ, ভাং আদি ৰাগীয়াল বস্তু ত্যাগ কৰি আইন অমান্য আন্দোলনত অংশগ্ৰহণ কৰিবলৈ ৰাইজক অনুৰোধ কৰিছিল।

এদিন সলালগাঁৱত এখেতসকলৰ উপস্থিতিত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সভাত কৰ্মীসকলে সূত্ৰযন্ত্ৰ আৰম্ভ কৰি সূতা কাটি থাকোতে মহকুমাধিপতি মিঃ হামফ্ৰে চাহাব সশস্ত্ৰ পুলিচ বাহিনী লৈ সভাস্থলীত উপস্থিত হৈ সভাৰ ৰেহৰূপ চাবলৈ ধৰিলে। সভাত থানেশ্বৰ বৰা, ডম্বৰু খাউণ্ড, ৰত্নেশ্বৰ বৰা, তোষেশ্বৰ বৰা, সুনন্দ ফুকন (বৰা), ডিম্বেশ্বৰ বৰা, নৱকান্ত গোস্বামী আৰু নাৰায়ণ চন্দ্ৰ ফুকনে একাদিক্ৰমে লোণ আইন অমান্য আন্দোলন সমৰ্থন কৰি এই আন্দোলনত সক্ৰিয় সহযোগ কৰিবলৈ গোহাৰি জনাইছিল। কানি, মদ, ভাং ৰাগীয়াল বস্তু ত্যাগ কৰি স্বাস্থ্যৰ উন্নতি সাধিবলৈ, মহাত্মা গান্ধীয়ে প্ৰবৰ্তন কৰা ওঠৰ দফা গঠনমূলক কামত আত্মনিয়োগ কৰি সেই কাম নিজৰ গাঁৱৰ উপৰি আন আন গাঁও আৰু নগৰলৈ প্ৰচাৰ আৰু সম্প্ৰসাৰণ কৰিবলৈ অনুৰোধ জনাইছিল। মহকুমাধিপতিয়ে সভা ভঙ্গৰ সময়ত পুলিচ লগাই কৰ্মীসকলক গ্ৰেপ্তাৰ কৰিলে। নাৰায়ণ ফুকন আৰু কেশৰাম বৰাক কম বয়সৰ কাৰণে আধা দজনকৈ বেত দি ৰঙানদী পাৰ কৰি এৰি দিলে। থানেশ্বৰ বৰা আৰু ডম্বৰু খাউণ্ড উভয়কে গ্ৰেপ্তাৰ কৰি নি বিচাৰত এমাহকৈ সশ্ৰম কাৰাদণ্ড বিহিলে। থানেশ্বৰ বৰা কাৰাগাৰৰ পৰা ওলাই অহাৰ পিছত পুনৰ গ্ৰেপ্তাৰ কৰি কেইদিনমান হাজোতত ৰাখি কাছাৰীলৈ অনা-নিয়া কৰি পোন্ধৰ দিনৰ মূৰত সাৱধান কৰি নগৰৰ বাহিৰলৈ নি এৰি দিলে। ৰত্নেশ্বৰ বৰা, তোষেশ্বৰ বৰাক ক্ৰমে ১৫ দিন আৰু ৭ দিন হাজোতত ৰাখি এৰি দিলে। কৰ্মী দলটো গ্ৰেপ্তাৰ কৰাৰ দিনাই সলালগাঁৱৰ ইন্দ্ৰেশ্বৰ শৰ্মাকো গ্ৰেপ্তাৰ কৰি নি মহকুমাধিপতিৰ ওচৰত পুলিচে হাজিৰ কৰাত মহকুমাধিপতিয়ে সতৰ্ক কৰি এৰি দিলে।

## কংগ্ৰেছৰ চাৰিঅনীয়া সভ্য ঃ

১৯৩১ চনৰ ১৫ মাৰ্চৰ দিনা কৰাচীত চৰ্দাৰ বল্লভ ভাই পেটেলৰ সভাপতিত্বত

বহা নিখিল ভাৰত মহাসভাত কংগ্ৰেছৰ নিয়মীয়া সংগঠনৰ কাৰণে চাৰিঅনা (বৰ্তমান ২৫ পইচা) মাচুল লৈ সভ্য ভৰ্তি কৰাৰ নিয়ম প্ৰবৰ্তন কৰা হ'ল। তেতিয়াৰে পৰা ভাৰতবৰ্ষৰ সকলো গাঁও আৰু নগৰত সভ্য ভৰ্তিৰ কাম আৰম্ভ কৰা হ'ল।

লক্ষীমপুৰ জিলাতো কংগ্ৰেছ কৰ্মীসকলে গাঁৱে গাঁৱে গৈ সভ্য ভৰ্তি কৰিবলৈ ধৰিলে। নিয়মীয়া এই সভ্যসকলেৰে জিলা কংগ্ৰেছ, প্ৰাদেশিক কংগ্ৰেছ আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটীবিলাক গঠন কৰা হ'ল। গাঁৱৰ পৰা ৰাষ্ট্ৰ পৰ্যায়লৈকে কংগ্ৰেছ অনুষ্ঠানটো জনসাধাৰণৰ আধাৰস্বৰূপ হৈ গণতান্ত্ৰিক ৰাজনৈতিক অনুষ্ঠানত পৰিণত হ'ল। সৰ্ববৃহৎ এই সংগঠনটো সকলো লোকৰে যোগসূত্ৰ স্বৰূপ হৈ গণতান্ত্ৰিক ৰাজনৈতিক অনুষ্ঠানত পৰিণত হ'ল। ইয়াৰ দ্বাৰা দেশত একতা আৰু সংহতি প্ৰতিষ্ঠা হ'ল। সভ্য ভৰ্তিৰ মাচুলেৰে প্ৰাথমিকৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈকে এটা বৃহৎ পুঁজিও গঠন হ'ল। এই পুঁজিৰে ৰাজনৈতিক আৰু গঠনমূলক কাম কৰিবলৈ যথেষ্ট সহায় হ'ল।

## ৰায়ত সভা ঃ

১৯৩২ চনত ভাৰত চৰকাৰে কংগ্ৰেছক বে-আইনী বুলি ঘোষণা কৰাৰ পিচত অসমত কংগ্ৰেছৰ ৰায়ত সভা গঠন কৰা হ'ল। প্ৰাদেশিক ৰায়ত সভাৰ সম্পাদক যোৰহাটৰ কৃষ্ণ শৰ্মা হ'ল। এই বছৰতে সংগঠন আৰু প্ৰচাৰৰ কামত শৰ্মাদেৱ নাৰায়ণপুৰলৈ আহিছিল। তেখেতৰ সভাপতিত্বত নাৰায়ণপুৰত অনুষ্ঠিত হোৱা নাৰায়ণপুৰ, ঢলপুৰ আৰু খেৰাজখাট মৌজাৰ এখন ৰাজহুৱা সভাত এই তিনিওটা মৌজাৰ কাৰণে এখন ৰায়ত সভা গঠন কৰি দিলে। এই ৰায়ত সভাৰ সভাপতি হৰিপদ দত্ত আৰু সম্পাদক চেনি চন্দ্ৰ শইকীয়া হ'ল। কংগ্ৰেছৰ গঠনমূলক কাৰ্যক্ৰমণিকাই ৰায়ত সভাৰো কাৰ্যক্ৰম হ'ল। ১৯৩৬ চনত এই ৰায়ত সভাৰ তৃতীয় বাৰ্ষিক অধিৱেশন দুলীয়া পথাৰ গাঁৱত মোহন চন্দ্ৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হ'ল। এইবাৰ ৰায়ত সভাৰ কাৰণে সভাপতি আগৰজনকে ৰাখি লীলাৰাম ভূঞাক সম্পাদক পতা হ'ল। ১৯৩৬ চনৰ মাৰ্চ মাহত ফুলনিখাটত এই ৰায়ত সভাৰ চতুৰ্থ বাৰ্ষিক অধিৱেশন হৰিনাৰায়ণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। এই সভাত ৰায়ত সভা ভংগ কৰি দি উক্ত তিনিওটা মৌজাৰ কাৰণে এখন কেন্দ্ৰীয় কংগ্ৰেছ কমিটী গঠন কৰি দিয়া হ'ল। এই সমিতিৰ সদস্যসকল হ'ল—

হৰিপদ দত্ত সভাপতি, লীলাৰাম ভূঞা সম্পাদক, চেনি চন্দ্ৰ শইকীয়া, ৰাম নাৰায়ণ গোস্বামী, লীলাধৰ বৰুৱা, হেমকান্ত দুৱৰা, ভুবনেশ্বৰ বৰা, থানেশ্বৰ গগৈ, পাণীন্দ্ৰ নাথ বৰুৱা আৰু ৰামেশ্বৰ বৰুৱা। লক্ষীমপুৰ জিলা কংগ্ৰেছৰ প্ৰথম শাখা সমিতি এইখনেই।

১৯৩৭ চনৰ এপ্ৰিল মাহত নগৰৰ গোবিন্দ বৰাৰ ঘৰত জিলা কংগ্ৰেছৰ সাধাৰণ সভা বহি নিম্নলিখিত লোকসকলেৰে এখন জিলা কংগ্ৰেছ কমিটী গঠন কৰা হ'ল। এই সমিতিৰ সদস্যসকল হ'ল হেমচন্দ্ৰ হাজৰিকা সভাপতি, নন্দনাথ গোস্বামী সম্পাদক, সৰ্বেশ্বৰ বৰুৱা, তীৰ্থেশ্বৰ হাজৰিকা, হৰিপদ দত্ত, চেনি চন্দ্ৰ শইকীয়া, লীলাৰাম ভূঞা, বিলাস ৰায় খেমানি, মকবুল হুছেইন আৰু গণেশ শৰ্মা। এই বছৰৰ পৰাই নিয়মীয়া চাৰিঅনীয়া সভ্যৰে জিলা কংগ্ৰেছ আৰম্ভ কৰা হ'ল। নাৰায়ণপুৰৰ কেন্দ্ৰীয় শাখা সমিতিখন জিলা কংগ্ৰেছৰ অন্তৰ্ভুক্ত কৰি, বাকীবোৰ মৌজাতো কংগ্ৰেছ কমিটি গঠন কৰিবৰ কাৰণে সিদ্ধান্ত কৰি প্ৰতি মৌজাত সভ্য ভৰ্তিৰ কাম ব্যাপকভাৱে কৰিবলৈ আৰম্ভ কৰা হ'ল। এই বছৰতে বিহপুৰীয়াতো এঁখন মৌজা কমিটী গঠন হ'ল।

## অসহযোগ আন্দোলন ঃ

মহাত্মা গান্ধী দ্বিতীয় মেজমেলত বিফল মনোৰথ হৈ বিলাতৰ পৰা ঘূৰি অহাৰ পিছত কংগ্ৰেছৰ সৈতে পৰামৰ্শ কৰি ১৯৩২ চনৰ আৰম্ভৰ পৰাই 'অসহযোগ আন্দোলন' চলাবলৈ সিদ্ধান্ত কৰিলে। ভাৰত চৰকাৰেও কংগ্ৰেছক পুনৰ বে-আইনী ঘোষণা কৰিলে। লগে লগে মহাত্মা প্ৰমুখ্যে নেতৃবৃন্দক আটক কৰিলে। ভাৰতবাসীয়ে এই অসহযোগ আন্দোলনত সক্ৰিয়ভাৱে সহযোগ কৰিলে। উঃ লক্ষীমপুৰতো কংগ্ৰেছ কৰ্মীসকলে মৌজা আৰু গাঁও পৰ্যায়ত কংগ্ৰেছ সংগঠন আৰু পঞ্চায়তসমূহ গঠন কৰি গঠনমূলক কামত আত্মনিয়োগ কৰিলে আৰু গঠনমূলক কামতো জনসাধাৰণৰ সৈতে সহযোগ আগবঢ়ালে।

## ৰঙা নদীৰ মথাউৰি নিৰ্মাণ ঃ

তেলাহী-কমলাবৰীয়া মৌজাৰ খেতিয়ক ৰাইজে বহু বছৰ ধৰি ৰঙা নদীৰ বানপানীত আক্ৰান্ত হৈ খেতি-পথাৰ ঘৰ-দুৱাৰ আদিত ক্ষতিগ্ৰস্ত হৈ জুৰুলা হৈছিল। চৰকাৰৰ ফালৰ পৰা ইয়াৰ কোনো প্ৰতিকাৰ কৰা নাছিল। গড়মূৰ সত্ৰৰ

সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী প্ৰভুজনাই ৰাইজৰ দুঃখ-দুৰ্গতিৰ খবৰ পাই ১৯৩২ চনত ইয়ালৈ আহি ৰাইজৰ দুখ-দুৰ্গতি দেখি স্থানীয় ৰাইজৰ লগত পৰামৰ্শ কৰি কদমিয়াল গাঁৱত শিবিৰ পাতি তাত থাকি ৰঙা নদীৰ পূব পাৰে এটা মথাউৰি নিৰ্মাণ কৰাৰ সিদ্ধান্ত কৰিলে। এটা নিৰ্দিষ্ট দিনৰ পৰা হেজাৰ হেজাৰ পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে মথাউৰি বান্ধিবলৈ আগবাঢ়ি গ'ল। সত্ৰাধিকাৰজনাই সত্ৰীয়া ভেমক আওকান কৰি দুখীয়াৰ দুখত ম্ৰিয়মান হৈ কৃষক তথা ভক্ত-বৈষ্ণৱৰ কল্যাণৰ কাৰণে মঠাউৰীৰ ঠাইত এপাচী মাটি পেলাই দিয়াৰ লগে লগে জনতাই ভাগে ভাগে মাটি খান্দি মথাউৰি নিৰ্মাণৰ কামত পূৰ্ণ উদ্যমেৰে লাগি গ'ল। এই কামত দূৰ-দূৰণিৰ জনসাধাৰণ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ কৰ্মী, ছাত্ৰ-ছাত্ৰী, শিক্ষক সকলো উবুৰি খাই পৰিল। ৰাইজে শিবিৰ পাতি নিজে নিজে ৰান্ধন-পাতি লৈ খোৱা-থকা, আনন্দেৰে যেন এখন মেলাহে পাতিছিল। কিছুদিনৰ পিছত দহ কিলোমিটাৰ দীঘল মথাউৰিৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ল।

মথাউৰি নিৰ্মাণৰ কাম কৰাৰ সুযোগতে গুৰুজনাই তেখেতৰ বাহৰ প্ৰাংগণত জনতাৰ সেৱা গ্ৰহণ কৰাৰ চলতে ভাৰতৰ জাতীয় কংগ্ৰেছ তথা স্বাধীনতা আন্দোলনৰ বিষয়ে ৰাইজক বুজনি দি সহযোগিতা কৰিবৰ কাৰণে অনুৰোধ জনালে। তেখেতে কংগ্ৰেছৰ সভ্য ভৰ্তি হোৱা, কপাহ খেতি কৰাৰ পৰা আৰম্ভ কৰি কাপোৰ বৈ পৰিধান কৰা, ৰাগীয়াল বস্তু কানি, মদ, ভাং ত্যাগ কৰা, কৃষি আৰু ঘৰুৱা শিল্পত আত্মনিৰ্ভৰশীল হোৱাত গুৰুত্ব দি অসহযোগ আন্দোলনত সহযোগ কৰিবলৈ গোহাৰি জনালে। তেখেতে ধৰ্মৰ বাণীৰ যোগে সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক কথা কৈ জনসাধাৰণৰ মন জয় কৰি সকলোকে অনুপ্ৰাণিত কৰিছিল। প্ৰভুজনাৰ সান্নিধ্য লাভ কৰি ৰাইজসকল কৃতাৰ্থ হৈছিল আৰু বছৰ বছৰ জুৰি হোৱা দুৰ্ভিক্ষৰ পৰা উদ্ধাৰ হ'ল। তেতিয়াৰ পৰাই এই অঞ্চলত কংগ্ৰেছৰ কাম কৰাত সহজ হৈ উঠিল। মথাউৰি নিৰ্মাণ কাৰ্যত ইন্দ্ৰেশ্বৰ শৰ্মাৰ নেতৃত্বত অঞ্চলৰ কংগ্ৰেছ কৰ্মীসকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। মথাউৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠাৰ পিছত তেলাহী আৰু কমলাবৰীয়া মৌজাৰ হেজাৰ হেজাৰ পুৰা মাটি খেতিৰ উপযোগী হ'ল, ঘৰ-বাৰী, ৰাস্তা-পদূলি ৰক্ষা পৰিল। লগে লগে মানুহৰ আৰ্থিক অৱস্থা টনকিয়াল হ'বলৈ ধৰিলে আৰু আনন্দ বিৰাজ কৰিলে।

## কংগ্ৰেছৰ ৰূপালী জয়ন্তী :

ইং ১৮৮৫ চনত প্ৰতিষ্ঠা হোৱা নিঃ ভাঃ কংগ্ৰেছ কমিটীৰ ১৯৩৫ চনত ৫০ বছৰ পূৰ হোৱাৰ বাবে ভাৰতবাসীয়ে সমগ্ৰ দেশতে উৎসাহ-উদ্দীপনাৰে 'ৰূপালী জয়ন্তী' উৎযাপন কৰিলে। লক্ষীমপুৰ জিলা কংগ্ৰেছৰ তৰফৰ পৰা নগৰত আৰু গাঁৱে-ভূঞে পালন কৰা হ'ল। উঃ লক্ষীমপুৰ নগৰত পতা উৎসৱত ঘুণাসুঁতিৰ পৰা অহা মিছিং ৰাইজৰ ডেকা-গাভৰুৰ এটা দল বিলাচৰায় খেমানিৰ নেতৃত্বত উৎসৱত যোগদান কৰিছিল। সেই বছৰতে ব্যাপকভাৱে কংগ্ৰেছৰ সভ্য ভৰ্তি কৰা, ত্ৰিৰংগ পতাকা, ৰঞ্জিত ৰূপালী জয়ন্তীৰ টিকট আৰু খদ্দৰ কাপোৰ বিক্ৰী কৰি পুঁজি সংগ্ৰহ কৰা হৈছিল। এই সংগ্ৰহ কাৰ্যত ৰাইজৰ পৰা অভূতপূৰ্ব সঁহাৰি পোৱা হৈছিল, কংগ্ৰেছ কৰ্মীসকলে ঢলপুৰৰ পৰা আৰম্ভ কৰি মাছখোৱা পৰ্যন্ত নদ-নদী, জান-জুৰি, বোকা-পানী, হাবি-বন অতিক্ৰম কৰি গাঁৱে-গাঁৱে, নামঘৰে-নামঘৰে ৰাইজ গোটাই সূতাকটা প্ৰদৰ্শন কৰা, গঠনমূলক কামত সহযোগিতা কামনা আৰু আন্দোলনত সক্ৰিয় সহযোগিতা বিচৰা হৈছিল। এই কামত একনিষ্ঠ কৰ্মী হৰিপদ দত্ত, হেমকান্ত দুৱৰাই জিলাখনৰ ইমূৰৰ পৰা সিমূৰ পৰ্যন্ত পদব্ৰজে অহা-যোৱা কৰিছিল। গাঁৱৰ জনসাধাৰণে মহাত্মা গান্ধীৰ বাণী, দেশৰ আহ্বান আৰু কৰ্মী দলৰ ত্যাগ আৰু সেৱাৰ আচৰণত আকৃষ্ট হৈ কৰ্মী দলটোক সকলোপ্ৰকাৰৰ সঁহাৰি জনাই আনন্দ উপভোগ কৰিছিল আৰু নিজেও এইবিলাকত অনুপ্ৰাণিত হৈ সহযোগিতা আগবঢ়াইছিল। কৰ্মী দলটোৱে প্ৰচাৰ কাৰ্যত ফুৰোতে বাটত যি দুখ-কষ্ট ভোগ কৰিছিল সেয়া ৰাইজৰ হিয়াভৰা অকুণ্ঠ স্নেহ আৰু শ্ৰদ্ধাত সকলো পাহৰি অধিক প্ৰেৰণাহে লাভ কৰিছিল। এই কৰ্মী দুজনে স্থানীয়ভাৱে যিসকল কৰ্মীৰ সহযোগ পাইছিল, সেইসকলৰ ভিতৰত লগৰীয়া আছিল ৰাংচলীয়া গাঁৱৰ নিভাজ কৰ্মী কনক চন্দ্ৰ গায়ন।

## নতুন সংগঠনসমূহ :

**১। কংগ্ৰেছ ছচিয়েলিষ্ট বা কংগ্ৰেছ সমাজবাদী দল :** কংগ্ৰেছ ডেকা দলৰ নেতা জয়প্ৰকাশ নাৰায়ণ, অচ্যুত পটবৰ্দ্ধন, অশোক মেহতা কংগ্ৰেছ ছচিয়েলিষ্ট পাৰ্টিৰ উদ্যোক্তা। ১৯৩৪ চনৰ মে' মাহত এই পাৰ্টিৰ জন্ম হৈছিল। এই বছৰৰ ১৭ মে'ত পাটনা চহৰত এই পাৰ্টিৰ প্ৰথম অধিৱেশন বহিছিল। ইয়াৰ সাধাৰণ সম্পাদক আছিল জয়প্ৰকাশ নাৰায়ণ। এই পাৰ্টিৰ উদ্দেশ্য আছিল বৃটিছ সাম্ৰাজ্যবাদ

বাহিৰত থাকি ভাৰতক সাৰ্বভৌম স্বাধীনতা অৰ্জন কৰা; আৰু সমাজবাদৰ আহিঁত এখন নতুন সমাজ গঠন কৰা। প্ৰথম উদ্দেশ্য কংগ্ৰেছৰ লগত মিল আছিল; কিন্তু দ্বিতীয় উদ্দেশ্যত সন্নিৱিষ্ট আছিল ৰাজনৈতিক স্বাধীনতা লাভৰ পিছত অৰ্থনৈতিক স্বাধীনতা উপলব্ধি কৰিবলৈ, এখন শোষণমুক্ত শ্ৰেণীহীন সমাজ গঢ়া। সমাজত প্ৰচলিত অন্যায়, অবিচাৰ আৰু অসাম্য দূৰ কৰা। কংগ্ৰেছ ছচিয়েলিষ্ট পাৰ্টি গঠন হোৱাৰ পিছত ডেকাৰ এটা দল আঁতৰি গৈ কামত লাগিছিল যদিও এই দলে প্ৰাধান্য লাভ কৰিব পৰা নাছিল।

২। **মুছলিম লীগ ঃ** ভাৰতবাসীক ভাগ ভাগ কৰি শাসন বৰ্তাই ৰাখিবলৈ বৃটিছ চৰকাৰৰ পৃষ্ঠপোষকতাত মুছলিম লীগ গঠন হ'ল। এই দলৰ নেতা কায়দে আজম মিঃ জিনাই গোড়া মুছলমানৰ মাজত এই লীগ স্থাপন কৰিছিল। লীগৰ উদ্দেশ্য আছিল বৃটিছ চৰকাৰৰ প্ৰতি মুছলমানসকলৰ বশ্যতা অটুট ৰখা আৰু মুছলমানসকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে হিন্দু বা অন্যান্য সম্প্ৰদায়ৰ বিৰোধ কৰা। পিছলৈ মুছলমানসকলৰ কাৰণে 'পাকিস্তান' নামৰ এখন ৰাষ্ট্ৰ বৃটিছৰ পৃষ্ঠপোষকতাত দাবী কৰা। ভাৰতৰ স্বাধীনতা আন্দোলনত এই দলৰ বৰঙণি নাছিল।

৩। **হিন্দু মহাসভা ঃ** ব্ৰিটিছ গৱৰ্ণমেণ্টৰ সৌজন্যত পক্ষপাতিতা অৱলম্বন কৰি থিয় দিয়া মুছলিম লীগৰ প্ৰতিকূলে কংগ্ৰেছ তথা হিন্দুৰ স্বাৰ্থ, স্বত্ব আৰু ঐক্য ৰক্ষা কৰিবলৈ গোড়া হিন্দুসকলৰ মাজত বীৰ বিনায়ক সভাৰকাৰে হিন্দু মহাসভা গঠন কৰিলে। ইয়াৰ বাহিৰেও আৰু কিছুমান সাম্প্ৰদায়িক, ৰাজনৈতিক অনুষ্ঠান গঢ় লৈ উঠিছিল।

## আইন অমান্য আন্দোলন ঃ

১৯৩০ চনত আৰম্ভ হোৱা আইন অমান্য আন্দোলন অবিৰাম গতিত চলি থকাৰ সময়ত মহাত্মা গান্ধী যেৰভাদা জেলত আৱদ্ধ হৈ থাকোতে বৃটিছ গৱৰ্ণমেণ্টে অনুসূচিত সম্প্ৰদায়ৰ লোকক হিন্দু সমাজৰ পৰা বাহিৰ কৰি বেলেগ ভোটাধিকাৰৰ ব্যৱস্থা কৰাত আৰু হিন্দু সমাজত বৰ্তি থকা অস্পৃশ্যতাৰ চেকা গুচাবলৈ তেখেতে আমৰণ অনশন আৰম্ভ কৰিছিল। ইয়াত অনুতপ্ত হৈ উচ্চ হিন্দু আৰু নিম্ন হিন্দুৰ নেতাসকল পুনা নামৰ ঠাইত সমবেত হৈ আইন সভাবিলাকত আসন সংৰক্ষণ ৰাখি প্ৰাৰ্থীসকল সদৌ হিন্দু সমাজৰ উমৈহতীয়া ভোটৰ দ্বাৰা নিৰ্বাচন কৰা হ'ব

বুলি কৰা চুক্তি বৃটিছ চৰকাৰে মানি লোৱাত মহাত্মা গান্ধীয়েও সন্তোষ প্ৰকাশ কৰি অনশন ভংগ কৰিলে; কিন্তু এই চুক্তিৰ দ্বাৰা অস্পৃশ্যতাৰ চেকা সমাজৰ পৰা আঁতৰ নোহোৱাত মহাত্মাই দ্বিতীয়বাৰ ১৯৩৩ চনৰ মে' মাহত একৈশদিনীয়া অনশন আৰম্ভ কৰিলে। অনশনৰ কাৰণ আছিল হিন্দুৰ গোড়ামী, অন্ধবিশ্বাস, সংকীৰ্ণতাৰ এলান্ধু গুচাবলৈ মহাত্মা প্ৰায়চিত্ত স্বৰূপ। এইবাৰ মহাত্মাই আইন অমান্য আন্দোলন ছমাহৰ কাৰণে স্থগিত ৰাখি কংগ্ৰেছ কৰ্মীসকলক অস্পৃশ্যতা নিবাৰণত গুৰুত্ব দি কাম কৰিবলৈ উপদেশ দিলে। অনশনৰ শেষত গান্ধীজী কাৰাগাৰৰ পৰা মুক্ত হ'ল। অসমত যদিও অস্পৃশ্যতাৰ তীব্ৰতা নাছিল তথাপিও কংগ্ৰেছ কৰ্মীসকলে অস্পৃশ্যতা নিবাৰণৰ বিষয়ে জনসাধাৰণৰ মাজত প্ৰচাৰ চলালে। মহাপুৰুষ শঙ্কৰদেৱেই অস্পৃশ্যতা আৰু সাম্প্ৰদায়িকতাৰ চেকা অসমীয়া সমাজৰ পৰা আঁতৰ কৰি মানৱতাৰ দৃষ্টিত আদৰ্শ সমাজৰ আৰ্হি প্ৰতিষ্ঠা কৰি গৈছিল। এই ক্ষেত্ৰত লক্ষীমপুৰীয়া ৰাইজেও অস্পৃশ্যতা মহাপাপৰ পৰা সমূলঞ্চে নিষ্কৃতি লাভ কৰিবৰ কাৰণে অহোপুৰুষাৰ্থ কৰিবলৈ ধৰিলে।

## ভাৰতৰ শাসন সংস্কাৰ আৰু নিৰ্বাচন ঃ

১৯৩৫ চনত বৃটিছ চৰকাৰে ভাৰতৰ শাসন সংস্কাৰৰ কাৰণে গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট নামৰ এখন আইন পাছ কৰিলে। এই আইন মতে প্ৰদেশ আৰু দেশীয় ৰাজ্যসমূহক স্বায়ত্ত শাসন দিয়াৰ কথা। কংগ্ৰেছে নিৰ্বাচনৰ যোগে আইন সভাসমূহ অধিকাৰ কৰিব পাৰিলে কংগ্ৰেছৰ উদ্দেশ্য কিছু সাফল্যমণ্ডিত হ'ব বুলি আশা কৰি এই নিৰ্বাচনত সহযোগ কৰিলে। যথাসময়ত নিৰ্বাচন অনুষ্ঠিত হ'ল। ১৯৩৭ চনত অসমকে ধৰি ভাৰতৰ আঠখন প্ৰদেশত কংগ্ৰেছে বিধানসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰি মন্ত্ৰীসভা গঠন কৰিলে। এই বিধানসভালৈ লক্ষীমপুৰীয়া ৰাইজে সৰ্বেশ্বৰ বৰুৱাক জয়যুক্ত কৰি পঠালে।

মহাত্মা গান্ধীয়ে কিছুদিন ৰাজনীতিৰ পৰা আঁতৰি থাকি গঠনমূলক কাম বিশেষকৈ হৰিজন সেৱাত আত্মনিয়োগ কৰিছিল। গান্ধীবাদী নেতা আৰু কৰ্মীসকলে আদৰ্শ আৰু নীতি অনুসৰণ কৰি সংগঠন আৰু প্ৰচাৰৰ জৰিয়তে কংগ্ৰেছৰ শক্তি বৃদ্ধি কৰি স্বাধীনতাৰ ভেটি নিৰ্মাণত জোৰ দিলে। লক্ষীমপুৰো এই ক্ষেত্ৰত পিছপৰি নেথাকিল। ইয়াৰ কংগ্ৰেছ কৰ্মীসকলেও গাঁৱে গাঁৱে সভা-সমিতি পাতি মহাত্মাই দেশবাসীলৈ জনোৱা আহ্বান আৰু কংগ্ৰেছৰ কাৰ্যাৱলী ৰাইজক বুজাই

দিছিল। প্ৰয়োজন বিশেষে গাঁৱৰ শান্তি-শৃংখলা ৰক্ষাৰ কাৰণে গাঁও পঞ্চায়ত গঠন, ৰাস্তা-পদূলি নিৰ্মাণ আৰু মেৰামতি কৰা, নিৰ্মল পানীৰ ব্যৱস্থা কৰা, খাদী আৰু কুটীৰ শিল্পত জোৰ দিয়া আদি কামবোৰ কৰা হৈছিল।

১৯৩৭ চনৰ ডিচেম্বৰ মাহত তাঁতিবাহৰত মহাদেৱ শৰ্মাৰ সভাপতিত্বত উঃ লক্ষীমপুৰ জিলাৰ প্ৰথম ৰাজনৈতিক সন্মিলন দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছিল। গোটেই জিলা কংগ্ৰেছৰ প্ৰতিনিধিসকল আৰু স্থানীয় ৰাইজৰ সমাগমত দুয়োদিন সভাস্থলী লোকাৰণ্যত পৰিণত হৈছিল। এই সন্মিলনৰ প্ৰভাৱ গোটেই জিলাত বিশেষকৈ পশ্চিম অঞ্চলত বিশেষভাৱে পৰিছিল।

এই বছৰ বিহপুৰীয়া মৌজা কংগ্ৰেছ কমিটী গঠন কৰা হৈছিল। ইয়াৰ সভাপতি লোকনাথ গোস্বামী আৰু সম্পাদক গোলাপ শৰ্মা আছিল। সদস্যসকল আছিল, গোলোক চন্দ্ৰ বৰুৱা, ডম্বৰুধৰ হাজৰিকা, যজ্ঞেশ্বৰ পূজাৰী, সূৰ্যপ্ৰসাদ গুপ্ত আৰু শোভন চন্দ্ৰ শাস্ত্ৰী।

বিহপুৰীয়া মৌজা কংগ্ৰেছৰ যত্নত ১৯৩৯ চনৰ মে' মাহৰ সাত তাৰিখে বিহপুৰীয়া সংযুক্ত মজলীয়া স্কুলত লক্ষীমপুৰ জিলাৰ দ্বিতীয় ৰাজনৈতিক সন্মিলন অনুষ্ঠিত হৈছিল। সন্মিলনত সভাপতিত্ব কৰিছিল অসমৰ বিখ্যাত গান্ধীবাদী নেতা যোৰহাটৰ কৃষ্ণনাথ শৰ্মাদেৱে। বিশিষ্ট কংগ্ৰেছ কৰ্মী হৰিনাৰায়ণ বৰুৱা, শশীধৰ মলীয়া বৰুৱাও সন্মিলনত যোগদান কৰি সভাৰ গুৰুত্ব আৰু সৌষ্ঠৱ বৃদ্ধি কৰিছিল। এই সন্মিলন উদ্বোধন কৰিছিল সংসদী সদস্য ভুলাভাই দেশাই দেৱে। এই সন্মিলনখন লোকনাথ গোস্বামী আৰু যোগেশ্বৰ বৰুৱাৰ বিশেষ যত্নৰ ফলত সু-সম্পন্ন হৈছিল। সেই সময়ত বাহুল্যভাৱে পতা এই সন্মিলনবোৰৰ পৰা কংগ্ৰেছৰ শক্তি বৃদ্ধি হোৱাৰ উপৰি জনসাধাৰণে দেশৰ পৰিস্থিতি সম্পৰ্কে বহু কথা জানিছিল। কংগ্ৰেছ কৰ্মীসকলে কাম কৰিবলৈ সহজ হৈ পৰিছিল আৰু কামো আগবাঢ়িছিল। কংগ্ৰেছৰ সংগঠন আৰু প্ৰচাৰৰ কামত অন্য জিলাৰ পৰা নেতাসকলৰ উপৰি ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, বিজয় চন্দ্ৰ ভাগৱতী, অমিয় কুমাৰ দাস আদি নেতাসকল সময়ে সময়ে আহি উত্তৰ লক্ষীমপুৰৰ বিভিন্ন ঠাইত সভা-সমিতি পাতি ৰাইজ আৰু কংগ্ৰেছ কৰ্মীসকলক উৎসাহিত কৰিছিল।

## জৱাহৰলাল নেহৰুৰ আগমন :

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি পণ্ডিত জৱাহৰলাল নেহৰু কংগ্ৰেছৰ

কাৰ্যাৱলীৰ প্ৰসাৰ আৰু সংগঠন সফল কৰি তুলিবৰ কাৰণে ১৯৩৭ চনৰ ২৭ নৱেম্বৰ তাৰিখে আহি গুৱাহাটী পাইহি। তাৰ পৰা তেওঁ ফকৰুদ্দিন আলী আহমদ আৰু গোপীনাথ বৰদলৈৰ সৈতে যোৰহাট হৈ উঃ লক্ষীমপুৰলৈ আহে। তেওঁক আদৰণি জনোৱাৰ উদ্দেশ্যে আগতেই থানেশ্বৰ গগৈ আৰু পূৰ্ণানন্দ দত্তক যোৰহাটত হৰিনাৰায়ণ বৰুৱাৰ ওচৰত সেৱা দলৰ প্ৰশিক্ষণ লোৱাই অনা হৈছিল। এখেতসকল দুয়োজনে প্ৰশিক্ষণ দি লক্ষীমপুৰতো এটা সেৱা দল বাহিনী গঠন কৰিছিল। এই সেৱা দল বাহিনীয়ে হেজাৰ হেজাৰ জনতা সমন্বিতে জৱাহৰলাল নেহৰুক গড়েহগা তিনিআলিৰ পৰা আদৰি আগবঢ়াই আনি নগৰৰ উচ্চ ইংৰাজী স্কুলৰ খেলপথাৰৰ সভামণ্ডপত সমবেত হোৱা বিৰাট জনতাৰ মাজত পণ্ডিত নেহৰুক সম্বৰ্দ্ধনা জনোৱা হৈছিল। পণ্ডিতজীয়ে ভাষণ প্ৰসংগত ৰাইজক কংগ্ৰেছৰ সভ্য ভৰ্তি হৈ কংগ্ৰেছক শক্তিশালী কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত অৰিহণা যোগাবলৈ অনুৰোধ কৰিছিল। সমবেত ৰাইজ আৰু কৰ্মীসকলে নেহৰুজীৰ সান্নিধ্য আৰু দৰ্শন লাভ কৰি আনন্দত আপ্লুত হৈছিল। নেহৰুজীয়ে সেইদিনা ৰাতি সৰ্বেশ্বৰ বৰুৱাৰ বাসভৱনত থাকি পিছদিনা ফেহুজালিতে অহা বাটেদি গড়মূৰ হৈ প্ৰত্যাৱৰ্তন কৰিলে।

নেহৰুজীৰ আগমনৰ ফলস্বৰূপে উঃ লক্ষীমপুৰত কংগ্ৰেছৰ প্ৰভাৱ যথেষ্ট বৃদ্ধি হৈছিল। কৰ্মীসকলেও অধিক প্ৰেৰণা লাভ কৰিলে। নেহৰু অহাৰ আগে আগে প্ৰস্তুতি হিচাপে সকলো মৌজাতে কংগ্ৰেছৰ সভ্য ভৰ্তি কৰি কংগ্ৰেছ কমিটীবোৰ গঠন কৰা হৈছিল। নেহৰু কংগ্ৰেছৰ সভাপতি স্বৰূপে সকলো ৰাজ্যতে ভ্ৰমণ কৰাৰ ফলত তৃণমূল পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈকে অৰ্থাৎ মৌজা, জিলা, প্ৰাদেশিক আৰু সৰ্বভাৰতীয় পৰ্যায়লৈকে কংগ্ৰেছ কমিটীবিলাক গঠন হৈ যোগসূত্ৰ গঢ়ি উঠিছিল। কংগ্ৰেছৰ প্ৰতি ৰাইজৰ অকুণ্ঠ সমৰ্থন বৃদ্ধি পালে লগে, লগে শক্তি আৰু পুঁজিও বৃদ্ধি হ'ল; তাকে দেখি বৃটিছ চৰকাৰ চিন্তান্বিত হৈ পৰিল।

## কৰ্মীসকলৰ আনুষ্ঠানিক কাম ঃ

সেই সময়ৰ কংগ্ৰেছ কৰ্মীসকল আছিল প্ৰকৃত দেশ সেৱক। তেখেতসকলে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ উপৰি জিলাখনৰ বিভিন্ন ঠাইত অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিছিল। সেইবিলাকৰ ভিতৰত ১৯৩৭ চনত ঘিলামাৰাত দ্বাৰিকা ফুকনে এখন মধ্য ইংৰাজী স্কুল পাতিছিল। ঢকুৱাখনা, বালিগাঁও, কলাবাৰী;

মদাৰগুৰি গাঁৱত স্থানীয় কংগ্ৰেছ কৰ্মীসকলে খাদী প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰি সূতাকটা, কাপোৰ বোৱা শিক্ষা দিয়া প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি তুলিছিল। এই প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ লোৱা কৰ্মীসকলে বিভিন্ন গাঁৱলৈ গৈ সেইবিলাক গাঁৱতো পুৰুষ-মহিলাক প্ৰশিক্ষণ দি খাদী প্ৰচলনত জোৰ দিছিল। তাৰ উপৰি এই কৰ্মীসকলে গান্ধীজীৰ ওঠৰ দফা কামৰ প্ৰায়বোৰ দফা য'ত যি সম্ভৱ হয় সেইবিলাক কৰি গৈছিল। এই কামত ঢকুৱাখনা ভিয়ামৰীয়াৰ আনন্দ দত্ত, কেকুৰিৰ কেষ্ট গোহাঁই, বাসুদেউৰ শিৱচন্দ্ৰ গোস্বামী মাছখোৱাৰ নোমল বৰুৱা, বৰদলনিৰ বানেশ্বৰ দাস, দীঘলা গাঁৱৰ ৰুক্মা নাথ গগৈ, ধকুৱাখনাৰ গণনাথ গোঁওাই, হীৰা শৰ্মা, মাছখোৱা. গোঁওাই মৌজাৰ কুল প্ৰসাদ গোস্বামী আৰু কুল গগৈ আদিয়ে সক্ৰিয়ভাৱে খাটিছিল।

১৯৩৯ চনত বিহপুৰীয়াৰ কংগ্ৰেছ কৰ্মীসকলে গোলাপ শৰ্মাৰ এটি অস্থায়ী ঘৰত বিহপুৰীয়া লোহিত ডিক্ৰং হাইস্কুল আৰম্ভ কৰিলে। ইয়াৰ প্ৰধান উদ্যোক্তা আছিল লোকনাথ গোস্বামী, নৰেন্দ্ৰ নাথ বৰদলৈ, যোগেশ্বৰ বৰুৱা আদি। অনুষ্ঠানটিৰ প্ৰথম আৰু প্ৰধান শিক্ষক আছিল তেজপুৰৰ যুক্তেশ্বৰ শৰ্মা আৰু উদ্যোক্তা শিক্ষকসকল আছিল উমাকান্ত ৰাজখোৱা, থানেশ্বৰ গগৈ, যোগেশ্বৰ বৰুৱা, বিশ্বনাৰায়ণ শাস্ত্ৰী, টন শৰ্মা হাজৰিকা, শোভন চন্দ্ৰ শৰ্মা আৰু সুৰেন শৰ্মা আদি। স্কুলখনত সাধাৰণ শিক্ষাৰ উপৰি প্ৰতি বৃহস্পতিবাৰে জাতীয় পতাকা উত্তোলন কৰা, স্বেচ্ছাসেৱক বাহিনীৰ আৰ্হিত ছাত্ৰ-ছাত্ৰীসকলক কুচ-কাৱাজৰ শিক্ষা দিয়া, সূতা কটা, ইউনিফৰ্ম হিচাপে সকলো ছাত্ৰ-ছাত্ৰীয়ে খদ্দৰৰ পেন-চোলা পৰিধান কৰা আদিৰ শিক্ষা দিয়া হৈছিল। স্কুলখন জাতীয়তাবাদী কৰি গঢ়ি তোলা হৈছিল। ১৯৪১ চনৰ একক সত্যাগ্ৰহত এই স্কুলৰ শিক্ষক উমাকান্ত ৰাজখোৱা, থানেশ্বৰ গগৈ, যোগেশ্বৰ বৰুৱা আৰু ছাত্ৰ খগেশ্বৰ ভূএগ্রাই সত্যাগ্ৰহ কৰিছিল।

১৯৪০ চনত শিৱসাগৰৰ বিমলা প্ৰসাদ চলিহাদেৱৰ নেতৃত্বত ঢকুৱাখনাত কংগ্ৰেছ সংগঠনৰ কাম ব্যাপকভাৱে চলে। খেৰকটা সুঁতিৰ উত্তৰপাৰত অৱস্থিত মদাৰগুৰি আৰু কলাবাৰী মিৰি গাঁও আৰু ঢকুৱাখনাৰ বালিগাঁৱত খাদী প্ৰতিষ্ঠান খুলি বহু কৰ্মীক প্ৰশিক্ষণ দিয়া হৈছিল। শিৱসাগৰৰ বাপুদাস ৰাজখোৱা আৰু ঢকুৱাখনাৰ বালিগাঁৱৰ জয়চন্দ্ৰ গগৈৰ পৰিচালনাত খাদী প্ৰশিক্ষণ শিবিৰবিলাক চলিছিল। এই শিবিৰবিলাকৰ আলম লৈ গাঁওবিলাকত সংগঠন আৰু উন্নয়নমূলক কাম কৰা হৈছিল। সেই সময়ৰ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ লৈ গঠনমূলক কাম

কৰা কৰ্মীসকল আছিল মালভোগ বৰুৱা (চাউৰুকীয়া গাঁও), কনকেশ্বৰ গগৈ (বৰপাত্ৰ গাঁও), কবীন্দ্ৰ গগৈ (ছিলৈদাৰী গাঁও), ডিম্বেশ্বৰ দাস (বালিগাঁও), লেখন গগৈ (চাউৰুকীয়া), জয়পুৰ দত্ত (আমকটীয়া) সোমেশ্বৰ সুত (ঘাঁহি গাঁও) আদিয়েই প্ৰধান। প্ৰশিক্ষণ শেষ হোৱাৰ পিচত কৰ্মীসকলে ঢকুৱাখনাৰ জিয়ামৰীয়া গাঁও আৰু মাছখোৱাৰ থাৰমৰা গাঁৱত উঃ লক্ষীমপুৰ ঘাৰমৰা গাঁৱৰ কনক চন্দ্ৰ গায়নৰ সহযোগত খাদী প্ৰতিষ্ঠান খুলি সেই অনুষ্ঠানৰ জৰিয়তেও সেই অঞ্চলবিলাকত কংগ্ৰেছৰ সংগঠন আৰু গঠনমূলক কাম কৰা সহজ হৈছিল।

## সেৱাদল গঠন :

কংগ্ৰেছ সংগঠনটো শক্তিশালী কৰিবৰ কাৰণে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে প্ৰতি মহকুমাতে একোটা সেৱাদল গঠন কৰাৰ মানসে প্ৰতি মহকুমাৰ পৰা ২/৩ জনকৈ উপযুক্ত যুৱক সংগ্ৰহ কৰি গোলাঘাটৰ প্ৰাদেশিক সেৱাদল প্ৰশিক্ষণ শিবিৰত ৰাজ্যিক অধিনায়ক ৰাজেন্দ্ৰ নাথ বৰুৱাৰ পৰিচালনাত ১৯৩৯ চনত সেৱাদল প্ৰশিক্ষণ পাতিছিল। এই প্ৰশিক্ষণ ল'বলৈ উঃ লক্ষীমপুৰ জিলা কংগ্ৰেছৰ তৰফৰপৰা থানেশ্বৰ গগৈ, যোগেশ্বৰ বৰুৱা আৰু হেমকান্ত দুৱৰাক পঠোৱা হৈছিল। তেওঁলোকে পোন্ধৰ জুনৰ পৰা ডেৰমাহকাল সেৱাদল প্ৰশিক্ষণ ল'লে। প্ৰশিক্ষণৰ অন্তত ৰাজ্যিক অধিনায়কে থানেশ্বৰ গগৈ, জিলা অধিনায়ক, যোগেশ্বৰ বৰুৱা আৰু হেমকান্ত দুৱৰাক ক্ৰমে সহ অধিনায়ক আৰু সহকাৰী কৰি ৰাখিলে। এখেতসকলে নিজৰ মহকুমালৈ ঘুৰি আহি বিভিন্ন থানা এলেকাৰ পৰা যুৱক সংগ্ৰহ কৰি মাধৱপুৰত এটা প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰি তাত এমাহ প্ৰশিক্ষণ দিছিল। তাত প্ৰশিক্ষণ লোৱা যুৱকসকল আছিল কবীন্দ্ৰ গগৈ, বৰদলনিৰ ভুবন বৰুৱা, আদিত্য শইকীয়া, টুনিৰাম হাজৰিকা, সুৰেন্দ্ৰ নাথ শৰ্মা, খগেন্দ্ৰ নাথ দত্ত, শৈলেন্দ্ৰ নাথ শইকীয়া আদি। প্ৰশিক্ষণত সেৱাদল বাহিনীক সংগঠন আৰু গঠনমূলক কামৰো শিক্ষা দিয়া হৈছিল। অহিংসাৰ আধাৰত এটা শান্তিসেনা বাহিনী গঠন কৰাৰ উদ্দেশ্য আছিল কংগ্ৰেছৰ প্ৰথম পদক্ষেপ।

প্ৰশিক্ষণৰ কাম সমাপ্ত কৰি এই নায়কসকলে নিজৰ নিজৰ ঠাইলৈ ঘুৰি গৈ প্ৰতি মৌজাৰ পৰা যুৱক সংগ্ৰহ কৰি আঞ্চলিক ভিত্তিত শান্তিসেনা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে। পূব অঞ্চলৰ জীয়ামৰীয়া গাঁৱৰ শঙ্কৰ আশ্ৰমৰ হৰি মন্দিৰত আৰু বিহপুৰীয়াতো এনে দুটা প্ৰশিক্ষণ শিবিৰ পাতি প্ৰশিক্ষণ দিয়া হ'ল। শিবিৰ

প্ৰতিষ্ঠা আৰু এইবিলাক নিয়াৰিকৈ চলোৱাৰ ক্ষেত্ৰত স্থানীয় কংগ্ৰেছ কৰ্মী সকলে বাইভুৰ সহায় সহযোগিতাত দেহে কেহে খাতিছিল।

## দ্বিতীয় মহাসমৰ আৰু ভাৰতবৰ্ষ ঃ

প্ৰথম মহাসমৰত মিত্ৰ শক্তি (আমেৰিকা, বৃটিছ আৰু ফ্ৰান্স)এ জাৰ্মানীক পৰাস্ত কৰি পৃথিৱীত যুদ্ধ নিৰ্মূল কৰাৰ উদ্দেশ্যে প্ৰখ্যাত ভাৰ্ছাই সন্ধি কৰি জাৰ্মানীক চিৰকালৰ কাৰণে পঙ্গু কৰাৰ অভিপ্ৰায়েৰে ভাগ ভাগ কৰাৰ উপৰি কিছুমান চৰ্ত্তও জাপি দিয়া হ'ল; কিন্তু জাৰ্মান জাতিয়ে এই অত্যাচাৰৰ প্ৰতিশোধ লোৱাৰ অভিপ্ৰায়েৰে সংগোপনে সকলো প্ৰস্তুতি চলাই আছিল। যেতিয়াই অষ্ট্ৰিয়াত থকা এক কোটি জাৰ্মানীক সুৰক্ষা দিয়াৰ নামত আদলফ্ হেৰ হিটলাৰে সৈন্য সামন্ত লৈ বিনা যুদ্ধই সেইদেশ অধিকাৰ কৰিলে। তেতিয়াহে আমেৰিকা আৰু বৃটিছৰ চকু মেল খালে। তেতিয়া জাৰ্মানীক সন্তুষ্ট কৰি, সিমানতে যুদ্ধ সামৰণি মৰাৰ উদ্দেশ্যে ১৯৩৮ চনৰ ২৯ ছেপ্তেম্বৰত মিউনিক চুক্তি কৰি জাৰ্মান মানুহ থকা দেশসমূহ জাৰ্মানীক দি দিলে। পিছৰ বছৰত জাৰ্মানীয়ে বুদ্ধি কৰি ৰাছিয়াৰ লগত অনাক্ৰমণ চুক্তি সম্পাদিত কৰিলে। ১৯৩৯ চনৰ ছেপ্টেম্বৰ মাহৰ ১ তাৰিখে জাৰ্মানীয়ে পোলেণ্ড দখল কৰিলে। ৩ ছেপ্টেম্বৰৰ দিনা বৃটিছে জাৰ্মানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ লগে লগে ভাৰতবৰ্ষৰ গবৰ্ণৰ জেনেৰেলেও ভাৰতবাসীৰ কোনো পৰামৰ্শ নোলোৱাকৈ এই যুদ্ধত মিত্ৰ পক্ষৰ লগত সহযোগ কৰাৰ কথা ঘোষণা কৰিলে। কংগ্ৰেছৰ বাহিৰে ভাৰতৰ দেশীয় ৰজা-মহাৰজা আৰু সাম্প্ৰদায়িক অনুষ্ঠান কিছুমানেও সহযোগৰ কাৰণে বৃটিছক আশ্বাস দিলে। কংগ্ৰেছৰ নেতাসকল বিপাণ্ডত পৰি যুদ্ধ সংক্ৰান্তত ভাৰতবাসীৰ কৰ্তব্য কি হ'ব এই বিষয়ে আলোচনা কৰিবলৈ ১৯৪০ চনৰ ১১ অক্টোবৰৰ দিনা ৱাৰ্দ্ধাত নিঃ ভাঃ কংগ্ৰেছ কমিটীত আলোচনা কৰি সিদ্ধান্ত কৰিলে, কংগ্ৰেছৰ সংগঠন শক্তিশালী কৰা হওক; আৰু যুদ্ধৰ বিৰুদ্ধে জনমত গঢ়ি তোলাৰ বাবে একক সত্যাগ্ৰহ কৰা হওক। এই সত্যাগ্ৰহৰ দায়িত্ব সম্পূৰ্ণ মহাত্মা গান্ধীৰ ওপৰত ন্যস্ত কৰিলে। দেশত ব্যাপক আন্দোলন হ'লে জনসাধাৰণক অহিংস পথত ৰখাটো টান হ'ব বুলি সন্দেহ কৰি মহাত্মা গান্ধীয়ে সীমাবদ্ধ আইন অমান্য কৰিবলৈ কংগ্ৰেছৰ সমৰ্থন ল'লে। মহাত্মা গান্ধীয়ে ভাবিছিল সত্য আৰু অহিংসাৰ যোগে লাভ কৰা স্বাধীনতাৰ দ্বাৰা দেশত শান্তি আৰু সমৃদ্ধি স্থায়ী হ'ব।

## ১৯৪১ চনৰ একক সত্যাগ্ৰহ আন্দোলন ঃ

সত্যাগ্ৰহ আন্দোলন ভাৰতবৰ্ষত ১৯৪০ চনৰ শেষ ভাগত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হৈছিল। উঃ লক্ষীমপুৰ ১৯৪১ চনৰ জানুৱাৰী মাহৰ পৰাহে আৰম্ভ কৰা হ'ল। এই সত্যাগ্ৰহ নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্যসকল, বিধানসভাৰ সদস্যসকল, প্ৰাদেশিক আৰু জিলা কংগ্ৰেছৰ সদস্যসকলকহে কৰিবলৈ দিয়া হৈছিল। নিয়ম আছিল সত্যাগ্ৰহ প্ৰাৰ্থীসকলৰ নামবিলাক পৰ্যায়ক্ৰমে জিলা কংগ্ৰেছ কমিটীয়ে প্ৰদেশ কংগ্ৰেছ কমিটীৰ জৰিয়তে মহাত্মা গান্ধীলৈ পঠাব। মহাত্মা গান্ধীৰদ্বাৰা অনুমোদিত হৈ অহাৰ পিছত সত্যাগ্ৰহ কৰিব পাৰিব। সত্যাগ্ৰহী জনে সত্যাগ্ৰহ কৰাৰ আগতে জিলা মেজিষ্ট্ৰেটক সত্যাগ্ৰহ কৰাৰ তাৰিখ, সময় আৰু বাণীটো লিখি জনাব লাগিব। বাণীটো হ'ল "বৃটিছৰ যুদ্ধত ধন আৰু জনেৰে সহায় কৰা উচিত নহয়। সকলো যুদ্ধ অহিংস উপায়েৰে প্ৰতিৰোধ কৰা প্ৰশস্ত।" সত্যাগ্ৰহ কৰাৰ দিন আৰু স্থান স্থানীয় ৰাইজকো আগতীয়াকৈ জনাব লাগিব। নিৰ্দিষ্ট সময় আৰু স্থানত সত্যাগ্ৰহীজন ৰাইজৰ মাজত উপস্থিত হৈ সত্যাগ্ৰহৰ বাণী প্ৰচাৰ কৰিব। যেতিয়ালৈকে পুলিচে সত্যাগ্ৰহীজনক গ্ৰেপ্তাৰ নকৰে তেতিয়ালৈকে সেই ঠাইৰ পৰা গাঁৱে গাঁৱে এই বাণী প্ৰচাৰ কৰি ফুৰি লাগিব। সত্যাগ্ৰহীজনক পুলিচে গ্ৰেপ্তাৰ কৰি নি আদালতত হাজিৰ কৰিলে আদালতত আত্মপক্ষ সমৰ্থন কৰি সাৰিবৰ কাৰণে কোনো সাক্ষী বা উকীল ধৰিব নোৱাৰিব।

জিলা কৰ্তৃপক্ষই উত্তৰ লক্ষীমপুৰত সত্যাগ্ৰহীজনে যাতে জনতাৰ আগত সত্যাগ্ৰহৰ বাণী প্ৰচাৰ কৰিব নোৱাৰে তাৰ কাৰণে পুলিচৰ দ্বাৰাই সত্যাগ্ৰহীজনক আগদিনাই গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশ দিছিল।

সত্যাগ্ৰহৰ নিয়ম মতে অসমৰ সত্যাগ্ৰহীৰ প্ৰথম তালিকাৰ ভিতৰত উঃ লক্ষীমপুৰ বিধানসভাৰ সদস্য সৰ্বেশ্বৰ বৰুৱাই সত্যাগ্ৰহ কৰিব লাগিছিল; কিন্তু তেখেতে নিৰ্দিষ্ট দিনত সত্যাগ্ৰহ কৰাৰ অপাৰগতাৰ কথা জনাই অন্য দিন বিচৰাত মহাত্মা গান্ধীয়ে এখেতক সত্যাগ্ৰহ কৰাৰ পৰা একেবাৰেই অব্যাহতি দিলে।

জিলাৰ দ্বিতীয় পৰ্যায়ৰ তালিকাৰ ২৬ জনৰ নাম সত্যাগ্ৰহৰ কাৰণে অনুমোদন হৈ আহিছিল। এখেতসকলক সত্যাগ্ৰহ কৰাৰ দিন আৰু স্থান জিলা কংগ্ৰেছ কমিটী বহি নিৰ্দ্ধাৰণ কৰি দিছিল। এই তালিকাৰ সোতৰজনেহে সত্যাগ্ৰহ কৰিলে।

তৃতীয় পৰ্যায়ৰ আন এখন তালিকা অনুমোদনৰ কাৰণে পঠোৱা হৈছিল যদিও সেই তালিকা অনুমোদিত নহ'ল। তথাপি এই তালিকাৰ পূৰ্ণানন্দ দত্তই সত্যাগ্ৰহ কৰি আত্মতৃপ্তি লাভ কৰিলে। মহকুমাধিপতিয়ে সত্যাগ্ৰহীসকলৰ বিচাৰ কাৰাগাৰৰ ভিতৰতে কৰি প্ৰত্যেকজনকে এবছৰকৈ সশ্ৰম কাৰাদণ্ড বিহিছিল। সত্যাগ্ৰহীৰ তালিকা তলত দিয়া হ'ল—

### দ্বিতীয় তালিকা ঃ ১৯৪১ চনৰ সত্যাগ্ৰহীৰ তালিকা

| | সত্যাগ্ৰহীৰ নাম | পিতা | ঠিকনা | সত্যাগ্ৰহৰ ঠাই | তাৰিখ | সত্যাগ্ৰহ | গ্ৰেপ্তাৰ কাৰাগাৰ |
|---|---|---|---|---|---|---|---|
| ১ | শ্ৰী লীলাৰাম ভূঞা | যাদুৰাম | পিছলাগৰি | মাধৱপুৰ | ২১/১/৪১ | ২০/১/৪১ | যোৰহাট |
| ২ | " মহেন্দ্ৰ নাথ তালুকদাৰ | কৰকটু | তাঁতিবাহৰ | দেৰগাঞা গাঁও | ২৩/১ | ২১/১ | যোৰহাট-গুৱাহাটী |
| ৩ | " যোগেশ্বৰ বৰুৱা | চন্দ্ৰেশ্বৰ | বিহপুৰীয়া | বিহপুৰীয়া | ২৫/১ | ২৪/১ | ” ” |
| ৪ | " চেনিচন্দ্ৰ শইকীয়া | যাদুৰাম | মাধৱপুৰ | দুলীয়াপথাৰ | ২৭/১ | ২৬/১ | যোৰহাট-গুৱাহাটী |
| ৫ | " সূৰ্য্য প্ৰসাদ | দশৰথ | বিহপুৰীয়া | বিহপুৰীয়া | ২৯/১ | ২৮/১ | যোৰহাট-গুৱাহাটী |
| ৬ | শ্ৰীউমাকান্ত ৰাজখোৱা | কানু | বাইদঙ্গীয়া | বিহপুৰীয়া | ৩১/১ | ৩১/১ | যোৰহাট-গুৱাহাটী |
| ৭ | শ্ৰীমানিক শৰ্মা | বোমেশ্বৰ | চিনাতলী(খঁৰা) | [illegible] | ২/২ | ৩/২ | যোৰহাট-গুৱাহাটী |
| ৮ | " সোণাৰাম ৰৰা | বিহুৰাম | সত্ৰাহী খ'ৰা | নামঘৰ | ৪/২ | ৪/২ | যোৰহাট-গুৱাহাটী |
| ৯ | শ্ৰীগোলোক চন্দ্ৰ বৰুৱা | খৰ্গেশ্বৰ | বিহপুৰীয়া | জামুগুৰি | ৫/২ | ৫/২ | যোৰহাট-গুৱাহাটী |
| ১০ | শ্ৰীলক্ষীৰাম দত্ত | নোমল | দুলীয়াপথাৰ | ফুলনিখাটি | ৬/২ | ৬/২ | যোৰহাট-গুৱাহাটী |
| ১১ | " ডম্বৰুধৰ কাকতি | শিশুৰাম | বিহপুৰীয়া | লালুক | ৭/২ | ৭/২ | যোৰহাট-গুৱাহাটী |
| ১২ | " খগেশ্বৰ ভূঞা | লীলাৰাম | ১নং জাপজুপ | বিহপুৰীয়া হাইস্কুল | ১৭/২ | ১৭/২ | যোৰহাট-গুৱাহাটী |
| ১৩ | শ্ৰীগোলাপ শইকীয়া | তিতাৰাম | সান্দহখোৱা | সান্দহখোৱা | ১৮/২ | ১৮/২ | যোৰহাট-গুৱাহাটী |
| ১৪ | " কামেশ্বৰ ৰৰা | ভদি | পুখুৰীপৰীয়া | গজ্জীয়া | ২১/২ | ২১/২ | যোৰহাট-গুৱাহাটী |
| ১৫ | " পানীৰাম বৰুৱা | সোণাৰাম | হাৱমতি (নাৰায়ণপুৰ) | পিছলাগুৰি | ২২/২ | ২২/২ | যোৰহাট-গুৱাহাটী |
| ১৬ | " হেমকান্ত দুৱৰা | মোহোৰাম | বহুপথাৰ | দাধৰা | ২৬/২ | ২৬/২ | যোৰহাট-গুৱাহাটী |
| ১৭ | শ্ৰীথানেশ্বৰ গগৈ | দুৰ্গা | হাৱমতি (নাৰায়ণপুৰ) | উঃলক্ষীমপুৰ নগৰ | ২৮/২ | ২৮/২ | যোৰহাট-গুৱাহাটী |
| ১৮ | " পূৰ্ণনন্দ দত্ত | মায়াৰাম | চলপুৰ | চলপুৰ | ২১/৩ | ২১/৩ | অনুমোদিত তালিকাৰ বাহিৰ |
| ১৯ | " মিনাৰাম শইকীয়া | | উঃলক্ষীমপুৰ নগৰ | যোৰহাট | | | এমাহ কাৰাদণ্ড এখেত অনুমোদিত তালিকাৰ বাহিৰ ১ মাহ কাৰাদণ্ড। |

ভাৰত চৰকাৰে ৰাজনৈতিক বন্দীসকলক ১৩/১২/৪১ তাৰিখে মুক্তি দিয়াৰ কাৰণে উঃ লক্ষীমপুৰৰ সত্যাগ্ৰহীসকলেও সেই তাৰিখেই মুক্তি পালে; কেৱল এই তালিকাৰ প্ৰথমৰ পৰা তিনিজনে কাৰাবাস সম্পূৰ্ণ কৰি ওলাই আহিছিল।

উঃ লক্ষীমপুৰৰ বাহিৰে অসমৰ অন্যান্য জিলাত সত্যাগ্ৰহীসকলৰ ফাটেক কম

কম হৈছিল। কিছুমান লোকক সত্যাগ্ৰহ কৰাতো গ্ৰেপ্তাৰ কৰা নাছিল। সেইবাবে দৰং জিলাৰ পৰা নিম্নলিখিত লোকসকলে উঃ লক্ষীমপুৰলৈ আহি সত্যাগ্ৰহ কৰি এবছৰকৈ কাৰাবাস খাতি আত্মতৃপ্তি লাভ কৰিছিল।

| ক্ৰম নং | নাম | পিতাৰ নাম | ঠিকনা |
|---|---|---|---|
| ১ | বাপীৰাম হাজৰিকা | মূলাৰাম | চতিয়া জামুগুৰি |
| ২ | দুৰ্গাৰাম বৰুৱা | বাপুৰাম | চতিয়া জামুগুৰি |
| ৩ | কলিঙ্গ বৰুৱা | তুলাৰাম | ” |
| ৪ | ঠগীৰাম ওজা | মায়াৰাম | .. |
| ৫ | সৰুৰাম নাথ | নিধিৰাম | ” |
| ৬ | ধনেশ্বৰ হাজৰিকা | নিৰ্মল | চতিয়া কৰতিগাঁও |
| ৭ | ভূমিধৰ ডেকা | ভুবন | চতিয়া কৰতিগাঁও |
| ৮ | কনক চন্দ্ৰ সন্দিকৈ | তাৰবন | ” |

## প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ শান্তিসেনা বাহিনী গঠনৰ সিদ্ধান্ত ঃ

১৯৪২ চনৰ জানুৱাৰী মাহৰ শেষ আৰু ফেব্ৰুৱাৰী মাহৰ ১লা তাৰিখে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী নগাঁৱত বহি তলত লিখা সিদ্ধান্তসমূহ গ্ৰহণ কৰিছিল।

দ্বিতীয় মহাসমৰত ভাৰতৰ পূবফালে জাপানে মিত্ৰ শক্তিক পৰাজয় কৰি ধুমুহা-বতাহৰ দৰে আগবাঢ়ি আহি চিংগাপুৰ-ব্ৰহ্মদেশ পৰ্যন্ত অধিকাৰ কৰিলে। তাত হোৱা যুদ্ধৰ বিভীষিকাই অসমকে ধৰি সমস্ত ভাৰতবৰ্ষ আতঙ্কিত হৈছিল। সেইবাবে কংগ্ৰেছে খাদ্য আৰু বস্ত্ৰৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ হ'বৰ কাৰণে ৰাইজক সজাগ কৰিবলৈ স্থিৰ কৰিলে। যুদ্ধৰ সময়ত দুৰ্ভিক্ষ হ'লে তাৰ সন্মুখীন হ'ব পৰাকৈ খাদ্যবস্তু অধিক উৎপাদন কৰা আৰু সেই একেদৰে বস্ত্ৰৰ ক্ষেত্ৰতো ৰাইজক কপাহ, যঁতৰ যোগান ধৰি সূতাকটা, কাপোৰ বোৱাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলাত জোৰ দিয়া হ'ল। তদুপৰি প্ৰশিক্ষণ দি এটা স্বেচ্ছাসেৱক বাহিনী গঠন কৰি, গাঁৱত শান্তি-শৃঙ্খলা ৰক্ষা কৰা আৰু গঠনমূলক কাম কৰাতো জোৰ দিয়া হ'ল। এইবিলাক কাম কৰিবৰ কাৰণে এটা শকত পুঁজিৰো আৱশ্যক অনুভৱ কৰি পুঁজি সংগ্ৰহৰো সিদ্ধান্ত কৰা হ'ল। এইবিলাক কাম প্ৰতি মহকুমাতে কৰিবৰ কাৰণে প্ৰদেশ কংগ্ৰেছ কমিটীৰ এজন বা দুজন বিশিষ্ট লোকক দায়িত্ব অৰ্পণ কৰি নিয়োগ কৰা হ'ল। লক্ষীমপুৰ মহকুমাৰ

কাৰণে সভাপতি মৌলানা তৈয়বুল্লা আৰু হৰি নাৰায়ণ বৰুৱাক পঠালে।

## কংগ্ৰেছ নেতাদ্বয়ৰ উঃ লক্ষীমপুৰ ভ্ৰমণ :

দুয়োজন নেতা ১৯৪২ চনৰ মাৰ্চ মাহৰ ২৪ তাৰিখে আহি উঃ লক্ষীমপুৰ পালেহি। জিলা কাৰ্যালয়ত তেখেতসকলক আদৰণি জনাই জিলাখনৰ ইমূৰৰ পৰা সিমূৰলৈকে যাবৰ কাৰণে সুবিধা কৰি দিয়া হ'ল। নেতাদ্বয়ৰ ভ্ৰমণ যাতে ফলপ্ৰসূ হয় তাৰ বাবে জিলা কংগ্ৰেছৰ তৰফৰ পৰা হৰিপদ দত্তক আগতীয়াকৈ দায়িত্ব দি ব্যৱস্থা কৰা হৈছিল। তেখেতে নেতাদ্বয় ভ্ৰমণ কৰিব লগা মহকুমাটোৰ বিভিন্ন ঠাইত ফুৰি যাৱতীয় যা-যোগাৰৰ ব্যৱস্থা কৰি ৰাখিছিল। নেতাদ্বয়ৰ লগত উমাকান্ত ৰাজখোৱা আৰু কলীৰাম শইকীয়া সহায়ৰ কাৰণে সহযাত্ৰী হৈছিল। এখেতসকলে পানীগাঁৱৰ পৰা আৰম্ভ কৰি বেবেজীয়া ঘুণাসুঁতি পৰ্যন্ত গৈছিল। সেই সময়ত এই অঞ্চলত যান-বাহন চলাচলৰ সুবিধা নাছিল। খোজকাঢ়ি যাবলৈ বাট বিচাৰি পাবলৈও টান হৈছিল। পদব্ৰজে যোৱাৰ উপৰি ঠাইবিশেষে হাতী আৰু গৰু গাড়ীত উঠি, কোনো কোনো ঠাইত নাৱেৰে বা সাঁতুৰি আৰু কিছুমান ঠাইত জান-জুৰি বিলাকত পৰি থকা গছৰ ওপৰেদি বা সাঁকোৰে পাৰ হৈ গন্তব্য স্থানলৈ গৈছিল। এনেকৈ ফুৰোতে তেখেত সকলে ৰ'দ-বৰষুণ, মাইল মাইল বোকাপানী, বনৰীয়া ম'হ, বাঘ, গাহৰি আদি জীৱ-জন্তু অতিক্ৰম কৰিব লগা হৈছিল। অভ্যাস নাছিল যদিও তেখেতসকলে দেশপ্ৰেমত পৰি স্থানীয় লোক সকলৰ দৰেই সকলো দুঃখ কষ্ট আনন্দেৰে সহ্য কৰিছিল। পূৰ্বাঞ্চলত ফুৰোতে স্থানীয় কৰ্মী হীৰা নাথ শৰ্মা, ৰুদ্ৰ গগৈ, কুল প্ৰসাদ গোস্বামী, কণপাই দত্ত আৰু মেঘনাথ ভৰালী আদিয়ে পাৰ্যমানে সহায় কৰিছিল।

নেতাদ্বয়ে লক্ষীমপুৰলৈ আহি স্বাধীনতা আন্দোলনৰ প্ৰচাৰ, সংগঠন আৰু পুঁজি সংগ্ৰহৰ কাম কৰিছিল। সভা-সমিতি বিলাকত ৰাইজক গঠনমূলক কামৰ যোগে আত্মনিৰ্ভৰশীল হ'বলৈ গোহাৰি জনাইছিল। পানীগাঁও, কদম, চাউলধোৱা, বালিগাঁও, বৰদলনি, ঘিলামৰা, গোবিন্দপুৰ, ঢকুৱাখনা, বেবেজীয়া, ঘুনাসুঁতি আদি ঠাইত তাৰ ৰাইজে তেখেতসকলক আন্তৰিক সম্বৰ্দ্ধনা জনাইছিল। তাৰ প্ৰত্যুত্তৰত তেখেতসকলে ৰাইজক যুদ্ধৰ বিভীষিকাত আতঙ্কিত নহৈ তাৰ প্ৰতিকাৰৰ অৰ্থে স্বেচ্ছাসেৱক বাহিনী গঠন, অধিক শস্য উৎপাদন, সূতা কাটি বস্ত্ৰ-পৰিধান কৰা আৰু স্বাধীনতা আন্দোলনত সক্ৰিয় সহযোগীতা কৰি সাফল্যমণ্ডিত কৰিবলৈ

গোহাৰি জনাইছিল। এখেতসকলৰ উপস্থিতিত হোৱা সভাবিলাকত ৰাইজৰ সমাগম যথেষ্ট হৈছিল। তেখেতসকলৰ কথাবিলাক ৰাইজে শ্ৰদ্ধাৰে শুনি কামে-কাজে ৰূপায়নো কৰিছিল। নেতাদ্বয়ৰ আগমনত ৰাইজৰ মনোবল বৃদ্ধি হৈছিল, কৰ্মীসকলৰ কাম কৰা সহজ হৈ পৰিছিল। প্ৰাদেশিক কংগ্ৰেছৰ নেতাদ্বয়ে বহু দুঃখ কষ্ট বৰণ কৰি পিছপৰা লক্ষীমপুৰৰ ৰাইজৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম লগত লৈ উঃ লক্ষীমপুৰৰ পৰা ঘূৰি গ'ল।

## জিলা জৰুৰী শাখা সমিতি গঠন ঃ

প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি ঘূৰি যোৱাৰ আগদিনা লক্ষীমপুৰ জিলা কংগ্ৰেছৰ কাৰ্যালয়ত জিলা কংগ্ৰেছৰ এখন সভা অনুষ্ঠিত হৈছিল। সভাত দুয়োগৰাকী নেতা উপস্থিত আছিল। এই সভাখন সেইদিনা আবেলিৰ পৰা আৰম্ভ হৈ পিছদিনা পুৱা ৮ বজাতহে ভঙ্গ হৈছিল। সভাত বাৰ্দ্ধা অধিবেশনৰ কাৰ্যসূচী মতে কাম কৰিবলৈ 'লক্ষীমপুৰ জিলা জৰুৰী শাখা সমিতি' নামেৰে এখন সমিতি গঠন কৰা হ'ল, এই সমিতিৰ সভাপতি হেম চন্দ্ৰ হাজৰিকা, সম্পাদক হেমকান্ত দুৱৰা, সদস্যসকল হৰিপদ দত্ত, লীলাৰাম ভূএগ, চেনি চন্দ্ৰ শইকীয়া, গোবিন্দ চন্দ্ৰ বৰা আৰু কুল প্ৰসাদ গোস্বামী হ'ল। সভাত জৰুৰী শাখা সমিতিৰ কাৰ্যালয় নাৰায়ণপুৰৰ মাধবপুৰত পতা হ'ল। জিলা কংগ্ৰেছৰ পুঁজি সংগ্ৰহ কৰিবৰ কাৰণে পূব অঞ্চলত হৰিপদ দত্ত আৰু পশ্চিম অঞ্চলত লীলা ভূএগক দায়িত্ব দিয়া হ'ল। শান্তি সেনাবাহিনী গঠনৰ কাৰণে যুৱক সংগ্ৰহ কৰি অনাৱশ্যকীয় প্ৰশিক্ষণ দিবলৈ অধিনায়ক থানেশ্বৰ গগৈক পশ্চিম অঞ্চলত আৰু সহ অধিনায়ক যোগেশ্বৰ বৰুৱাক পূব অঞ্চলৰ দায়িত্ব দিয়া হ'ল। প্ৰথম অৱস্থাত যোগেশ্বৰ বৰুৱাই বিহপুৰীয়াত আৰু থানেশ্বৰ গগৈয়ে মাধবপুৰত এটাকৈ শিবিৰ খুলি প্ৰত্যেক শিবিৰতে শান্তিসেনা প্ৰশিক্ষণ দিলে। এই শিবিৰৰ কথা আগতে উল্লেখ কৰা হৈছে।

যুদ্ধ ওচৰ চাপি অহাৰ লগে লগে বাঢ়ি অহা ভয়াবহতালৈ লক্ষ্য কৰি শান্তিসেনাৰো আৱশ্যকতা জৰুৰী হৈ অহাত জৰুৰী ছাব কমিটীয়ে সলাল গাঁও আৰু মাধবপুৰত একোটাকৈ মুখ্য শিবিৰ পতাৰ সিদ্ধান্ত কৰি, সলাল গাঁৱৰ শিবিৰত যোগেশ্বৰ বৰুৱাক আৰু মাধবপুৰৰ শিবিৰত থানেশ্বৰ গগৈক দায়িত্ব দিলে। এই দুটা শিবিৰত যিসকল শান্তি সেনাই প্ৰশিক্ষণ সম্পূৰ্ণ কৰিব তেওঁলোকৰ

মাজৰ পৰা উপযুক্ত নায়ক মনোনীত কৰি সেইসকলৰ দ্বাৰা জিলাখনৰ বিভিন্ন সুবিধাজনক ঠাইত শিবিৰ পাতি তাত গাঁৱৰ পৰা সংগ্ৰহ কৰা যুৱকসকলক প্ৰশিক্ষণ দি এনে শান্তিসেনা ২৮০০ জনলৈ বঢ়াবলৈ সমিতিয়ে নিৰ্দেশ দিলে। সমিতিৰ সিদ্ধান্ত ক্ৰমে অধিনায়ক আৰু সহঅধিনায়ক দুয়োজনেই ৰাইজৰ সহায়-সহযোগ লৈ প্ৰশিক্ষণৰ কামত আগবাঢ়ি গ'ল।

## বৃটিছ মন্ত্ৰী মিছন :

পূব ৰণাঙ্গনত বৃটিছৰ হাতৰ পৰা ৰেঙ্গুন পতন হোৱাৰ পিছত ইংলণ্ডৰ ৰক্ষণশীল দলৰ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিল উদ্বিগ্ন হৈ ভাৰতৰ লগত আপোচ আলোচনা কৰিবলৈ ছাৰ ষ্টেফৰ্ড ক্ৰিপচক ভাৰতলৈ পঠালে। তেওঁ ১৯৪২ চনৰ মাৰ্চ মাহত ভাৰতলৈ আহি ১১ এপ্ৰিললৈকে ২১ দিন থাকি কংগ্ৰেছ, মুছলিম লীগ আৰু দেশীয় ৰজাসকলক লগ কৰি তেওঁলোকৰ আগত আপোচৰ প্ৰস্তাৱ ডাঙি ধৰিলে। কূটবুদ্ধিৰে ৰচনা কৰা ভেদ নীতিমূলক এই প্ৰস্তাৱত আছিল, যুদ্ধৰ অৱসান হ'লে ভাৰতৰ কাৰণে ডমিনিয়ন ষ্টেটাছ মঞ্জুৰ কৰা হ'ব আৰু বহুত চৰ্ত ইয়াত সন্নিৱিষ্ট আছিল। মহাত্মা গান্ধী আৰু মুছলিম লীগে এই প্ৰস্তাৱ নাকচ কৰিলে। ক্ৰিপচ বিফল মনোৰথ হৈ ভাৰতৰ পৰা ঘূৰি গ'ল।

## বিখ্যাত ভাৰত ত্যাগ প্ৰস্তাৱ :

১৯৪২ চনৰ জুলাই মাহৰ ১৪ তাৰিখে ৱাৰ্দ্ধাত নিখিল ভাৰত কংগ্ৰেছ ৱৰ্কিং কমিটী বহি মহাত্মা গান্ধীয়ে ৰচনা কৰা বিখ্যাত ভাৰত ত্যাগ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰিলে আৰু সিদ্ধান্ত কৰিলে ভাৰতে জাপানৰেই হওক বা আন বিদেশী শক্তিৰেই হওক যিকোনো বহিৰাক্ৰমণক সকলো প্ৰকাৰে প্ৰতিহত কৰিব। অহিংসা নীতিৰে সকলো শক্তি প্ৰয়োগ কৰি মহাত্মা গান্ধীৰ নেতৃত্বত গণ বিপ্লৱৰ সূচনা কৰিব। ভাৰত ত্যাগ প্ৰস্তাৱ অনুমোদনৰ কাৰণে বোম্বাইত এই চনৰে ৭/৮ আগষ্টত নিখিল ভাৰত কংগ্ৰেছ কমিটী আহ্বান কৰি উক্ত প্ৰস্তাৱ ডাঙি ধৰা হ'ল। প্ৰস্তাৱ ডাঙি ধৰিলে পণ্ডিত জৱহাৰলাল নেহৰুৱে আৰু সমৰ্থন জনালে চৰ্দ্দাৰ বল্লভ ভাই পেটেলে। সভাত সভাপতিত্ব কৰিছিল মৌলানা আবুল কালাম আজাদে। (এই ভাৰত ত্যাগ প্ৰস্তাৱ পৰিশিষ্টত উল্লেখ কৰা হৈছে) এই প্ৰস্তাৱ আলোচনা ক্ৰমে কমিটীত গ্ৰহণ কৰোতে বহুত ৰাতি হৈছিল। সদস্যসকল সভাভঙ্গ হোৱাৰ

পিছত নিজ নিজ বাসস্থানলৈ গৈ জিৰণি লোৱাৰ অলপ পিছতে পুৱা ৫ বজাত পুলিচ গৈ মহাত্মা গান্ধী প্রমুখ্যে মৌলানা আবুল কালাম আজাদ, জৱাহৰলাল নেহৰু, সৰোজিনী নাইদু, বল্লভ ভাই পেটেল, আশ্রফ আলী, শঙ্কৰ ৰাও দেউ, হৰেকৃষ্ণ মহতাব, ডাঃ চৈয়দ মামুদ, ডাঃ প্রফুল্ল চন্দ্র ঘোষ, আচাৰ্য কৃপালানি আদি কংগ্ৰেছ কাৰ্য নিৰ্বাহকৰ আটাই কেউজন সভ্যকে ৯ আগষ্টৰ দিনা গ্রেপ্তাৰ কৰি আটক বন্দী কৰিলে।

লগে লগে ভাৰতত জৰুৰী আইন প্রবর্তন আৰু ১৪৪ ধাৰা জাৰি কৰিলে। তদুপৰি কংগ্ৰেছক বে-আইনী ঘোষণা কৰিলে। অসমতো গোপীনাথ বৰদলৈ, মৌলানা তৈয়বুল্লা আদিক আটক বন্দী কৰিলে।

মহাত্মা গান্ধী প্রমুখ্যে মূল নেতৃবৃন্দক আটক বন্দী কৰাৰ বাতৰি ৯ আগষ্টৰ দিনা পুৱাৰ ভাগতে সমগ্ৰ দেশজুৰি বিয়পি পৰাৰ লগে লগে জনসাধাৰণৰ মাজত আলোড়ন সৃষ্টি হৈ গণ বিপ্লৱৰূপে সমগ্ৰ দেশ চানি ধৰিলে। নেতৃত্ববিহীন ৰাইজৰ মাজত খেলিমেলি ভাবৰ সৃষ্টি হ'ল। জনগণে স্বতঃস্ফূর্তভাৱে বিদ্রোহত নামি পৰিল। বৃটিছ চৰকাৰেও দমন কাৰ্য হাতত ল'লে। পুলিচ মিলিটেৰীৰ দ্বাৰা অমানুষিক অত্যাচাৰ আৰম্ভ হ'ল। দেশবাসী আৰু চৰকাৰৰ মাজত মহা সংঘাতৰ সৃষ্টি হ'ল।

## সেই সময়ত অসমৰ অৱস্থা :

অসম কংগ্ৰেছৰ বিধায়কসকল আটক হোৱাৰ পিছত মুছলিম লীগৰ নেতা ছাৰ চৈয়দ চাদুল্লাই অসমত মন্ত্রীসভা গঠন কৰিলে। লীগ চৰকাৰে স্বাধীনতা যুদ্ধৰ আন্দোলনকাৰীসকলৰ ওপৰত পুলিচৰ দ্বাৰা নৃশংস অত্যাচাৰ চলাবলৈ ধৰিলে। যুদ্ধৰ সময়ত খাদ্যবস্তুৰ অভাৱ দেখুৱাই পূব বঙ্গৰ পৰা লাখে লাখে মিঞা মানুহ নদীৰ সোঁতৰ দৰে আমদানি কৰি উঃ লক্ষীমপুৰ, দৰং, কামৰূপ নগাঁও জিলাৰ পতিত মাটি পট্টন দিলে।

## যুদ্ধৰ বিভীষিকাত অসম :

সেই সময়ত অসম আছিল দ্বিতীয় মহাসমৰৰ পূব ৰণাঙ্গনৰ দুৱাৰডলিত। গোটেই অসমজুৰি যুদ্ধৰ সাজ-সজ্জা, শ্বেতকায় আৰু কৃষ্ণকায় সেনাসকলৰ সমাবেশ, যুদ্ধৰ সা-সৰঞ্জাম কঢ়িওৱা বৃহৎ বৃহৎ মটৰ গাড়ী, টেঙ্ক, মেচিন গান,

আকাশ মাৰ্গত মিগ, ফাইটাৰ, ডাকোতা বিমানৰ ছেদ-ভেদ নোহোৱা হৃদয় কম্পন, শৰীৰ ৰোমাঞ্চিত হোৱা চাইৰেণৰ ভয়ঙ্কৰ শব্দ ধ্বনি, সামৰিক দুৰ্জয়, যান-বাহনৰ দ্বাৰা ৰাস্তা ফাটি-চিটি যোৱা অত্যাচাৰ, ধূলি-ধোঁৱাৰ ধূসৰিত প্ৰদূষণযুক্ত আকাশ মাৰ্গ মানুহৰ দৃষ্টিত যেন এইয়া মহা প্ৰলয়ৰ আগজাননী। তদুপৰি বোমা বিস্ফোৰণৰ পৰা নিজক বা পৰিয়ালক ৰক্ষা কৰিবলৈ, মাটিত খন্দা (V.W.Z.) আকৃতিৰ গাঁত বিলাকেও মানুহক আতঙ্কৰ সৃষ্টি কৰিছিল। কেৰাচিন তেলৰ অভাৱত ৰাতি আন্ধাৰত থকা, নিমখৰ অভাৱত খাদ্য খাই অশান্তি ভোগ কৰা, অন্য খাদ্য-বস্ত্ৰৰ দুষ্প্ৰাপ্যত মানুহ পেঁপুৱা হৈছিল, মৃত্যুৰ দিন গণিব লগা হৈছিল। ভাৰতৰ লগত সম্বন্ধ নথকা এই মহাযুদ্ধত উলুৰ লগত বগৰী পুৰি মৰাৰ দৰে আমি অসমবাসীও ইংৰাজ-আমেৰিকা-জাপানৰ সৰ্বনশীয়া যুদ্ধত চগা জুইত জাহ যোৱাৰ দৰে জাহ যাব লগা হৈছিল। উত্তৰ লক্ষীমপুৰত যুদ্ধৰ পয়োভৰ বেছি নাছিল যদিও ওচৰতে থকা যোৰহাট, তেজপুৰ, ডিব্ৰুগড় আদি ঠাইত এইবোৰৰ প্ৰয়োভৰ বেছি আছিল।

## গণ বিপ্লৱ ১৯৪২ (ইং)

### উত্তৰ লক্ষীমপুৰত বিয়াল্লিছৰ গণবিপ্লৱৰ সূচনা :

লক্ষীমপুৰ জিলাৰ ৰাইজেও মহাত্মাৰ বাণী সাৱোগত কৰি, ভাৰত ত্যাগ প্ৰস্তাৱক আদৰণি জনাই সমগ্ৰ দেশবাসীৰ লগতে 'জননী জন্মভূমি স্বৰ্গাদপি গৰিয়সী'ক ওলগ জনাই বিদেশীৰ কবলৰ পৰা ভাৰত মাতৃক শৃঙ্খলমুক্ত কৰিবৰ কাৰণে গণবিপ্লৱত আত্মনিয়োগ কৰিলে।

স্বাধীনতা যুদ্ধৰ ঢৌৰ খলকনি পূব প্ৰান্তৰ লক্ষীমপুৰ পাওঁতে কেইবাদিনো লাগিছিল। সেই সময়ত সহ অধিনায়ক যোগেশ্বৰ বৰুৱাদেৱে স'লাল গাঁৱত ৬০ জন শান্তি সেনাৰ এটা শিবিৰত প্ৰশিক্ষণ দি আছিল। বৰুৱাই ভাৰতৰ নেতৃবৃন্দক ৯ আগষ্টৰ দিনা গ্ৰেপ্তাৰ কৰাৰ খবৰ পাই ১২ আগষ্ট তাৰিখে তাৰ প্ৰতিবাদকল্পে সেই শান্তিসেনাসকলেৰে এটা শোভাযাত্ৰা কৰি লক্ষীমপুৰ নগৰ অভিমুখে যাত্ৰা কৰিলে। বাটত যাওঁতে জাতীয় প্ৰেমমূলক গীতবিলাক গোৱাৰ উপৰি, ত্ৰিৰঙ্গ পতাকাকী জয়, স্বাধীন ভাৰতকী জয়, মহাত্মা গান্ধীজীকী জয় জয়ধ্বনি দি, 'কৰিম কিম্বা মৰিম' মন্ত্ৰ উচ্চাৰণ কৰি জাতীয় পাতাকাক অনুসৰণ কৰি শান্তি শৃঙ্খলাৰে আগবাঢ়ি গ'ল। এই শোভাযাত্ৰাত জাতীয় পতাকা ধাৰণ কৰিছিল

ইন্দ্ৰেশ্বৰ শৰ্মাই। এই শোভাযাত্ৰাই শান্তিৰে নগৰ পৰিভ্ৰমণ কৰি পুনৰ শিবিৰ পালেহি। সেইদিনাৰ শোভাযাত্ৰাই ৬ মাইল দূৰত্বৰ কাষত থকা গাঁও-ভূঁই জনসাধাৰণৰ অন্তৰ স্পৰ্শ কৰি, স্বাধীন ভাৰতৰ জাতীয় সঙ্গীত আৰু জয়ধ্বনিত দেহ-মন ৰোমাঞ্চিত কৰি স্বাধীন ভাৰতৰ কল্পনাৰে সপোন দেখিবলৈ ল'লে। সেইদিনাৰ শোভাযাত্ৰা আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ মৰ্মভেদী হোৱা অভূতপূৰ্ব আলোড়নৰ পাতনিহে।

১৩ আগষ্টৰ দিনা নগৰৰ সৰ্বেশ্বৰ বৰুৱাৰ বাসভৱনত কৰ্মীসকলৰ এখন সভা হেম চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত পাতি তাত ভাৰতৰ নেতৃবৃন্দৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰি ভাৰত ত্যাগ প্ৰস্তাৱৰ সমৰ্থন জনোৱা হয় আৰু ১৫ আগষ্টৰ দিনা হৰতাল পালনৰ সিদ্ধান্ত কৰা হ'ল।

১৫ আগষ্টৰ দিনা উঃ লক্ষীমপুৰ নগৰ আৰু বিহপুৰীয়াত হাইস্কুল, দোকান-বজাৰ আদিত হৰতাল পালন কৰা হ'ল। পুলিচে ইয়াত বাধা আৰোপ কৰিছিল যদিও বিফল হ'ল। সেইদিনাই বৰদলনিত ধৰ্মঘট পালন কৰি, সভাপাতি নেতৃবৃন্দৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰি শোভাযাত্ৰা কৰা হ'ল। একে দিনাই চৌধপুনীয়া গাঁৱৰ শান্তি শিবিৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। এই সভাত উমা ৰাজখোৱা, বিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শিবিৰাধিপতি খগেন্দ্ৰ নাথ দত্তই আন্দোলন সংক্ৰান্তৰ বক্তৃতা দি ৰাইজৰ সক্ৰিয় সহযোগিতা বিচাৰিছিল। শাওকুছী, শান্তিসেনা শিবিৰত চেনি চন্দ্ৰ শইকীয়া আৰু লক্ষীৰাম দত্তই, ঢলপুৰ শিবিৰত থানেশ্বৰ গগৈ আৰু পূৰ্ণ দত্তই, তাঁতিবাহাৰ শিবিৰত লীলাৰাম ভূএগ্ৰা, মহেন্দ্ৰ নাথ তালুকদাৰ, ৰাজবাৰী শিবিৰত যোগেশ্বৰ বৰুৱা আৰু সান্দহ খোৱা শিবিৰত গোলাপ শইকীয়াই অনুৰূপ সভা পাতি ৰাইজক দেশৰ পৰিস্থিতি অৱগত কৰি, ৰাইজক স্বাধীনতা আন্দোলনত সকলো প্ৰকাৰে সহায় আৰু সহযোগিতা কৰিবলৈ গোহাৰি জনাইছিল। সেই একে দিনাই পুব অঞ্চলৰ ঢকুৱাখনা আৰু মাছখোৱাতো অনুৰূপ সভা-শোভাযাত্ৰা কৰি ভাৰত ত্যাগ প্ৰস্তাৱৰ সমৰ্থন আৰু নেতৃবৃন্দৰ মুক্তি দাবী কৰিছিল। এই দিনটোত গোটেই জিলাখনৰ শিবিৰবিলাকত পুৱাবেলা জাতীয় পতাকা উত্তোলন, সভা আৰু শোভাযাত্ৰা কৰাৰ উপৰি সন্ধ্যা দেশৰ কল্যাণৰ কাৰণে বন্তি প্ৰজ্বলন কৰা হৈছিল।

১৮ আগষ্টৰ দিনা নগৰৰ ওচৰৰ গোঁহাই গাঁৱৰ নামঘৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। এই সভালৈ হেমচন্দ্ৰ হাজৰিকা, সৰ্বেশ্বৰ বৰুৱা, গোবিন্দ চন্দ্ৰ

বৰা, কনকেশ্বৰ দত্ত, তীৰ্থেশ্বৰ হাজৰিকা আদিও গৈছিল। সভাত সকলোৰে ৰাইজক দেশৰ পৰিস্থিতিৰ বিষয়ে অৱগত কৰি দেশৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ আহ্বান জনালে। সভাৰ পিছত এটা শোভাযাত্ৰা আৰম্ভ কৰা হ'ল নগৰ অভিমুখে যাবৰ কাৰণে। নেতৃত্ব বহন কৰে যোগেশ্বৰ বৰুৱাদেৱে। এই শোভাযাত্ৰা সেইদিনা শান্তিৰে সমাপ্তি হৈছিল যদিও পুলিচে নগৰ সোমোৱাত বাধা দিছিল।

১৮ আগষ্টত তেলাহী আৰু কমলাবৰীয়া মৌজাৰ ৰাইজ আৰু শান্তি সেনাৰ এটা শোভাযাত্ৰাৰ সহ অধিনায়ক যোগেশ্বৰ বৰুৱাৰ নেতৃত্বত লক্ষীমপুৰ নগৰলৈ যাত্ৰা কৰিছিল। নগৰত জাৰি হৈ থকা ১৪৪ ধাৰা আইন অমান্য কৰিবলৈ এই শোভাযাত্ৰা কৰা হৈছিল। শোভাযাত্ৰাত জাতীয় পতাকা বহন কৰিছিল ইন্দ্ৰেশ্বৰ শৰ্মা আৰু বোধেশ্বৰী দাসে। শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলেও যোগদান কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ নেতৃত্ব বহন কৰিছিল হিন্দী শিক্ষক ৰমেশ চন্দ্ৰ বিদ্যাৰ্থীয়ে। শোভাযাত্ৰাত কৰ্মী হিচাপে আগভাগ লৈছিল ললিত শৰ্মা, ঘন দত্ত, উমাকান্ত দাস, শিশুৰাম বৰুৱা, তাৰাপ্ৰসাদ শৰ্মা, ফটিক ভূঞাই। জাতীয় সংগীত আৰু জয়ধ্বনিত আকাশ-পাতাল তোলপাৰ লগাই সমদল নগৰ পাই মহকুমাধিপতি বাসভৱনৰ ফালে আগবাঢ়িল। সশস্ত্ৰ পুলিচ বাহিনীয়ে আগভেটি ধৰি সমদল ছেদেলি-ভেদেলি কৰি দিলে যদিও সমদল পুনৰ আৰম্ভ হৈ আগবাঢ়িল। এইবাৰ ৰমেশ চন্দ্ৰ বিদ্যাৰ্থীক থানালৈ ধৰি লৈ গ'ল। যোগেশ্বৰ বৰুৱা, তাৰাপ্ৰসাদ শৰ্মা, ভালিৰাম ওজা, ৰত্ন বৰা আৰু বোধেশ্বৰী দাসক আগতে ধৰি নি থানাত আবদ্ধ কৰি ৰাখিছিল। পুলিচে মহকুমাধিপতিৰ বাসভৱনৰ ওচৰত সমদল আগভেটি ধৰি লাঠি চাৰ্জ কৰিলে। লাঠিৰ প্ৰহাৰত দেবেন ফুকন, শিশুৰাম বৰুৱা, ৰত্নেশ্বৰ বৰা, ক্ষীৰোদ হাজৰিকা, সুৰেশ চক্ৰৱৰ্তী, সৰুৰাম দত্ত, ঘন দত্ত, উমা দাস আৰু ললিত শৰ্মা আহত হ'ল। বহুত মানুহ আহত হোৱাৰ কাৰণে জনতাক বহিবলৈ কোৱা হ'ল। চিপাহীবিলাকে জনতাক এফালৰ পৰা গছকি, গুৰিয়াই, মৰিয়াই, লাঠিৰে ঠেলি-হেঁচুকি নি ৰাস্তাৰ কাষত থকা নৰ্দমাত পেলালে। ইতিমধ্যে সৰ্বেশ্বৰ বৰুৱাদেৱে আহি আহত হৈ পৰি থকা লোকসকলক জনতাৰ মাজৰ কেইজন মানৰ দ্বাৰা ধৰি মেলি নি নগৰত থকা ডাঃ হৃদয়ানন্দ গোস্বামীৰ (হোমিও) ক্লিনিক পোৱালেগৈ। তাতে গোস্বামীদেৱে চিকিৎসা আৰম্ভ কৰিলে। পুলিচে শোভাযাত্ৰা ভঙ্গ কৰি দিয়াৰ পিছত বহু ৰাইজ তাৰ পৰা আঁতৰ হৈ গৈ কাছাৰীৰ

সন্মুখত এখন মিটিং পাতিলে। সভাত বত্ন বৰা, ললিত শৰ্মাই চৰকাৰক সমালোচনা কৰি বক্তৃতা দিলে। ললিত শৰ্মাক গ্ৰেপ্তাৰ কৰিলে। ২১ দিনৰ মূৰত তেখেতক হাজোতৰ পৰা এৰি দিলে। চিপাহী কেইজনমানে শোভাযাত্ৰাত যোৱা কিছুমান মানুহক নগৰৰ বাহিৰ কৰি এৰি দিলেগৈ। থানাত আবদ্ধ কৰি ৰখাসকলকো গধুলি এৰি দিলে। শান্তি সেনাসকলৰ মূৰৰ গান্ধী টুপীবিলাক পুলিচে খুলি লৈ থানাত জব্দ কৰিলে। ইফালে ডাঃ গোস্বামীৰ ক্লিনিকত যিসকল লোকক চিকিৎসা কৰা হৈছিল, সেই ক্লিনিকলৈ পুলিচ গৈ আহত লোকসকলক লাঠি-বেতেৰে লুতিয়াই নগৰাই টানি-আজুৰি বাহিৰ কৰি দূৰলৈ খেদি দিলে। আহতসকলে ঘৰলৈ ঘূৰি গৈ ঘৰুৱা চিকিৎসা কৰিহে আৰোগ্য হ'ল।

## জিলা পৰিচালক মনোনীত ঃ

১৯৪২ চনৰ আগষ্ট মাহৰ ২৪ তাৰিখে নাৰায়ণপুৰ মৌজাৰ মাধৱপুৰ গাঁৱৰ চেনি চন্দ্ৰ শইকীয়াৰ ঘৰত গোপনে ৰাতি হেম হাজৰিকাদেৱৰ সভাপতিত্বত জিলা কংগ্ৰেছ কমিটীৰ এক বিশেষ অধিবেশন অনুষ্ঠিত হৈছিল। এই সভাত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা সিদ্ধান্তসমূহ তলত উল্লেখ কৰা হ'ল।

ভাৰত চৰকাৰে কংগ্ৰেছ অনুষ্ঠানটো বে-আইনী বুলি ঘোষণা কৰি বিশিষ্ট কংগ্ৰেছ কৰ্মীসকলক কাৰাগাৰত আটক বন্দী কৰিলে। তাৰ আগতেই ৭/৪/৪২ তাৰিখে জিলা কংগ্ৰেছ কমিটীয়ে গঠন কৰি দিয়া 'লক্ষীমপুৰ জিলা জৰুৰী শাখা সমিতিখনো ভঙ্গ কৰি তাৰ পৰিৱৰ্তে আন্দোলন পৰিচালনা কৰিবৰ কাৰণে পাঁচজন লোক ক্ৰমে (১) হেম চন্দ্ৰ হাজৰিকা, (২) হৰিপদ দত্ত, (৩) গোবিন্দ চন্দ্ৰ বৰা, (৪) লীলাৰাম ভূঞা আৰু (৫) ইন্দ্ৰেশ্বৰ শৰ্মাক পৰিচালক মনোনীত কৰিলে। সভাই সিদ্ধান্ত দিলে এখেতসকলৰ আগৰজন গ্ৰেপ্তাৰ হ'লে পিছৰ জনে কাৰ্যভাৰ গ্ৰহণ কৰিব। গ্ৰেপ্তাৰ নোহোৱালৈকে পিছৰজনে সহকাৰী হিচাপে আগৰজনক আন্দোলনৰ কামত সহায় কৰি থাকিব। কৰ্মীসকলে 'মুক্তিসেনা' হিচাপে আইন অমান্য কৰা, যুদ্ধৰ যোগান বন্ধ কৰা, ৰাইজক সংঘবদ্ধ কৰা, সময়ৰ খা-খবৰ সময়মতে ৰাইজক জনাই থকা কাম কৰিব। অধিনায়ক আৰু সহ অধিনায়ক দুজনৰ ওপৰত যদিও শান্তিসেনা বাহিনীৰ পৰিচালনাৰ দায়িত্ব ন্যস্ত কৰা আছিল তথাপি কামৰ সুবিধাৰ কাৰণে এখেতসকলক জিলাখনক দুটা অঞ্চলত ভাগ কৰি দিয়া হ'ল। অধিনায়ক থানেশ্বৰ গগৈক পশ্চিমঅঞ্চল (লালুক, বিহপুৰীয়া,

নাৰায়ণপুৰ, খেৰাজখাট, লালুক মৌজা) আৰু যোগেশ্বৰ বৰুৱাক পুব আৰু মধ্য অঞ্চলত ভাগ কৰি দিয়া হ'ল। এই সভাতে উঃ লক্ষীমপুৰ নগৰত ছাত্ৰসকলৰ এটা নিয়মীয়া শিবিৰ প্ৰতিষ্ঠা কৰি ছাত্ৰসকলক প্ৰশিক্ষণ দিবৰ বাবে হিন্দী শিক্ষক ৰমেশ বিদ্যাৰ্থীক ভাৰ দিয়া হ'ল। নগৰৰ কাষৰ জাপিসজীয়া নামে ঠাইত এটা মুক্তিসেনাৰ শিবিৰ পাতি তাতে জিলাখনৰ বিভিন্ন শিবিৰৰ পৰা বাছকবনীয়া মুক্তিসেনাসকলক আনি নগৰৰ কাৰণে এটা মুক্তি সেনা বাহিনী গঠন কৰিবলৈ সহ অধিনায়ক যোগেশ্বৰ বৰুৱাক দায়িত্ব দিয়া হ'ল। এই একে সিদ্ধান্ততে ঢলপুৰত এটা শান্তিসেনাৰ মুখ্য শিবিৰ পাতি ইয়াৰ পৰিচালনাৰ দায়িত্ব শ্ৰীথানেশ্বৰ গগৈ (অধিনায়ক) ক দিয়া হ'ল। সভাৰ এই সিদ্ধান্ত ক্ৰমে তেতিয়াৰপৰা পৰিচালক আৰু বিষয়াসকলে দায়িত্ব বহন কৰি নিজ নিজ কৰ্তব্যত অগ্ৰসৰ হ'ল।

## ব্যাপক গণ বিপ্লৱ ঃ

২৫ আগষ্টৰ পৰাই গোটেই জিলাত আন্দোলনে ব্যাপক মূৰ্তি ধাৰণ কৰে। এই তাৰিখৰপৰা দুমাহমানলৈকে চৰকাৰী থানা আৰু কাছাৰী বৰ্জন আছিল। সেইদিনা উঃ লক্ষীমপুৰ হাইস্কুলৰ সন্মুখৰ কাছাৰীৰ পৰা কিছু দূৰত পথাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। এই সভাত মুনিহ তিৰোতা, ছাত্ৰ-ছাত্ৰী সকলোৱে যোগদান কৰিছিল। সভাৰ অন্তত জাতীয় পতাকাৰ তলত এটা বিৰাট সমদলে নগৰ পৰিভ্ৰমণ কৰে। পুলিচৰ তৎপৰতা দেখা গৈছিল যদিও বাধা দিয়া নাছিল।

২৬ আগষ্টৰ দিনা নগৰৰ পঞ্চানন দেৱালয়ৰ সন্মুখত প্ৰায় দুহেজাৰ জনতাৰে এখন সভাত সেই সময়ৰ বৃটিছ চৰকাৰৰ ওপৰত অনাস্থা প্ৰকাশ কৰা হৈছিল। মহাদেৱ দেশাইৰ কাৰাগাৰত আকস্মিকভাৱে মৃত্যু হোৱাত সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰি গভীৰ শোক প্ৰকাশ কৰা হৈছিল। এই সভাতে আহত কৰ্মীসকলৰ শুশ্ৰূষাৰ কাৰণে এটি দল গঠনৰ ব্যৱস্থা কৰা হ'ল। সেইদিনাৰ সভাত নগদ ২০ টকা সংগ্ৰহ হ'ল। সেইদিনাও পুলিচ বাহিনীয়ে সভাৰ আগগুৰি চাই আছিল যদিও কোনো বাধা প্ৰদান কৰা নাছিল। ঢকুৱাখনাত শ্ৰীতীৰ্থেশ্বৰ হাজৰিকা আৰু আনন্দ দত্তৰ যত্ন আৰু নেতৃত্বত আৰু কৰ্মীসকলৰ সহায়-সহযোগত প্ৰায় ২৫০০ মান জনতাৰ এটা শোভাযাত্ৰা হয়। ছাত্ৰ-ছাত্ৰীসকলেও এই শোভাযাত্ৰাত যোগদান কৰিছিল। শোভাযাত্ৰাত পুলিচে বাধা দিয়া নাছিল।

২৭ আগষ্টত বিহপুৰীয়াৰ পৰা ঢলপুৰলৈকে থকা শিবিৰৰ শান্তিসেনাসকলে জাতীয় পতাকা লৈ বিহপুৰীয়া থানা অভিমুখে এক শোভাযাত্ৰা কৰিছিল। শোভাযাত্ৰাত শান্তিসেনাসকলে পুলিচ-কৰ্মচাৰী আৰু অন্যান্য চাকৰিয়ালসকলক চৰকাৰী চাকৰি ত্যাগ কৰি জাতীয় আন্দোলনত সহযোগ কৰিবলৈ শ্ল’গান দিয়া হৈছিল। সেইদিনা পুলিচ বাহিনীয়ে শোভাযাত্ৰাৰ ৰেহৰূপ চাই নিষ্ক্ৰিয় হৈ আছিল।

সেইদিনা নগৰৰ আশে পাশে থকা গাঁও আৰু নগৰৰ মহিলাসকলে এখন ৰাজহুৱা সভা পাতি সভাত স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰি ভাৰতৰ স্বাধীনতা ঘোষণা কৰে। এই সভাত ছাত্ৰীসকলেও যোগদান কৰিছিল। সভাৰ পিছত মহিলা সকলে শোভাযাত্ৰা কৰি নগৰ পৰিভ্ৰমণ কৰিছিল।

২৮ আগষ্ট। ঘিলামৰাৰ পৰা এটা বিৰাট জন সমদল মাছখোৱালৈ যাত্ৰা কৰে। শোভাযাত্ৰাত চৰকাৰী চাকৰি কৰা লোক আৰু মৌজাদাৰসকলক কাম ইস্তফা দিবলৈ ধ্বনি দি অনুৰোধ কৰা হৈছিল। এই অঞ্চলৰ ছাত্ৰসকলেও শোভাযাত্ৰাত যোগদান কৰি অনিৰ্দিষ্ট কাললৈকে শিক্ষা বৰ্জন কৰি স্বাধীনতা আন্দোলনত যোগদান কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ শোভাযাত্ৰাত ভাৰতৰ নেতৃবৃন্দৰ মুক্তি, হিন্দু-মুছলমানৰ ঐক্য কামনা কৰি শ্ল’গান দিয়ে আৰু জাতীয় সঙ্গীত জয়ধ্বনি দি আকাশ-পাতাল মুখৰিত কৰিছিল। সেইদিনাৰ পৰা হিন্দী শিক্ষক ৰমেশ বিদ্যাৰ্থীৰ নেতৃত্ব আৰু পৰিচালনাত এটা ছাত্ৰ শিবিৰ নগৰৰ বিষ্ণুৰাম হাজৰিকাদেৱৰ এটা ঘৰত আৰম্ভ কৰা হ’ল। শিবিৰত থকা ছাত্ৰসকল আছিল কিনাৰাম হাজৰিকা, যোগদা গোস্বামী, বেণীকান্ত দত্ত, বাপুৰাম দত্ত, প্ৰফুল্ল বৰুৱা, ৰজনী দত্ত, অৰুণ বৰা, চৰিফুল আহমেদ আদি।

## জাপিসজীয়া জিলা শিবিৰ ঃ

জিলা কংগ্ৰেছৰ ১৯ আগষ্টৰ সিদ্ধান্তক্ৰমে বিহপুৰীয়া আৰু স’লাল গাঁৱত থকা দুটা শিবিৰৰ পৰা বাছকবনীয়া মুক্তিযুঁজাৰুৰে জিলা শিবিৰ আৰম্ভ কৰা হ’ল। এই দুয়োটা শিবিৰ সহ-অধিনায়ক যোগেশ্বৰ বৰুৱাৰ পৰিচালনাত চলি আছিল। দুয়োটা শিবিৰ উঠাই দি জাপিসজীয়া গাঁৱত থকা গগন ফুকনৰ পৰিবাৰ কুশেশ্বৰী ফুকননীয়ে দান কৰা এটা সুন্দৰ ঘৰত ছেপ্টেম্বৰ মাহৰ ১ তাৰিখে আৰম্ভ কৰা হ’ল। এই ঘৰটিত থকা যাৱতীয় আচবাৰখিনিও ব্যৱহাৰ কৰিবলৈ দিছিল। স’লাল গাঁৱৰ শিবিৰৰ পৰা নগৰৰ এই শিবিৰলৈ অহা মুক্তি সেনাসকল

আছিল— ১। উমাকান্ত দাস ২। ললিত চন্দ্ৰ শৰ্মা ৩। ৰাধিকা দত্ত ৪। দীঘলা ডেকা ৫। তোষেশ্বৰ বৰা ৬। দোমাই বৰুৱা ৭। সৰুৰাম দত্ত ৮। টঙ্কেশ্বৰ গগৈ ৯। ডিম্বেশ্বৰ ফুকন ১০। গুলোম শইকীয়া ১১। অকমান দত্ত ১২। ফটিক চন্দ্ৰ ভূঞা ১৩। হৰকান্ত দলৈ ১৪। ৰত্ন বৰা ১৫। টুনিৰাম হাজৰিকা ১৬। নাৰায়ণ চন্দ্ৰ ফুকন ১৭। বিভু বৰা ১৮। শিশুৰাম বৰুৱা ১৯। সোণেশ্বৰ শইকীয়া ২০। ব্ৰজ দত্ত ২১। ললিত দত্ত ২২। গোলাপ দত্ত ২৩। কেশ বৰা ২৪। সত্যনাথ বৰুৱা ২৫। তাৰাপ্ৰসাদ শৰ্মা ২৬। গোলাপ চন্দ্ৰ শইকীয়া ২৭। শইকীয়া কোচ ২৮। ডিম্বেশ্বৰ কলিতা ২৯। ৰত্ন শৰ্মা ৩০। দাসীৰাম বৰা ৩১। দেবেন ফুকন ৩২। হেম বৰা ৩৩। টঙ্ক দত্ত ৩৪। গোলাপ কলিতা ৩৫। ভুবন বুঢ়াগোঁহাই ৩৬। উপেন বৰদলৈ ৩৭। ঘনকান্ত দত্ত ৩৮। ভোলানাথ শইকীয়া ৩৯। পদ্ম শইকীয়া ৪০। তিলক চন্দ্ৰ দত্ত ৪১। গুৰু প্ৰসাদ শৰ্মা ৪২। নিৰণ ভূঞা ৪৩। গোবিন্দ শৰ্মা ৪৪। হেৰম্ব ফুকন ৪৫। গুণকান্ত হাজৰিকা ৪৬। কান্দ্ৰা উৰাং ৪৭। কমল শৰ্মা ৪৮। লোকনাথ শৰ্মা ৪৯। লোকেশ্বৰ বৰুৱা ৫০। তুলসী শইকীয়া

১ ছেপ্টেম্বৰৰ দিনা বিহপুৰীয়া শিবিৰৰ পৰা যোগেশ্বৰ বৰুৱাৰ নেতৃত্বত ভাদ মাহৰ চফলীয়া ৰ'দত ৪৩ কিলোমিটাৰ পদব্ৰজে গৈ নিম্নলিখিত মুক্তিসেনাসকল জাপিসজীয়া জিলা শিবিৰ পালেগৈ। যাওঁতে বাটত ত্ৰিৰঙ্গ পতাকা লৈ জাতীয় গীত গাই তিনি জয় দি গৈছিল।

১। লক্ষীনাথ শৰ্মা ২। ফণীধৰ লাহন ৩। পুৱাৰাম হাজৰিকা ৪। জয়ৰাম নেওগ ৫। গণেশ চেতীয়া ৬। দেৱেশ্বৰ বৰা ৭। মতিৰাম শইকীয়া ৮। ভাবিৰাম বৰুৱা ৯। উপেন বৰা ১০। ভদৰাম বৰুৱা ১১। কলীৰাম শইকীয়া ১২। খেত্তেকেশ্বৰ বৰুৱা ১৩। দেৱকান্ত ভূঞা। শিক্ষকসকল : ১। বিশ্বনাৰায়ণ শাস্ত্ৰী ২। সুৰেন্দ্ৰ নাথ শৰ্মা ৩। যোগেশ্বৰ বৰুৱা

বিহপুৰীয়া উচ্চ ইংৰাজী স্কুলৰ পৰা ১৯৪২ চনৰ আগষ্ট মাহত শিক্ষা ত্যাগ কৰা অন্য ছাত্ৰসকল আছিল — ১। মিহি সোণোৱাল ২। ডম্বৰু শইকীয়া ৩। ৰাম দত্ত।

লোহিত ডিক্ৰুং হাইস্কুল, বিহপুৰীয়াৰ ছাত্ৰসকল আছিল— ১। শৈলেন্দ্ৰ নাথ শইকীয়া ২। হৰিচন্দ্ৰ বৰুৱা ৩। চক্ৰেশ্বৰ টায়ুং ৪। বোধেশ্বৰ বৰা ৫। চন্দ্ৰকান্ত দত্ত ৬। ঈশেশ্বৰ হাজৰিকা ৭। মহেন্দ্ৰ নাথ ভূঞা ৮। হৰেন্দ্ৰ নাথ বৰুৱা ৯। পুণ্যেশ্বৰ শইকীয়া ১০। শিৱনাথ হাজৰিকা ১১। থানুৰাম গগৈ। ভোগপুৰীয়া

শিবিৰৰ পৰা টাউন শিবিৰলৈ যোৱাসকল আছিল— জয়ৰাম নেওগ, মতিৰাম শইকীয়া, ভাবিৰাম বৰুৱা, পুৱাৰাম হাজৰিকা, ফণীধৰ বায়ন, পূৰ্ণানন্দ হাজৰিকা।

জিলা শিবিৰত ঢকুৱাখনাৰ ফালৰ পৰা পূৰ্ণ ভৰালী, কান্ত চুতীয়া, ভিম্বেশ্বৰ দাস, পূৰ্ণ চুতীয়া, প্ৰভাত ভৰালী, ডম্বৰুধৰ চেতীয়া, মেঘনাথ ভৰালী আদিয়ে যোগদান কৰিছিল। মহিলা ৰোধেশ্বৰী দাস আৰু হেমেশ্বৰী ফুকনেও ঘৰত থাকি শিবিৰৰ দৈনন্দিন কামত সহযোগ কৰিছিল। এই শিবিৰত চুকুৰিমান মুক্তিসেনা আছিল। শিবিৰ পৰিচালক আছিল সহ অধিনায়ক যোগেশ্বৰ বৰুৱা দেৱ, শিবিৰাধ্যক্ষ টুনিৰাম হাজৰিকা আৰু সহঅধ্যক্ষ আছিল সুৰেণ শৰ্মা।

এই শিবিৰৰ মুক্তিসেনাসকলৰ ইউনিফৰ্মৰ হাফপেণ্ট আৰু চোলাৰ কাৰণে বিনামূলীয়াকৈ কাপোৰ যোগান ধৰিছিল উঃ লক্ষীমপুৰ নগৰৰ ব্যৱসায় ৰাম প্ৰসাদ মহেশ্ৰী, গণপত ৰায় আৰু গিৰিধাৰী লাল (নগএগ্ৰা) এই তিনিজনে। মথুৰা প্ৰসাদ লালা নামৰ এজন দৰ্জিয়ে সকলো পোচাক বিনা পাৰিশ্ৰমিকেৰে চিলাই কৰি মহৎ উপকাৰ কৰিছিল।

বিহপুৰীয়া লোহিত ডিক্ৰং উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা উল্লিখিত যিসকল ছাত্ৰই মুক্তি সেনাৰ প্ৰশিক্ষণ লৈ জিলা শিবিৰলৈ গৈছিল সেইসকলৰ বাহিৰেও সকলো ছাত্ৰই স্কুল ত্যাগ কৰিছিল। সেই বছৰৰ স্কুলৰ একতা সভাৰ সম্পাদক হৰিচন্দ্ৰ বৰুৱাই যোগেশ্বৰ বৰুৱাদেৱৰ আহ্বান ক্ৰমে স্কুলৰ সকলো ছাত্ৰকে স্বাধীনতা আন্দোলনত যোগদান কৰিবলৈ অনুৰোধ কৰিছিল আৰু আন্দোলনৰ পিছত স্কুললৈ ঘূৰি আহি অধ্যয়ন কৰিবলৈ অনুৰোধ কৰিছিল। সেইবাবেই গোটেইখন স্কুল ছাত্ৰৰ অনুপস্থিতিত বন্ধ হৈছিল। স্কুলৰ ছাত্ৰসকলে স্কুল ত্যাগ কৰি আন্দোলনত যোগদান কৰাৰ কাৰণে সেই সময়ৰ কৰ্তৃপক্ষই স্কুলখনিৰ স্থায়ী সাহায্যও বন্ধ কৰিছিল। ছাত্ৰ সংগ্ৰহ কৰি পুনৰ স্কুল আৰম্ভ কৰাৰ পিছতহে সেই সাহায্য স্কুলে পুনৰ লাভ কৰিবলৈ সক্ষম হৈছিল। এই স্কুল ত্যাগ কৰি আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰা বাকী ছাত্ৰসকল আছিল — জেউতীৰাম দেউৰী, নবীন শৰ্মা, গুণকান্ত বৰুৱা, প্ৰফুল্ল মহন্ত, লোকনাথ চক্ৰবৰ্তী, কেশৰাম দত্ত আৰু বিশ্বেশ্বৰ ৰাজখোৱা।

## চাকৰিয়ালসকলৰ চাকৰি ত্যাগ ঃ

কংগ্ৰেছ কৰ্মীসকলে আগষ্ট মাহৰ ২৮ তাৰিখৰ পৰা ছেপ্টেম্বৰ মাহৰ ১

তাৰিখলৈকে এই ৫ দিন এটা বিশেষ কাৰ্যসূচী হাতত লৈছিল। সেয়া আছিল তেওঁলোকে গাঁৱে গাঁৱে ফুৰি নামঘৰে, নামঘৰে সভা পাতি ৰাইজক দেশৰ পৰিস্থিতি অৱগত কৰা, স্বাধীনতা আন্দোলনৰ কাৰণে ৰাইজৰ পৰা সক্ৰিয় সহযোগিতা কামনা কৰা; কিন্তু বৃটিছ চৰকাৰৰ ক্ষেত্ৰত তেওঁলোকৰ লগত সকলো প্ৰকাৰৰ অসহযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। এই অনুৰোধ ক্ৰমে চৰকাৰী চাকৰিয়ালসকলে বহুতে তেখেতসকলৰ চাকৰি ইস্তফা দিলে। চাকৰি ইস্তফা দিয়া লোকসকলৰ নাম তলত উল্লেখ কৰা হ'ল —

### ইং ১৯৪২ চন

| ক্রঃ নং | নাম | পদবী | ঠিকনা |
|---|---|---|---|
| ১ | ইন্দ্ৰেশ্বৰ শৰ্মা | প্ৰঃ শিক্ষক | পানীগাঁও এম. ভি. স্কুল |
| ২ | ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী | হিন্দী শি. | উঃ লক্ষীমপুৰ হাইস্কুল |
| ৩ | ফণীধৰ বৰা | শি. | কেন্দুগুৰি নিঃ প্ৰাঃ স্কুল |
| ৪ | সুৰেন্দ্ৰ নাথ শৰ্মা | শিঃ | বিহপুৰীয়া হাইস্কুল |
| ৫ | আনন্দ দত্ত | শিঃ | ঢকুৱাখনা হাইস্কুল |
| ৬ | দ্বাৰিকা নাথ ফুকন | শি. | ঘিলামৰা এম. ভি. স্কুল |
| ৭ | কনপাই দত্ত | শি. | বৰদলনি নি. প্ৰা. স্কুল |
| ৮ | তীৰ্থনাথ দত্ত | শি. | সোণাৰি এম. ভি. স্কুল |
| ৯ | পূৰ্ণ শৰ্মা | শি. | বিহপুৰীয়া নিঃ প্ৰা, স্কুল |
| ১০ | সুৰেন্দ্ৰনাথ শইকীয়া | শি. | জামুগুৰি নি. প্ৰা. স্কুল |
| ১১ | পদ্মেশ্বৰ শৰ্মা | শি. | স'লালগাঁও নি. প্ৰা. স্কুল |
| ১২ | সৰ্বানন্দ ভৰালী | শি. | পিছলা নি. প্ৰা, স্কুল (নিলম্বিত) |
| ১৩ | ৰত্ন শৰ্মা | শি. | কেন্দুগুৰি ,, |
| ১৪ | মুক্তানাথ শৰ্মা | শি. | ভেবেলিগাঁও (চিচি) |
| ১৫ | গোলাপ বৰুৱা | মহৰি | লীলাবাৰী বাগান (নিলম্বিত) |
| ১৬ | চম্বৰি নায়ক | চকিদাৰ | চিয়াজুলি বাগান |
| ১৭ | কনকেশ্বৰ চুতীয়া | শিক্ষক | তালনগাঁও নি. প্ৰা. স্কুল |
| ১৮ | গঙ্গাধৰ হাজৰিকা | মণ্ডল | উঃ লক্ষীমপুৰ হিন্দুগাঁও |
| ১৯ | গণেশ চেতীয়া | | সন্তপুৰ |
| ২০ | ডিম্বেশ্বৰ কলিতা | পিয়ন | বাহাদুৰ চুক |

| | | |
|---|---|---|
| ২১ মুহিধৰ কাকতি | শিক্ষক | গেন্ধালি নি. প্ৰা. স্কুল |
| ২২ গোপাল চন্দ্ৰ কোঁচ | হি. শিক্ষক | ভাপজুপ |
| ২৩ খগেশ্বৰ মেধী | বেন্দৰ | পানীগাঁও |
| ২৪ গোলোক চন্দ্ৰ বৰুৱা | শিক্ষক | বিহপুৰীয়া নি. প্ৰা. স্কুল |
| ২৫ পানীন্দ্ৰ নাথ বৰুৱা | মণ্ডল | চাৰমতি (মাধৱপৰ) ইং ১৯৩৫ |
| ২৬ বোধেশ্বৰী দাস | শিক্ষয়িত্ৰী | বছাগাঁও নি. প্ৰা. স্কুল |

১৯৪১ চনৰ সত্যাগ্ৰহ আন্দোলনত শিক্ষকতা ত্যাগ কৰিছিল বিহপুৰীয়া লো. ডি. হাইস্কুলৰ পৰা — উমাকান্ত ৰাজখোৱা, থানেশ্বৰ গগৈ, যোগেশ্বৰ বৰুৱা আৰু পিছলাগুৰিৰ লীলাৰাম ভূঞাই কলাবাৰী এম. ই. স্কুলৰ পৰা। বিহপুৰীয়া হাইস্কুলৰ ছাত্ৰ খগেশ্বৰ ভূঞাই শিক্ষা ত্যাগ কৰি সত্যাগ্ৰহ কৰিছিল।

## চৰকাৰী অনুষ্ঠানৰ লগত অসহযোগ ঃ

আগষ্ট মাহৰ শেষৰফালে চৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠান আদিৰ লগত সম্পূৰ্ণ অসহযোগ কৰি তাৰ বিপৰীতে বে-চৰকাৰীভাৱে তেনে অনুষ্ঠান গঢ়ি তোলা হৈছিল; যদিও সেইবিলাকৰ কিছুমান বেছি দিনলৈ টিকি নেথাকিল চৰকাৰৰ প্ৰতিকূল ব্যৱস্থাৰ কাৰণে।

(১) উঃ লক্ষীমপুৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলেৰে নগৰৰ ভিতৰত পূৰ্ণ চন্দ্ৰ দে নামৰ এজন লোকৰ এটা খালী ঘৰত নতুনকৈ আন এখন উচ্চ ইংৰাজী স্কুল আৰম্ভ কৰা হ'ল। স্কুলখনিৰ প্ৰধান শিক্ষক পতা হৈছিল নগৰৰে যীৰেন্দ্ৰ নাথ চাংকাকতিদেৱ (এম. এ)ক। অলপ দিন স্কুল চলোৱাৰ পিছত এদিন পুলিচ গৈ স্কুল ঘৰত তলা লগাই স্কুলখন বন্ধ কৰি দিলে।

(২) উঃ লক্ষীমপুৰ নগৰৰ মাজত থকা দৈনিক বজাৰখন স্থানান্তৰ কৰা হ'ল দুঠাইলৈ। এখন শশী ফুকনৰ মাটিত, আনখন কমলাবাৰী গড়েহগা আলিৰ চুকত। ছাত্ৰ নেতা কিনাৰাম দত্ত, নোমল কাটনি আদি কেইজনমান মুক্তিসেনাই হাবি-জঙ্ঘল কাটি, মাটি সমান কৰি বেপাৰীসকলক মাতি নি বজাৰ বহুৱালে। ইখন বজাৰো ইন্দ্ৰ শৰ্মা, লালা দৰ্জি, লক্ষীনাথ শৰ্মা, আব্দুল বাৰিক, দেৰাজুদ্দিন আহমেদ আদিৰ যত্নত কিনা-বেচা কৰা গ্ৰাহক-বেপাৰী সমন্বিতে বজাৰ আৰম্ভ কৰা হ'ল। অলপ দিনৰ পিছত দুয়োখন বজাৰ পুলিচে বন্ধ কৰি দিলে।

(৩) বিহপুৰীয়াৰ বজাৰখন চিকিৎসালয়ৰ সন্মুখৰ পৰা বৰ্তমান টাউন কমিটীৰ

কাৰ্যালয়ৰ সন্মুখত পতা হ'ল।

(৪) ঢলপুৰ বজাৰখন পতা হ'ল এম. ভি. স্কুলৰ পিছফালে।

(৫) নাৰায়ণপুৰ বজাৰখন পতা হ'ল সত্ৰাহিৰ সোণাৰাম বৰাৰ নিজা মাটিত নাৰায়ণপুৰতে। বিহপুৰীয়া, নাৰায়ণপুৰ আৰু ঢলপুৰ বজাৰ আটাইকেইখন নতুন ঠাইত কেইসপ্তাহমান চলাৰ পিছত বজাৰবিলাক লেচৌবিলাকে লোকচান খাব লগা হোৱাত, তেওঁলোকৰ আপত্তি ক্ৰমে পুলিচে কিনা-বেচা লোকসকলক খেদা-কোৰা কৰি নতুন বজাৰ বন্ধ কৰি আগৰ ঠাইত বজাৰ চলোৱাৰ ব্যৱস্থা কৰিলে।

(৬) নদীৰ পাৰঘাটবিলাকো ঘাটৰ পৰা উজাই বা ভাটিত নাও আৰু নাৱৰীয়া বন্দবস্ত কৰি যাত্ৰী পাৰাপাৰ কৰাৰ ব্যৱস্থা কৰা হ'ল। নতুন ঘাটবিলাক হ'ল ৰঙানদী ঘাট দেওবিলত, সোৱণশিৰি ঘাট পলসপাৰত, পকাদল ঘাট ধলধলীয়াত। পকাদল ঘাটৰ দায়িত্ব দিয়া হৈছিল কৰ্মী খেতেকেশ্বৰ বৰুৱাক। তেওঁ বহুদিনলৈকে এই ঘাটবিলাক চলাইছিল। আমাৰ কংগ্ৰেছ কৰ্মীসকলে এইবিলাক ঘাটেদিহে চলাচল কৰিছিল। আটাইবিলাক ঘাটেই চলি থাকিল।

## মুক্তিসেনা সকলৰ কাৰ্যালয় ঃ

সোৱনশিৰি নদীৰ পূবফালে কংগ্ৰেছ কৰ্মী কম হোৱাৰ কাৰণে জিলা পৰিচালকে জাপিসজীয়া কেন্দ্ৰীয় শিবিৰৰ পৰা নায়ক শৈলেন্দ্ৰ নাথ শইকীয়া আৰু অকমান দত্তক পূব অঞ্চলত সংগঠন প্ৰচাৰ আৰু শান্তিসেনা প্ৰশিক্ষণ দিবলৈ পঠালে। তেওঁলোক দুয়ো গৈ সেই অঞ্চলৰ বিশিষ্ট কৰ্মী মেঘ ভৰালীক বাসুদেৱ থানত লগ ধৰি তেখেতৰ সৈতে গৈ ঢকুৱাখানাৰ এখন ৰাজহুৱা সভাত যোগদান কৰি ৰাইজক স্বাধীনতা আন্দোলনত যোগদানৰ কাৰণে গোহাৰি জনায়। এই কাৰ্য্যত প্ৰবীণ কৰ্মী ৰুক্ম গগৈয়ে শান্তিসেনা প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰি প্ৰশিক্ষণৰ কাৰণে শান্তি সেনা সংগ্ৰহ কৰি দিছিল। ইয়াত প্ৰশিক্ষণ সম্পূৰ্ণ কৰি শান্তিসেনা সকলক কামত লগাই গোবিন্দপুৰলৈ যায়। তাতো এটা শিবিৰ পাতি শান্তিসেনা প্ৰশিক্ষণ দিলে। ইয়াত নোমল চন্দ্ৰ বৰুৱাই আৱশ্যকীয় সকলো সহায় আগবঢ়াইছিল। পিছত ঠেকেৰাবাৰীত আন এটা শিবিৰ পাতি তাতো প্ৰশিক্ষণ দিলে। ইয়াৰপৰা অকমান দত্ত দেৱলীয়াল গাঁৱলৈ গৈ তাত এটা শিবিৰ পাতি প্ৰশিক্ষণ দিলে। বিশিষ্ট কৰ্মী আৰু নায়ক কবীন্দ্ৰ গগৈ, ভূবন বৰুৱা আৰু আদিত্য শইকীয়াই উপৰুক্ত কৰ্মী দুজনক সকলো প্ৰকাৰে সহায় কৰি দিছিল। এদিন

ঢকুৱাখানা অঞ্চলৰ কলাকটা নামে ঠাইত সেই অঞ্চলৰ ১৪/১৫ খন গাঁৱৰ ৰাইজৰ এখন বিৰাট ৰাজহুৱা সভা উল্লিখিত কৰ্মীসকলৰ যত্নত অনুষ্ঠিত হৈছিল। সভাত কৰ্মীসকলে দেশৰ পৰিস্থিতি বুজাই দি দেশমাতৃৰ মুক্তিৰ কাৰণে জনোৱা আহ্বানৰ প্ৰতি সেই অঞ্চলৰ ৰাইজে সমৰ্থন জনাই সহযোগীতাৰ আহ্বান দিলে। পিছত সেই অঞ্চলত শান্তিসেনা প্ৰশিক্ষণ ৰচদ-পাতি সংগ্ৰহ কাৰ্য সহজ হৈ উঠিল।

ইতিমধ্যে লক্ষীমপুৰ নগৰত এটি ঘটনা সংঘটিত হ'ল। ইয়াৰ একমাত্ৰ চৰকাৰী হাইস্কুলখন, ইউৰোপীয় ক্লাব হাউচ আৰু টাউন এম. ভি. স্কুলত কোনো লোকে ছেপ্টেম্বৰ মাহৰ ১ তাৰিখে অগ্নিসংযোগ কৰিলে। সমীপবৰ্তি লোকে জুই নুমালে যদিও ঘৰবিলাকৰ বহুত ক্ষতি হ'ল। এই অপৰাধৰ কাৰণে ছাত্ৰ কিনাৰাম দত্ত, জগদা গোস্বামী আৰু বেনী মাধৱ দত্তক পুলিচে গ্ৰেপ্তাৰ কৰি নি পিছত প্ৰমাণৰ অভাৱত পোন্ধৰ দিন ৰাখি এৰি দিলে।

## দমনৰ প্ৰাবল্য ঃ

আগষ্ট মাহৰ শেষভাগত বৃটিছ চৰকাৰে ৰেজিমেণ্টৰ ২০০ মিলিটেৰী আৰু বহু ৰিজাৰ্ভ পুলিচ আমদানি কৰিছিল। ছেপ্টেম্বৰ মাহৰ ২ তাৰিখে সশস্ত্ৰ পুলিচ বাহিনীয়ে জাপিসজীয়ত থকা জিলা শিবিৰৰ আগেদি ৰাস্তাত বাদ্যযন্ত্ৰ বজাই ফ্লেগ মাৰ্চ কৰিছিল। একে সময়তে সহ অধিনায়ক যোগেশ্বৰ বৰুৱাদেৱেও জাপিসজীয়া জিলা শিবিৰৰ মুক্তি সেনাসকলৰ দ্বাৰা কুচ-কাৱাজ প্ৰদৰ্শন কৰিছিল। সেইদিনা এনে লাগিছিল যেন বৃটিছ চৰকাৰ আৰু ৰাইজৰ মাজত যুদ্ধ প্ৰস্তুতিৰ প্ৰতিযোগীতাহে চলিছে।

জাপিসজীয়া জিলা শিবিৰটোৱে আন্দোলনৰ গুৰু দায়িত্ব বহন কৰিব লগা হৈছিল। কিয়নো উঃ লক্ষীমপুৰ নগৰখন মহকুমাৰ সদৰ হোৱাৰ কাৰণে ইয়াত প্ৰশাসনিক যাৱতীয় ব্যৱস্থা চৰকাৰে অটুত ৰাখিছিল। চৰকাৰী, অৰ্দ্ধ চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান-কাৰ্যালয় আদিও পৰ্য্যাপ্ত আছিল। সেইবাবেই শাসনৰ বান্ধো কটকটীয়া আছিল। যদিও বৃটিছৰ শাসনৰ বাঘজৰি মজবুত আছিল। তথাপি জাপিসজীয়া মুক্তিসেনা শিবিৰে যোগেশ্বৰ বৰুৱাৰ অসীম সাহসিক নেতৃত্বত ফেৰ মাৰি কাম কৰিছিল। নগৰৰ বিভিন্ন আদালত, কাছাৰি, কাৰ্যালয়, স্কুল, মদ-ভাঙৰ মহলত পিকেটিং কৰা, শিবিৰৰ কাৰণে আৱশ্যক হোৱা পুঁজি ৰচদ-পাতি

সংগ্ৰহ কৰা, গাঁওবিলাকলৈ গৈ সভা-সমিতি পাতি প্ৰচাৰ, সংগঠন কৰা, শান্তিসেনা সংগ্ৰহ কৰি শিবিৰ পাতি তাত প্ৰশিক্ষণ দিয়া আদি বিভিন্ন কামৰ কাৰণে নায়ক সহ কৰ্মীদল নিয়োগ কৰা আদি বিভিন্ন দৈনন্দিন কাম এই শিবিৰে কৰিব লগা হৈছিল। পিকেটিং কৰিবলৈ ৮/১০ জন একোটি মুক্তিসেনাৰ দল একোজন দলপতিসহ নিযুক্ত কৰি পঠোৱা হৈছিল। তেওঁলোকে স্কুল, কাছাৰি কাৰ্য্যালয় আদিলৈ গৈ তাৰ গেট বা জপনামুখত থিয় হৈ, প্ৰয়োজন হ'লে দীঘল দি পৰি গেট বন্ধ কৰি শিক্ষক-কৰ্মচাৰীসকলক চৰকাৰী কামৰ পৰা বিৰত থাকিবলৈ সন্মত কৰোৱা আদি কামত আত্মনিয়োগ কৰিছিল। ১০ বজাত পিকেটিঙৰ কাম আৰম্ভ কৰাৰ লগে লগে পুলিচৰ সশস্ত্ৰ অতৰ্কিত আক্ৰমণ আৰু মাৰপিট চলিছিল। ফলত মুক্তিসেনাসকল আহত হৈছিল। থানা বা কাৰাগাৰলৈ ধৰি লৈ গৈছিল। প্ৰচাৰ আৰু সংগঠনৰ কাৰণে যিসকল মুক্তিসেনা গাঁৱলৈ গৈছিল তেওঁলোকে দুৰ-দুৰণিৰ গাঁওবিলাকলৈ হাবি-জঙ্ঘলৰ মাজেদি জান-জুৰি অতিক্ৰম কৰি কৰ্তব্য কামত নিষ্ঠাৰে আত্মনিয়োগ কৰিছিল। কৰ্মীসকলে কেইবা সাজলৈকে খাবলৈ নাপাইছিল, হিংসুক জীৱ-জন্তুৰে ভৰা অৰণ্যত আৰু জোক-মহৰ আক্ৰমণত দিন-ৰাতি পাৰ হৈছিল। কৰ্মীসকল ভাল আলিবাটেদি অহা-যোৱা কৰিব নোৱাৰিছিল। কিয়নো টহলদাৰী পুলিচে দিনে-ৰাতিয়ে ভলণ্টিয়াৰসকলক ধৰিবলৈ বিচাৰি ফুৰিছিল। সেইবাবে কংগ্ৰেছ কৰ্মীসকলে আত্মগোপন কৰি ফুৰিব লগা হৈছিল। কৰ্মীসকলে ৰদ-বৰষুণত চাতি-জাপি, জাৰ-জহত কাপোৰ, আঁঠুৱা ব্যৱহাৰ কৰিবলৈ প্ৰায়েই সুবিধা নাপাইছিল। এইদৰেই সকলো কৰ্মীয়ে দেশাত্মবোধেৰে ভাৰত মাতৃক মুক্ত কৰিবৰ কাৰণে অবিৰাম গতিত অগ্ৰসৰ হৈছিল।

## ফুচোলোৱা (পিকেটিং) :

জাপিসজীয়াত থকা সদৰৰ প্ৰধান শিবিৰটোত মুক্তিসেনা প্ৰবেশ হোৱাৰ পিছদিনাৰ পৰাই নগৰত থকা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত প্ৰতি দিনাই পিকেটিং কৰা হৈছিল। মুক্তিসেনা আৰু ছাত্ৰসকলে কৰা এই পিকেটিঙৰ কেইটামান বিৱৰণহে তলত উল্লেখ কৰা হ'ল।

নগৰৰ বহু ছাত্ৰ-ছাত্ৰীয়ে স্কুল এৰি আন্দোলনৰ কাৰ্যসূচীত যোগদান কৰিছিল যদিও কিছুমান কৰ্মচাৰী আৰু মুছলমান লোকৰ ল'ৰা-ছোৱালীয়ে স্কুললৈ অহা-যোৱা কৰিছিল। সেইবাবে ল'ৰা আৰু ছোৱালী দুয়োখন হাইস্কুলতে পিকেটিং

কৰিব লগা হৈছিল।

৬ ছেপ্টেম্বৰৰ দিনা ছাত্ৰ শিবিৰৰ পৰিচালক ৰমেশ বিদ্যাৰ্থীয়ে ছোৱালী হাইস্কুলত কেইজনীমান ছাত্ৰীক পিকেটিং কৰিবলৈ দিলে। স্কুল আৰম্ভ হোৱাৰ আগে আগে ছাত্ৰীসকলে গেটত বৈ শিক্ষক-ছাত্ৰসকলক স্কুল সোমোৱাত বাধা দিলে। ইতিমধ্যে ৰাস্তা আৰু স্কুলৰ সন্মুখত ছাত্ৰী আৰু শিক্ষকৰ ভিৰ হ'ল। বাতাহি [illegible] কৰা কিছুমান মানুহেও পিকেটিঙৰ ৰেহৰূপ চাবলৈ লাগিল। দুজনী ছাত্ৰীয়ে পিকেটিং কৰা সত্বেও পিকেটিং নামানি গেটৰ ভিতৰ সোমাবলৈ জোৰ দিয়াত এজনী ছোৱালী গেটত দীঘল দি পৰি দিলে। যোৰহাটৰ এগৰাকী শিক্ষয়িত্ৰী পৰি পিকেটিং কৰা ছাত্ৰীগৰাকীৰ ওপৰেদি পাৰ হৈ স্কুল সোমালগৈ। ইতিমধ্যে টাউন কমিতিৰ চেয়াৰমেনজনে তেওঁৰ দুজনী ছোৱালী স্কুললৈ লৈ আহিল আৰু গেটত পৰি থকা ছোৱালী জনীৰ ওপৰেদি দেও দি পাৰহৈ যাবলৈ নিৰ্দেশ দিলে পিছে ছোৱালী দুজনীয়ে পৰি থকা ছোৱালীজনীৰ ওপৰেদি পাৰ হৈ নগ'ল। তেতিয়া তেওঁ মহকুমাধিপতিক জনালেগৈ। মহকুমাধিপতিয়ে সশস্ত্ৰ পুলিচ বাহিনী লৈ সেই ঠাইত উপস্থিত হ'ল। পুৰী চাহাবে হিন্দী শিক্ষক বিদ্যাৰ্থীক বিচাৰিলে, কিন্তু নাপালে। পুলিচ দেখি ছাত্ৰীবিলাক আঁতৰ হ'ল। কিন্তু গেটত পৰি থকা ছোৱালীজনী নিৰ্ভিকভাৱে গেটতে পৰি থাকিল। পুলিচে সেই ছোৱালীজনী টানি নি ৰাস্তাৰ কাষৰ নৰ্দমাত পেলাই দিলে। সেই ছোৱালীজনীৰ নাম নিহাৰবালা বৰুৱা। কংগ্ৰেছ কৰ্মী লক্ষীনাথ শৰ্মা বৰুৱাৰ কন্যা। তেখেত এতিয়া সেইখন হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী। সেইদিনা পিকেটিঙত থকা আন দুজন মুক্তিসেনা আছিল শ্ৰীশিৱনাথ হাজৰিকা আৰু গোপাল দত্ত। পুলিচে সেইদিনাই নগৰত থকা ছাত্ৰ শিবিৰটো ভাঙি দিলে।

৭ ছেপ্টেম্বৰৰ দিনা ধনেশ্বৰ বৰুৱাই কেইজনমান ছাত্ৰৰ সহায়ত এখন ৰাজহুৱা সভা চাবতি নামৰ ঠাইত আহ্বান কৰিছিল। তালৈ আমন্ত্ৰণক্ৰমে সৰ্বেশ্বৰ বৰুৱা (বিধায়ক), তীৰ্থেশ্বৰ হাজৰিকা আৰু হিন্দী শিক্ষক ৰমেশ চন্দ্ৰ বিদ্যাৰ্থীয়েও যাত্ৰা কৰিছিল। অলপদূৰ যাওঁতেও পুলিচে তেখেতসকলক গ্ৰেপ্তাৰ কৰিলে। ছাত্ৰ কৰ্মীসকলৰ ভিতৰত কিনাৰাম দত্ত, বেণী মাধন দত্ত, জগদানন্দ গোস্বামী, যোগেশ মহন্ত, বিদুৰ চন্দ্ৰ দাস আৰু উপেন্দ্ৰ নাথ শইকীয়াকো গ্ৰেপ্তাৰ কৰিলে। এওঁলোকক কেইদিনমান হাজোতত ৰাখি এৰি দিলে। শ্ৰদ্ধেয় বৰুৱা, হাজৰিকা আৰু বিদ্যাৰ্থীক আটক বন্দী কৰিলে। এখেতসকলক তেজপুৰ কাৰাগাৰলৈ পঠালে। চাবতিৰ

সভাখন গোবিন শৰ্মা, চন্দ্ৰবিয়াল নায়ক, পৰশুৰাম তালুকদাৰ আৰু মোলোকা বৰা আদিৰ যত্নত কৰণ সিং নামৰ এজন লোকৰ সভাপতিত্বত আৰম্ভ কৰিলে। এই সভাত যোগেশ্বৰ বৰুৱা আৰু কনকেশ্বৰ দত্ত দুয়ো খবৰ পাই যোগদান কৰিলেগৈ। তেখেতসকলে ৰাইজক দেশৰে মুক্তি আন্দোলনৰ কথা কৈ সকলো প্ৰকাৰে সহায়-সহযোগ কৰিবলৈ ৰাইজক গোহাৰি জনালে।

## জিলাৰ কেন্দ্ৰীয় শিবিৰ ভংগ ঃ

জাপিসজীয়া গাঁৱত থকা জিলা কেন্দ্ৰীয় মুক্তিসেনা শিবিৰৰ পৰা প্ৰচাৰ, প্ৰশিক্ষণ আৰু পিকেটিং আদি আন্দোলন সম্পৰ্কীয় নানান কাম কৰি থকাৰ সম্বেদ জিলা কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ হোৱাত ছেপ্টেম্বৰ মাহৰ ৭ তাৰিখে পুৱাবেলা ১০ মান বজাত মহকুমাধিপতিয়ে লগত সশস্ত্ৰ পুলিচ বাহিনী লৈ শিবিৰ আক্ৰমণ কৰিলে। শিবিৰৰ মুক্তি সেনা আৰু দায়িত্বপূৰ্ণ কৰ্মীসকল সেই সময়ত বিভিন্ন কামত বাহিৰত আছিল। জপনামুখত আছিল ৰত্ন শৰ্মা আৰু ধ্বজৰক্ষক আছিল নাৰায়ণ ফুকন। জপনামুখৰ ৰক্ষকে পুলিচ বাহিনী দেখি হুইচেল বজাই বিপদ সঙ্কেত দিয়াৰ লগে লগে তেওঁক আৰু ধ্বজৰক্ষক দুয়োকে পুলিচে লাঠী চাৰ্জ কৰি বগৰাই দিলে। জখম হৈ দুয়োৰে শৰীৰৰ পৰা তেজ ’বলৈ ধৰিলে। নাৰায়ণ ফুকনে জাতীয় পতাকাখন ৰক্ষা কৰিবৰ কাৰণে চেষ্টা কৰোতে জুতি (ৰহিমুদ্দিন) নামৰ এছ. আই. এজন তেওঁৰ ওপৰত জঁপিয়াই পৰি তেওঁক মাটিত পেলাই লৈ বেতেৰে কোবাই, জোতাৰে গছকি এৰি থৈ পতাকাখন হস্তগত কৰিলে। তদুপৰি শিবিৰত থকা ঘৰৰ মালিকৰ দুখন উৰামাকো তাত শাল, কেইবাযোৰা চকী-মেজ, বাল্টি, কেৰাহী, চাউল-তৰী-তৰকাৰী আদি বস্তু গাড়ীত বোজাই কৰি ল’লে। কেইজনমান চিপাহীয়ে কৰ্মীকেইজমানে ভাত খাই থকা অৱস্থাতে জোতাৰে গুৰিয়াই গুৰুলা-গুৰুল কৰি মৰিয়ালে। শিবিৰত সৈনিকৰ কাৰণে বান্ধি-কুন্ধি থোৱা বিছনা-পত্ৰবোৰ ফালি চিৰি সিঁচৰতি কৰিলে। শিবিৰৰ কাৰ্যালয়ৰ কাগজ-পত্ৰবোৰ লৈ গ’ল।

পুলিচ যোৱাৰ পিছত আহত মুক্তি সৈনিকসকলক ডাঃ গোস্বামীদেৱৰ হোমিও ক্লিনিকত ভৰ্তি কৰি এৰি দিয়া হ’ল; কিন্তু শৰ্মা আৰু ফুকনক এসপ্তাহলৈকে ৰাখি চিকিৎসা কৰা হ’ল। সেইদিনা শিবিৰত যিসকল মুক্তি সেনাই ভাত খাবলৈ পোৱা নাছিল, তেওঁলোকৰ ওচৰত থকা বেন্দৰ কৰ্ণেশ্বৰ বৰাই এসাজ ৰান্ধি খুৱাই

সহায় কৰিলে। পিছত এই শিবিৰ এঙাৰখোৱাৰ তিলক দত্তৰ দোকানৰ এটা খালী ঘৰলৈ নিয়া হৈছিল যদিও, ঘৰটো শিবিৰৰ কাৰণে যথেষ্ট নোহোৱাত ২/১ দিনৰ পিছত ওচৰৰে শিঙিমাৰীৰ এটা আহল-বহল ঘৰলৈ নিয়া হ'ল।

জিলাৰ জাপিসজীয়া শিবিৰ ভংগ কৰাৰ পিছদিনা সশস্ত্ৰ পুলিচ বাহিনী জিলাৰ আনটো শিবিৰ ভাঙিবলৈ ঢলপুৰলৈ যাত্ৰা কৰিলে। এই শিবিৰটো পৰিচালনা কৰিছিল অধিনায়ক থানেশ্বৰ গগৈ দেৱে। ধলপুৰৰ শিবিৰ ভংগ কৰাৰ আগতীয়া খবৰ স'লাল গাঁৱৰ ড্ৰাইভাৰ কমল দত্তই ঢলপুৰ শিবিৰত দিছিল। এই খবৰ পাই শিবিৰৰ সৈনিকসকলে লৰালৰিকৈ ভাত ৰান্ধি খাই সন্ধ্যা ভগাৰ পিছত ৰঙতিলৈ যাত্ৰা কৰি তাত শিবিৰ পাতিলেগৈ।

পিছদিনা পুৱা তিনি বজাত পুলিচৰ সশস্ত্ৰ বাহিনী মুক্তি সৈনিকৰ শিবিৰ বিচাৰি ঢলপুৰ পালেগৈ। তাত শিবিৰ নেপাই তেওঁলোক হাৱাজানলৈ গ'ল। ইয়াত এটা মুক্তি সেনা শিবিৰ আছিল। এই শিবিৰটো লক্ষীমপুৰ আৰু দৰং জিলাৰ সীমাত অৱস্থিত আছিল। শিবিৰত দুয়োখন জিলাৰ সৈনিক আছিল। পুলিচ গৈ ৰাতি নৌ'পুৱাওঁতেই যেতিয়া শিবিৰ আক্ৰমণ কৰিলে, তেতিয়া সৈনিকসকল নিচিন্ত মনেৰে নিদ্ৰাদেৱীৰ কোলাত জিৰণি লৈ আছিল। চিপাহীবিলাকে অতৰ্কিতে দুৱাৰ ভাঙি শিবিৰৰ ভিতৰ সোমাই শুই থকা সৈনিকসকলৰ ওপৰত বীৰত্ব প্ৰকাশ কৰি টনা-আজোৰা কৰি চৰ-গোৰ, ভুকু মাৰিলে, চোঁচোৰালে, লাঠিৰে পূৰ্ণহুতীয়া মাৰ ধৰিলে। শিবিৰত চিএৰ-বাখৰ, হুলস্থূল লাগিল। মাৰৰ ভয়ত কিছুমান পলাল। কিছুমান মাৰ-পিটত আহত হ'ল। তেওঁলোক তাতেই কেঁকাই-গেঠাই পৰি ৰ'ল। হাৱাজান অঞ্চলৰ প্ৰধান কৰ্মী নিৰোদবৰণ দাস টোপনি জালত কি কৰো কি নকৰো কৰি দৌৰি গৈ ঠৰক-বৰক কৰি ওচৰতে থকা হাৱাজান নৈত পৰি কক-ককাই আকৌ পাৰলৈ উঠি জীৱন ৰক্ষা কৰিলে। পুলিচে শিবিৰটো ভাঙি ধলপুৰলৈ ঘুৰি আহিল। ঢলপুৰৰ দোকানী কেইজনমানক পুলিচে ঢলপুৰ শিবিৰৰ ভলণ্টিয়াৰবিলাক ক'লৈ গ'ল সুধিলে; তেওঁলোকে ক'ব নোৱাৰো বুলি কোৱাত পুলিচে তেওঁলোককো মৰিয়ালে। সেইদিনা পুলিচৰ প্ৰহাৰত আহত হোৱা লোকসকল আছিল— দ্বীজেন দত্ত, জীতেন দত্ত, ৰেৱতী মোহন দে, দুৰ্গাচৰণ কৰ, মোলোক গাঁওবুঢ়া, বিজয় কৰ আৰু পূৰ্ণ ভট্টাচাৰ্য। যাবৰ সময়ত পুলিচে দোকানবিলাক ভাঙি দোকানৰ কিছুমান মাল লুট কৰি গাড়ী ভৰাই লৈ গ'ল।

ঢলপুৰৰ পৰা ঘূৰি আহোতে মাধৱপুৰৰ চেনি চন্দ্ৰ শইকীয়াৰ ঘৰত সোমাই তেখেতক গ্ৰেপ্তাৰ কৰি লৈ গ'ল আৰু আটক বন্দী কৰিলে। ইয়াৰ আগদিনা তেজপুৰৰ গহন চন্দ্ৰ গোস্বামীদেৱে আহি ঢলপুৰ শিবিৰ পৰিদৰ্শন কৰি উঃ লক্ষীমপুৰৰ আন্দোলনৰ খা-খবৰ লৈছিল।

৮/৯/৪২ তাৰিখে মুক্তি সেনাৰ এটা দলে শিঙিমাৰী জিলা কেন্দ্ৰীয় শিবিৰৰ পৰা গৈ উঃ লক্ষীমপুৰ নগৰৰ হাইস্কুলত পিকেটিং কৰাৰ কাৰণে নিৰণ ভূঞা, সোণাবৰ দাসক পুলিচে গ্ৰেপ্তাৰ কৰি থানালৈ লৈ গৈ তাত মাৰপিট কৰি আদালতত হাজিৰ কৰাত বিচাৰত তেওঁলোকৰ ছসপ্তাহকৈ সশ্ৰম কাৰাদণ্ড হ'ল। কাৰাগাৰত নিৰণ ভূঞাক বহু শাস্তি দিছিল।

## গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ উঃ লক্ষীমপুৰলৈ আগমন ঃ

কমলাবৰীয়া আৰু তেলাহী মৌজাৰ কংগ্ৰেছ কৰ্মীসকলে সেই সময়ত ভাবিছিল যে উঃ লক্ষীমপুৰলৈ গড়মূৰ সত্ৰাধিকাৰজনাক আনিব পাৰিলে আন্দোলনৰ তীব্ৰতা বৃদ্ধি পাব। কাৰণ সত্ৰাধিকাৰজনাৰ মহাত্মা গান্ধীৰ আটাইবোৰ কাৰ্যসূচীতে যথেষ্ট শ্ৰদ্ধা আছিল আৰু সেইবোৰ অনুসৰণ কৰিছিল। গঠনমূলক কামৰ ভিতৰত অস্পৃশ্যতা নিবাৰণত তেখেতে সক্ৰিয় অংশগ্ৰহণ কৰি মানবতাৰ পৰিচয় দিছিল। তেখেত কংগ্ৰেছ অনুষ্ঠানটিৰ প্ৰধান হোতা আছিল। এই কাৰণেই মাজুলীৰ চাৰি সত্ৰীয়া সত্ৰাধিকাৰসকলে তেখেতক সমালোচনা কৰিছিল। তেখেতে কৈছিল "পৰাধীন ভাৰতৰ ধৰ্মও পৰাধীন। স্বাধীন খৃষ্টান জাতিৰ অধীনত হিন্দু ধৰ্মৰ সত্ৰাধিকাৰ হৈ থকাতো মৰ্যাদা হানিকৰ আৰু পাপ।" গতিকে দেশক পৰাধীনতাৰ পৰা মুক্ত কৰিব পাৰিলে ধৰ্মও মুক্ত হ'ব আৰু পাপৰ পৰা হাত সাৰিব। তেখেতে কাৰো সমালোচনালৈ ভ্ৰূক্ষেপ নকৰি, সত্ৰাধিকাৰৰ ভেমকো জলাঞ্জলি দি স্বাধীনতা আন্দোলনৰ সক্ৰিয় অংশগ্ৰহণ কৰিছিল। সেই বাবেই শিষ্য-প্ৰশিষ্য ব্যতিৰেকে হিন্দু-মুছলমান, অনুসূচিত জাতি-জনজাতি সকলোৱেই তেখেতক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল।

স'লাল গাঁৱৰ ইন্দ্ৰেশ্বৰ শৰ্মা আৰু গোলাপ কলিতাই গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰজনাক পানীগাঁৱলৈ আনিবৰ কাৰণে আমন্ত্ৰণ জনাইছিল। তেখেতে সাদৰেৰে আমন্ত্ৰণ গ্ৰহণ কৰি ইং ৮/৯/৪২ তাৰিখে আহি পানীগাঁও বাহৰ পালেহি।

জনতাই তেখেতক বাহৰত সেৱা জনাই আদৰণি জনালে। সমবেত ৰাইজক তেখেতে স্বাধীনতা আন্দোলন সম্পৰ্কে কিছু ইঙ্গিত দি পিছদিনা ৰাজহুৱা সভা হ'ব বুলি কৈ তালৈ সকলো ৰাইজকে দলে-বলে আহিবলৈ অনুৰোধ কৰিলে। পিছদিনা পুৱাৰ পৰা গাঁৱৰ মানুহ গোসাঁইৰ ওচৰলৈ সেৱা কৰিবলৈ আহি নামঘৰ প্ৰাঙ্গণ ঠাহ খালেহি। ১০ বজাৰ সময়ত মানুহ থিয় হ'বলৈ ঠাইৰ অভাৱ হ'ল। ইমান জনবহুল সভাত ব্যৱহাৰ কৰিবলৈ মাইক্ৰফ'নও নাছিল। গতিকে সভাত পুৰুষ আৰু মহিলা দুভাগে বহাৰ ব্যৱস্থা হ'ল। সত্ৰাধিকাৰৰ ওচৰত পুৰুষৰ সভা আৰু মহিলাসকলৰ সভা বাহৰ প্ৰাঙ্গণৰ বাহিৰত এজোপা জৰি গছৰ তলত বহিল। পুৰুষৰ সভাত সত্ৰাধিকাৰ প্ৰভুৱে আৰু মহিলাসকলৰ সভাত সহ অধিনায়ক যোগেশ্বৰ বৰুৱাৰ পৌৰোহিত্যত আৰম্ভ হ'ল। দুয়োখন সভাতে দুয়োজনা বীৰ পুৰুষে ভাষণ দিলে। দুয়োজনেই দেশৰ পৰিস্থিতি ৰাইজক অৱগত কৰি স্বাধীনতা যুদ্ধত ধনে-জনে সকলো প্ৰকাৰে সহায় সহযোগ কৰিবলৈ গোহাৰি জনালে। সভাস্থলীত ৰাইজ মন্ত্ৰ মুগ্ধৰ দৰে হৈ কথা শুনি আপোনপাহৰা হ'ল। তেখেতসকলৰ ভাষণত ৰাইজসকল অনুপ্ৰাণিত হৈ দেশৰ মুক্তি আন্দোলনত সহযোগ কৰিবলৈ সৰ্বান্তঃকৰণেৰে সমৰ্থন আগবঢ়ালে।

সেইদিনা ৯ ছেপ্টেম্বৰ, নগৰত কেইবাটাও অঘটন সংঘটিত হ'ল। প্ৰথম শিঙিমাৰী শিবিৰৰ পৰা মুক্তিসেনাসকলে ৭ কিলোমিটাৰ খোজকাঢ়ি গৈ নগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত পুৱা ১০ বজাৰ পৰা পিকেটিং কৰিছিল। তাৰ বিৱৰণ তলত দিয়া হ'ল —

১। নগৰৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ ১ম গেটত— লক্ষীনাথ শৰ্মা, হৰিচন্দ্ৰ বৰুৱা, দেৱেশ্বৰ বৰা। ২য় গেটত— তাৰা প্ৰসাদ শৰ্মা, কালিৰাম দত্ত, চক্ৰেশ্বৰ টায়ং, বেনুধৰ ভূএগ আৰু বংশীধৰ ভূএগ।

২। কাছাৰীৰ গেটত— শিৱ হাজৰিকা, ৰাধিকা দত্ত, পুণ্যেশ্বৰ শইকীয়া, মহেন্দ্ৰ ভূএগ।

৩। বাৰ লাইব্ৰেৰী গেটত — উমা দাস, পদ্ম শইকীয়া, ক্ষেত্ৰেকেশ্বৰ বৰুৱা, সোণমণি বৰা।

৪। বালিকা হাইস্কুলৰ গেটত — শইকীয়া কোঁচ, তিলক দত্ত, নিৰুপ্ৰভা বৰুৱা।

১০ বজাৰ লগে লগে মুক্তিসেনাসকলে গেটবিলাকত পিকেটিঙৰ কাৰণে

স্থান ল'লে। স্কুলৰ গেটবিলাকত শিক্ষক, ছাত্ৰ-ছাত্ৰীসকল আৰু অন্য অনুষ্ঠানবিলাকত জনতা আৰু উকীলসকলৰ ভিৰ হ'ল। গেটবিলাকত কোনো লোক ভিতৰলৈ প্ৰবেশ কৰিব নোৱাৰাকৈ মুক্তিসৈনিকে পথালিকৈ পৰি বাট ভেটিলে। সকলো গেটতে সশস্ত্ৰ পুলিচ, তেওঁলোকৰ বিষয়াসহ উপস্থিত হ'ল। তেওঁলোকে মুক্তি সৈনিকসকলক আন দিনাৰ দৰে বাট মুকলি কৰি দিবলৈ কড়া আদেশ দিলে আৰু মাৰপিটো আৰম্ভ কৰিলে। কিছুমানক মাৰপিট কৰি টানি আজুৰি নি ৰাস্তাৰ কাষৰ নৰ্দমাত দলিয়াই পেলালে। হাইস্কুলৰ দ্বিতীয় গেট, কাছৰী আৰু বাৰ লাইব্ৰেৰীত পিকেটিং কৰাসকলক মাৰপিট কৰাৰ উপৰি ১৩ জনক পুলিচে ঘেৰাও কৰি থানালৈ নি ভাদমহীয়া চৌফলীয়া ৰ'দত বেলি মুখীয়াকৈ বান্ধি থ'লে। তাতে তাৰা প্ৰসাদ শৰ্মাৰ তীৰকপে জ্বৰ উঠিল। আটাইকেইজনে চোলা খুলি বকৰাণিত শুই থকা শৰ্মাৰ গাৰ ওপৰত ঢাকি দিলে। চিকিৎসা নহ'ল। গা ঘামি গধূলি সময়ত জ্বৰ কমিল। পাচত এইসকলক এৰি দিলে। পিকেটিংকাৰী কেইজনমানক নি পানীগাঁৱৰ ফালে সোণশিৰি নৈৰ ওচৰত এৰি দিলেগৈ।

হাইস্কুলৰ প্ৰথম গেটত থকা পিকেটিংকাৰীসকলক অ, চি কান্তেশ্বৰ দাসে আক্ৰমণ কৰিলে। দাসে গেটত দীঘল দি পৰি পিকেটিং কৰা হৰি চন্দ্ৰ বৰুৱাক হাণ্টাৰেৰে কোবাই পিছত পিঠিত উঠি জোতাৰে গছকি অৱশ কৰি তাৰ পিছত ভৰি দুটাত ধৰি টানি নি ৰাস্তাৰ কাষত থকা নৰ্দমালৈ দলিয়াই দিলে। তেতিয়া গেটত থিয় হৈ থকা লক্ষ্মী শৰ্মা তৎক্ষণাৎ পৰি দিলে। এই বিষয়াজনে শৰ্মাক পিতিবলৈ আৰম্ভ কৰিলে। শৰ্মা আছিল শকত-আবত, হৃষ্ট-পুষ্ট এজন চফল ডেকা। বিষয়াজনো আছিল তেনেকুৱাই কিন্তু কণা, চকুত পাথৰ লগোৱা। দুয়োৰো ভিতৰত সাবটা-সাবটি, জোতা-পুতি লাগিল। শৰ্মায়ো এবাৰ খেলিবলৈ বিচাৰিলে। এবাৰ শৰ্মা তল পৰিলে দাস ওপৰ হয়, দাস তল পৰিলে শৰ্মা ওপৰ হয়। তেতিয়া এই লিখক দৰ্শক। এনেহেন লাগিছিল যেন এইখন তাহানিৰ ভীম-বকাসুৰৰ যুদ্ধহে। এনেকৈ বগৰা-বাগৰি কৰি থকাৰ সুযোগ লৈ ৰাস্তাত থুপ খাই থকা শিক্ষক কেইজনমান গেট পাৰ হৈ স্কুল সোমাল। এবাৰ বিষয়াজনে শৰ্মাক তল পেলাই লৈ বুকুত উঠি হাণ্টাৰেৰে বুকুত হেঁচি ধৰিলে, অৱশেষত শৰ্মা হাত-ভৰি মেলি অচেতন হৈ পৰিল। মুখেৰে ফেন বাহিৰ হ'ল। জোতা-পুতি কৰি থাকোতে লগুণডালটো ছিগিলেই শৰ্মাই গমকে নাপালে। শৰ্মাৰ মৃতপ্ৰায়

অৱস্থাত বিষয়াজন আঁতৰ হ'ল। স্কুলৰ শিক্ষক কেইজনমান আহি গেটৰ পৰা শৰ্মাক ডাংকোলাকৈ ডাঙি নি স্কুলৰ বাৰাণ্ডাত ৰাখি মূৰত পানী দিলে আৰু শুশ্রূষা কৰিলে। গধূলি সময়তহে শৰ্মা সুস্থ হ'ল। ইতিমধ্যে এই খবৰ হৰি বৰুৱাই জিলা শিবিৰত, গোলাপ শইকীয়া আৰু দেবেন ফুকনে পানীগাঁৱলৈ গৈ ৰাজহুৱা সভাত বক্তৃতা দি থকা অৱস্থাত গড়মূৰ সত্ৰাধিকাৰ প্ৰভু আৰু সহ অধিনায়ক যোগেশ্বৰ বৰুৱাদেৱক দিলেগৈ। ৰতু বৰা আৰু খগেশ্বৰ বৰায়ো শৰ্মাৰ অচেতন অৱস্থাৰ খবৰ পানীগাঁৱত বৰুৱাদেৱক দিলেহি। খবৰ পোৱাৰ লগে লগে দুয়োখন সভাত থকা ৰাইজ উদ্বিগ্ন হৈ উঠিল।

## ১৪৪ ধাৰা আইন ভংগ ঃ

গড়মূৰৰ সত্ৰাধিকাৰ প্ৰভুৱে লক্ষ্মী শৰ্মাৰ খবৰ পাই মৰ্মাহত হ'ল। তেখেতে যোগেশ্বৰ বৰুৱাদেৱৰ সৈতে আলোচনা কৰি এই নিৰ্মম অত্যাচাৰৰ প্ৰতিবাদ আৰু দেশত বলৱত থকা ১৪৪ ধাৰা আইন ভঙ্গ কৰিবৰ কাৰণে ৰাইজক শোভাযাত্ৰা কৰিবৰ কাৰণে অনুৰোধ জনালে। সভালৈ অহা ৰাইজো মৰ্মাহত হৈ ঘৰলৈ ঘূৰি নগৈ, পুৰুষ-মহিলা, ল'ৰা-ছোৱালী সকলোৱে গুৰুজনাৰ গোহাৰি শিৰোধাৰ্য কৰি শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিলে। মুক্তিসেনা সকলে শোভাযাত্ৰা শৃঙ্খলাবদ্ধ কৰি দিলে।

বিয়লিবেলা শোভাযাত্ৰা আৰম্ভ হ'ল। জাতীয় পতাকা বহন কৰিলে বোধেশ্বৰী দাসে আৰু পৰিচালনা কৰিলে অধিনায়ক বৰুৱাদেৱৰ সৈতে মুক্তিসেনাসকলে। শোভাযাত্ৰাত ডেকা-বুঢ়া, যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী সমন্বিতে প্ৰায় দহ হেজাৰমান লোকে যোগদান কৰিছিল। পানীগাঁৱৰ পৰা নগৰলৈ দূৰত্ব আছিল ৪ মাইল (৬ কি. মি.)। এই গোটেই বাটছোৱা মুক্তিসেনাসকলৰ লগতে জনতাই দেশপ্ৰেমমূলক জাতীয় গীত গাই, জয়ধ্বনি দি গাঁওভূঁই তোলপাৰ লগাই নগৰলৈ আগবাঢ়িছিল। জাতীয় গীতবিলাক আছিল—

১। লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই।

২। কদম কদম বঢ়ায়ে যা, খুচীচে গীত গায়ে যা।

৩। ব'ল ভাই আগুৱাই

৪। ডেকা-গাভৰুৰ দল, বীৰ-বীৰঙ্গনাৰ দল

৫। চলৰে চল, উৰ্দ্ধ গগনে বাজে মাদল।

শোভাযাত্ৰাত দিয়া জয়ধ্বনি বিলাক আছিল — ১। স্বাধীন ভাৰত কী জয়, ২। ত্ৰিৰঙ্গ পতাকাকী জয়, ৩। মহাত্মা গান্ধীজী কী জয়।

পানীগাঁৱৰ পৰা শোভাযাত্ৰা উঃ লক্ষীমপুৰ নগৰৰ ফালে আগবঢ়াৰ লগে লগে ৰাস্তাৰ কাষৰ গাঁওবোৰ গীত আৰু জয়ধ্বনিত মুখৰিত হৈ উঠিছিল। ফলত গাঁৱৰ মানুহ কাপোৰ কানি এৰি শোভাযাত্ৰাত যোগ দি জীৱন কৃতাৰ্থ কৰিছিল। এনেকৈ মানুহ বাঢ়ি বাঢ়ি নগৰ পাওঁতে শোভাযাত্ৰাটো প্ৰায় বিশ হাজাৰ লোকেৰে ৩ মাইল মান দীঘল হৈছিল। এনেকুৱা শোভাযাত্ৰা লক্ষীমপুৰত আগেয়ে হোৱা নাছিল। সেইদিনা জনতাৰ মনলৈ এনে ভাব আহিছিল যেন বিজয়ৰ তিলক লৈ জনতাই আন এখন দেশ জয় কৰিবলৈহে গৈছে। অৱশ্যে এই বিজয় এদিন সম্ভৱ হ'ল।

শোভাযাত্ৰাটো কমলাবাৰী ৰাস্তাইদি আগবাঢ়ি গৈ নগৰৰ চাৰিআলিৰ ৰাষ্ট্ৰীয় পথেদি কাছাৰী অভিমুখে গৈ বজাৰৰ কাষেদি ঘূৰি পুনৰ চাৰিআলি পাওঁতেও শোভাযাত্ৰাৰ পিছৰ মুৰটো ৰাষ্ট্ৰীয় পথ নেপালেগৈ। ইতিমধ্যে সন্ধিয়াৰ আন্ধাৰে সকলোকে ছানি ধৰিলে। মহকুমাধিপতিৰ নিৰ্দেশক্ৰমে ই.এ.চি. আব্বাচউদ্দিন আহমেদে সশস্ত্ৰ পুলিচ বাহিনী লগত লৈ শোভাযাত্ৰাৰ সন্মুখীন হ'ল। বন্দুক, বেয়নেট, লাঠি লৈ ৰাস্তা ভেটি ধৰিলে। ১৪৪ ধাৰা আইন ভঙ্গ কৰাৰ কাৰণে জনতাৰ ওপৰত আক্ৰমণ চলালে। বোধেশ্বৰী দাসক খুন্দিয়াই পেলাই জাতীয় পতাকাখন নিবলৈ চেষ্টা কৰিছিল যদিও অন্য কৰ্মীৰ সহায়ত দাসে পতাকাখন ৰাখিবলৈ সক্ষম হ'ল। পুলিচৰ লাঠি চাৰ্জত অসংখ্য লোক আহত হ'ল। বহুতে সঙ্গীনৰ খোচ খালে। তাৰ ভিতৰত সম্বৰ চুতীয়াৰ জখম বেছি আছিল। এওঁৰ কৰঙনত সঙ্গীন সোমাই ইপিনে ওলাই গৈছিল। তেজেৰে লুতুৰি পুতুৰি হৈ পৰিছিল। এওঁক আৰু বোধেশ্বৰী দাসক কৰ্মীসকলে ডাঙি লৈ গৈ চিকিৎসা কৰিব লগা হৈছিল। শোভাযাত্ৰাৰ বহুত মানুহ পুলিচৰ পূৰ্ণহতীয়া মাৰৰ ভয়ত য'ত ত'ত সোমাই পলাব লগা হৈছিল। অৱশ্যে এন্ধাৰৰ আলম লৈ কোনো কোনো লোকে পুলিচকো উত্তম-মাধ্যম দিয়ে। পুলিচৰ মাৰপিট ইমান বেছি আছিল যে মানুহে ৰাস্তাৰ কাষত থকা মানুহৰ ঘৰবাৰীত আশ্ৰয় ল'ব লগা হৈছিল। আন্দোলনত সহায় কৰাসকলে দুৱাৰ মেলি মানুহক লুকাবলৈ দিছিল আৰু যিসকলে সহযোগ কৰা নাছিল তেওঁলোক দুৱাৰ বন্ধ কৰি পুলিচৰ হতুৱাই মাৰ খুৱাই আনন্দ পাইছিল। মাৰৰ কোবত প্ৰায় ডেৰশমান লোক আহত হৈছিল।

অৱশ্যে সঠিক হিচাব কোনোৱে দিব পৰা নাছিল। পিছদিনা সম্ভৱ তৃতীয়াক গড়মূৰ সত্ৰাধিকাৰৰ ওচৰলৈ নিয়া হ'ল। গোসাঁই ঈশ্বৰে তেওঁক চিকিৎসা কৰিবলৈ পৰামৰ্শ দি সঙ্গীনৰ খোচত তেজেৰে লুতুৰি-পুতুৰি হোৱা চাদৰখন পুলিচৰ অত্যাচাৰৰ নিদৰ্শনৰ চিনস্বৰূপে স্বাধীন ভাৰতৰ দিনলৈকে ৰাখিবলৈ জনতাক কৈছিল। শোভাযাত্ৰাত পুলিচৰ মাৰ-পিটৰ শব্দ আৰু কন্দা-কটা, চিঞৰ-বাখৰত নগৰখনত আতঙ্কৰ সৃষ্টি হৈছিল। এনেকৈয়ে ভয়াবহ অৱস্থাৰ মাজেৰে সেইদিনাৰ ৰাতিটো নিৰ্জন, নিস্তব্ধ হৈ অতিবাহিত হ'ল; সেইদিনাৰ কাৰ্যসূচী সমাপ্ত হ'ল। পিছদিনা সূৰ্য উদয়ৰ লগে লগে যেন নতুন যুগৰ আৰম্ভ হ'ল।

## গড়মূৰ সত্ৰাধিকাৰৰ বাধ্যতামূলক প্ৰত্যাগমন ঃ

১০ ছেপ্টেম্বৰ। পিছদিনা পুৱা ১১ মান বজাত মহকুমাধিপতি যোগেন্দ্ৰ কিশোৰ পুৰীয়ে লগত ১ গাড়ী সশস্ত্ৰ পুলিচ লৈ পানীগাঁৱত থকা গড়মূৰ সত্ৰাধিকাৰৰ ওচৰ পালেহি। তেওঁ আহিয়েই গোসাঁই ঈশ্বৰক দেখা কৰি ক'লে "আপুনি এঘণ্টাৰ ভিতৰতে লক্ষীমপুৰ এৰি যাব লাগে; নগ'লে এৰেষ্ট কৰা হ'ব।" মহকুমাধিপতিৰ আদেশ শুনি সত্ৰাধিকাৰজনাই ভাবি-গুণি চাই সত্ৰলৈ ঘূৰি যোৱাটোকে ঠিক কৰিলে। কিয়নো গ্ৰেপ্তাৰবৰণ কৰিবলৈ তেখেত তেতিয়া সাজু নাছিল। তেখেতে পুৰী চাহাবক যাম বুলি ক'লে আৰু যাবলৈ সাজু হ'ল। গোসাঁই ঈশ্বৰৰ ওচৰলৈ যিখিনি ভক্ত বৈষ্ণৱ সেৱা জনাবলৈ আৰু পুলিচ অহাৰ খবৰ পাই আহিছিল সেইসকলৰ ওচৰত গোসাঁয়ে বিদায় ল'লে। সত্ৰাধিকাৰজনৰ ওচৰলৈ অহা সেৱকসকলৰ সমাগম বৃদ্ধি পাই অহাত পুলিচে তেওঁলোকক তাৰপৰা তৎক্ষণাৎ আঁতৰি যাবলৈ কৈ লাঠি চাৰ্জ কৰিলে। সত্ৰাধিকাৰে লগৰ ভকতসকলক লগত লৈ হাতীত উঠি যাত্ৰা আৰম্ভ কৰিলে। সশস্ত্ৰ পুলিচ বাহিনীও হাতীৰ আগে-পিচে আগবাঢ়িল। অনতি দূৰত সমবেত বহু ৰাইজে গোসাঁইজনাক সম্ভাষণ জনাবলৈ অপেক্ষা কৰি আছিল। পুলিচে সেইসকলক গোসাঁইৰ ওচৰলৈ যাব নোৱাৰাকৈ ভেটা দিলে। ফলত গোসাঁই আৰু ভকত-বৈষ্ণৱসকলো ভাদমহীয় চৌফলীয়া প্ৰখৰ ৰ'দত কষ্ট খাব লগা হ'ল। হাতীয়ে চট-ফটাবলৈ ধৰিলে। তেতিয়া পুৰী চাহাবে ৰাইজৰ ওচৰলৈ গৈ বাট এৰি দিবৰ কাৰণে হুকুম জাৰি কৰিলে। ৰাইজে দুখ মনেৰে বাট এৰি দিলে, বেজাৰত চকুপানীৰে চলচলীয়া হ'ল। গোসাঁই আগবাঢ়িল। পুলিচ কিছুদূৰ গৈ পিছত ঘূৰি আহিল। পানীগাঁৱৰ

যিসকল লোক ঘৰ-এৰি গোসাঁইৰ ওচৰত আছিল আৰু গোসাঁইৰ পিছে পিছে গৈছিল সেই সময়তে চিপাহীবিলাকে মানুহবিলাকৰ ঘৰলৈ গৈ ঘৰ-দুৱাৰত মাৰ ধৰিলে। ঘৰত থকা মাইকী মানুহ, ল'ৰা-ছোৱালীবিলাকে ভয়তে চিঞৰ বাখৰ লগালে। কান্দোনৰ ৰোলত ভয়াবহতাৰ সৃষ্টি হ'ল। চিপাহীবিলাকে ল'ৰা-ছোৱালীবিলাক মাৰ-কিল কৰি দূৰলৈ খেদি দিলে আৰু ঘৰৰ ভিতৰ সোমাই ভিতৰত থকা বস্তু ভাঙি-চিঙি লণ্ড-ভণ্ড কৰিলে। চাউল, লাও, কোমোৰা য'ত যি পালে সেইবোৰ গাড়ীত ভৰাই প্ৰস্থান কৰিলে।

৯ ছেপ্টেম্বৰৰ দিনা বিহপুৰীয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে লগত চিপাহী লৈ বিহপুৰীয়া শান্তিসেনা শিবিৰৰ সকলো বাচন-বৰ্তন ভাঙি নষ্ট কৰিলে। শিবিৰৰ ওচৰতে পাই গোলোক চন্দ্ৰ বৰুৱাক তেওঁৰ চুলিত ধৰি বগৰাই পেলাই, মুৰৰ পৰা ভৰিলৈকে বেটু লগা লাঠিৰে উধাই-মুধাই কোবাই হাৰাশাস্তি কৰি এৰি দিলে।

১০ ছেপ্টেম্বৰৰ দিনা বাহাদুৰ চুকত জিলা পৰিচালক হেমচন্দ্ৰ হাজৰিকা দেৱৰ পৰিচালনাত কংগ্ৰেছ কৰ্মীসকলৰ এখন সভা অনুষ্ঠিত হৈছিল। সভাত সেই সময়ত বৃদ্ধি পোৱা দমন কাৰ্য, গ্ৰেপ্তাৰ আৰু পৰোৱানা জাৰিৰ প্ৰতি লক্ষ্য কৰি নেতৃস্থানীয় লোকসকলক আত্মগোপন কৰি থাকি কাম কৰিবলৈ সিদ্ধান্ত দিয়া হ'ল। জিলা শিবিৰৰ দায়িত্ব অধিনায়ক থানেশ্বৰ গগৈৰ ওপৰত ন্যস্ত কৰি, সহ অধিনায়ক যোগেশ্বৰ বৰুৱাক ঢকুৱাখানা আঞ্চলিক কেন্দ্ৰীয় শিবিৰলৈ পঠাই সমগ্ৰ পূব অঞ্চলৰ আন্দোলনৰ কামৰ দায়িত্ব আৰোপ কৰা হ'ল।

## ঢলপুৰ বিমান দুৰ্ঘটনা ঃ

১০ ছেপ্টেম্বৰৰ দিনা ঢলপুৰৰ মাউত গাঁৱৰ পথাৰত বিমান এখন কিবা বিজুতি ঘটি পৰি গ'ল। বিমানৰ পাইলত দুজন বিহপুৰীয়া থানলৈ গ'ল। ওচৰত থকা গাঁৱৰ মানুহবিলাকে বিমান চাবলৈ ধাপলি মেলিলে। তাৰ কিছুমান উচ্ছৃঙ্খল মানুহে বিমানখনৰ বহু অংশ ভাঙি নষ্ট কৰিলে, পেট্ৰ'লবিলাক লৈ গ'ল। বিপুল দত্তই পিষ্টল এটা লৈ গ'ল। অলপ পিচতে বিহপুৰীয়া থানাৰ দুজন চিপাহী আহি ঢলপুৰ পালেহি। সেই সময়তে ঢলপুৰত কমল গগৈ, ঋষনাথ কোঁৱৰ, মহেন্দ্ৰ হাজৰিকা আদি কেইজনমান লোকে দেশ স্বাধীন হ'ল বুলি চিঞৰি-বাখৰি, নাচি-বাগি ফুৰ্তি কৰি আছিল। তেওঁলোক চিপাহীকেইজনক পাই বেঢ়ি

ধৰি ইউনিফৰ্মৰ চোলা-পেণ্ট ফালিলে, ডায়েৰী এখন নষ্ট কৰিলে। চিপাহীকেইজন থানালৈ গ'ল আৰু সকলো কথা জনালে। বিহপুৰীয়া থানাৰ এছ. আই.জনে সশস্ত্ৰ পুলিচ বাহিনী লগত লৈ পিচদিনা পুৱা ঢলপুৰলৈ গৈ তাৰ দোকানবিলাক ভাঙিলে, দোকানৰ মাল-বস্তুবোৰ ৰাস্তাত সিঁচিলে। মানুহবিলাককো য'তে ত'তে মৰিয়ালে। অমানুষিক মাৰৰ কোবত দুৰ্গাচৰণ কৰ নামৰ এজনলোক কেইদিনমানৰ পিছত মৃত্যু হ'ল। পূৰ্ণ ভট্ট, ৰেৱতী মোহন কবিৰাজ, মোলোক গাঁওবুঢ়া আদিক গুৰুলা-গুৰুলকৈ পিটি ঢলপুৰত পুলিচে আতঙ্কৰ সৃষ্টি কৰিলে। জীতেন দত্ত, ঋষনাথ কোঁৱৰ, থানেশ্বৰ দত্ত, মহেন্দ্ৰ হাজৰিকাক গ্ৰেপ্তাৰ কৰি লৈ গ'ল। কমল গগৈয়ে ধৰা নিদি বহুত দিনলৈকে পলাই ফুৰিছিল।

সেইদিনাৰ পৰা জিলা কৰ্তৃপক্ষই ঢলপুৰত পুলিচৰ এটা অস্থায়ী শিবিৰ প্ৰতিষ্ঠা কৰিলে। তেতিয়াৰপৰা নাৰায়ণপুৰ, ঢলপুৰ অঞ্চলত পুলিচৰ দমন কাৰ্য চূড়ান্তভাৱে চলিবলৈ ধৰিলে। মানুহ বজাৰ-সমাৰ কৰিবলৈ ওলাব নোৱাৰা হ'ল; আনকি ঘৰত থকাৰো শান্তি নাইকিয়া হ'ল।

## টুপী হৰলুকি ঃ

ছেপ্টেম্বৰ মাহৰ ১২ তাৰিখে নাৰায়ণপুৰৰ চৰকাৰী বঙলাত মহকুমাধিপতি পুৰী চাহাবে সেই অঞ্চলৰ গাঁওবুঢ়াসকলৰ এখন মিটিং পাতিছিল। তালৈ গাঁৱৰ মুখীয়াল মানুহ কিছুমানকো মতাই নিয়াইছিল। মহকুমাধিপতিয়ে মিটিঙত সমবেত হোৱা লোকসকলক আন্দোলন কৰাৰ পৰা বিৰত থাকিবলৈ কৈ ভলণ্টিয়াৰক প্ৰশ্ৰয় দিয়া, তেওঁলোকৰ কথা শুনা আৰু সহায় কৰা কোনো কাম নকৰিবলৈ হুকুম দিলে। তদুপৰি আন্দোলন কৰা কোনো কংগ্ৰেছী লোক গাঁৱলৈ গ'লে তৎক্ষণাৎ পুলিচক খবৰ দি ধৰাই দিবলৈ হুকুম দিলে। চৰকাৰী কৰ্মচাৰীৰ কথা শুনা, তেওঁলোকক বিশ্বাস কৰাত গুৰুত্ব দি, সকলো প্ৰকাৰে সহায় আগবঢ়াই, যুদ্ধত বৃটিছৰ জয় কামনা কৰিবলৈ আদেশ দিলে। তেওঁ মিটিঙত কথা ক'বলৈ বহাৰ আগতেই মূৰত পিন্ধা টুপী (ফ্লেট হেট) টো বাৰাণ্ডাৰ এখন মেজত ৰাখিছিল। ব্যস্ততাৰ সুযোগ লৈ পাণবাৰীৰ দিল্লী ভূঞা আৰু কোবেশ্বৰ হাজৰিকা (হেতুলুকা) দুয়োজনে লগ হৈ সেই টুপীটো লৈ গৈছিল। তেওঁৰ টুপী নিয়াৰ কাৰণ আছিল মহকুমাধিপতি পুৰী চাহাবে কংগ্ৰেছ কৰ্মী আৰু স্বেচ্ছাসেৱকসকলৰ মূৰৰ টুপী খপিয়াই নি সেইবোৰ জব্দ কৰিছিল আৰু নষ্টও কৰিছিল; আৰু টুপী

পিন্ধা মানুহ দেখিলেই মাৰপিট কৰিছিল।

মিটিঙৰ অন্তত পুৰী চাহাবে টুপীটো বিচাৰি নাপাই বিচাৰি চলাথ কৰিলে। কিন্তু ক'তো নাপালে। খণ্ডত তেওঁ টিঙিৰিতুলা যেন হ'ল। অৱশেষত তেওঁ ধৰি ল'লে, টুপীটো কেনেবাকৈ ভলণ্টিয়াৰেহে নিলে। তেওঁ খণ্ডত একো নাই হৈ টুপীটো বিচাৰি উলিয়াবলৈ পুলিচ বিষয়াসকলক কঢ়া নিৰ্দেশ দিলে; লগতে আন্দোলন কঠোৰ হাতেৰে দমন কৰিবলৈ হুকুম দিলে। সেই দিন ধৰি লক্ষীমপুৰত পুলিচৰ অত্যাচাৰ বৃদ্ধি পালে। পুলিচ-মিলিটাৰীবিলাক বলীয়া কুকুৰৰ দৰে হৈ জনসাধাৰণৰ ওপৰত নৃশংস অত্যাচাৰ চলাবলৈ আৰম্ভ কৰিলে। টুপী হৰণ কৰি দিল্লী ভূঞা আৰু কোমেশ্বৰ হাজৰিকা লক্ষীমপুৰ মহকুমাৰ পৰা আঁতৰ হৈ গৈ মাজুলীত এবছৰ পলাতক অৱস্থাত থাকিব লগা হৈছিল। সৰ্বসাধাৰণ ৰাইজ বজাৰ-সমাৰ কৰিবলৈ যাব নোৱাৰা হ'ল। মানুহ দেখিলেই পুলিচে মাৰপিট কৰিবলৈ ধৰিলে। আতঙ্কগ্ৰস্ত হৈ মানুহে অশান্তিত দিন কটাবলৈ ধৰিলে। জনসাধাৰণৰ ক্ষোভৰ পৰিণতি এটি ঘটনাই প্ৰমাণ দিলে। সেইটো হৈছে — উক্ত ঘটনাৰ দুদিনমানৰ পিছতে ঢলপুৰৰ যোৰহটীয়া গাঁৱৰ গগন চন্দ্ৰ কোঁৱৰ নামৰ এজন লোকে ভুতৰ দলনীৰ ওচৰত এজন ডেপুটি ইন্সপেক্টৰৰ মূৰৰ পৰা টুপীটো কাঢ়ি নি ভৰিৰে ফুটবল খেলি দলনীত পেলাই দিলে। এই বিষয়াজনে কাৰোবাৰ পৰা তেওঁৰ নামটো সংগ্ৰহ কৰি পুলিচত জাননী দিয়াত পুলিচে কোঁৱৰক বিচাৰি ফুৰাত তেওঁ পলাই ফুৰিব লগা হৈছিল।

সহ অধিনায়ক যোগেশ্বৰ বৰুৱা পুব অঞ্চললৈ যোৱাত ১০ ছেপ্টেম্বৰৰ সিদ্ধান্ত ক্ৰমে জিলা পৰিচালকে থানেশ্বৰ গগৈক মধ্য আৰু পশ্চিম অঞ্চলৰ মুক্তিসেনা বাহিনীৰ জিলা শিবিৰৰ দায়িত্ব ল'বলৈ ন্যস্ত কৰা মতে তেখেত দায়িত্ব গ্ৰহণৰ কাৰণে নন্দ দলৈ আৰু থানেশ্বৰ শইকীয়াৰ সৈতে ঢলপুৰৰ পৰা গড়কপ্টানি ৰাস্তাইদি গৈ থাকোতে নাওবৈচাত তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰি আটক বন্দী কৰিলে। সেই দিনটো আছিল ছেপ্টেম্বৰ মাহৰ ১৫ তাৰিখ। গগৈদেৱ গ্ৰেপ্তাৰ হোৱাৰ পিছত যোগেশ্বৰ বৰুৱা জিলাৰ মুক্তিসেনা বাহিনীৰ অধিনায়ক হ'ল। অধিনায়ক যোগেশ্বৰ বৰুৱাদেৱ মধ্য আৰু পশ্চিম অঞ্চলৰ সেনাবাহিনী পৰিচালনাৰ দায়িত্বত থাকিব লগা হোৱাত পূৰ্বে উল্লেখ কৰি অহা মতে শৈলেন্দ্ৰ নাথ শইকীয়া আৰু অকমান দত্তক সংগঠন, প্ৰচাৰ, প্ৰশিক্ষণ দিবৰ কাৰণে পুব ফাললৈ পঠোৱা হ'ল।

## বিহপুৰীয়া থানাত জাতীয় পতাকা উত্তোলনৰ প্ৰচেষ্টা :

১৫ ছেপ্টেম্বৰৰ দিনা বিহপুৰীয়া থানাত পতাকা উত্তোলন কৰিবৰ কাৰণে এই থানা এলেকাৰ গাঁওসমূহত প্ৰচাৰ আৰু শোভাযাত্ৰা আয়োজনৰ প্ৰচেষ্টা কেইদিনমানৰ আগৰ পৰা কৰা হ'ল। সেইদিনা পুৱা বেলাৰ পৰা শোভাযাত্ৰাত যোগ দিবৰ কাৰণে মানুহ উলিয়াবলৈ থানাখনৰ পুব, পশ্চিম, উত্তৰ আৰু দক্ষিণ ফালে বেলেগ বেলেগ কৰ্মী নিয়োগ কৰা হ'ল। আটাই কেইফালৰ পৰা অহা শোভাযাত্ৰা যাতে একে সময়তে আহি বিহপুৰীয়াত উপস্থিত হৈ থানাত প্ৰবেশ কৰি পতাকা উত্তোলন কৰিব পাৰে তাৰ বাবে সচেষ্ট হৈ আহিবলৈ কৰ্মীসকলক নিদেৰ্শ দিয়া হৈছিল। সেই মতেই চাৰিফালৰ পৰা চাৰিটা শোভাযাত্ৰা আৰম্ভ হ'ল। ইয়াৰ বিৱৰণ তলত দিয়া হ'ল —

১। খ'ৰা অঞ্চলৰ পৰা গোলাপ শইকীয়া, লীলা ভূঞা, মাণিক শৰ্মা আৰু ৰাধা ফুকনৰ নেতৃত্বত লালুক, ধুনাগুৰি, নাহৰণি, আমগুৰি, চোৰোহানি, কন্দলি, এলেঙ্গী, চিন্নাতলী, কলাবিল মৰনৈ, পুখুৰীপৰীয়া, ধুলিমুলি, লাহলিয়াল, ভোগদৈ গুৰি, পকাদল, চিচাপথাৰ, গন্ধীয়া, ভোগপুৰীয়া, সন্তপুৰ আদি গাঁৱৰ পৰা প্ৰায় পাঁচ হাজাৰমান লোকৰ শোভাযাত্ৰা সন্তপুৰত লগ হ'ল। শোভাযাত্ৰাত জাতীয় পতাকা বহন কৰিছিল মিনতিপ্ৰভা শইকীয়াই। এই শোভাযাত্ৰ কেইবাজনো সত্ৰাধিকাৰে গায়ন-বায়ন লৈ যোগদান কৰিছিল। সেইসকলৰ ভিতৰত আছিল বুপাটী মহন্ত, গণনাথ গোস্বামী, জয়দেৱ গোস্বামী আৰু ৰত্নাকৰ গোস্বামী। গোসাঁই-মহন্তসকলে গায়ন-বায়ন লৈ গাঁৱৰ মাজেদি অহাৰ কাৰণে পুৰুষ-মহিলা, ভকত-বৈষ্ণৱ, ছাত্ৰ-ছাত্ৰীসকলৰ যোগদান শোভাযাত্ৰাত বেছি হৈছিল। গায়নসকলে গীত আৰু বায়নসকলে খোল আদি বজাই শোভাযাত্ৰাৰ সৌষ্ঠৱ গাম্ভীৰ্য বৃদ্ধি কৰিছিল। সেইদিনা এনে লাগিছিল যেন এই শোভাযাত্ৰাই কোনো মহৎ পুৰুষকহে আদৰণি জনাবলৈ আগবাঢ়িছে।

সেইদিনা বিহপুৰীয়া থানাৰ বিষয়ববীয়া সকলে থানা আক্ৰমণৰ সম্ভেদ পাই সশস্ত্ৰ পুলিচ বাহিনীৰ একোটা শক্তিশালী দল থানাৰ পৰা কিছু দূৰত আটাইকেইটা ৰাস্তাত জনতাক ভেটা দিব পৰাকৈ ৰাখি থৈছিল। পুব ফালৰ পৰা অহা এই বিৰাট শোভাযাত্ৰাটো চিচাপথাৰ ঘাট পোৱাৰ আগতেই ডিক্ৰুং নৈৰ ঘাটত সশস্ত্ৰ পুলিচ বাহিনী বৈ আছিল। সেই সময়ত ডিক্ৰুং নদীত প্ৰবল সোতৰ দোকোলটকা দ পানী। জনতাও প্ৰবল গতিৰে আহি নৈৰ কাষ পালে। ঘাটৰ চৰকাৰী নাওখন

পুলিচে ইপাৰে মানুহ পাৰ হ'ব নোৱাৰাকৈ বন্ধ কৰি ৰাখিছিল। জনতাৰ হেঁচাত মানুহ আহি নদীত নামিলহি। জনতাই সিপাৰৰ পৰা এইপাৰে থকা শসস্ত্ৰ পুলিচ বাহিনী দেখিও তালৈ কেৰেপ নকৰি সাঁতুৰিব পৰাসকল পানীত জঁপিয়াই পৰিল। নদীখনত জনতাৰ ক'লা মূৰ, হাতেৰে সাঁতোৰা, পানীৰ খলকনিৰ শব্দত এক অভূতপূৰ্ব দৃশ্য সৃষ্টি হৈছিল। নদী পাৰ হৈ অহা লোকৰ সংখ্যা হাজাৰজনৰ কম নহয়। নদী পাৰ হৈ অহা লোকসকলৰ ওপৰত পুলিচে লাঠি চাৰ্জ কৰিলে। কিছুমান চিপাহীয়ে জনতাক লাঠিৰে ঠেলি, হেঁচি নি নদীত পেলাই দিলেগৈ, কিছুমানক পাৰলৈ উঠিবলৈ নিদিলেই। বহু মানুহ লাঠিৰ প্ৰহাৰত ঘূনীয়া হ'ল। পানীত জুৰুলি জুপুৰিটো হ'লেই অৱশেষত জনতা আগবাঢ়িব নোৱাৰি গৃহাভিমুখী হ'ল।

২। সেইদিনাৰ আনটো শোভাযাত্ৰা আছিল জামুগুৰি, জাপজুপ, কেন্দুগুৰি, হুমৰা, কাচিকটা, বৰাইখনা, বাগিচা আৰু খোলাগুৰি আদি গাঁৱৰ ৰাইজৰ। ডম্বৰুধৰ হাজৰিকা, ফণীধৰ বৰা, গোপাল চন্দ্ৰ কোঁচ, খগেশ্বৰ ভূঞা, ৰত্নেশ্বৰ শৰ্মা, মালিৰাম বায়ন, নিচলা দত্ত, লুবুৰাম দত্ত, মণিৰাম কলিতা, গুণকান্ত বৰুৱা, খেতেকেশ্বৰ বৰুৱা, পূৰ্ণ বৰা আদিৰ যত্নত আৰু তত্ত্বাৱধানত প্ৰতি গাঁৱৰ পৰা শোভাযাত্ৰা আৰম্ভ হৈ বাগিচা গাঁৱৰ ওচৰত বদতি গড়কপ্টানি আলিত সমবেত হৈ বিহপুৰীয়া থানা অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। এই শোভাযাত্ৰাত জাতীয় পতাকা বহন কৰিছিল কেন্দুগুৰি গাঁৱৰ যজ্ঞেশ্বৰ পূজাৰীয়ে। বহু হাজাৰ আবাল-বৃদ্ধ-বণিতাৰে সুশোভিত জনতাৰ শোভাযাত্ৰাত জাতীয় গীত-মাত, নাম-কীৰ্ত্তন আৰু জয়ধ্বনিৰে আকাশ-পাতাল মুখৰিত কৰি আগবাঢ়ি বিহপুৰীয়া চিকিৎসালয়ৰ সন্মুখ হওঁতে থানাৰ ভাৰপ্ৰাপ্ত পুলিচ বিষয়া মহম্মদ খাই সশস্ত্ৰ বাহিনী লগত লৈ শোভাযাত্ৰাৰ মুখামুখি হ'ল। প্ৰথম লাঠি পথালিকৈ ধৰি 'হাতযাও' বুলি বাধা দিলে। জনতাই বাধা নেমানি আগবাঢ়ি যোৱাত লাঠি চাৰ্জ কৰিবলৈ হুকুম দিলে। চিপাহীবিলাকে লাঠি চাৰ্জ কৰিলে আৰু মানুহবিলাকক এনেকুৱাকৈ মৰিয়ালে যে কোনো মানুহে কুকুৰ-মেকুৰীকো তেনেকুৱাকৈ প্ৰহাৰ নকৰে। যজ্ঞেশ্বৰ পূজাৰীৰ হাত ভাঙি পতাকাখন পুলিচে হস্তগত কৰিলে। তেওঁ আহত হৈ পৰি গ'ল। তাৰ ওপৰতো পুলিচৰ মাৰ পৰি এইজন কিছুদিনৰ পিছত মৃত্যুৰ মুখত পৰিল। এই গাঁৱৰে দিন ভূঞা ৰক্তাক্ত হৈ পুখুৰীত পৰিল। মধুৰাম বৰুৱা, গুণ বৰুৱা লাঠিৰ মাৰ আৰু বন্দুকৰ খুন্দাত আহত হ'ল। এনেকৈয়ে এই শোভাযাত্ৰাটো থানালৈ

অগ্ৰসৰ হ'ব নোৱাৰাকৈ নৃশংস অত্যাচাৰ কৰি ছত্ৰভঙ্গ কৰি দিলে।

৩। তৃতীয় শোভাযাত্ৰাটো আছিল পাণবাৰী, চৌধপুৰীয়া, কাচিকটা, শ্ৰীভূএগ্ৰা, যাৰজান, টেঙাপথাৰ আদি গাঁৱৰ ৰাইজৰ। এই শোভাযাত্ৰাৰ নেতৃত্ব বহন কৰিছিল মুহিৰাম হাজৰিকা, মোহন হাজৰিকা আদিয়ে। জাতীয় পতাকা বহন কৰিছিল লোকেশ্বৰী চুতীয়াই। ইয়াতো যথেষ্ট মানুহৰ সমাগম হৈছিল। জাতীয় গীত আৰু জয়ধ্বনিত জনতা উৎফুল্লিত হৈ দেশৰ মুক্তিৰ অৰিহণা যোগাবলৈ আগবাঢ়িছিল। শোভাযাত্ৰা আগবাঢ়ি যেতিয়া কলাখোৱা দলঙৰ ওচৰ পালেহি সশস্ত্ৰ পুলিচ বাহিনী আগবাঢ়ি আগভেটা দি প্ৰথমে ঘূৰি যাবলৈ কৈ পিছত লাঠি চাৰ্জ কৰিবলৈ ধৰিলে। পুলিচৰ মাৰপিটত সৰু শইকীয়া, মণিৰাম চুতীয়া, বাবুলা কলিতা, পদো বৰা, লোকেশ্বৰী চুতীয়া (দাস), লবোৰাম ভূএগ্ৰা, কান্তিৰাম বৰা, জিনাৰাম ভূএগ্ৰা আহত হ'ল। বস্তীৰাম ভূএগ্ৰা ভীষণভাৱে আহত হৈ ১৫ দিনৰ পিছত মৃত্যুবৰণ কৰিলে। একনিষ্ঠ কৰ্মী মুহিৰাম হাজৰিকা পুলিচৰ মাৰত আৰু জোতাৰ গচ্চকত বেছিকৈ আহত হৈ টেঙাপথাৰ গাঁৱত পোন্ধৰ দিন চিকিৎসাধীন হৈ আছিল। ঘনকান্ত বাঁঢ়ে আৰু ভেকোলা বায়ন মাৰৰ কোব আৰু পুলিচৰ উগ্ৰমূৰ্তি দেখি ভয় খাই জ্বৰ হৈ কেইদিনমানৰ পিছত মৃত্যুক আঁকোৱালি লৈ পৰলোকলৈ গমন কৰিলে।

৪। চতুৰ্থটো শোভাযাত্ৰা আছিল দঙ্গিবিল, সোণাৰি, কেএগ্ৰামৰা চমুৱা, বৰবালি, ৰাজবাৰী আদি গাঁৱৰ। এই শোভাযাত্ৰাটো বিহপুৰীয়া আহি পোৱাৰ আগতেই ৰাস্তাৰ সঙ্গমস্থলত পুলিচে আগচি ধৰি লাঠি চাৰ্জ কৰি ছত্ৰভঙ্গ দিয়ালে।

পোন্ধৰ ছেপ্টেম্বৰৰ দিনা বিহপুৰীয়া থানাৰ পুলিচে চাৰিওটা শোভাযাত্ৰা এক কিলোমিটাৰ দূৰত্বত অমানুষিক অত্যাচাৰেৰে বাধা দি সম্ভাব্য থানা আক্ৰমণৰ পৰা ৰক্ষা কৰিলে। আহত লোকসকলক বিহপুৰীয়াৰ চন্দ্ৰ মোহন ভৌমিকৰ দ্বাৰা চিকিৎসা কৰা হয়।

যোৱা সপ্তাহত ঢকুৱাখনা ফৰেষ্ট অফিচত আকস্মিকভাৱে কোনো লোকৰ দ্বাৰা অগ্নিসংযোগ হোৱাৰ কাৰণে আৰু ঢকুৱাখনা হাইস্কুলৰ ছাত্ৰসকলে সেইদিনাই ধৰ্মঘট কৰাৰ বাবে পুলিচে বাৰজন ছাত্ৰক গ্ৰেপ্তাৰ কৰি ১০ টকাকৈ জৰিমনা কৰে আৰু অভিভাৱক সকলৰ পৰা মচুলুকা লয়।

ছেপ্টেম্বৰ মাহৰ ১৫ তাৰিখে নগৰৰ আৰু সমীপৰ বহু লোকৰ বন্দুকবিলাক পুলিচে হস্তগত কৰে। এই সপ্তাহতে নগৰৰ শশীধৰ ফুকন আৰু গগন চন্দ্ৰ ফুকন

ভাতৃদ্বয়ক পুলিচে গ্ৰেপ্তাৰ কৰি বহু দিনলৈ বিচাৰাধীন কৰি ৰাখে।

এই সপ্তাহটোত পূব অঞ্চলৰ চেন্নাজান বাঘৰ গাঁৱৰ পৰা আৰম্ভ কৰি মাছখোৱা পৰ্যন্ত গোটেই অঞ্চলতে আন্দোলনৰ অৰ্থে জোৰ প্ৰচাৰ কাৰ্য চলে পুঁজি আৰু কৰ্মী সংগ্ৰহ কৰা হয়। কৈঁকুৰী বেবেজীয়া, সোৰণশিৰি বেবেজীয়া, ঘিলামৰা, জালভাৰী, মাছখোৱা আৰু চাৰিকৰীয়াৰ কেইবাখনো মিৰি গাঁৱত কেইবাখনো সভা পাতি কংগ্ৰেছৰ আঁচনি মতে আন্দোলনত যোগ দিবলৈ সিদ্ধান্ত কৰিলে।

## জিলা পৰিচালক হেমচন্দ্ৰ হাজৰিকা গ্ৰেপ্তাৰ আৰু হৰিপদ দত্তৰ দায়িত্ব গ্ৰহণ ঃ

ছেপ্টেম্বৰ মাহৰ তৃতীয় সপ্তাহত জিলা পৰিচালক হেমচন্দ্ৰ হাজৰিকাদেৱে, লীলা ভূঞা, পূৰ্ণানন্দ দত্ত, বিশ্বনাৰায়ণ শাস্ত্ৰী, মুহিৰাম হাজৰিকা, নন্দেশ্বৰ শইকীয়া, মহেন্দ্ৰ নাথ ভূঞা আৰু গোলোক বৰাক লগত লৈ বিগত ১৫ ছেপ্টেম্বৰৰ শোভাযাত্ৰাত আহত হোৱা লোকসকলৰ ঘৰলৈ গৈ সমবেদনা জনাই সন্তোষ দিবলৈ আৰু লগতে মনোবল দৃঢ় কৰি আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচীত সহযোগ অব্যাহত ৰাখিবলৈ ইখন গাঁৱৰ পৰা সিখন গাঁৱত ফুৰিবলৈ ধৰিলে। দিনত আত্মগোপন কৰি ৰাতি ৰাতি গাঁৱত মিটিং পাতি হতাশাগ্ৰস্ত ৰাইজক পুনৰ উৎসাহিত কৰিবলৈ ধৰিলে। এনেকৈ ফুৰোতে বিশ্বনাৰায়ণ শাস্ত্ৰী টাইফয়দ জ্বৰত আক্ৰান্ত হোৱাত তেখেতক ঘৰলৈ পঠাই দিয়া হ'ল।

২১ ছেপ্টেম্বৰৰ দিনা পৰিচালক হেমচন্দ্ৰ হাজৰিকাদেৱে সদলবলে গৈ শ্ৰীভূঞা গাঁৱত দিনত ৰাজহুৱা সভা পাতি প্ৰেম ৰাজখোৱাৰ ঘৰত খোৱা-বোৱা কৰি ৰাতি ষাৰজানত আৰু এখন ৰাজহুৱা সভা পাতি লীলা ভূঞা, পূৰ্ণ দত্ত, অনন্ত দত্তৰ সৈতে চৌধপুনীয়াৰ খগেন দত্তৰ ঘৰলৈ আহি উপৰোক্ত কৰ্মীসকলক এৰি গোলোক বৰা আৰু হৰ ভূঞাকে লগতলৈ নাৰায়ণপুৰৰ মানিক হাজৰিকাৰ ঘৰত ৰাতি শোৱেগৈ। পুলিচেও পিছে পিছে অনুসন্ধান কৰি গৈ শ্ৰীভূঞাৰ প্ৰেম ৰাজখোৱাৰ ঘৰ ওলালগৈ। তাত হাজৰিকাক নাপাই প্ৰেম ৰাজখোৱাক গ্ৰেপ্তাৰ কৰিলে। তাৰ পিছত পুলিচে মাণিক হাজৰিকাৰ ঘৰ ঘেৰাও কৰি ছেপ্টেম্বৰ মাহৰ ২২ তাৰিখে দোকমোকালিতে জিলা পৰিচালক হেমচন্দ্ৰ হাজৰিকা দেৱক গ্ৰেপ্তাৰ কৰি লৈ গ'ল। হাজৰিকাদেৱক আটক বন্দী কৰিলে। হৰিপদ দত্তই জিলা পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰিলে। ৰাজখোৱাক থানাত পুলিচে মাৰপিট কৰি দাঁত এটা ভাঙি

এৰি দিলে।

ইতিমধ্যে অধিনায়ক যোগেশ্বৰ বৰুৱা আন্দোলনৰ কামত পুব অঞ্চললৈ গৈছিল। মেঘ ভৰাসী, অকমান দত্ত আৰু শৈলেন্দ্ৰ নাথ শইকীয়াই আগৰে পৰা সেই অঞ্চলত প্ৰশিক্ষণ দিয়া কাৰ্যত ব্যস্ত আছিল। তেওঁলোকৰ যত্নত ২১/৯/৪২ তাৰিখে জনতা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ এটা শোভাযাত্ৰা ঢকুৱাখনা থানাৰ অভিমুখে অগ্ৰসৰ হৈছিল। এই কামত সেই অঞ্চলৰ কণপাই দত্ত, ডিম্বেশ্বৰ দাস, ডম্বৰুধৰ চেতীয়া, নোমাল বৰুৱা, দ্বাৰিকা ফুকন, কুল প্ৰসাদ শইকীয়া আদিয়ে যথেষ্ট সহায় আৰু সহযোগ কৰিছিল। থানাৰ পৰা অনতি দূৰত সশস্ত্ৰ পুলিচ বাহিনীয়ে শোভাযাত্ৰাটো আগচি ধৰি অবৰ্ণনীয় মাৰধৰ কৰাৰ কাৰণে ৰাইজসকল অতিষ্ঠ হৈ যেনি-তেনি পলাই প্ৰাণ ৰক্ষা কৰিলে। তেতিয়াৰ পৰাহে পুব অঞ্চলত পুলিচৰ অত্যাচাৰ বৃদ্ধি পালে।

সেই সময়ত সত্ৰবিলাকত কংগ্ৰেছ কৰ্মী তথা ভলণ্টিয়াৰে আশ্ৰয় লৈ থাকে বুলি পুলিচৰ এটা ধাৰণা আছিল। এই বিয়াল্লিচ চনৰ অক্টোবৰ মাহৰ এক তাৰিখে মাহৰা সত্ৰৰ নামঘৰত ভক্ত বৈষ্ণৱসকল বহি শৰাই-শৰ্ফুৰা দি নাম-কীৰ্তন কৰি থকা অৱস্থাত জিলা পৰিচালক হৰিপদ দত্তদেৱে ৰাইজৰ অনুমতি লৈ ৰাইজক দেশৰ পৰিস্থিতি অৱগত কৰি স্বাধীনতা আন্দোলনত সহযোগিতা কৰিবলৈ গোহাৰি জনালে। সেই সবাহত অতিথি হিচাপে তাৰা প্ৰসাদ শৰ্মা, গোলাপ দত্ত আৰু হৰিচন্দ্ৰ বৰুৱাও উপস্থিত আছিল। ইতিমধ্যে নগৰৰ পৰা পুলিচ বাহিনী গৈ সত্ৰৰ বাটচ'ৰা পালেগৈ। তাৰ পৰা তেওঁলোকে জোতাৰে সত্ৰৰ ভিতৰত থকা নামঘৰত প্ৰবেশ কৰিবলৈ ধৰাত কেইজনমান ভকতে জোতা খুলি যাবলৈ ক'লে। তাতে তেওঁলোকৰ লগত তৰ্ক-বিতৰ্ক লাগিল। তথাপি কেইজনমান পুলিচ বিষয়া নামঘৰৰ কাষলৈ আহি হৰিপদ দত্তক উলিয়াই দিবৰ কাৰণে হুকুম জাৰি কৰিলে। দত্তদেৱৰ মূৰত সদায় পাগুৰি থাকে যদিও সেইদিনা নাম-কীৰ্তনত পাগুৰি খুলি থোৱাৰ কাৰণে তেখেতক চিনিব পৰা নাছিল। ৰাইজৰ কেইজনমানে পুলিচক ক'লে, 'ইয়াত হৰিপদ দত্ত আৰু কোনো ভলণ্টিয়াৰ নাই। কেৱল নাম-কীৰ্তন কৰা ভকতসকলহে আছে। আছে যদি আপোনালোকে লৈ যাওক। "ইয়াত নাম-কীৰ্তন হৈছে, কোনো মেল-মিটিং হোৱা নাই।" পুলিচে দত্ত আৰু আন ভলণ্টিয়াৰসকলক চিনি নাপাই ধৰিব নোৱাৰি ক'লে, "বাৰু এইবাৰলৈ এৰিছো; আৰু যদি কেতিয়াবা ইয়াত ভলণ্টিয়াৰ পাওঁ তেতিয়া গতি বিষম হ'ব।" ৰাইজে

ক'লে, ভকত বৈষ্ণৱসকলে নামঘৰত শ্ৰৱণ-কীৰ্তনহে কৰে আন্দোলন নকৰে।" পুলিচ অফিচাৰজনে ক'লে, কোনো লোকে হৰিপদ দত্তক ধৰি দিব পাৰিলে তেওঁক পাঁচশ টকা পুৰস্কাৰ দিয়া হ'ব। দত্তদেৱক ধৰিব নোৱাৰি নামঘৰৰ পৰা পুলিচ গুচি গ'ল হয় কিন্তু তেখেতৰ নিজা ঘৰ, ঢলপুৰত পুলিচৰ অত্যাচাৰত অশান্তি বাঢ়িবলৈ ধৰিলে।

ইফালে কেন্দ্ৰীয় শিবিৰৰ পৰা নগৰত প্ৰতিদিনেই পিকেটিং কাৰ্য অব্যাহত আছিল। নগৰত পুলিচ বাহিনী সদায় সতৰ্ক হৈ পিকেটিংকাৰীসকলক অনুষ্ঠান-প্ৰতিষ্ঠান পোৱাৰ আগতেই আদবাটতে নগৰৰ পৰা খেদি কুৰি বাহিৰ কৰি দিছিল; নতুবা ধৰি নি থানাত মাৰকিল কৰি এৰি দিছিল বা ঘেৰাও কৰি নি কেইবা মাইল আঁতৰত এৰি থৈ আহিছিল। কেতিয়াবা বিচাৰৰ সন্মুখীন কৰাইছিল। প্ৰতিদিনৰ বিশদ বিৱৰণ পাবলৈ নাছিল বাবে ইয়াতো দিব পৰা নহ'ল। তাৰে এদিন ৩০ ছেপ্টেম্বৰৰ বিৱৰণ দিয়া হ'ল। সেইদিনা পিকেটিংকাৰী যোল্লজন গ্ৰেপ্তাৰ হৈছিল। তেওঁলোকক বিভিন্ন ধৰণৰ শাস্তি দিয়া হ'ল। তাৰে পাঁচজনৰ বিৱৰণ দিয়া হ'ল। নিৰণ ভুএগ্ৰা, বংশীধৰ শৰ্মা, কলিৰাম শইকীয়া, সোণাৰাম দাস আৰু মুকুটা ৰাজখোৱা। এওঁলোকক আদালতত হাজিৰ কৰা হ'ল। বিচাৰত বংশীধৰ শৰ্মাৰ তিনিমাহ ফাটেক আৰু ৫০ টকা জৰিমনা অনাদায়ত ডেৰ মাহ ফাটেক আৰু বাকী কেইজনৰ ডেৰ মাহকৈ কাৰাবৰণ হ'ল।

## ২ অক্টোবৰ গান্ধীজয়ন্তী :

সেইদিনা গোটেই জিলাখনৰ সম্ভৱপৰ ঠাইবিলাকত গান্ধী জয়ন্তী পালনৰ আয়োজন কৰা হৈছিল। পুৱা প্ৰভাতফেৰী, নাম-কীৰ্তন, পতাকা উত্তোলন, ৰাজহুৱা সভা, সভাত সূতাকটা প্ৰদৰ্শন, সন্ধ্যা বন্তি প্ৰজ্বলন আৰু মহাত্মা গান্ধীৰ দীৰ্ঘজীৱন কামনা কৰা হৈছিল। গান্ধী জয়ন্তী পালনৰ এই কাৰ্যসূচী এসপ্তাহলৈকে একাদিক্ৰমে অব্যাহত ৰখা হৈছিল। সেই কেইদিন ১৮ দফা গঠনমূলক কাম আৰু আন্দোলনত সক্ৰিয় সহযোগ কামনা কৰা হৈছিল। ৫ অক্টোবৰ জিলা পৰিচালক হৰিপদ দত্তদেৱে স'লাল গাঁৱৰ ৰত্ন শৰ্মাৰ ঘৰত এখন কৰ্মী সভা আহ্বান কৰিছিল। তেখেতে লক্ষীমপুৰত স্বাধীনতা আন্দোলন ম্লান নহৈ বৰঞ্চ পূৰ্ণগতিত চলি থকাৰ প্ৰমাণ কৰিবৰ কাৰণে নগৰত এটা বিৰাট শোভাযাত্ৰা কৰাটো সিদ্ধান্ত কৰি কৰ্মীসকলক জনালে। লগতে তেখেতে আৰু এটা কথা মনতে পোষণ কৰিছিল,

সেইটো হৈছে তেখেতৰ ঘৰত পুলিচে তেখেতক বিচাৰি সঘনে অশান্তি দি থকাৰ কাৰণে ধৰা দিয়া। সেই মতেই অক্টোবৰ মাহৰ ৭ তাৰিখটো ঠিক কৰি বিভিন্ন দিশৰ পৰা নগৰলৈ একোটা শোভাযাত্ৰা আয়োজন কৰি আনিবৰ কাৰণে কৰ্মীসকলক দায়িত্ব আৰোপ কৰা হ'ল। সেই মতেই কৰ্মীসকলে শোভাযাত্ৰাৰ আয়োজন কৰিলে।

৭ অক্টোবৰ। ১। নকাৰী আৰু ইয়াৰ আশে-পাশে থকা গাঁওসমূহৰ পৰা পুৰুষ-মহিলা, যুৱক-যুৱতীৰ এটা শোভাযাত্ৰা নাৰায়ণ ফুকন, ধনেশ্বৰ বৰুৱা, গোলাপ বৰুৱা, যোগেশ মহন্ত, উপেন শইকীয়া আদিৰ যত্নত আহি নগৰৰ আৱৰ্ত ভৱনৰ ওচৰ পালেহি। এই শোভাযাত্ৰাটো পুলিচে লাঠি চাৰ্জ কৰি ছত্ৰভঙ্গ কৰি দিলে। মাৰত নাৰায়ণ ফুকন আৰু ধনেশ্বৰ বৰুৱা আহত হ'ল।

২। নাওবৈচা অঞ্চলৰ পৰা এটা শোভাযাত্ৰা ইন্দ্ৰেশ্বৰ শৰ্মা, জিউৰাম বৰা, পদ্ম শইকীয়া, গোলাপ শইকীয়াৰ যত্নত উত্তৰ ট্ৰাঙ্কৰোডেদি ছয় মাইল খোজকঢ়াই লৈ আহিছিল। এই শোভাযাত্ৰাটো নগৰৰ ওচৰ পাওঁতে পুলিচে লাঠি চাৰ্জ কৰি ছত্ৰভঙ্গ কৰিলে। ইয়াত কেইবাজনো লোক আহত হ'ল।

৩। কদমৰ ফালৰ পৰা এটা শোভাযাত্ৰা নায়ক উমা দাসৰ প্ৰচেষ্টাত নগৰ অভিমুখে আহিছিল। এই শোভাযাত্ৰাত কদমৰ মধ্য অসমীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও যোগদান কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ উপৰি আৰু প্ৰায় পাঁচশমান লোকে শোভাযাত্ৰাত যোগদান কৰিছিল। চমুৱা গাঁৱৰ ফালৰ পৰা অহা আন এটা শোভাযাত্ৰা এই শোভাযাত্ৰাৰ লগ হৈ নগৰৰ ওচৰ পাওঁতে সশস্ত্ৰ পুলিচ বাহিনীয়ে আগভেটি ধৰি লাঠি চাৰ্জ কৰিলে। ফলত শিশুৰাম দাস, লম্বোদৰ দত্ত, জিতেন দত্ত আহত হ'ল। এই শোভাযাত্ৰাটো গাঁৱৰ পৰা উলিয়াই আগুৱাই অনা কামত কদমৰ গোলাপ গগৈ, শিশুৰাম ৰাজখোৱা, খগেন কোঁৱৰ আৰু বিনোদ গগৈয়ে যথেষ্ট সহায় কৰিছিল।

৪। তেলাহী-কমলাবৰীয়া মৌজাৰ গাঁও সমূহৰ পৰা সেনানায়ক তাৰাপ্ৰসাদ শৰ্মা, ৰত্ন বৰা, গোলাপ কলিতা, গোলাপ দত্ত, সাগৰ বৰা আদিৰ প্ৰচেষ্টাত প্ৰায় দুহেজাৰ লোকেৰে জিলা পৰিচালক হৰিপদ দত্তৰ নেতৃত্বত নগৰ অভিমুখে যাত্ৰা কৰিলে। এই শোভাযাত্ৰাটো খুটাকটীয়া গাঁৱৰ ওচৰত পুলিচে আগভেটা দি লাঠি চাৰ্জ কৰিলে। ফলত বহু লোকৰ ৰক্তপাত হ'ল। জিলা পৰিচালক হৰিপদ দত্ত, বত্নেশ্বৰ বৰা, তাৰা প্ৰসাদ শৰ্মা আৰু সাগৰ বৰাক পুলিচে গ্ৰেপ্তাৰ কৰি লৈ গ'ল।

বিচাৰত এখেতসকলৰ সকলোৱে এবছৰকৈ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। হৰিপদ দত্তৰ ঘৰত পুলিচৰ অশান্তিও দূৰ হ'ল। শোভাযাত্ৰাত পুলিচৰ প্ৰহাৰত প্ৰায় ডেৰশজনলোক আহত হ'ল। সুৰেশ চন্দ্ৰ চক্ৰৱৰ্তীক দলঙত পেলাই লৈ পুলিচে খুকুৰীৰে চুলি কাটি শাস্তি দিলে।

হৰিপদ দত্ত গ্ৰেপ্তাৰ হোৱাৰ পিছত গোবিন্দ চন্দ্ৰ বৰা জিলা পৰিচালক হ'ল। এখেতে অক্টোবৰ মাহৰ ৭ তাৰিখৰ পৰাই জিলা পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰিলে।

## পুলিচৰ নৃশংস অত্যাচাৰ :

জিলাখনত আন্দোলন আৰু শোভাযাত্ৰাৰ পৰিমাণ যেতিয়া বৃদ্ধি হ'বলৈ ধৰিলে তেতিয়া মহকুমাধিপতি যোগেন্দ্ৰ কিশোৰ পুৰী চাহাবে উদ্বিগ্ন হৈ আন্দোলন মষিমূৰ কৰিবৰ কাৰণে থানাসমূহৰ পুলিচ বিষয়াসকলক কঢ়া নিৰ্দেশ দিলে। নগৰৰ এজন দুৰ্দান্ত পুলিচ বিষয়া (জুতি)ই সশস্ত্ৰ বাহিনী লৈ পানীগাঁৱৰ ফালে গ'ল। তেওঁ যাওঁতে ৰাস্তাই পদূলিয়ে যাকে যেনেকৈ পালে মাৰপিট কৰিলে। ভলণ্টিয়াৰ বিচাৰি যাৰে তাৰে ঘৰত সোমাই, ঘৰৰ বেৰ-চাল ভাঙিলে, ঘৰৰ ভিতৰৰ বাচন-বৰ্তন ভাঙি কাপোৰ-কানি ফালি-চিৰি নষ্ট কৰিলে। বাপুকণ কেওট, হৰিপদ হাজৰিকাক মৰিয়ালে, হাজৰিকাৰ বন্দুকটো লৈ গ'ল। মানুহক নানা ভাবুকি দি সন্ত্ৰাসৰ সৃষ্টি কৰিলে। ঢলপুৰৰ ফালেও দেশাত্মবোধ নথকা বিকৃত মস্তিষ্কৰ আসুৰিক চিপাহীজাকে হিতাহিত জ্ঞান শূন্য হৈ বিহপুৰীয়াৰ পৰা আৰম্ভ কৰি চাৰিওফালে দিনৰ পিছত দিনকৈ দলে-বলে গৈ ঘৰত সোমাই ভাতৰ চৰু দলিয়াই, কাঁহী-বাটি ভাঙি থকাঘৰ ভাঙি-চিঙি নষ্ট কৰি মানুহক অশান্তি দিবলৈ ধৰিলে। লীলা ভূঞা, পূৰ্ণ দত্তৰ ঘৰৰ দুখন বাইচাইকেল লৈ গ'ল। গোসাঁই পথাৰ গাঁৱত থকা যোগেশ্বৰ বৰুৱাৰ ঘৰলৈ পুলিচ অসংখ্যবাৰ গৈ তেখেতক বিচাৰি নাপাই ঘৰৰ ১১ টা গৰু-ছাগলীসহ সকলোবিলাক নি নীলামত বিক্ৰী কৰি দিলে। বন্দুক এটা, বাচন-বৰ্তনবিলাক থানলৈ লৈ গ'ল। এখেতৰ ঘৰৰ মানুহে বহুদিনলৈকে কলপাতত ভাত খাব লগা হৈছিল। এনে অত্যাচাৰ জিলাখনৰ আন্দোলনৰ প্ৰভাৱ থকা প্ৰায়বোৰ মানুহৰ ঘৰতে হৈছিল। জানিলে বা নাজানিলেও সেইবিলাকৰ সম্পূৰ্ণ বৰ্ণনা দিয়া সম্ভৱপৰ নহ'ল। এই অত্যাচাৰ কংগ্ৰেছ কৰ্মী আৰু মুক্তিসেনা থকা ঘৰ, আন্দোলনৰ প্ৰভাৱ থকা গাঁওবোৰত বেছি হৈছিল।

## জিলা শিবিৰৰ অৱস্থা :

এগুৰখোৱাৰ শিঙিমাৰীত থকা জিলা শিবিৰটো অক্টোবৰ মাহৰ ৯ তাৰিখে সন্ধ্যা সময়ত পুলিচে আক্ৰমণ কৰিবলৈ আহিল। শিবিৰৰ চন্তৰিৰ বিপদ সংকেত পাই শিবিৰত থকা সকলো কৰ্মী তৎক্ষণাৎ শিবিৰৰ পৰা আন্ধাৰৰ সুযোগ লৈ আঁতৰি গ'ল। পুলিচে শিবিৰত কাকো নাপাই চৰুত বহোৱা চাউল, দাইল, তৰকাৰী সকলো উবুৰিয়াই নষ্ট কৰিলে। পিছত ৰান্ধিবলৈও দুখন ডাঙৰ কেৰাহী, চাউল, তৰী-তৰকাৰীসহ, ললিত দত্তৰ ৪ টা কাঁহৰ বাটি গাড়ীত বোজাই কৰি লৈ গ'ল। কেইজনমান মুক্তিসেনা এন্ধাৰত গৈ সোৱণশিৰি নদীৰ বানপানীত জোবোৰা খাই গৃহাভিমুখী হ'ল। ইয়াৰ পিছদিনা এই শিবিৰটো বচাগাঁৱলৈ স্থানান্তৰ কৰা হ'ল। কেইদিনমানৰ পিছত এই শিবিৰটো পুলিচে জুই লগাই পুৰি পেলালে। শিবিৰাধ্যক্ষ টুনী হাজৰিকাই পুলিচৰ অত্যাচাৰৰ কাৰণে শিবিৰটো অস্থায়ীকৈ হ'লেও ৰাখিব নোৱাৰা হ'ল। কিয়নো পুলিচৰ শেন চকু, গাঁৱে-ভূঞেঁ থকা তেওঁলোকৰ-চোৰাংচোৱাৰ পৰাই এনে অৱস্থা হৈছিল। শিবিৰ বন্ধ কৰি দিবলৈও শিবিৰত এনে কিছুমান মুক্তিসেনা আছিল তেওঁলোকে শান্তিসেনাৰ প্ৰশিক্ষণ ল'বলৈ আহোঁতে ঘৰৰ অভিভাৱকসকলৰ বাধা অতিক্ৰম কৰি আহিছিল। তেওঁলোকৰ থকা-খোৱাৰো অসুবিধা হৈছিল; আনকি পিন্ধিবলৈ চুৰীয়া, চোলা-পেণ্ট আৰু গাত ল'বলৈ কাপোৰৰ যথেষ্ট অভাৱ হৈছিল। মুঠতে কৰ্মীসকলৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছিল। যিসকল কৰ্মী শেষত শিবিৰত আছিল সেইসকলক লৈ হাজৰিকাই বাঘে চোং সলাই থকাৰ দৰে ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ গোপনে গৈ আন্দোলনৰ কাম কৰিব লগা হৈছিল। ৮ অক্টোবৰৰ দিনা মুক্তি সৈনিকসকলে বাহপাতি (আজাদ) নামে ঠাইত শিবিৰ পাতিলে। কেইদিনমানৰ পিছত পুলিচ এই শিবিৰটোলৈ আহিল। পুলিচ অহাৰ সংবাদ পাই মুক্তি সৈনিকসকল স্থানান্তৰ হ'ল। পুলিচে মুক্তি সৈনিকসকলক নাপাই শিবিৰৰ ঘৰটো ভাঙে আৰু ওচৰৰ কেইবাঘৰতো সোমাই মুক্তিসেনা বিচাৰি ঘৰ খানাতালাচ কৰি, কেইবাজনো লোকক মুক্তিসেনা ৰাখিছ বুলি কৈ মাৰপিট কৰে। তাৰ ভিতৰত তুৰাৰাম দত্ত, উমা হাজৰিকা, কন্তা দত্ত, কমল বায়ন অন্যতম। ন পমুৱা গাঁৱৰ নবীন দাস, উমা হাজৰিকা, কমল বায়ন, জৰিটোপ-যোৰহটীয়া গাঁৱৰ গোপাল ভূঞা, নবীন বৰাৰ ঘৰ খানাতালাচ কৰি ঘৰৰ বহু বস্তু নষ্ট কৰে। গোঁহাই টেকেলাৰ ভুবন বুঢ়াগোঁহাইৰ ঘৰ খানাতালাচ কৰাৰ উপৰি ঘৰৰ ভিতৰৰ যাৱতীয় বস্তু নষ্ট কৰি দকাতি গাঁৱলৈ

গৈ তৃ লসী বৰাক অৰ্দ্ধ উলঙ্গ কৰি তপিনাত বেত দি নৈৰ সিপাৰলৈ খেদি দিলে। এইদৰেই প্ৰতিদিনে পুলিচে ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ গৈ জনসাধাৰণক হাৰাশাস্তি কৰিবলৈ ধৰিলে। শিঙিমাৰীৰ পৰা মুক্তিসেনাৰ শিবিৰ বচাগাঁৱলৈ স্থানান্তৰ হোৱাৰ পিছত নগৰত পিকেটিং কৰা বন্ধ হৈছিল। তেতিয়াৰ পৰা বিশেষকৈ বাঁহপাতি অঞ্চললৈ শিবিৰ নিয়াৰ পিছত পিকেটিং সম্পূৰ্ণ বন্ধ কৰি মুক্তি সৈনিকসকলক সংগঠন আৰু প্ৰচাৰ কাৰ্যত লগোৱা হ'ল।

উক্ত তাৰিখেই গধূলি বহপথাৰৰ হেমকান্ত দুৱৰাৰ ঘৰত পশ্চিম অঞ্চলৰ কৰ্মীসকলৰ এখন প্ৰতিনিধিমূলক সভা অনুষ্ঠিত হৈছিল। সভাত পশ্চিম অঞ্চলৰ মুক্তি সেনা নায়কৰ ভাৰ জিলা অধিনায়কৰ অনুমোদন সাপেক্ষে মহেন্দ্ৰ নাথ তালুকদাৰৰ পৰিৱৰ্তে খগেন্দ্ৰ নাথ দত্তক অৰ্পণ কৰা হ'ল। এই সভাত ঢলপুৰ অভিমুখে খেৰাজখাট মৌজা আৰু নাৰায়ণপুৰ মৌজাৰ পৰা দুটা শোভাযাত্ৰা ১০ অক্টোবৰৰ দিনা উলিয়াই অনাৰ সিদ্ধান্ত কৰা হ'ল। সেই মৰ্মে সেইদিনা দুলীয়াপথাৰ গাঁৱত প্ৰায় ডেৰ হাজাৰ লোক আৰু শান্তিসেনাৰ এখন সভা বহিল। সভা কৰ্মীসকলে দেশৰ সেই সময়ৰ পৰিস্থিতি আৰু কৰ্তব্যৰ বিষয়ে ৰাইজক অৱগত কৰিলে। কৰ্মীসকলৰ কথাত ৰাইজসকল উদ্বুদ্ধ হৈ সভা ভঙ্গ কৰি ঢলপুৰৰ পুলিচ শিবিৰৰ ফালে এটা শোভাযাত্ৰা কৰিলে। শোভাযাত্ৰা গৈ ঢলপুৰ পোৱাৰ আগতেই সশস্ত্ৰ পুলিচ বাহিনীয়ে আগফাল আৰু পিচফালৰ পৰা আগচি ধৰি লাঠি চাৰ্জ কৰি ছত্ৰভঙ্গ কৰি দিলে। ১২ অক্টোবৰৰ দিনাই খেৰাজখাট মৌজাৰ তাতিবাহাৰ পদ্মপুৰ, ডেৰগএগা, মাঘনোৱা, পিছলাগুৰি, চৰাইদলনি আদি গাঁৱৰ প্ৰায় চাৰি হাজাৰমান লোকৰ এটা সমদল জাতীয় পতাকা লৈ ঢোল-খোল-তাল আদি বাদ্য যন্ত্ৰ বজাই, জাতীয় গীত আৰু জয়ধ্বনি দি, গাঁও-ভূঁই, ৰজন জনাই গামতৌ-পিছলাগুৰি গাঁৱলীয়া ৰাস্তাইদি আগবাঢ়ি-গড়কাপ্তানি ৰাস্তাত উঠি ধলপুৰ অভিমুখে যাত্ৰা কৰিলে। শোভাযাত্ৰাৰ নেতৃত্ব দিছিল মালভোগ বৰুৱা, তবোৰাম দত্ত আদিয়ে। শোভাযাত্ৰা গৈ ভূতৰ দলনিৰ মাজ পাওঁতেই বিহপুৰীয়া থানা আৰু ঢলপুৰ আৰক্ষী চকীৰ পৰা একে সময়তে দুদল সশস্ত্ৰ পুলিচ-মিলিটেৰী আগফাল পিচফালৰ পৰা ঘেৰাও কৰিলে। তাৰ পিছত লাঠি চাৰ্জ কৰিলে আৰু বন্দুকৰ কুণ্ডাৰে খুন্দিয়ালে। মহিলাসকলক ঠেলি-হেঁচি নি ভূতৰ দলনিত পেলাই দিলেগৈ। মুহিলা বৰা নামৰ এগৰাকী মহিলা পানীৰ তলত থকা এডাল কাঠত পৰি বুকুত আঘাত পোৱাত তেওঁ চিৰদিনৰ কাৰণে

বিষাদী হ'ল। মালভোগ বৰুৱা আৰু তবোৰাম দত্ত বিশেষভাবে আহত হ'ল। পুলিচে এইদৰেই শোভাযাত্ৰা ছত্ৰভঙ্গ কৰি দিলে। যিবোৰ মানুহে প্ৰাণ ৰক্ষাৰ কাৰণে দলনিত জঁপিয়াই পৰিছিল, সেইসকলৰ সৈতে সকলো লোক দুখে-বেজাৰে সন্তাপিত হৈ ঘৰাঘৰি গ'ল। পুলিচ ঘূৰি যাওঁতে উমাকান্ত ৰাজখোৱা আৰু ৰোষেশ্বৰ বৰাক পাই বিহপুৰীয়া থানালৈ ধৰি লৈ গৈ থানাত দুয়োজনকে গুৰুলা-গুৰুলকৈ পিটি পিছদিনা এৰি দিলে। ৰাজখোৱাক বৰ বেছিকৈ মাৰপিট কৰিছিল। দুয়োজনেই পিছত আন্দোলনত যোগ দিব নোৱাৰা অৱস্থা হ'ল।

১২ অক্টোবৰৰ দিনা পুলিচে বিশিষ্ট কংগ্ৰেছ কৰ্মী হেমকান্ত দুৱৰাক ঘৰত গ্ৰেপ্তাৰ কৰি নি আটক বন্দী কৰিলে।

খেৰাজখাট মৌজাৰ শোভাযাত্ৰাৰ দিনাই ঢলপুৰ মৌজাৰ বিভিন্ন গাঁও মাউতৰ চুকৰ পৰা ৰঙতি গাঁও আৰু ৰঙতি গাঁৱৰ পৰা গণক দলনিলৈকে এই বিৰাট অঞ্চলৰ সকলো মুনিহ-তিৰোতাই এটা বিৰাট শোভাযাত্ৰা কৰি ঢলপুৰৰ ফালে আগবাঢ়িছিল। এই শোভাযাত্ৰাটো এমাইল দীঘল হৈছিল। শোভাযাত্ৰাত জাতীয় পতাকা বহন কৰিছিল জীবেশ্বৰ সন্দিকৈৰ পত্নী সুমলা সন্দিকৈয়ে। ঢলপুৰত পুলিচে শোভাযাত্ৰা আগভেটি ধৰি সুমলা সন্দিকৈক বুট জোতাৰে গোৰ মাৰি পেলাই দি পতাকাখন কাঢ়ি নি গছকি পেলালে। দয়ানন্দ হাতীবৰুৱাক বন্দুকৰ কুন্দাৰে খুন্দা মাৰি মূৰ ফালিলে। উপেন হাতী বৰুৱা, জীবেশ্বৰ সন্দিকৈ, সিন্ধুৰাম খাউণ্ডক অতিপাতকৈ মৰিয়ালে। কেইজনমান যুবকৰ লগত পুলিচৰ জোতাপুতি লাগি ৰাইফল এটা ভাঙিল। ৰাইফল ভগাৰ কাৰণে পুলিচে জনতাৰ ওপৰত বন্দুকৰ প্ৰহাৰ আৰু লাঠি চাৰ্জ বেছিকৈ কৰিবলৈ ধৰিলে। পুলিচৰ অমানুষিক অত্যাচাৰত মানুহ তিষ্ঠি থাকিব নোৱাৰি যাৰে তাৰে বাৰীয়ে-ঘৰে প্ৰাণ লৈ পলাবলৈ ধৰিলে। শোভাযাত্ৰা এইদৰে শেষ হ'ল। কৰ্মীসকলে দয়ানন্দ হাতীবৰুৱা, সিন্ধুৰাম খাউণ্ড আৰু সুমলা সন্দিকৈক দাংকোলা কৰি নি ঘৰুৱা চিকিৎসা কৰি কেইদিনমানৰ মূৰত ভাল কৰিলে। এনেকুৱা অত্যাচাৰ আগতে এই অঞ্চলত হোৱা নাছিল।

## মুক্তিসেনা আৰু শান্তিসেনাৰ শিবিৰসমূহ ঃ

| ক্ৰম নং | শিবিৰ | মৌজা | নেতৃত্ব |
|---|---|---|---|
| **মুক্তিসেনা জিলা শিবিৰ ঃ** | | | |
| ১ | (১) ঢলপুৰ | ঢলপুৰ | খগেশ্বৰ গগৈ (অধিনায়ক) |
| | (২) ৰঙতি | ,, | ঐ |

| | | | |
|---|---|---|---|
| ২ | (১) জাপিসজীয়া | উঃ লক্ষীমপুৰ | যোগেশ্বৰ বৰুৱা (সহ অধিনায়ক) |
| | (২) শিঙিমাৰী | কমলাবৰীয়া | ঐ |
| | (৩) বচাগাঁও | ,, | ঐ |
| | (৪) বাঁহপাতি | ,, | ঐ |
| **ছাত্ৰ শিবিৰৰ জিলা ঃ** | | | |
| ৩ | উঃ লক্ষীমপুৰ নগৰ | উঃ লক্ষীমপুৰ | ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী (হিন্দী শিক্ষক) |
| **শান্তিসেনা গাঁৱৰ ঃ** | | | |
| ৪ | ৰাজবাৰী | বিহপুৰীয়া | যোগেশ্বৰ বৰুৱা |
| ৫ | বিহপুৰীয়া | ,, | ঐ |
| ৬ | তাতিবাহাৰ | খেৰাজখাট | মহেন্দ্ৰ নাথ তালুকদাৰ |
| ৭ | বৰবালি | ,, | মোহন হাজৰিকা |
| ৮ | চৌধপুনীয়া | নাৰায়ণপুৰ | খগেন্দ্ৰ নাথ দত্ত |
| ৯ | মেৰমুখ | ,, | পাণীন্দ্ৰ নাথ বৰুৱা |
| ১০ | ভোলাবৰি | খেৰাজখাট | মুহিৰাম হাজৰিকা |
| ১১ | জাপজুপ | বিহপুৰীয়া | যোগেশ্বৰ বৰুৱা |
| ১২ | দুলীয়া পথাৰ | নাৰায়ণপুৰ | নন্দ দলৈ |
| ১৩ | শ্ৰীভুঞা | খেৰাজখাট | ডিম্বেশ্বৰ ফুকন |
| ১৪ | জামুগুৰি | বিহপুৰীয়া | গোলোক বৰুৱা |
| ১৫ | পিছলাগুৰি | নাৰায়ণপুৰ | মহেন্দ্ৰ তালুকদাৰ |
| ১৬ | ৰণপুৰ | ঢলপুৰ | অনন্ত দত্ত |
| ১৭ | মাকোৱাৰী | খেৰাজখাট | কুমুদ ভূঞা |
| ১৮ | বদতি | বিহপুৰীয়া | সোমনাথ পুজাৰী |
| **মৃত্যুসেনা শিবিৰ ঃ** | | | |
| ১৯ | ধুনাগুৰি | বিহপুৰীয়া | বিপিন হাজৰিকা আদি |
| ২০ | স'লাল | তেলাহী | কমলাবৰীয়া যোগেশ্বৰ কটকী |
| ২১ | নপমুৰা | ,, | উমাসায়, ইন্দ্ৰেশ্বৰ দত্ত |
| ২২ | মাইবেলীয়া | নাওবৈচা | সুৰেণ শৰ্মা, শৈলেন শইকীয়া |
| ২৩ | গোঁহাই টেকেলা | উঃ লক্ষীমপুৰ | চন্দ্ৰ নাথ বৰা |
| ২৪ | বকলগাঁও | তেলাহী | উমা দাস |

| | | | |
|---|---|---|---|
| ২৫ | ৰাংচলীয়া | তেলাহী | চন্দ্ৰ নাথ দত্ত |
| ২৬ | লেচাই গাঁও | ,, | টুনিৰাম হাজৰিকা |
| ২৭ | কদম গাঁও | কদম | উমা দাস |
| ২৮ | টালন গাঁও | নকাৰী | কালি নাথ দত্ত |
| ২৯ | খাৰকাটি | তেলাহী | বংশী ভূএগ |
| ৩০ | বিলতীয়া | নাওবৈচা | গোলাপ শইকীয়া |
| ৩১ | কেকুৰি বেবেজীয়া | গোহাঁই | শৈলেন শইকীয়া, অকমান দত্ত |
| ৩২ | ঘাঁহিগাঁও | ,, | ঐ |
| ৩৩ | জালভাৰী | ,, | অকমান দত্ত, মেঘ ভৰালী |
| ৩৪ | ঠেকেৰাগুৰি | ঢকুৱাখনা | ঐ |
| ৩৫ | ঘূণাসুঁতি | লক্ষীমপুৰ | ঐ |
| ৩৬ | মৰানৈ বেবেজীয়া | গোহাঁই | ঐ |
| ৩৭ | গোবিন্দপুৰ | ঢকুৱাখনা | শৈলেন শইকীয়া, অকমান দত্ত |
| ৩৮ | লামুগাঁও | গোঁহাই | অকমান দত্ত, মেঘ ভৰালী |
| ৩৯ | মাইচা চাপৰি | বৰদলনি | ঐ |
| ৪০ | শিঙিয়া | মাছখোৱা | শৈলেন শইকীয়া, কুল শইকীয়া |
| ৪১ | হিলৈদাৰী | ঢকুৱাখনা | কবীন্দ্ৰ গগৈ, মেঘ ভৰালী |
| ৪২ | চেতীয়া গাঁও | ,, | অকমান দত্ত |
| ৪৩ | দেৱলীয়াল গাঁও | ,, | অকমান দত্ত |
| ৪৪ | ধোলপেতা-কেকুৰী | গোঁওাই | ঐ, শৈলেন শইকীয়া |
| ৪৫ | জুৰকটা | মাছখোৱা | অকমান দত্ত, ভৰালী |
| ৪৬ | মাছখোৱা | ,, | ঐ |
| ৪৭ | চৌখাম | ,, | ঐ, ভোলা দত্ত |
| ৪৮ | ঘাৰমৰা | ,, | ঐ, কনক গায়ন |
| ৪৯ | কলকটা | ,, | শৈলেন শইকীয়া |

সৰ্বমুঠ শিবিৰ — ৪৯

মুক্তিসেনা আৰু শান্তিসেনা — ২৮০০

শিবিৰত প্ৰশিক্ষণ ১৫ দিনৰ পৰা এমাহলৈকে চলিছিল। শিবিৰৰ খোৱা খৰচ নিকতৱৰ্তী গাঁৱৰ ৰাইজে বহন কৰিছিল। অনুমানিক ৰচদ-পাতি আদিৰ খৰচ ১০,০০০ (দহ হেজাৰ) টকাতকৈও বেছি হ'ব।

### ডেৰগএগ্ৰা গাঁৱৰ অত্যাচাৰ :

১৩ অক্টোবৰ। মহকুমাধিপতি পুৰী চাহাবে টুপী হৰণৰ পোতক তুলিবলৈ আগদিনা কৰা শোভাযাত্ৰাৰ চেলু লৈ সশস্ত্ৰ পুলিচ বাহিনীৰ সৈতে খেৰাজখাট মৌজাৰ ডেৰগএগ্ৰা গাঁৱলৈ গ'ল। তেওঁ ডেৰগএগ্ৰা গাঁৱৰ নামঘৰত জোতাৰে দুৱাৰ ভাঙি প্ৰবেশ কৰিলে। নামঘৰত থকা দবাটো চাঙৰ পৰা খহাই তাত বহি চিপাহীবোৰক গাঁৱলৈ পঠাই দি গাঁৱৰ ডেকা-বুঢ়া মানুহবোৰক খেদি আনি নামঘৰত সুমাই শাৰী কৰালে। সেইদিনা নামঘৰত শৰাই দিবৰ কাৰণে মণিকূটত মাহ-চাউল তিয়াই থোৱা আছিল। সেইবিলাক বাচন-বৰ্তনসহ উবুৰিয়াই ভাঙি নষ্ট কৰিলে। পুৰী চাহাবে আগদিনাৰ শোভাযাত্ৰাত তাতিবাহাৰ ডেৰগএগ্ৰা গাঁৱৰ পৰা কোন কোন গৈ যোগ দিছিল তাৰ সোধা-পোছা কৰি সেইসকল লীলাধৰ বৰা, গঙ্গাৰাম শইকীয়া, ভোলাৰাম বৰা, কনকেশ্বৰ বৰা, লোকাই বৰুৱা, থানুৰাম বৰা, ভূধৰ শইকীয়া, ভোলাই হাজৰিকা, টুনিৰাম শইকীয়া, দুৰ্গাৰাম বৰা, চন্দ্ৰ বৰুৱা, লৰৰাম বৰা, ত্ৰাহিৰাম বৰা, লক্ষীৰাম বৰা আদি বয়োবৃদ্ধ লোকসকলৰ পিন্ধা বস্ত্ৰ দাঙি টিকাত ১২ চাটৰ পৰা ১৮ চাট পৰ্য্যন্ত ৰাইদাঙৰ কোব দিয়ে। তদুপৰি লীলাধৰ বৰা, কণ বৰা, টুনিৰাম শইকীয়া, ভোলাই বৰা আৰু ভোলাৰাম হাজৰিকা আদি কেইজনমান লোকক মূৰত আঘাত কৰাত তেওঁলোক সংজ্ঞাহীন হৈ পৰে। পিছত মূৰত পানী-দুনী দিয়াত চেতনা লাভ কৰে। পুলিচ বাহিনী ডেৰগএগ্ৰাৰ পৰা মাকোৱাৰীয়েদি ঘূৰি আহোঁতে বাটত মাকোৱাৰী শান্তিসেনা শিবিৰত সোমাই নায়ক ৰামেশ্বৰ ভূঞাক বেত দিয়ে আৰু শিবিৰৰ বাচন-বৰ্তন আদি ভাঙি নষ্ট কৰে। কুঞ্জ ভূঞাক নি থানাৰ পৰা এৰি দিয়ে।

সেইদিনা পুলিচে জৰাবাৰীৰ ধাতুক বৰাক লগ পাই শান্তিসেনাৰ শিবিৰ ক'ত ক'ত আছে দেখুৱাই দিবলৈ কোৱাত তেওঁ 'ক'ব নোৱাৰো' বুলি কোৱাৰ কাৰণে পুলিচ বাহিনীটোৱে জোতাবোৰ সোলোকাই বৰাৰ কান্ধত ভাৰপাতি দি পিচলা নদী পাৰ হয়। কিন্তু বৰা দ পানীত পৰি যোৱাৰ কাৰণে জোতাবোৰ পানীত তিতি যোৱাত তেওঁ চিপাহীয়ে সঙ্গীনেৰে দুই আঁঠুৰ ওপৰত আৰু বাওঁ হাতৰ ঠাঁৰিত খোচ ধৰে। সেই অৱস্থাৰেই তিতা জোতাবোৰ ঢলপুৰলৈকে লৈ গৈছিল। তেওঁৰ শৰীৰৰ ঘা বহুত দিনলৈকে নুশুকুৱাকৈ আছিল। সেই সময়ত বৃটিছ শাসন আৰু সেই শাসনৰ বাঘজৰী ধৰি থকা দেশীয় কৰ্মচাৰীসকলৰ দেশাত্মবোধ নাছিলেই।

কেইদিনমানৰ পিছত নাৰায়ণপুৰ মৌজাৰ শিলিখাগুৰি জামুগুৰি, শাওকুছি, দুলীয়াপথাৰ, হাৰমতি আদি গাঁৱৰ প্ৰায় ৩ হেজাৰমান পুৰুষ-মহিলাৰ এটা শোভাযাত্ৰা হৰকান্ত ভূএগ, সোণাৰাম শইকীয়া আৰু গোলোক বৰাৰ নেতৃত্বত ঢলপুৰ অভিমুখে যাত্ৰা কৰিলে। শোভাযাত্ৰা গৈ ঢলপুৰ-জামুগুৰি আলিবাট-পাওঁতেই সিফালৰ পৰা পুলিচ আহি বাধা দিলে। সেইদিনাখন অৱশ্যে জনতাক মাৰধৰ কৰা নাছিল। ৰাইজসকল বহুত সময় থিয় হৈ আছিল, পিছত ভৰি বিষোৱাত সকলো বহি দিলে। এনেকৈ ৰাইজে পুলিচৰ আৰু পুলিচে ৰাইজৰ গতিবিধিৰ আলেখ-লেখ চাওঁতে গধূলি হ'বৰ উপক্ৰম হোৱাত আৰু পিছত সন্ধ্যা সময়ত কাণিমুনি হোৱাত ২/১ জন কৈ জনতা গৃহাভিমুখী হোৱাৰ কাৰণে শোভাযাত্ৰা নাইকিয়া হ'ল। আৰক্ষীসকলো স্বস্থানলৈ প্ৰস্থান কৰিলে।

## কানিদোঁৱাৰৰ কৰ্মী সন্মিলন আৰু পৰিচালক গোবিন্দ বৰা গ্ৰেপ্তাৰ, লীলা ভূএগ পৰিচালক :

মহকুমাধিপতি পুৰী চাহাবে উঃ লক্ষীমপুৰ নগৰ আৰু গাঁৱে-ভূএগ এনেকুৱা অমানুষিক দমন কাৰ্য চলাবলৈ ধৰিলে যে তাৰ দ্বাৰা জনসাধাৰণতো আতঙ্কগ্ৰস্ত হ'লেই আনকি শান্তি-শৃঙ্খলাৰ দায়িত্বত থকা আৰক্ষী বাহিনীৰ বিষয়ববীয়াসকলৰো সুখ-শান্তি নাইকিয়া হ'ল। কৰ্মীৰ কথা বাদেই গাঁৱৰ শান্তিপ্ৰিয় মানুহবিলাক পুলিচৰ ভয়ত বাহিৰলৈ ওলাব নোৱাৰা হ'ল। কৰ্মীসকলৰ কাম কৰা, ইফালে-সিফালে যোৱা, খোৱা-থকাত অসুবিধাৰ সৃষ্টি হ'ল। এই সময়ছোৱাত আন্দোলনৰ জুইত চেঁচাপানী ধলাৰ দৰে হ'ল। জনসাধাৰণক পুনৰ জাগৃত কৰিবৰ কাৰণে জিলা পৰিচালক গোবিন্দ চন্দ্ৰ বৰাই কেইজনমান কংগ্ৰেছ কৰ্মীৰ লগত আলোচনা কৰি জিলাৰ এখন কৰ্মী সন্মিলন অক্টোবৰ মাহৰ ১২ তাৰিখে সোৱণশিৰি নদীৰ আওহতীয়া চাপৰি কানিদোঁৱাৰ বালিত আহ্বান কৰিলে। ঢলপুৰৰ পৰা মাছখোৱা পৰ্য্যন্ত অতব্য জান-জুৰি, জাৰণি অতিক্ৰম কৰি সন্মিলনত জিলাখনৰ দুশমান কৰ্মীয়ে আহি যোগদান কৰিলেহি। সভাত আলোচনাক্ৰমে আন্দোলন পূৰ্ণ উদ্যমেৰে চলাই যাবলৈ সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত কৰা হ'ল। শান্তি বাহিনীৰ অধিনায়ক যোগেশ্বৰ বৰুৱাৰ সহকাৰী হিচাপে টুনিৰাম হাজৰিকাক মনোনীত কৰা হ'ল। সভাত চলিত আন্দোলনৰ এটা থুলমূল বৰ্ণনাৰো আলোচনা কৰা হৈছিল।

মিটিঙৰ দিনা ৰাতি সভাস্থলীত এটা বিপৰ্যয় ঘটিল। সন্মিলনত কৰ্মী কম

গোট খাব বুলি ভাবি খাদ্য বস্তু পৰ্যাপ্ত পৰিমাণৰ গোটোৱা নাছিল। সেইবাবে কেইজনমান কৰ্মী দিনৰ ভাগতে ৰচদপাতি সংগ্ৰহৰ কাৰণে পানীগাঁৱলৈ গৈছিল। তেওঁবিলাক ঘূৰি অহাত পলম হৈছিল। মিটিং সমাপ্ত হোৱাৰ পিছত কৰ্মীসকলে সন্ধ্যা যি আছিল তাকে আধাপেটীয়াকৈ খাই কিছুমান কৰ্মী বিছনাত আশ্ৰয় লৈছিল। পৰিচালক গোবিন্দ বৰা, অধিনায়ক যোগেশ্বৰ বৰুৱা আৰু পূৰ্ণ দত্ত নদীত থকা এখন নাৱত বহি আলোচনাত ব্যস্ত আছিল। ইতিমধ্যে প্ৰহৰীয়ে বিপদৰ সঙ্কেত বজালে। কেইজনমান প্ৰহৰীয়ে পুলিচ পুলিচ বুলি চিঞৰিবলৈ ধৰিলে। শিবিৰত শোৱা, নোশোৱা সকলো কৰ্মী কাষত থকা অৰণ্যলৈ দৌৰ মাৰিলে। বান্ধি থোৱা নাওখনৰ ৰছী কোনোবাই কাটি দিয়াত নাও ভটিয়াই যাবলৈ ধৰিলে। ইতিমধ্যে ৰচদ-পাতি আনিবলৈ যোৱা কৰ্মীসকলে শিবিৰলৈ ঘূৰি আহি পাৰ হ'বলৈ নাও নেপালে। ইতিমধ্যে হুইচেল বাজিল সকলোকে শিবিৰলৈ আহ্বান কৰা। হাবিত সোমোৱা কৰ্মীসকল যিসকলে হুইচেলৰ শব্দ শুনিলে সেইসকল ঘূৰি আহিল নুশুনাসকল পুলিচৰ ভয়ত অৰণ্যৰ মাজেদি কাতি মহীয়া নিয়ঁৰত তিতি-বুৰি জোক-পোকৰ আক্ৰমণ সহ্য কৰি তাতেই থাকিল। ৰাতি ৰাতি গৈ থকা সেই সৈনিককেইজন গুৰুপ্ৰসাদ শৰ্মা, ডিম্বেশ্বৰ কলিতা আৰু এই লিখক হৰিচন্দ্ৰ বৰুৱাই বহুদূৰ গৈ ঘাগৰ নদীৰ কাষত থকা এটা মিছিং মানুহৰ টঙী পাই তাতে গাৰ পৰা কুৰিয়ে কুৰিয়ে জোকবোৰ গুচাই ভিজা কাপোৰেৰেই টঙী ঘৰটোতে ৰাতিটো কটাই পিছদিনা মিছিং খেতিয়ক এজনৰ পৰা শিবিৰৰ সম্ভেদ লৈ পুৱাহে শিবিৰ পালেহি। যিকেইজন লোক নাওখনৰ সৈতে ভটিয়াই গৈছিল, তেওঁলোকে বঠাহীন নাওখন হাতেৰে বাই বাই উজাবলৈ চেষ্টা কৰি থাকোতে নাও বিচাৰি ভটিয়াই যোৱা সৈনিকসকলে দৌৰি দৌৰি গৈ যেনেতেনে লগ ধৰি আগুৱাই লৈ আহিল। সেইদিনাৰ শিবিৰৰ কৰ্মীসকলৰ কাৰণে ই এটা বিপৰ্যয়। এই বিপৰ্যয়তো কেইজনমান কৰ্মীয়ে ইচ্ছাকৃতভাৱে বিপদৰ সঙ্কেত দিয়াৰ বাবে সংগঠিত কৰিছিল। সেইসকল আছিল তৰল মনৰ উমা দাস আৰু টুনিৰাম হাজৰিকা। সন্মিলনৰ পিছদিনা পুৱা কিছু কৰ্মী গৃহাভিমুখী হ'ল; আৰু অহোৰাত্ৰী কামকৰা কৰ্মীসকল কৰ্মস্থললৈ গমন কৰিলে।

জিলা পৰিচালক গোবিন্দ চন্দ্ৰ বৰাই সন্মিলনৰ পৰা ঘূৰি আহি টোপনি আৰু ভাগৰ পলুৱাবলৈ নৌপাওঁতেই পিছদিনা ২৪/১০/৪২ তাৰিখে প্ৰত্যূষতে পুলিচৰ হাতত ধৰা পৰিল। তেখেত গ্ৰেপ্তাৰ হৈ আঠ দিন বিচাৰাধীন হৈ থকাৰ পিছত

নৱম দিনৰ বিচাৰত এমাহ বিনাশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। বৰাদেৱ গ্ৰেপ্তাৰ হোৱাৰ পিছত লীলাৰাম ভূঞা জিলা পৰিচালক হ'ল।

কানিদোঁৱাৰৰ মিটিঙত স্তিমিত হৈ যোৱা আন্দোলনটো পুনৰ জাগৰণ কৰিবলৈ সিদ্ধান্ত কৰা হৈছিল যদিও এই কাম সহজসাধ্য নাছিল। কিয়নো গাঁওবিলাকত পুলিচৰ বানচ প্ৰাপ্ত চোৰাংচোৱা আছিল আৰু গাঁওবুঢ়াবিলাক প্ৰায়েই আন্দোলনৰ বিৰোধী আছিল। সাধাৰণতে গাঁওবুঢ়াবিলাকেই পুলিচক আন্দোলন সংক্ৰান্ত খা-খবৰবিলাক দি আছিল। সেই কাৰণে কংগ্ৰেছ কৰ্মী আৰু মুক্তিসেনাসকলৰ গাঁৱত থকা-খোৱা, আলোচনা-বিলোচনা কৰা সুদূৰপৰাহত হৈছিল। কৰ্মীসকলক আশ্ৰয় দিয়াতোও কোনো কোনো লোকৰ কাৰণে ভয়ৰ কাৰণ হৈছিল। তাৰে এটা উদাহৰণ তলত লিখা হ'ল।

গাওঁবৈচা মৌজাৰ পুখুৰীয়া গাঁৱত এদিন সন্ধ্যা পৰত সহ অধিনায়ক যোগেশ্বৰ বৰুৱা, হৰি বৰুৱা আৰু এজন কৰ্মীয়ে এঘৰ মানুহৰ চোতালত ধানৰ মৰণাৰ খেৰ দেখি, সেই ঘৰত খেৰত শুবলৈ ভাল হ'ব বুলি তেওঁলোকৰ ঘৰলৈ গ'ল। গৃহস্থজনে অতিথিকেইজনক শুশ্ৰূষাতো নকৰিলেই, বৰঞ্চ বাহিৰৰ মৰণাৰ ধানখেৰো নিদিলে। তেতিয়া ওচৰতে থকা এখন প্ৰাইমাৰী স্কুলৰ ভিতৰত ঢাৰি-কঠ পাৰি অনাহাৰে ৰাতিটো কটোৱা হ'ল।

দেশত স্বাধীনতা আন্দোলন প্ৰবল ৰূপে চলি থকা অৱস্থাত লক্ষীমপুৰ জিলাতো প্ৰবল ৰূপে আৰম্ভ হৈ মহকুমাধিপতি পুৰীৰ দমন কাৰ্যৰ ফলত আন্দোলনটো এই সময়ত জুইত চেঁচা পানী পৰাৰ দৰে হোৱাত আৰু কানিদোঁৱাৰৰ মিটিঙৰ পিছত কৰ্মীসকলে আন্দোলনটো পুনৰ সজাগ কৰাৰ পৰিবৰ্তে প্ৰাইবিলাক কৰ্মী ঘৰে ঘৰে সোমাই গ'ল। অৱশ্যে জুই হ'লেও একে ধৰণেৰে প্ৰবল ৰূপে জ্বলি নাথাকে, এবাৰ কমে এবাৰ বাঢ়ে। কৰ্মীসকলো ভাগৰি পৰিছিল।

জিলা পৰিচালকৰ দায়িত্ব লীলা ভূঞাদেৱে গ্ৰহণ কৰাৰ পিচত তেখেতে আন্দোলনৰ ম্লান অৱস্থা দেখি বিবুদ্ধিত পৰিল। তেখেতে জিলাখনৰ ইমূৰৰ পৰা সিমূৰলৈকে কেইজনমান কৰ্মী লৈ ভ্ৰমণ কৰিবলৈ ওলাল। উদ্দেশ্য হ'ল, যিসকল কৰ্মী এতিয়াও কাৰাগাৰৰ বাহিৰত আছে তেওঁলোকৰ লগত আলোচনা-বিলোচনা কৰি আন্দোলনটো পুনৰ সজাগ কৰি তোলা। তেখেতৰ লগত যোৱা কৰ্মীসকল আছিল লক্ষী শৰ্মা, গোলোক বৰা, শিৱ হাজৰিকা, মহেন্দ্ৰ নাথ ভূঞা, চন্দ্ৰনাথ দত্ত, ক্ষেতেকেশ্বৰ বৰুৱা, অনন্ত দত্ত আৰু ঠানুৰাম গগৈ। তেখেতসকলে ঢকুৱাখনা...

পৰা যাত্ৰা আৰম্ভ কৰি পানীগাঁও পালেগৈ। পানী গাঁৱত বোধেশ্বৰী দাস, হেমেশ্বৰী ফুকনকো লগত লৈ বৰদলনি, ঢকুৱাখনা, ঢোলপেতা, মাছখোৱা পালেগৈ। গৈ থাকোতে ঠায়ে ঠায়ে কৰ্মীসকলক লগ ধৰি কথা-বতৰা পাতি আন্দোলনমুখী কোনো কাৰ্যক্ৰম লোৱাৰ সম্ভাৱনা নেদেখিলে। ইতিমধ্যে খৰালি কাল আহি পৰাত ধান চপোৱাৰ বাবে কৰ্মী আৰু খেতিয়ক ৰাইজ ব্যস্ত হ'ব লগা হ'ল। এইবোৰ কথাকে ভাবি গুণি সেই অঞ্চলত কামত ব্যস্ত হৈ থকা অধিনায়ক যোগেশ্বৰ বৰুৱাৰ পৰামৰ্শ লৈ আগত ডিচেম্বৰ মাহৰ ১৩ আৰু ১৪ তাৰিখে পূব অঞ্চলৰ শিঙিয়াত এখন জিলা কৰ্মী সন্মিলন পাতিবলৈ সিদ্ধান্ত কৰিলে। সভাৰ প্ৰচাৰ আৰু আয়োজন কৰিবলৈ বৰুৱাদেৱক পূব ফালৰ দায়িত্ব দিলে। এই কামত সহায় কৰিবৰ কাৰণে শৈলেন্দ্ৰ নাথ শইকীয়া, অকমান দত্ত, কুলনাথ শইকীয়া আৰু মেঘনাথ ভৰালীক ৰাখি ভূঞাদেৱে লগত যোৱা কৰ্মীসকলৰ সৈতে পশ্চিম অঞ্চললৈ ঘূৰি আহে। ঘূৰি আহোঁতেই পশ্চিম আৰু মধ্য অঞ্চলৰ কৰ্মীসকলক আহ্বান কৰিবৰ কাৰণে দায়িত্ব দি আহিল। পশ্চিম অঞ্চলত ভ্ৰমণ অভিযান সমাপ্ত কৰি নিৰ্দিষ্ট দিনত সন্মিলনত যোগদান কৰিব পৰাকৈ ভূঞাদেৱে পূৰ্ণানন্দ দত্ত, দয়ানন্দ হাজৰী বৰুৱা, অনন্ত দত্ত, চন্দ্ৰ দত্ত, থানুৰাম দত্ত আদি কৰ্মীসকলৰ সৈতে পূব অঞ্চললৈ যাত্ৰা কৰিলে। তেখেতসকলে ধলধলীয়া ঘাটত ডিক্ৰং নদী পাৰ হৈ সান্দহখোৱাত ৰাতি থাকি তাৰ পৰা গোলাপ শইকীয়াক লগত লৈ ৰঙানদী পাৰ হৈ ধেনুধৰীয়া গাঁৱেদি পানীগাঁও পাই ৰাতি তাতে কটাই পিছদিনা টঙ্ক গগৈ আৰু শিশুৰাম বৰুৱাকো লগত লৈ সকলো বচাগাঁৱৰ পৰা পাভ ৰিজাৰ্ভে দি সোৱণশিৰি নদী পাৰ হৈ ৰাতিটো এটা ম'হৰ খুঁটিত থাকি পিছদিনা কেঁকুৰী বেবেজীয়াৰ কান্ত খনিকৰৰ ঘৰ পাই তাতে খাই-বৈ শিঙিয়া পালেগৈ। সভা আহ্বান আয়োজনৰ কামত কনক দত্ত, ডম্বৰু চেতীয়া, কুল শইকীয়া আদি কৰ্মীসকলেও সহায় কৰিছিল।

## শিঙিয়া সন্মিলন ঃ

১৯৪২ চনৰ ডিচেম্বৰ মাহৰ ১৩ তাৰিখে শিঙিয়াত কৰ্মী সন্মিলন যথা সময়ত আৰম্ভ হ'ল। এই সভাত জিলাখনৰ দুশমান কৰ্মীয়ে যোগদান কৰিছিল। সন্মিলনত হৈ যোৱা আন্দোলনৰ কাৰ্যাবলীৰ পৰ্যালোচনা কৰি ভৱিষ্যতৰ কাৰ্যপন্থা নিৰ্ণয় কৰা হ'ল। সেই সময়ত শালিধান চপোৱাৰ দিন আহি পৰাত জনসাধাৰণক

আন্দোলনলৈ আহ্বান জনোৱাটো অনুচিত হ'ব বুলি বিবেচনা কৰি, অন্যহাতে স্বাধীনতাৰ মীমাংসা নোহোৱাকৈ আন্দোলনৰ পৰিসমাপ্তি ঘটোৱাও ঠিক নহ'ব বুলি খেতি চপোৱাৰ পিছত ১৯৪০-৪১ চনত হোৱা একক সত্যাগ্ৰহৰ আহ্নিত একক সত্যাগ্ৰহ কৰি আন্দোলনটো সজীৱ কৰি ৰখাটোকে সিদ্ধান্ত কৰা হ'ল। সত্যাগ্ৰহ আন্দোলন প্ৰস্তুতিৰ কাৰণে প্ৰতিজ্ঞা পত্ৰত চহী কৰোৱাৰ কাৰণে পূব অঞ্চলত যোগেশ্বৰ বৰুৱাৰ নেতৃত্বত মেঘ ভৰালী, প্ৰভাত ভৰালী, কান্ত খনিকৰ আৰু ফটিক ভূএগ্ৰাক দিয়া হ'ল। মধ্যম অঞ্চলৰ দায়িত্ব জিলা পৰিচালকে লৈ পশ্চিম অঞ্চলৰ দায়িত্ব পূৰ্ণ দত্ত, অনন্ত দত্ত আৰু দয়ানন্দ হাতীবৰুৱাক দিয়া হ'ল।

এই সভাত উঃ লক্ষীমপুৰ মহকুমাটো তিনিটা সমষ্টিত ভাগ কৰা হ'ল —

১। পূব সমষ্টি ঃ— সোৱণশিৰি নদীৰ পূবফালে ঢকুৱাখনা, বৰদলনি, গোহাঁই আৰু মাছখোৱা মৌজা।

২। মধ্য সমষ্টি ঃ— সোৱণশিৰি নদীৰ পশ্চিমফালে লক্ষীমপুৰ, নকাৰী, কদম, নাওবৈচা, তেলাহী আৰু কমলাবৰীয়া মৌজা।

৩। পশ্চিম সমষ্টি ঃ— লালুক, বিহপুৰীয়া, খেৰাজখাট, নাৰায়ণপুৰ আৰু ঢলপুৰ মৌজা।

কামৰ সুবিধাৰ অৰ্থে প্ৰতিটো সমষ্টিৰ কাৰণে একোজন সমষ্টি পৰিচালক মনোনীত কৰি দিলে। তেখেতসকল হ'ল, পূব সমষ্টিৰ কাৰণে শিৱ চন্দ্ৰ গোস্বামী, মধ্য সমষ্টিৰ কাৰণে তীৰ্থেশ্বৰ দত্ত আৰু পশ্চিম সমষ্টিৰ কাৰণে পূৰ্ণানন্দ দত্ত। সমষ্টি পৰিচালকসকলে দায়িত্ব গ্ৰহণ কৰিলে। কিন্তু শিৱচন্দ্ৰ গোস্বামীয়ে হিংসা নীতি লোৱাৰ কাৰণে জিলা পৰিচালকে এই দায়িত্ব মেঘ ভৰালীৰ ওপৰত অৰ্পণ কৰিলে।

দুদিনীয়া সভাৰ অন্তত যোগেশ্বৰ বৰুৱা, মেঘ ভৰালী, ফটিক চন্দ্ৰ ভূএগ্ৰা, কান্ত খনিকৰ, প্ৰভাত চন্দ্ৰ ভৰালী আৰু ক্ষেতেকেশ্বৰ বৰুৱা মাছখোৱাৰ ফালে গ'ল। লীলা ভূএগ্ৰা, পূৰ্ণানন্দ দত্ত, দয়ানন্দ হাতীবৰুৱা, মহেন্দ্ৰ নাথ ভূএগ্ৰা, অনন্ত দত্ত, থানুৰাম গগৈ আৰু চন্দ্ৰ দত্ত পশ্চিমমুৱা হৈ নোমাল বৰুৱাৰ ঘৰত ৰাতি থাকি আঁখেফুটাত এখন সভা কৰি বৰদলনিৰ কনপাই দত্তৰ ঘৰলৈ গৈ চৌখাম আৰু ভকত গাঁৱত দুখন সভা পাতিলে। এনেতে অনন্ত দত্তৰ ডিঙিত অকস্মাতে বিষ আৰম্ভ হৈ ডিঙি সৰাব নোৱাৰা হ'লত তেখেতসকল পশ্চিমমুৱা হ'ল।

ইতিমধ্যে সত্যাগ্ৰহৰ প্ৰচাৰ আৰু সত্যাগ্ৰহ কৰিবলৈ ওলোৱা লোকৰ চহী সংগ্ৰহ কৰিবলৈ কাৰ্যক্ষেত্ৰলৈ গৈ থাকোঁতে অধিনায়ক যোগেশ্বৰ বৰুৱা ডিচেম্বৰ মাহৰ ১৭ তাৰিখে মধুপুৰ বাগানৰ ওচৰত পুলিচৰ লগত হঠাতে ভেটা-ভেটি হোৱাত পুলিচে তেখেতক গ্ৰেপ্তাৰ কৰিলে। লগৰ কৰ্মীসকলে বৰুৱাদেৱক হেৰুৱাই জীৱনটো উৰি যোৱাৰ নিচিনা অনুভৱ কৰি মৰ্মাহত হ'ল। লক্ষীমপুৰ জিলাৰ স্বাধীনতা আন্দোলনৰ অক্লান্ত, নিৰ্ভিক আৰু একনিষ্ঠ কৰ্মী যোগেশ্বৰ বৰুৱাদেৱ আৰক্ষী বাহিনীৰ হাতত ধৰা পৰি কাৰাগাৰত আটক বন্দী ৰূপে থাকিব লগা হ'ল। বৰুৱাদেৱে বিয়াল্লিছ চনৰ আন্দোলন আৰম্ভ হোৱাৰ দিনৰ পৰা সেই দিনালৈকে পুলিচৰ শেন চকুৰা দৃষ্টিৰ কাৰণে ঘৰলৈ যাব পৰা নাছিল। শেষৰ ফালে তেওঁৰ শৰীৰৰ অৱস্থা অতি শোচনীয় হোৱাৰ উৰা-বাতৰি পাই ভাই-ভনীহঁতে বেজাৰ কৰি দিন কটাব লগা হৈছিল। বৰুৱাদেৱ কাৰাগাৰত থকা অৱস্থাত বৰদা নামৰ এজনী ভনীয়েকক স্থানীয় কংগ্ৰেছ কৰ্মীসকলে ২৭/১/৪৩ তাৰিখে আয়োজন আৰু বস্ত্ৰ সংগ্ৰহ কৰি বিয়া দিছিল। যোগেশ্বৰ বৰুৱা আটক বন্দী হোৱাৰ পিছত পূৰ্বৰ সিদ্ধান্ত ক্ৰমে সহ অধিনায়ক টুনিৰাম হাজৰিকা জিলা অধিনায়ক আৰু মহেন্দ্ৰ নাথ তালুকদাৰ সহ অধিনায়ক হ'ল।

## ধানৰ নাও দুবোৱা ঃ

'৪২ চনৰ ১১ অক্টোবৰৰ দিনা বাঁহপাতি গাঁৱত বহা কৰ্মীসকলৰ এখন সভাই যুদ্ধৰ কাৰণে লক্ষীমপুৰৰ পৰা বেপাৰী আৰু ঠিকাদাৰসকলে যোগান ধৰা খাদ্য বা অন্য সামগ্ৰী যিকোনো প্ৰকাৰে বন্ধ কৰাৰ সিদ্ধান্ত কৰিছিল। এই কাম কৰিবৰ কাৰণে ইন্দ্ৰেশ্বৰ শৰ্মাদেৱৰ নেতৃত্বত গোপনে এটা দল গঠন কৰা হৈছিল। এই দলটোৰ কৰ্মীসকল আছিল বংশীধৰ ভূঞা, ডিম্বেশ্বৰ শৰ্মা, প্ৰভাত ভৰালী, চক্ৰেশ্বৰ টায়ুং, ভোলা হাজৰিকা, অকমান দত্ত, পূৰ্ণ শৰ্মা, উপেন বৰদলৈ, মুকুন্দ দাস, বংশীধৰ শইকীয়া, পূৰ্ণ ভৰালী আৰু ৰত্নেশ্বৰ বৰা। বৃটিছৰ যুদ্ধত খাদ্য বস্তু যোগান ধৰাসকলৰ ভিতৰত লক্ষীমপুৰ নগৰৰ গৌৰী দত্ত নামৰ এজন লোকো আছিল। এওঁ পানীগাঁৱৰ গোপাল বৰাৰ দোকানৰ পৰা এদিন পাঁচশ মোন ধান কিনি খাবলু মুখত নাৱত বোজাই কৰি নিমাতীঘাটলৈ নাও মেলি দিছিল। এই খবৰ পাই কেইজনমান কৰ্মীয়ে বাধা দিবৰ কাৰণে যাত্ৰা কৰিলে। এই দলটোৰ নেতৃত্ব কৰিছিল টঙ্কেশ্বৰ গগৈদেৱে। তেওঁলোক পানীগাঁৱৰ পৰা ৰাতি হাবি-

জগুৱগুলৰ মাজেদি গোলাপ দত্তৰ পৰা বন্দুক এটা লৈ যাত্ৰা কৰিলে। ইতিমধ্যে নাওখন গৈ কাঁহীদোৱাৰৰ মৰঙীয়ামুখ পাইছিলগৈ। কৰ্মী দলটোত গৈছিল গগৈদেৱৰ বাহিৰেও পূৰ্ণ ভৰালী, চক্ৰেশ্বৰ টায়ুং, বংশীধৰ ভূঞা, অকমান দত্ত, প্ৰভাত ভৰালী, ভোলানাথ হাজৰিকা, উপেন বৰদলৈ, বংশী শইকীয়া আৰু পূৰ্ণ শৰ্মা। এই দলটো ধানৰ নাওখন অনুসৰণ কৰি অটব্য জাৰণিৰ মাজেদি খোজকাঢ়ি আগবাঢ়িল। যাওঁতে যাওঁতে তেওঁলোকৰ দুদিন দুৰাতি লাগিছিল। বাটৰ আহাৰ আছিল মাত্ৰ ঔ টেঙা আৰু আবে চাউল। তৃতীয় দিনা কৰ্মী দলটোৱে ওচৰতে থকা এখন মিৰি গাঁৱৰ পৰা নাও এখন লৈ তেওঁলোক নাৱত উঠি সদলবলে নাৱৰ ওচৰলৈ আগবাঢ়িল। নাৱৰ মাঝিবিলাকে কৰ্মী দলটো দেখি আক্ৰমণ কৰাৰ সন্দেহ কৰি লাঠি দেখুৱালে। ইতিমধ্যে সন্ধ্যা নামি আহিছিল। তেওঁলোকে নাও দ পানীলৈ নি লঙ্গৰ পেলালে। তেতিয়া ৰাতি ৯ বাজিছিল। গগৈদেৱে নিজৰ নাৱৰ পৰা আকাশলৈ এজাঁই গুলি মাৰিলে। নাৱৰ মাঝি এজন সাতুৰি বামৰ ফালে অহা যেন দেখি আৰু এজাই গুলী কৰিলে। ক'লে "খবৰদাৰ, ৰুখ যাও।" সি পানীত বৈ-গ'ল। ভলণ্টিয়াৰৰ দলটো আগবাঢ়ি নাৱৰ লেম্প-চাকি ভাঙি নাৱৰ বাৰত কুঠাৰৰ ঘাপ দিলে। মাঝিয়ে প্ৰাণ লৈ ভয় কৰি পানীত ধানৰ বস্তা পেলাই সহায়হে কৰিছিল। অলপ সময়ৰ পিছত ধানৰ নাও ডুবাই কৰ্মী দল পানীগাঁও মুখী হৈ বচাগাঁও পালেহি। ৪ৰ্থ দিনা আহি দেখে যে বচাগাঁৱৰ মুক্তিসেনা শিবিৰ অগ্নিত ভস্মীভূত। কৰ্মী দলটো তাৰ পৰা আঁতৰি নাওবৈচাৰ ফালে যাত্ৰা কৰিলে।

ধানৰ নাও ডুবোৱা সংক্ৰান্তত অনুসন্ধান কৰিবলৈ পানীগাঁৱলৈ পুলিচ আহিল। পুলিচে লোকনাথ ভূঞা, ইন্দ্ৰেশ্বৰ শৰ্মা, খগেশ্বৰ বৰা আৰু বলো দাসক অক্টোবৰ মাহৰ ১৫ তাৰিখে গ্ৰেপ্তাৰ কৰিলে। পুলিচে এওঁলোকৰ বিৰুদ্ধে কোনো চাক্ষুস প্ৰমাণ দিব নোৱাৰাৰ কাৰণে বিচাৰাধীন হৈ ১৩ দিন থকাৰ পিছত তেওঁলোক খালাচ হ'ল। সেই সংক্ৰান্ততে পানীগাঁৱৰ ওচৰৰ বচাগাঁৱত থকা মুক্তিসেনাৰ শিবিৰৰ ঘৰটো পুলিচে জুই লগাই ঘটনাৰ ৪ ৰ্থ দিনা পুৰি পেলালে। এই একেটা অভিযোগৰ কাৰণে অম্বুৰাম গগৈক পুলিচে গ্ৰেপ্তাৰ কৰি নি থানাৰ চৌহদত এটা চিপাহীয়ে পেলাই লৈ এটা ডাঙৰ বেজি লৈ আঙুলিৰ মূৰত সুমাই দি খুচিবলৈ ধৰিলে আৰু মুখত সোপা দি আধাঘণ্টামান শাস্তি দিলে। কৃষ্ণৰাম বৰা, নবীন বৰা আৰু পদ্ম বায়নকো ধৰি মাৰকিল কৰিলে। তদুপৰি একে সংক্ৰান্তত

মহলদাৰ হিতৰাম গগৈ আৰু ঘাটে কেশৱ দাসকো পুলিচে মাৰধৰ কৰিলে।

## পাইকাৰী জৰিমনা :

যোৱা ছেপ্টেম্বৰ মাহৰ দহ তাৰিখে ঢলপুৰত পৰা যুদ্ধৰ বিমানখন দুষ্কৃতিকাৰী সকলে ভঙাৰ অপৰাধত বৃটিছ চৰকাৰে তাৰ মূল্য আদায় কৰিবলৈ ধলপুৰ, নাৰায়ণপুৰ আৰু খেৰাজখাট মৌজাৰ ৰায়তসকলৰ ওপৰত পাইকাৰী জৰিমনা বহুৱালে। জৰিমনা আদায় কৰিবৰ কাৰণে পুৰী চাহাবে নিজে সশস্ত্র পুলিচ বাহিনী লগত লৈ অক্টোবৰ মাহৰ ৪ৰ্থ সপ্তাহত মৌজাদাৰ, গাঁওবুঢ়াবিলাক মাতি আনি ৰাইজসকলকো সংগৃহীত ঠাইলৈ জাননী জাৰি কৰি মতাই আনি পাইকাৰী জৰিমনা জোৰেৰে আদায় কৰিলে। এই জৰিমনা আদায়ৰ কাৰণে আগতে কোনো তালিকা কৰা নাছিল। পুৰী চাহাবৰ মুখত যিমান টকা আদায় দিবলৈ হুকুম ওলাইছিল সিমান টকা আদায় কৰিছিল। কোনোৱে নেজানিছিল, তেওঁলোকেনো কিমান টকা জৰিমনা ভৰিব লাগিব। অৰ্থৰ অভাৱৰ কাৰণে কোনোৱে যদি সামান্য মাফো বিচাৰিছিল তেতিয়া জৰিমনাৰ পৰিমাণ দুগুণ আদায় দিবলৈ বাধ্য হৈছিল। সেইবাবে গাঁৱৰ প্ৰতিজন গৃহস্থই ধাৰ ঋণ কৰি সোণৰ গহনা, মাটি-বাৰী বন্ধকত দি যিমান সৰহকৈ পাৰে ধনৰ টোপোলা বান্ধি জৰিমনা দিবলৈ লৈ গৈছিল। এইদৰেই এইকেইটা মৌজাৰ পৰা দহ হাজাৰতকৈ বেছি টকা আদায় কৰিছিল। কিন্তু চৰকাৰী হিচাব মতে ৭৫০০/ টকাহে আছিল। এই পাইকাৰী জৰিমনা উপৰিও চৰকাৰে বিহপুৰীয়া মৌজাৰ লাহলিয়াল স্কুল ঘৰ পোৰাৰ কাৰণে ভোগদৈ গুৰি, ভোগপুৰীয়া আৰু বৌমৰীয়া গাঁৱৰ পৰা ২৫৮/ টকা বাৰ অনা জৰিমনা কৰি আদায় কৰিছিল। ৰাইজে এই জৰিমনাৰ আতিগুৰি নেপাইছিল।

## মুক্তি সৈনিকৰ অনশন :

১৯৪২ চনৰ শেষভাগত উঃ লক্ষীমপুৰত আন্দোলন নানান কাৰণত স্তিমিত হৈ পৰাত অধিনায়ক টুনি হাজৰিকাই আন্দোলনটো পুনৰ সজাগ কৰিবলৈ শেষ চেষ্টা হিচাপে কেইজনমান কৰ্মী মুক্তিসেনা লৈ বাঁহপাতি অঞ্চলত কনায়কা নামে ঠাইৰ ইকৰা-খগাৰি আদিৰ এখন অৰণ্যত জনসাধাৰণৰ ওচৰত কেইটামান দাবী উত্থাপন কৰি অনশন আৰম্ভ কৰিলে। সেই দাবীকেইটা আছিল, যিসকল মুক্তি সৈনিক আন্দোলনৰ আৰম্ভতে ঘৰ-দুৱাৰ ত্যাগ কৰি আহি তেতিয়ালৈকে

সম্পূৰ্ণ অস্থায়ী শিবিৰৰ সৈনিক হিচাপে পলাই টলৌ-টলৌকে আৰু অন্ন-বস্ত্ৰৰ অভাৱত দিন কটাব লগা হৈছিল আৰু জনসাধাৰণৰ পৰাও মৰম-চেনেহৰ পৰিৱৰ্তে পুলিচক জাননী দি ধৰাই দিবলৈহে যত্নপৰ হৈছিল। সেই দুঃখময় অৱস্থাটোৰ পৰা নিষ্কৃতি লাভ কৰিবলৈ এজন এজনকৈ আমৰণ অনশনৰ সিদ্ধান্ত কৰি প্ৰথমে টুনিৰাম হাজৰিকাই অনশন আৰম্ভ কৰিলে। অনশনৰ দাবীৰ ভিতৰত আছিল আন্দোলনটো পুনৰ সক্ৰিয় কৰি গঢ়ি তুলিবলৈ কমেও এশজন মুক্তিসেনাৰ আৱশ্যক, তেওঁলোকৰ দুমাহৰ খৰচৰ বাবে অন্ন আৰু বস্ত্ৰ যোগান আৰু প্ৰয়োজনীয় আৰ্থিক সহায়। অনশন কৰিবলৈ আগবাঢ়িছিল টুনিৰাম হাজৰিকা, গোলাপ চন্দ্ৰ শইকীয়া, পদ্ম শইকীয়া, হৰকান্ত দলৈ, উমা দাস, দোমাই বৰুৱা, তুলসী শইকীয়া, গুণ হাজৰিকা, টঙ্কেশ্বৰ গগৈ, ৰূপম শইকীয়া, উমা হাজৰিকা, শিশুৰাম বৰুৱা, কান্দ্ৰা উৰাং, ভূৱন বুঢ়াগোঁহাই, বোধেশ্বৰী দাস, হেমপ্ৰভা ফুকন, চক্ৰেশ্বৰ টায়ুং, ইন্দ্ৰেশ্বৰ দত্ত, শইকীয়া কোঁচ আৰু হেম বৰা। অধিনায়ক টুনি হাজৰিকাই প্ৰথমে অনশন আৰম্ভ কৰিলে। এখেতৰ সহায়ৰ কাৰণে আৰু ছজন থাকিল। এনেকৈ দলে দলে উদ্দেশ্য সিদ্ধি নোহোৱা পৰ্যন্ত অনশন কৰাৰ কথা। অনশন আৰম্ভৰ খবৰ চাৰিওফালে প্ৰচাৰ হ'ল। সকলো মানুহে অনুভৱ কৰিলে যে তেওঁলোকৰ আন্তৰিক সহায়-সহযোগিতাৰ বিনিময়তহে কৰ্মীসকলে অনশন কৰি মৰিবলৈ আগবাঢ়িছে। অনশনৰ দুদিনমানৰ পিছৰ পৰা ওচৰৰ গাঁওবোৰৰ জনসাধাৰণে চাউল, তৰী-তৰকাৰী পইচা-পাতি লৈ আহি সেইবিলাক আগবঢ়াই দি অনশন ভঙ্গ কৰিবলৈ মুক্তি সৈনিকসকলক অনুৰোধ কৰিলে। এনেকৈ ওচৰৰ আৰু দূৰণিৰ গাঁও বিলাকৰ পৰা অবিৰত সঁহাৰি আহিবলৈ ধৰিলে। ৰাইজেও টুনিৰাম হাজৰিকাদেৱক অনশন ভঙ্গ কৰিবলৈ অনুৰোধ কৰিলে। ৰাইজৰ অনুৰোধ ৰক্ষা কৰি দুদিনমানৰ পিছত অনশন ভঙ্গ কৰিলে। তেওঁলোকে অনশন ভঙ্গ কৰাৰ পিছত পুলিচৰ এটা দল তেওঁলোকক বিচাৰি সেইখিনি পাইছিল যদিও মানুহ নাপাই ঘূৰি গ'ল।

## ১৯৪৩ চনৰ ব্যক্তিগত সত্যাগ্ৰহ ঃ

ইং ১৩/১২/৪২ তাৰিখে শিঙিয়াত বহা কৰ্মী সন্মিলনৰ সিদ্ধান্ত ক্ৰমে একচল্লিশ চনৰ একক সত্যাগ্ৰহৰ আৰ্হিত ১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা জিলা পৰিচালকৰ পৰিচালনাত একক সত্যাগ্ৰহ আৰম্ভ কৰা হ'ল। এই সত্যাগ্ৰহত

সত্যাগ্ৰহ কৰি কাৰাবৰণ কৰা লোকসকলৰ নাম তলত দিয়া হ'ল।২০/৩/৪৩ তাৰিখে পশ্চিম সমষ্টিৰ পৰিচালক পূৰ্ণানন্দ দত্তক পুলিচে গ্ৰেপ্তাৰ কৰি আটক কৰিলে।

| ক্ৰম নং | সত্যাগ্ৰহীৰ নাম | পিতাৰ নাম | ঠিকনা | সত্যাগ্ৰহ কৰা তাৰিখ | কাৰাবাসৰ পৰিমাণ |
|---|---|---|---|---|---|
| ১ | অনন্ত দত্ত | নবীন | ঢলপুৰ | ২০/৩/৪৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২ | মহেন্দ্ৰ নাথ ভুএগ্ৰা | কণ | নাৰায়ণপুৰ | ১৩/২ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৩ | পূৰ্ণ তামুলী | ৰূপৰাম | জৰাবাৰী | ২/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৪ | গোলোক চন্দ্ৰ বৰা | কালুৰাম | শাওকুছি | ৫/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৫ | মুহিৰাম হাজৰিকা | তিলেশ্বৰ | শ্ৰী ভুএগ্ৰা | ৫/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৬ | তুলসী শইকীয়া | কণৰাম | শাওকুছি | ৯/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৭ | ললিত চন্দ্ৰ শৰ্মা | ৰূপেশ্বৰ | বচাগাঁও | ১০/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৮ | সোণাৰাম শইকীয়া | সোণাই | শাওকুছি | ১১/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৯ | কনক চন্দ্ৰ শইকীয়া | খেমাই | খলিহামাৰী | ১২/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১০ | বোধেশ্বৰ বৰা | ভোগাই | বৰবৰি | ১২/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১১ | চন্দ্ৰ নাথ দত্ত | ভৱাম | তাতিবাহাৰ | ১২/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১২ | অকমান দত্ত | বোকেশ্বৰ | পানীগাঁও | ১১/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৩ | লক্ষীধৰ শৰ্মা | সোমনাথ | বিহপুৰীয়া | ১৩/৪ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৪ | হেৰম্ব ফুকন | অম্বিকা | নৰাগাঁও | ১৩/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৫ | গজিন্দ্ৰ কোঁৱৰ | ভৱাম | ৰঙতি | ১৯/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৬ | ভুলিৰাম বৰা | বিষ্টু | বহপথাৰ | ২১/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৭ | লোকেশ্বৰ কাকতি | ৰূপাই | বৰবালি | ২০/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৮ | নন্দ নাথ দলৈ | অনুৰাম | বিহপুৰীয়া | ১৫/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ১৯ | দেবেন্দ্ৰ নাথ চেতীয়া | সোণাৰামা, | ঢলপুৰ | ২১/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২০ | হৰকান্ত ভুএগ্ৰা | সোমেশ্বৰ | শাওকুছি | | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২১ | দোমাই শইকীয়া | দীঘলা | দুলীয়াপথাৰ | ২০/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২২ | সুৰেন্দ্ৰ নাথ বৰা | ধৰ্মেশ্বৰ | জৰাবাৰী | ২৫/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২৩ | গোলোক বৰা | কনকেশ্বৰ | ডেৰগাওগ্ৰা | | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২৪ | হৰকান্ত দলৈ | ডিম্ব | লখৌ | ১/৪ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২৫ | কানুৰাম কোঁৱৰ | নিৰ্মল | বহপথাৰ | ২/৪ | ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ২৬ | অৰুণ গগৈ | হন্দুৰাম | বহপথাৰ | ২/৪ | ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ২৭ | কনক চন্দ্ৰ দত্ত | গোপাল | কলিতাগাঁও, বৰদলনি | ৭/৪ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২৮ | দ্বাৰিকা নাথ ফুকন | ভাদুৰাম | ঘিলামৰা | ১০/৪/৪৩ | ৮ মাহ সশ্ৰম কাৰাদণ্ড |

| | | | | | |
|---|---|---|---|---|---|
| ২৯ | পূর্ণ ভৰালী ধনিৰাম | বামুণগাঁও | ঢকুৱাখনা | ৩০/৯ | ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩০ | কমলেশ্বৰ পাৰ্চনি | জিউৰাম | তাঁতিবাহাৰ | ৩০/৩ | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ৩১ | প্ৰিয়ৰম দুৱৰা | ত্ৰিলোচন | বহপথাৰ | ৪/৪ | ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ৩২ | নাৰায়ণ চন্দ্ৰ হাজৰিকা | জিউৰাম | গৰুবন্ধা | | |
| | (সত্যাগ্ৰহী নহয়) | | খেৰাজখাট | ২৩/১২/৪৩ | ৩ মাহ সশ্ৰম কাৰাদণ্ড |

সত্যাগ্ৰহৰ কাৰ্যসূচী চলি থকা অৱস্থাতে ৭/৩/৪৩ তাৰিখে ঢকুৱাখনা জিয়ামৰীয়া গাঁৱৰ আনন্দ দত্তক পুলিচে ধৰি নি আটক বন্দী কৰিলে। ২০/৩/৪৩ তাৰিখে পশ্চিম সমষ্টিৰ পৰিচালক পূৰ্ণানন্দ দত্তক পুলিচে নি আটক বন্দী কৰিলে। মহেন্দ্ৰ নাথ তালুকদাৰক সেইদিনাই গ্ৰেপ্তাৰ কৰি নিছিল যদিও ৰোগগ্ৰস্ততাৰ কাৰণে তেখেতক থানাৰ পৰা এৰি দিলে। ২২/৩ তাৰিখে মহেশ্বৰ বৰুৱাক বুলেটিন ৰখাৰ অভিযোগত গোলাঘাটত পুলিচে গ্ৰেপ্তাৰ কৰে। বিচাৰত তেখেতৰ ৯ মাহ্ কাৰাবাস হ'ল।

ভাৰতৰ স্বাধীনতা আন্দোলন ১৯৪২ চনৰ ৯ আগষ্টৰ পৰাই নেতৃত্ববিহীন জনগণে অহিংসা নীতিৰে শৃঙ্খলাৰে চলাইছিল, কিন্তু সকলো লোকৰ অহিংসা নীতিত সম্পূৰ্ণ বিশ্বাস নাছিল। বহুতে বহুত ঠাইত হিংসা নীতিৰো আশ্ৰয় লৈছিল। বিশেষকৈ যেতিয়া জয়প্ৰকাশ নাৰায়ণে হাজাৰীবাগ কাৰাগাৰৰ পৰা এদল কৰ্মী সহ কাৰাগাৰ ভাঙি ওলাই আহি হিংসা নীতিৰ কাৰণে জনগণক আহ্বান কৰিছিল। তেতিয়া গোটেই ভাৰতবৰ্ষতে বিক্ষিপ্তভাৱে একোটা দল ৰেল বগৰোৱা, দলং ভঙা, চৰকাৰী ঘৰত জুই দিয়া আদি কামৰ কাৰণে গঠিত হৈছিল। তাৰ বতাহ আহি উঃ লক্ষীমপুৰৰো কিছু কৰ্মীক স্পৰ্শ কৰিছিল। সেইবাবে উঃ লক্ষীমপুৰতো এচাম যুৱকে এই নীতিকে আশ্ৰয় কৰি কাম কৰিবলৈ যুৱ নেতা মহানন্দ বৰাদেৱৰ সহায় ল'লে। বৰাদেৱে কিছুদিনৰ আগতেহে মঙলদৈ অঞ্চলৰ পৰা আহি নিজা ঘৰ জৰাবাৰীত থিতাপি লৈছিলহি। তেখেতে গোলাপ শইকীয়া (সান্দহ খোৱা) টঙ্কেশ্বৰ গগৈ, টুনিৰাম হাজৰিকাক প্ৰশিক্ষণ ল'বলৈ মানুহ গোটাবলৈ দায়িত্ব দি প্ৰশিক্ষণ দিবৰ কাৰণে মানুহ বিচাৰি বিশ্বনাথ চাৰিআলিৰ ফাললৈ গ'ল। তাৰপৰা তেখেতে বিচাৰ-খোচাৰ কৰি কেইজনমান লোক পাই খোজকঢ়াই লৈ আহি মাঘৰ বিহুৰ দিনা সান্দহখোৱা পালেহি। চাৰিআলিৰ ফালৰ পৰা অহা লোককেইজন আছিল ঃ— (১) হেম বৰা, (২) সুৰেন বৰা, (৩) কনক ওজা, (৪) লক্ষীৰাম দাধৰা, (৫) নবীন দাধৰা, (৬) মিনাৰাম শইকীয়া, (৭) ভদ্ৰ বৰা, (৮) দেবেন হাজৰিকা আৰু (৯) সুৰেন হাজৰিকা। ইয়াৰ উপৰিও জাঁজী অঞ্চলৰ পৰা

বুদ্ধীন্দ্র নাথ খনিকৰ নামৰ এজন লোকো আছিছিল। বিহপুৰীয়া মৌজাৰ পাভ ৰিজাৰ্ভৰ অটব্য জাৰণিৰ মাজত যুৱকসকলক মৃত্যু সেনাবাহিনী নাম দি প্ৰশিক্ষণ শিবিৰ পাতি তাত ১৯৪৩ চনৰ মাৰ্চ মাহত প্ৰশিক্ষণ আৰম্ভ কৰা হ'ল। প্ৰশিক্ষণ লোৱা লোকসকল আছিল — মৃত্যুসেনা বাহিনী

গোলাপ শইকীয়া, ৰাধা নাথ ফুকন, নাৰায়ণ হাজৰিকা, টঙ্কেশ্বৰ গগৈ, উমাকান্ত দাস, চক্ৰেশ্বৰ টায়ুং, ভোলানাথ দত্ত, অনন্ত দত্ত, থানুৰাম গগৈ, চন্দ্ৰ নাথ দত্ত, মহেন্দ্ৰ নাথ তালুকদাৰ, থানুৰাম বৰা, মহেন্দ্ৰ নাথ ভূএগ্ৰ, নন্দ নাথ দলৈ, লক্ষীনাথ শৰ্মা, মুহিৰাম শইকীয়া, ফণীধৰ নেওগ, সোণেশ্বৰ শইকীয়া, কমল শৰ্মা, লীলা শইকীয়া, টঙ্কেশ্বৰ বৰা, গুঞ্জ দত্ত, কমলা বৰা, থুলন্তৰ ভৰালী, সৰুবাপ সেনাপতি, ভোলাই বৰা, ইন্দ্ৰেশ্বৰ মহন্ত, ইন্দ্ৰ হাজৰিকা, জিউৰাম শইকীয়া আৰু সৰুল'ৰা শইকীয়া আদি। এখেতসকলে মৃত্যুক পণ কৰি মৃত্যু সেনাবাহিনীত যোগ দিছিল।

প্ৰশিক্ষণ শেষ হোৱাৰ পিছত এপ্ৰিল মাহৰ এদিন ৰাতি নিৰ্দিষ্ট সময়ত গোটেই জিলাৰ চৰকাৰী-অৰ্দ্ধচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানবিলাকত মৃত্যু বাহিনীৰ কৰ্মীসকলৰ দ্বাৰা অগ্নিসংযোগ কৰা হ'ল। সেইদিনা সেই সময়ৰ ক্ষন্তেক আগৰ পৰা আকস্মিকভাৱে বৰষুণ হোৱাৰ কাৰণে সকলো ঠাইতে জুই লগা আৰম্ভ হ'ল যদিও বৰষুণত জুই নুমাই গ'ল; বিশেষ অনিষ্ট নহ'ল। সফলতা লাভ নহ'ল। জুই দিয়া অনুষ্ঠান-প্ৰতিষ্ঠানবিলাক আছিল— বিহপুৰীয়া ডাকঘৰ, হাইস্কুল, এম. ভি. স্কুল, নগৰৰ কাছাৰী ঘৰ, মহকুমাধিপতিৰ বাংলা, গড়কাপ্তানি বিভাগৰ কাৰ্যালয়, বৰদলনি আৰু ঢকুৱাখনাৰ কেইটামান চৰকাৰী ঘৰ, মাধৱপুৰত চোৰাংচোৱাগিৰি কৰা এজন লোকৰ ঘৰ। এইজন লোকৰ ঘৰ পুৰি সম্পূৰ্ণ ভস্ম হ'ল। চৰকাৰে এই চোৰাংচোৱাজনক টিনপাত দি সহায় কৰিলে। এই বাহিনীটোৰ আঁচনিটো যদিও প্ৰাকৃতিক কাৰণত কৃতকাৰ্য নহ'ল; এই বাহিনীৰ কাৰ্যক্ৰম ইমানতে সমাপ্তি ঘটিল। পুনৰ সকলো কৰ্মী অহিংসা নীতিমুলক কামত আত্মনিয়োগ কৰিলে।

বিহপুৰীয়াৰ অনুষ্ঠানসমূহত জুই দিয়া সংক্ৰান্তত জড়িত কৰি গোলোক চন্দ্ৰ বৰুৱা, শৈলেন্দ্ৰ নাথ শইকীয়া আৰু মৰিছা পথাৰৰ ডম্বৰুধৰ শইকীয়াক ২৬/৪/৪৩ তাৰিখে পুলিচে গ্ৰেপ্তাৰ কৰিলে। পিছে চাক্ষুস প্ৰমাণ দিব নোৱাৰাৰ কাৰণে আদালতে এখেতসকলক ৪ মাহ হাজোতত ৰখাৰ পিছত খালাচ দিলে।

## হিংসা নীতিৰ কাৰণে মহাত্মা গান্ধীৰ প্ৰায়চিত্ত :

ভাৰতৰ বিভিন্ন প্ৰান্তত সংঘটিত হোৱা হিংসামূলক এই কাৰ্যবিলাকৰ কাৰণে সেই সময়ৰ ভাইচৰয় লৰ্ড লিন লিথ গোৱে মহাত্মা গান্ধীক দোষাৰোপ কৰিছিল। মহাত্মাই তাৰ প্ৰত্যুত্তৰত জনাইছিল, দেশৰ নেতৃবৃন্দক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত থোৱাৰ ফলতেই এনে হিংসামূলক কাৰ্য সংঘটিত হৈছে। কিন্তু ভাইচৰয়ে সেই কথা মানি লোৱা নাছিল। অৱশেষত এই অবাঞ্ছনীয় দোষৰ প্ৰায়চিত্ত হ'বলৈ মহাত্মা গান্ধীয়ে অনশন কৰাৰ সিদ্ধান্ত ল'লে। তেখেতে ১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ১০ তাৰিখৰ পৰা ২১ দিনৰ কাৰণে অনশন আৰম্ভ কৰিলে। মহাত্মাৰ অনশনত ভাৰতবাসীয়ে প্ৰমাদ গণিলে। জনগণে মহাত্মাৰ দীৰ্ঘজীৱন কামনা কৰি ভগবানৰ ওচৰত সেই কেইদিন প্ৰাৰ্থনা জনালে আৰু হিংসা মূলক কাৰ্যকলাপ বন্ধ কৰিলে। ভাৰতবাসীৰ প্ৰাৰ্থনাই কাম দিলে। মহাত্মাই ভগবানৰ অনুগ্ৰহত অনশন সম্পূৰ্ণ কৰিলে। লগে লগে হিংসা কাৰ্যৰ ওৰ পৰিল।

উঃ লক্ষীমপুৰত তেতিয়া মহাত্মা গান্ধীৰ দীৰ্ঘ জীৱন কামনা কৰি গাঁৱে গাঁৱে, নগৰে-চহৰে, নামঘৰে নামঘৰে কৰ্মীসকলৰ অনুৰোধ ক্ৰমে জনগণে ৰাজহুৱা আৰু ব্যক্তিগতভাৱে নাম-কীৰ্তন, বন্তি প্ৰজ্বলন কৰি ভগৱানৰ ওচৰত খাটনি ধৰা দেখা গৈছিল। অনশনত মহাত্মা কৃতকাৰ্য হৈছিল আৰু ৰাইজেও নিশ্বাস ত্যাগ কৰি আনন্দত উৎফুল্ল হৈছিল।

২৮/৪/৪৩ তাৰিখে জিলা পৰিচালক লীলা ভূএগদেৱ নিজ ঘৰত গ্ৰেপ্তাৰ হ'ল। তেখেতে আন্দোলনৰ ভু ল'বৰ কাৰণে কেইদিনমানৰ আগতে গৈ বহুত দিনৰ মূৰত ৰাতিটোৰ কাৰণে জিৰণি ল'বলৈ ঘৰত সোমাইছিলহি মাত্ৰ তাতে ধৰা পৰিল। কাৰাগাৰত থাকোতে তেখেতৰ এবাৰ বসন্ত আৰু এবাৰ গ্ৰহণী বেমাৰ হৈ স্বাস্থ্যৰ অৱনতি ঘটিছিল। সেই বাবেই মহকুমাধিপতি চাহাবৰ অনুগ্ৰহত ২৬/৭/৪৩ তাৰিখে কাৰাগাৰৰ পৰা মুক্ত হ'ল যদিও তেখেতক গৃহবন্দী কৰি ৰাখিলে। তেখেতে হাজোতত থাকোতে অসুখৰ কাৰণে বহু কষ্ট খাইছিল।

লীলা ভূএগ গ্ৰেপ্তাৰ হোৱাৰ পিছত পুৰ্বৰ সিদ্ধান্ত ক্ৰমে ইন্দ্ৰেশ্বৰ শৰ্মা ২৮/৪/৪৩ তাংৰ পৰা জিলা পৰিচালক হ'ল।

২৯/৪/৪৩ তাৰিখে জিলা কৰ্মীসকলৰ এখন সন্মিলন সান্দহখোৱা নামঘৰত ৰাতি অনুষ্ঠিত হৈছিল। এই সভাতে পশ্চিম সমষ্টিৰ পৰিচালক পূৰ্ণানন্দ দত্তৰ ঠাইত মহানন্দ বৰাদেৱক পতা হ'ল। এখেতক জিলাৰ সহকাৰী পৰিচালকো

পত্তা হ'ল। সত্তবেৰক ২০/৩/৪৩ তাৰিখে পুলিচে আটক বন্দী কৰিছিল। এই সভাই ইন্দ্ৰ শৰ্মাৰ জিলা পৰিচালক আৰু তুনি হাজৰিকাৰ অধিনায়ক পদৰ মনোনয়নত অনুমোদন জনালে। এই সভাতে সমষ্টিসমূহত কাৰ্যনিৰ্বাহ কৰিবৰ কাৰণে ৩ টা সমষ্টিত ৩ জন সম্পাদক মনোনীত কৰা হ'ল; তেওঁলোক হ'ল পূব সমষ্টিত ভোগেশ্বৰ দত্ত, মধ্যম সমষ্টিত গোপাল চন্দ্ৰ কোঁচ আৰু পশ্চিম সমষ্টিত হৰি চন্দ্ৰ বৰুৱা। সেইদিনা সভা দুপৰ ৰাতিলৈকে চলিছিল। ইতিমধ্যে এটা মজলীয়া ধৰণৰ ভূমিকম্প অনুভূত হ'ল। সভাৰ কৰ্মীসকল সভাভঙ্গ কৰিবলৈ নোপোৱাকৈ বাহিৰলৈ লৰ মাৰিলে। পিছত বাহিৰত দেখা গ'ল মাটি ফাটি তলৰ পৰা বোকা পানীও ওলাল, কুঁৱা পোত গ'ল আৰু কিছুমানৰ ঘৰ-দুৱাৰ অনিষ্ট হ'ল। এই ভূমিকম্পতে বগা নদীৰ পকী দলংখনৰ কিছু ক্ষতি হ'ল।

## উজনি অসম কংগ্ৰেছ কমিটী :

দ্বিতীয় মহাসমৰে যেতিয়া ভাৰতৰ পূব প্ৰান্তত ভয়াবহ অৱস্থা সৃষ্টি কৰিছিল, তেতিয়া অসমত তাৰ ঢৌৱে খলকনি লগাইছিল। ইয়াৰ সোঁতত মানুহ উতি ভাহি যাওঁ যাওঁ অৱস্থাপ্ৰাপ্ত হৈছিল। বিশেষকৈ উজনি অসমত মহা আতঙ্কৰ সৃষ্টি হৈছিল। যোৰহাটত যুদ্ধৰ পয়োভৰ বৃদ্ধি হৈছিল। এনে অৱস্থাত স্বাধীনতাৰ কাৰণে আন্দোলন কৰাটো অসম্ভৱ হৈ পৰিছিল। সেই সময়ত আন্দোলন সংক্ৰান্তত প্ৰাদেশিক কংগ্ৰেছৰ লগত লক্ষীমপুৰৰ যোগাযোগ বিছিন্ন হৈ পৰিছিল। প্ৰাদেশিক নেতৃবৃন্দ সেই সময়ত কাৰাৰুদ্ধ। এইবোৰ কথা ভাবি-চিন্তি চাই গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী প্ৰভুৱে লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ (মহকুমা হিচাপে উত্তৰ লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট) আটাইকেইটা মহকুমা সামৰি 'উজনি অসম কংগ্ৰেছ' নামৰ অনুষ্ঠান এটি প্ৰতিষ্ঠাৰ যো-যা কৰিলে। তাৰ বাবে তেখেতে ১৯৪৩ চনৰ প্ৰাৰম্ভণিতে তেখেতৰ সত্ৰতে উক্ত দুয়োখন জিলাৰ মহকুমাসমূহৰ পৰিচালক, অধিনায়ক আৰু কৰ্মীসকলক লৈ এখন কৰ্মী সম্মিলন আহ্বান কৰিলে। সত্ৰাধিকাৰজনাৰ সভাপতিত্বত সভা আৰম্ভ হ'ল। সভাপতিজনাই সদস্যসকলক দেশৰ পৰিস্থিতি অৱগত কৰি স্বাধীনতা আন্দোলনটো যাতে পৰৱৰ্তি কালত আলোচনা-বিলোচনাৰ মাধ্যমেৰে নিয়াৰিকৈ চলাই দেশখনক পৰাধীনতাৰ পৰা মুক্ত কৰিব পাৰি তাৰ বাবে লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ আটাইকেইটা মহকুমাৰ জিলা পৰিচালক আৰু অধিনায়কসকলক

লৈ উজনি অসম কংগ্রেছ কমিটী গঠন কৰিবলৈ পৰামৰ্শ দিলে। সভাই আলোচনাক্ৰমে সেই মতেই 'উজনি অসম কংগ্ৰেছ কমিটী' নাম দি সৰ্ব সন্মতিক্ৰমে এখন সমিতি গঠন কৰিলে। এই সমিতিৰ জেনেৰেল পৰিচালক সৰ্বাধিকাৰ হ'ল শ্ৰীশ্ৰীপীতাম্বৰ দেব গড়মূৰীয় গোস্বামী আৰু সম্পাদক হ'ল উপেন ৰাজখোৱা বি. এল. দেব। সদস্যসকল হ'ল মহকুমাসমূহৰ পৰিচালক আৰু অধিনায়কসকল। তেতিয়াৰ পৰাই অসম প্ৰাদেশিক কংগ্ৰেছৰ লগত উজনি অসম কংগ্ৰেছৰ আৰু উজনি অসম কংগ্ৰেছৰ লগত প্ৰতি মহকুমাৰ জিলা পৰিচালকসকলৰ যোগাযোগ আৰম্ভ হ'ল। আমাৰো উত্তৰ লক্ষীমপুৰৰ জিলা পৰিচালক আৰু অধিনায়কসকলে জেনেৰেল পৰিচালকৰ ওচৰলৈ গৈ আলোচনা-বিলোচনা কৰি কামত অগ্ৰগতি লাভ কৰিছিল আৰু কাৰ্যালয়ৰ কাগজ-পত্ৰ বিনিময় কৰিছিল। জেনেৰেল পৰিচালকে মাজে সময়ে প্ৰকাশ কৰা কেইখনমান বুলেটিনৰ নকল পৰিশিষ্টত প্ৰকাশ কৰা হ'ল।

মহানন্দ বৰাদেৱ উঃ লক্ষীমপুৰৰ সহকাৰী জিলা পৰিচালক হোৱাৰ পিছত ১/৫/৪৩ তাৰিখৰ পৰা গোটেই মহকুমাটো ফুৰি কাৰাগাৰলৈ যোৱা লোকসকলৰ ঘৰৰ খা-খবৰ লোৱা, সুবিধাজনক ঠাইত সভা-সমিতি পতা, পুঁজি সংগ্ৰহ কৰা আদি কামত নিপাৰাহে আত্মনিয়োগ কৰিলে। এই ভ্ৰমণত তেখেতে হৰি চন্দ্ৰ বৰুৱা আদিক লগত লৈ ঢলপুৰৰ পৰা নাৰায়ণপুৰ, বৰদেউৰী গাঁৱেদি ৰাইদঙীয়া, কেন্দুগুৰি, জাপজুপ, জামুগুৰি, ধলধলীয়া, পুখুৰীপৰীয়া, চিনাতলীয়া, নাওবৈচাৰ পেৰাভাৰি, লেচাইগাঁও, কমলাবৰীয়া, স'লাল হৈ পানীগাঁও পালেগৈ। পদব্ৰজে যাওঁতে বাটত বোকাপানী গচকি অনেক দুঃখ কষ্ট খাবলগীয়া হোৱাত বৰাদেৱৰ জ্বৰ আৰম্ভ হ'ল। বাটত জ্বৰ উঠাৰ কাৰণে লেচাই গাঁৱত ৰঙা নদীৰ সিঁচৰতি সুঁতি বিলাকত একনিষ্ঠ কৰ্মী টঙ্কেশ্বৰ গগৈদেৱে ডাঙি নি কনকেশ্বৰ দত্তৰ ঘৰ পোৱালেগৈ। ৰাতি তাত থাকি পিছদিনা এটা ম'হৰ পিঠিত উঠি পানীগাঁৱৰ নিৰণ ভূঞাৰ ঘৰ পাই তাত অসমীয়া ঔষধ পাতি খোৱাৰ কেইদিন মানৰ পিছতহে জ্বৰ এৰিলে। ইয়াতে বচাগাঁৱৰ মহিলা কৰ্মী বোধেশ্বৰী দাসৰ সৈতে পৰিচয় হৈ মহিলা জাগৰণৰ কাৰণে তেওঁক পশ্চিম অঞ্চললৈ লৈ আহিল।

১৩ মে'ৰ দিনা বৰবৰি গাঁৱত পুৰুষ-মহিলাৰ এখন ডাঙৰ ৰাজহুৱা সভা হ'ল। সভাত সভাপতিত্ব কৰিছিল বৰাদেৱে। সভাত মহিলা কৰ্মী বোধেশ্বৰী দাসে এঘণ্টাতকৈ বেছি সময় দিয়া অগ্নিবৰ্ষী বক্তৃতাত সমাজ স্তব্ধ হৈ গ'ল।

সেই সময়ত মহিলাসকলৰ মাজতো যে এনে এগৰাকী বীৰাঙ্গনাসদৃশ নাৰী লক্ষীমপুৰত আছিল মানুহে ভাবি আচৰিত হৈছিল। দাসৰ বক্তৃতাত অনুপ্ৰাণিত হৈ ১০ গৰাকী গাভৰুৱে দেশৰ কামত আত্মনিয়োগ কৰি প্ৰতিজ্ঞা পত্ৰত চহী কৰিলে। কৰ্মীসকলে প্ৰয়োজন হ'লে খবৰ দিয়া হ'ব বুলি তেওঁলোকক লগত যোৱাৰ পৰা বাৰণ কৰিলে। তাৰ পিছদিনা বহপথাৰ নামঘৰত আন এখন ৰাজহুৱা সভা হৈছিল। এই সভাতো বহু পুৰুষ-মহিলাৰ সমাগম হৈছিল। ইয়াতো ৬ গৰাকী মহিলা কাম কৰিবলৈ যাবৰ কাৰণে স্বেচ্ছাই ওলাল। পিছে তেওঁলোককো সময়ত জনাম বুলি কোৱা হ'ল। তাৰ পিছত অগা-পিছাকৈ কাচিকটা আৰু চৌধপুনীয়া নামঘৰত পুৰুষ-মহিলাৰ দুখন ডাঙৰ ৰাজহুৱা সভা হ'ল। ইয়াৰ পিছত জামুগুৰি আৰু জাপজুপত দুখন সভা পতা হৈছিল। ইয়াতো কেইবাগৰাকীকৈ মহিলা কৰ্মী ওলাইছিল। সেইসকলৰ ভিতৰত কিৰণ বালা গোস্বামী, নীৰদা বৰুৱা (হাজৰিকা), স্বৰ্ণলতা বৰুৱা (দত্ত) আদি। এওঁলোকে স্থানীয়ভাৱে বহুত দিনলৈকে কাম কৰিছিল। এইসকল মহিলাৰ নেতৃত্ব কৰিছিল জামুগুৰি গাঁৱৰ দময়ন্তী শইকীয়াই।

## কৰ্মীসকলৰ নৌকাৰে গড়মূৰ ভ্ৰমণ ঃ

উজনি অসম কংগ্ৰেছৰ জেনেৰেল পৰিচালকক লগ ধৰি তেখেতৰ লগত পৰিচয় হোৱা আৰু সেই সময়ৰ দেশৰ পৰিস্থিতিত উজনি অসমৰ আন্দোলনৰ কাৰ্যসূচী সম্পৰ্কে বুজ ল'বলৈ জুন মাহৰ ৩ য় সপ্তাহত মহানন্দ বৰা গড়মূৰলৈ যাত্ৰা কৰিলে। এই যাত্ৰাত বৰাদেৱৰ লগত পশ্চিম সমষ্টিৰ সম্পাদক হৰি চন্দ্ৰ বৰুৱা, ভৱৰুধৰ হাজৰিকা, ফণীধৰ বৰা, তিলেশ্বৰ ভৰালী, ৰত্ন শৰ্মা, তুলসী ভূঞা (বৰুৱাৰ বাহিৰে বাকীকেইজন কেন্দুগুৰি গাঁৱৰ) বদতিৰ পৰা সোৱণশিৰি নদীয়েদি নাৱেৰে যাত্ৰা কৰিলে। সত্ৰাধিকাৰজনাই আলধৰা নথকাত নিজে বহাৰ পৰা উঠি গৈ যাত্ৰী দলটোক বহিবৰ কাৰণে কঠ পাৰি দিলে। তাতে সকলো বহি প্ৰভু ঈশ্বৰৰ লগত পৰিচয় হৈ উজনি অসম তথা দেশৰ আন্দোলনৰ বা-বাতৰি আদান-প্ৰদান কৰা হ'ল। সত্ৰাধিকাৰ প্ৰভুৱে উঃ লক্ষীমপুৰত ইতিমধ্যে হৈ যোৱা একক সত্যাগ্ৰহৰ বিষয়ে সবিশেষ জানিব পাৰি আনন্দিত হৈ সকলোকে ধন্যবাদ জনালে। তেখেতে পৰৱৰ্তী কাৰ্যসূচী হিচাপে স্বৰাজ পঞ্চায়ত গঠন, শান্তিসেনা সংগঠন, পঞ্চায়তৰ যোগে গাঁৱৰ শান্তি-শৃঙ্খলা ৰক্ষা, গাঁও পহৰা দিয়া আৰু

অন্যান্য গঠনমূলক কামত পূর্ণ উদ্যমেৰে লাগিবলৈ আৰু মহিলা সংগঠন সক্ৰিয় কৰি তুলিবলৈ পৰামৰ্শ দিলে। তেখেতে সহকাৰী জেনেৰেল পৰিচালক শংকৰ বৰুৱাকো লগ ধৰি কথা পাতিবলৈ ক'লে। জেনেৰেল পৰিচালক সত্ৰাধিকাৰ জনাই বোৱা পোহৰ জুনৰ দিনা ৰাতি গান্ধীবাদী নেতা কুশল কোঁৱৰক ফাঁচি দিয়াৰ কাৰণে সমগ্ৰ অসমজুৰি শোকৰ ছাঁই ছানি ধৰাৰ কথা উল্লেখ কৰি দুঃখ প্ৰকাশ কৰিছিল আৰু মৃত্যুৰ পৰা একাদশৰ দিনা ২৫/৬/৪৩ তাৰিখৰ আদ্যশ্ৰাদ্ধৰ দিনটো 'কুশল কোঁৱৰ দিবস' হিচাপে সভা-শোভাযাত্ৰাৰে শোক দিবস হিচাপে পালন কৰিবলৈ পৰামৰ্শ দি যাত্ৰী দলক বিদায় দিলে। সেইদিনাই এই দলটো নাম্বেৰে ভতিয়াই আহি বৰদতি পালে। ইতিমধ্যে উজনি অসম কংগ্ৰেছৰ চিঠি পাই ২৫/৬ তাৰিখে বিহপুৰীয়াৰ পুখুৰীপৰীয়া গাঁৱত শৈলেন্দ্ৰ নাথ শইকীয়া আৰু বোধেশ্বৰী দাসে সভা-শোভাযাত্ৰাৰ আয়োজন কৰিছিল। যাত্ৰী দলটোৱেও যথা সময়ত সেইখিনি পাইছিলগৈ।

## শ্বহীদ কুশল কোঁৱৰৰ আদ্যশ্ৰাদ্ধ পালন :

১৯৪৩ চনৰ ২৫ জুনৰ দিনা বেলৰ চিৰি উঠোৱা মিছা অভিযোগত বৃটিছ গৱৰ্ণমেণ্টে কুশল কোঁৱৰক ফাঁচি দিলে। মৃত্যুৰ ৩০ দিনৰ দিনা সমগ্ৰ অসমে তেওঁৰ আত্মাৰ সদগতিৰ হকে নামঘৰে নামঘৰে আদ্যশ্ৰাদ্ধৰ হৈ নাম-কীৰ্তন কৰিছিল। পুখুৰীপৰীয়া নামঘৰতো নাম-কীৰ্তন আৰু ৰাজহুৱা সভাৰ আহ্বান কৰা হ'ল। যথাসময়ত নাম-কীৰ্তন সমাপন কৰি ৰাজহুৱা সভা আৰম্ভ কৰা হ'ল। মহানন্দ বৰাদেৱে সভাপতিৰ আসন গ্ৰহণ কৰিলে। ইতিমধ্যে বোধেশ্বৰী দাস আৰু শৈলেন্দ্ৰ নাথ শইকীয়াই সান্দহখোৱাৰ ফালৰপৰা পুৰুষ-মহিলাৰ এটা শোভাযাত্ৰা লৈ আহি সভাত যোগদান কৰিলেহি। সভা লোকে-লোকাৰণ্য হৈছিল। সভাত প্ৰথমেই কুশল কোঁৱৰৰ মৃত্যুত শোক প্ৰকাশ কৰি আত্মাৰ সদগতি কামনা কৰি ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাই শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। তাৰ পিছত কোঁৱৰৰ কাৰ্যাৱলী আৰু আন্দোলনৰ বিষয়ে আলোচনা কৰা হ'ল। ইতিমধ্যে সভাস্থলিত বিহপুৰীয়া থানাৰ পৰা হাবিলদাৰ চন্দ্ৰ সুত সশস্ত্ৰ পুলিচ বাহিনী লৈ আহি উপস্থিত হ'ল। তেওঁলোকে জনসমাবেশ দেখি খিচুৰ্তি খালে আৰু কিছুপৰ সভাৰ পৰা আঁতৰত থাকি সভাৰ আলেখ-লেখ চাবলৈ ধৰিলে। তেওঁলোকে বীৰজনা বোধেশ্বৰী দাসৰ শৰীৰ [illegible]

ভাষণ শুনি তেওঁলোকে শৈলেন্দ্ৰ নাথ শইকীয়া আৰু ডম্বৰুধৰ হাজৰিকাক ওচৰলৈ মাতি আনিলে। গোলাপ শইকীয়াকো মাতিছিল; কিন্তু তেওঁ জনতাৰ আঁৰত অন্তৰ্দ্ধান হ'ল। সভাস্থলৰ বাইজ চঞ্চল হৈ পৰিল। তলে তলে মৃদু গুঞ্জন উঠিল। সভাপতিয়ে বিশৃংখলতাৰ ভয়ত ৰাইজসকলক শান্ত হৈ বহি থাকিবলৈ গোহাৰি জনালে। পুলিচে সেই তিনিওজনক গ্ৰেপ্তাৰ কৰিছো বুলি ক'লে। উপস্থিত ৰাইজে তিনিওজনকে চাহ-জলপান খুৱাই পুষ্পমালা পিন্ধাই প্ৰায় এহাজাৰ লোকে গীত-মাত গাই গায়ন-বায়নেৰে দুমাইলমান খোজকাঢ়ি চিচাপথাৰ ডিব্ৰুগং ঘাটলৈকে আগবঢ়াই থ'লেহি। বিচাৰত আদালতে শৈলেন্দ্ৰ নাথ শইকীয়াক ৩ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৬০ টকা জৰিমনা ডম্বৰুধৰ হাজৰিকা আৰু বোধেশ্বৰী দাসৰ এমাহ কৈ সশ্ৰম কাৰাদণ্ডৰ হুকুম বিহিলে।

## বিলতীয়া গাঁৱত কৰ্মী সন্মিলন ঃ

এই বছৰৰে জুলাই মাহৰ ১৪ তাৰিখে নাওবৈচাৰ বিলতীয়া গাঁৱত জিলা কংগ্ৰেছ কৰ্মীসকলৰ সভা এখন পৰিচালক ইন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। এই সভাত স্বৰাজ পঞ্চায়তৰ এখন নিয়মাৱলী অনুমোদন জনোৱা হৈছিল। এই নিয়মাৱলীখনৰ পাণ্ডুলিপিটো প্ৰণয়ন কৰিছিল সহ জিলা পৰিচালক আৰু মোক্তাৰ মহানন্দ বৰাদেৱে। এই সংবিধানখন বৰ্তমানেও আছে। সভাত স্বাধীন পঞ্চায়তসমূহৰ তলত শান্তিসেনা বাহিনী আৰু মহিলা সমিতি গঠন কৰি যুদ্ধৰ সময়ত আত্মৰক্ষাৰ কাৰণে মহিলাসকলক নিদৰ্শনমূলক ডেগাৰ যোগান ধৰা, গাঁও পহৰা দিয়া, বিপদৰ সময়ত সকলো গাঁও এক ইঙ্গিতৰ দ্বাৰা সমবেত হৈ বিপদৰ পৰা আত্মৰক্ষাৰ ব্যৱস্থা কৰা আদি কামৰ সিদ্ধান্ত কৰা হ'ল। পিছত সম্ভৱপৰ ঠাইবিলাকত স্বৰাজ পঞ্চায়ত গঠন কৰি সেই পঞ্চায়তৰ দ্বাৰা বাকীবোৰ কাম কৰা হৈছিল। সেই সময়ত গঠন কৰি দিয়া স্বৰাজ পঞ্চায়ত কেইখনমানৰ নামহে তলত উল্লেখ কৰা হ'ল —

(১) জামুগুৰি পঞ্চায়ত ঃ সভাপতি ধনিৰাম শইকীয়া, সম্পাদক নগেন্দ্ৰ নাথ শইকীয়া, সদস্যসকল লক্ষীনাথ দত্ত, ভোলাৰাম ওজা, হৰনাথ বৰা, ক্ষীৰেশ্বৰ বৰদলৈ, কিনাৰাম গায়ন, মোহন চন্দ্ৰ বৰদলৈ।

(২) কেন্দুগুৰি পঞ্চায়ত ঃ সভাপতি ফণীধৰ বৰা, সম্পাদক যজ্ঞেশ্বৰ পূজাৰী, সদস্যসকল ভোলানাথ শইকীয়া, মোহোৰাম ভূঞা, দণ্ডিৰাম বৰা, যজ্ঞোৰাম

বায়ন, সোণাৰাম শইকীয়া।

এই সভাতে জিলা কংগ্ৰেছৰ নাম অস্থায়ীভাৱে বদলি কৰি 'জিলা সংগ্ৰাম পৰিষদ' কৰা হ'ল। এই সংগ্ৰাম পৰিষদৰ কাৰ্যালয় অতি গোপনীয়ভাৱে স'লাল গাঁৱৰ বাছ ড্ৰাইভাৰ কমল দত্তৰ ঘৰত ৰখাটো কৰা হ'ল।

জিলা পৰিচালক শৰ্মাদেৱে এই সভাৰ আলোচনা ক্ৰমে সংগ্ৰাম পৰিষদৰ সম্পাদকসকলক সাল-বদল কৰি পশ্চিম সমষ্টিৰ সম্পাদক হৰিচন্দ্ৰ বৰুৱাক জিলা সংগ্ৰাম পৰিষদৰ সম্পাদক, পূব সমষ্টিৰ সম্পাদক ভোগেশ্বৰ দত্তক পশ্চিম সমষ্টিলৈ অনা হ'ল। মধ্যম সমষ্টি পূব সমষ্টিৰো এই দুয়োটা সম্পাদকৰ পদ উঠাই দিয়া হ'ল। এইদৰেই মধ্য আৰু পশ্চিম সমষ্টিৰ গাঁওবোৰ সংগঠনৰ ভিতৰলৈ অনা হ'ল।

**উজনি অসম কংগ্ৰেছৰ জেনেৰেল পৰিচালক পীতাম্বৰ দেৱ গোস্বামী প্ৰভুৰ আটক আৰু শঙ্কৰ চন্দ্ৰ বৰুৱা (সহ পৰিচালক)ৰ সেই পদৰ দায়িত্ব গ্ৰহণ।**

ইং ১৯৪৩ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে উজনি অসম কংগ্ৰেছৰ জেনেৰেল পৰিচালক পূজ্যপাদ পীতাম্বৰ দেৱ গোস্বামী প্ৰভুক বৃটিছ গৱৰ্ণমেণ্টে সত্ৰত গ্ৰেপ্তাৰ কৰিলে। তেখেতক গ্ৰেপ্তাৰ কৰাৰ কাৰণটো হ'ল ১৯৪২ চনৰ ৩ অক্টোবৰ তাৰিখে স্বাধীনতা আন্দোলনত যোগদান কৰাৰ কাৰণে তেখেতক অপৰাধী কৰি গড়মূৰ সত্ৰতে গৃহবন্দী কৰি ৰাখিছিল। তেখেতে এই বন্দী আদেশ অৱমাননা কৰি কোনো আত্মীয়ৰ অসুখত দেখা কৰিবলৈ কুৰুৱাবাহী সত্ৰলৈ গৈছিল। পুলিচে তেখেতৰ বাসগৃহ খানাতালাচ কৰি আন্দোলনৰ যাৱতীয় কাগজ-পত্ৰ নিজে লিখা পুথি-পাজি আৰু ৭ টা বন্দুক লৈ গ'ল।

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত আৰু প্ৰচাৰিত নাম-ধৰ্মৰ প্ৰতি এই গুৰুজনাৰ যেনে শ্ৰদ্ধা আছিল, তেনেকৈ বৃটিছৰ পৰাধীনতাৰ শিকলি ছিঙি দেশক মুক্ত কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। তেখেত আছিল গান্ধীবাদী নেতা। সাম্প্ৰদায়িক ঐক্য আৰু অস্পৃশ্যতা নিবাৰণ আদি ওঠৰ দফা গঠনমূলক কামৰ অগ্ৰণী নেতা। তেখেতক যোৰহাট কাৰাগাৰত বাহৰ আদি সাজি দি আটক বন্দী কৰি ৰাখিলে। গড়মূৰ সত্ৰাধিকাৰ প্ৰভু আটক বন্দী হোৱাৰ পিছত সহ পৰিচালক গোলাঘাটৰ শঙ্কৰ চন্দ্ৰ বৰুৱা উজনি অসমৰ জেনেৰেল পৰিচালক হ'ল।

## উজনি অসম কংগ্ৰেছত যোগদান ঃ

শঙ্কৰ বৰুৱাদেৱে জেনেৰেল পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰিয়েই উজনি অসম কংগ্ৰেছৰ এখন কৰ্মী সন্মিলন ইং ১৮/১১/৯৩ তাৰিখে যোৰহাটৰ কৰঙা নামৰ ঠাইত আহ্বান কৰিছিল। এই সন্মিলনলৈ উঃ লক্ষীমপুৰৰ পৰা নিৰণ ভূঞা, টঙ্কেশ্বৰ গগৈ, গোলাপ চন্দ্ৰ শইকীয়া, মেঘনাথ ভৰালী, খগেশ্বৰ ভূঞা, মহানন্দ বৰা, হৰিচন্দ্ৰ বৰুৱা আৰু মহিলাসকল বেধেশ্বৰী দাস, হেমেশ্বৰী ফুকন, হিৰণ্য প্ৰভা বৰা, নীৰদা বৰুৱা, স্বৰ্ণলতা বৰুৱা (দত্ত), দময়ন্তী বৰুৱা, নন্দেশ্বৰী হাজৰিকা আৰু স্নেহলতা মজুমদাৰ মুঠ ১৫ জন গৈছিল। ১৬/১১ তাৰিখে পানীগাঁৱৰ পৰা খোজকাঢ়ি যাত্ৰা কৰি সেই দিনা গড়মূৰত থাকি পিছদিনা তাৰ পৰা খোজকাঢ়ি ব্ৰহ্মপুত্ৰ পাৰ হৈ বালিগাঁৱৰ মুকুলী মলিয়া বৰুৱাৰ ঘৰত ৰাতি থাকি পিছদিনা ১৮/১১ তাৰিখে কৰঙা পোৱাগৈ হ'ল। সভাত ২০০ মান কৰ্মী গোট খাইছিল। পৰিচালক শঙ্কৰ বৰুৱাৰ পৰিচালনাত সভা অনুষ্ঠিত হৈছিল। সভাত বৰুৱাদেৱে পৰামৰ্শ দিছিল উজনি অসমত যুদ্ধৰ ভয়াবহ অৱস্থাৰ কাৰণে কংগ্ৰেছ কৰ্মীসকলে ধৰা নিদিয়াকৈ পলাই থাকি হ'লেও ৰাইজক আত্মৰক্ষাৰ কাৰণে দিহা বুদ্ধি দি ২/১ টা গঠনমূলক কামত ব্ৰতী হৈ থাকিব লাগে। এই বিষয়তে আমাৰ জিলাৰ প্ৰতিনিধিয়ে বিৰোধিতা কৰি ক'লে, নিষ্ক্ৰিয়ভাৱে টলৌ-টলৌ কৰি ঘূৰি ফুৰাতকৈ কামৰ মাজেদি মাজে-সময়ে কাৰাগাৰলৈ যোৱাটোহে বেছি ভাল হ'ব। সভাই এই বিষয়ত সন্মতি জনালে। তদুপৰি আৰু এটা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল, সেইটো হৈছে যুদ্ধৰ ভয়াবহতাৰ সময়ত প্ৰয়োজন হ'লে আত্মৰক্ষা কৰিবলৈ মহিলা আৰু গাভৰুসকলক ছুৰী খেলৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰি সক্ষম কৰা। এই কামটো উত্তৰ লক্ষীমপুৰত আৰম্ভ কৰা হৈছিলেই। ২০ নবেম্বৰৰ দিনা সন্মিলনৰ কাম সম্পূৰ্ণ কৰি কৰ্মীসকল ২৬ তাৰিখে পানীগাঁও পালেহি। লক্ষীমপুৰ পোৱাৰ পিছতহে স্বস্তিৰ নিশ্বাস কাঢ়িছিল। কিয়নো যোৰহাটত যুদ্ধৰ বিমান চলাচলত হোৱা তাল-ফাল শব্দই কাণৰ কণামাকৰি সবোৱাইছিল। যুদ্ধৰ সামগ্ৰী কঢ়িয়াই অহা-যোৱা কৰা বিৰাট ট্ৰাকৰ শব্দ, আমেৰিকান, বৃটিছ আৰু নিগ্ৰো সৈন্যৰ অসংখ্য কনভয়ৰ পৰা সৃষ্টি হোৱা মৃত্যুৰ বিভীষিকা। ধূলিৰে ধুসৰিত আৰু প্ৰদূষণপুষ্ট পাৰিপাৰ্শ্বিকতা। তাৰ উপৰি কোনো কোনো সময়ত আত্মৰক্ষাৰ কাৰণে সঙ্কেত দিয়া চাইৰেণৰ বিকত শব্দ ধ্বনিত প্ৰাণ যাওঁ যাওঁ অৱস্থাত, মানুহ জীয়াই থকাৰ পৰিবেশ নাছিলেই।

## পৰেৰ্কীয়া প্ৰচাৰ পত্ৰ ঃ

১৯৪৩ চনৰ শেষৰফালে দ্বিতীয় মহাসমৰৰ গতিবিধি যেতিয়া ক্ৰমান্বয়ে ভয়াবহ হৈ আহিবলৈ ধৰিলে, তেতিয়া জাপানৰ ছত্ৰ-ছায়াত আজাদ হিন্দ ফৌজে ইম্ফলত আজাদ হিন্দ চৰকাৰ স্থাপন কৰি অসমৰ নাগালেণ্ড পৰ্যন্ত আগবাঢ়ি আহিল। তেতিয়া অসমবাসীয়ে ধৰি লৈছিল যে বৃটিছে ভাৰতবৰ্ষ ৰক্ষা কৰিব নোৱাৰিব। অসমৰ লোকে ভাবিবলৈ বাধ্য হৈছিল যে অসমৰ ভাগ্য ৰবি চিৰদিনৰ কাৰণে অস্তাচলত ডুব যাব। স্বাধীন অসম ছকুৰিতকৈও কম বছৰ বৃটিছৰ কবলত থাকি মুক্ত হ'বলৈ নৌ পাওঁতেই পুনৰ জাপানৰ কবললৈ যাব। তথাপি বৃটিছে সদায় জয়ঢোল কোবাই প্ৰচাৰ মাধ্যমৰ দ্বাৰা প্ৰচাৰ কৰিছিল তেওঁলোকৰ জয় সুনিশ্চিত। অসমবাসী দোদুল্যমান অৱস্থাত পৰি ভাগ্যক খিয়াব লগাত পৰিছিল। দিনে দিনে নতুন নতুন উৰা বাতৰি শুনি পেটত হাত ভৰি লুকুৱাব লগা অৱস্থা হৈছিল। সেই সময়ত উজনি অসম কংগ্ৰেছ কাৰ্যালয়ৰ পৰা উঃ লক্ষীমপুৰ কংগ্ৰেছ সংগ্ৰাম পৰিষদৰ কাৰ্যালয়লৈ বুলেটিন আৰু বুলেটিনসদৃশ কিছুমান প্ৰচাৰ পত্ৰ আহিছিল; যিবোৰত লিখা আছিল যুদ্ধৰ সত্য বাতৰি, যুদ্ধ সময়ত আতঙ্কগ্ৰস্ত নহৈ ধৈৰ্য সহকাৰে বিপদৰ সন্মুখীন হৈ নিজৰ স্বাধীনতা অক্ষুণ্ণ ৰখা, একতাৰ ডোলেৰে বান্ধ খাই নিজৰ গাঁও-ভূঁই ৰক্ষা কৰা, খাদ্য শস্য অধিক উৎপাদন কৰা আদি বিভিন্ন দিহা-পৰামৰ্শ আৰু পালন কৰিব লগা উপদেশসমূহ। সেই বুলেটিনবিলাক নকল কৰি সমষ্টিৰ কৰ্মীসকলৰ দ্বাৰা গাঁৱে গাঁৱে প্ৰচাৰ কৰা হৈছিল। এনেকুৱা কিছুমান প্ৰচাৰ পত্ৰ উঃ লক্ষীমপুৰ সংগ্ৰাম পৰিষদৰ কাৰ্যালয়তো তৈয়াৰ কৰি প্ৰচাৰ কৰা হৈছিল। তাৰে কেইখনমানৰ কথা তলত উল্লেখ কৰিলো ঃ

(১) চক্ৰবেহ — অসম ৰাজ্যখন যুদ্ধৰ চক্ৰবেহত পৰিণত হোৱাৰ কাৰণে এই কাকতখনৰ নাম 'চক্ৰবেহ' ৰাখি তাত আত্মৰক্ষাৰ ব্যৱস্থা দিয়া হৈছিল।

(২) মজিয়াৰ ফেঁটী গোম — বিদেশী আক্ৰমণ, ভগনীয়া, অনাঅসমীয়া, মিএগ লোকৰ আমদানি তথা প্ৰব্ৰজনৰ কথা উল্লেখ কৰি জনসাধাৰণক অৱগত কৰা কাকতখনৰ নাম দিয়া হৈছিল 'মজিয়াৰ ফেঁটী গোম'।

(৩) সপ্তৰথী — মহাভাৰতৰ অন্যায় যুদ্ধত অভিমন্যুক সপ্তৰথীয়ে মৰাৰ দৰে ইংৰাজ, আমেৰিকা, জাপানৰ যুদ্ধত উলুৰ লগত বগৰি পুৰি মৰিব লগা হোৱাৰ দৰে অসমবাসীও বিদেশী প্ৰব্ৰজন, চোৰাং বেপাৰী, পুলিচৰ অমানুষিক অত্যাচাৰৰ উপৰি অন্ন-বস্ত্ৰৰ সঙ্কটে আগুৰি ধৰি অসমক নিঃশেষ কৰাৰ উপক্ৰমৰ

পৰা ৰক্ষাৰ ব্যৱস্থা।

(৪) দেশৰ শত্ৰু কোন? — দেশ তথা সমাজ ৰক্ষাৰ নামত যি জাতি বা লোকসকলে দেশৰ জনসাধাৰণক পাকে-প্ৰকাৰে গ্ৰাস কৰিবলৈ ওলাইছিল তাৰ পৰা সাৱধানতা অৱলম্বন কৰা দিহা-বুদ্ধিৰ কাকতখনৰ নাম 'দেশৰ শত্ৰু কোন?'

এই প্ৰচাৰ পত্ৰবিলাকৰ দ্বাৰা জনসাধাৰণক যুদ্ধৰ সঠিক খা-খবৰ জনাই আগন্তুক ভয়াবহ অৱস্থাত ধৈৰ্য ধৰি কৰ্তব্য কৰিবলৈ ৰাইজক দিহা-পৰামৰ্শ দিয়া হৈছিল।

ৰাইজে এই প্ৰচাৰ পত্ৰবিলাক শ্ৰদ্ধা আৰু বিশ্বাসেৰে গ্ৰহণ কৰিছিল।

## গান্ধী মুক্তি যাত্ৰা :

১৯৪২ চনৰ গণ আন্দোলনত ভাৰতৰ এচাম লোকে ১৯৪৩ চনত হিংসা নীতি অৱলম্বন কৰিছিল। বৃটিছ গৱৰ্ণমেণ্টে তাৰ বাবে মহাত্মা গান্ধীক জগৰীয়া কৰিছিল। মহাত্মাক কাৰাগাৰত থকা অৱস্থাত জগৰীয়া কৰাটো যুক্তিসঙ্গত নাছিল। মহাত্মাই তাৰ বাবে অনশনো কৰিছিল তাৰ পৰিপ্ৰেক্ষিতত হিংসা নীতিৰ অৱসান ঘটিছিল; কিন্তু বৃটিছ গৱৰ্ণমেণ্টে গান্ধীজীক দিয়া দুৰ্ণামৰ বাবে এফাকি কথা কৈয়ো সেয়ে দুৰ্ণামৰ পৰা অব্যাহতি নিদিলে। সেই ভাৰতীয় জনতাই দুখ প্ৰকাশ কৰি তাৰ প্ৰতিবাদত সমগ্ৰ ভাৰতজুৰি মহাত্মাক কাৰাগাৰৰ পৰা মুক্তি আৰু বৃটিছে প্ৰচাৰ কৰা দুৰ্ণামৰ পৰা অব্যাহতি বিচাৰি স্বাধীনতা আন্দোলনৰ অংশ স্বৰূপে 'গান্ধী মুক্তি যাত্ৰা' কাৰ্যসূচী লৈ বহু-বহু লোকেৰে সমগ্ৰ দেশজুৰি দল বান্ধি আগবাঢ়িল। এই যাত্ৰাৰ আৰম্ভ অসমত পলম হ'ল যদিও উঃ লক্ষীমপুৰতো সঁহাৰি জনোৱাৰ ব্যৱস্থা কৰা হ'ল।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ নিৰ্দেশক্ৰমে সমগ্ৰ ভাৰতৰ পৰা এহেজাৰ সত্যাগ্ৰহী ১৯৪৩ চনৰ ৯ আগষ্ট তাৰিখে পুনা অভিমুখে যাত্ৰা কৰিব লাগে। তাৰ বাবে পাঁচজনীয়া একোটা দল নিচান লৈ ডাঙৰ কাগজত 'কৰিম বা মৰিম', চল্লিশ কোটিৰ মৰণ নাই, 'গান্ধীজীক মুক্ত কৰিম' এইকেইটা শ্ল'গান দি পদব্ৰজে পুনা অভিমুখে লৈ থাকিব। লক্ষীমপুৰত এই যাত্ৰাৰ বাবে দুটা দল ঠিক কৰা হৈছিল। এটা দল নাৰায়ণপুৰৰ পৰা আৰু আনটো দল খ'ৰা পথাৰৰ পৰা লক্ষীমপুৰ টাউনলৈ। দুয়োটা দল একেলগ হৈ যোৰহাট হৈ গুৱাহাটীলৈ যাব; সত্যাগ্ৰহী লোকসকলক কোৱা হৈছিল, তেওঁলোকে পাৰ্যমানে পুলিচৰ হাতত ধৰা নপৰাকৈ

কিন্তু ধৰা পৰিলে গ্ৰেপ্তাৰ বৰণ কৰিব।

নাৰায়ণপুৰৰ পৰা যোৱা পুনা যাত্ৰীৰ দলটোৰ নেতৃত্ব কৰিছিল জৰাবাৰীৰ ঘন বৰাই।

বৰাই ১২/৮/৪৩ তাৰিখে সদলে নাৰায়ণপুৰৰ পৰা লক্ষীমপুৰ নগৰৰ ফালে খোজকাঢ়ি গৈ থাকোতে বিহপুৰীয়া থানাৰ পুলিচে তেওঁলোকক গ্ৰেপ্তাৰ কৰিলে। বিচাৰত বৰাৰ এঁকেশ দিন হাজোতত থকাৰ উপৰি তিনি মাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। আন দুজনক পুলিচে মাৰপিট কৰি থানাৰ পৰা খেদি দিলে।

আনটো দল আছিল লেচাই গাঁৱৰ কনকেশ্বৰ দত্তৰ নেতৃত্বত গোলাপ শইকীয়া আৰু শইকীয়া কোঁচ। এই দলটোৱে পদযাত্ৰা আৰম্ভ কৰি সান্দহখোৱা হৈ ১৮/৮/৪৩ তাৰিখে নেপালীবাৰীৰ নামঘৰত এখন সভাত পদযাত্ৰা সম্বন্ধে বক্তৃতা দি আছিল। তেনে অৱস্থাতে পুলিচ পালেগৈ। পুলিচে সভাৰ আলেখ লেখ চাই থাকোতেই সত্যাগ্ৰহী দত্ত সভাস্থলীৰ পৰা অন্তৰ্দ্ধান হ'ল। সোমেশ্বৰ ৰাজখোৱা আৰু কেইজনমান বুদ্ধিমান লোকে সভাস্থলীলৈ এখন নাট আনি গীত পদ গাবলৈ ধৰিলেঁ। লগে লগে খোল আৰু মনজিৰা বাজিল; ভাৱৰীয়া ওলাই আখৰা কৰিবলৈ লাগি গ'ল। খন্তেকতে ৰাজনৈতিক আলোচনা সভাৰ পৰিবৰ্তে ভাওনাৰ আখৰা কৰা সমাজলৈ পৰিৱৰ্তন হ'ল। পুলিচৰ হাবলদাৰ চন্দ্ৰ সুতে জোতা খুলি নামঘৰত সোমাই ৰাইজক ক'লে, ৰাইজৰ মাজত বক্তৃতা দি থকা সত্যাগ্ৰহী কেইজনক উলিয়াই দিব লাগে। ৰাইজৰ মাজৰ পৰা দুজনমানে ক'লে, "ছাৰ, ইয়াততো কোনো সত্যাগ্ৰহী নাই। আমি ৰাইজে আখৰাহে কৰি আছো, আপুনি দেখিছেই।" বিৰয়াজনে জিয়া ফাকি দিয়া দেখি অবাক হ'ল। তেওঁ দৃঢ়ভাৱে ক'লে "মই দেখি আছো, কনকেশ্বৰ দত্তই বক্তৃতা দিয়া, আপোনালোকে মিছা কথা কৈছে কিয়?" তেওঁলোকক উলিয়াই দিয়ক নহ'লে আপোনালোককো গ্ৰেপ্তাৰ কৰিম।" সমাজ নিস্তব্ধ হ'ল। হাবলদাৰে চিপাহী লগাই ৰাইজক বহুত ভাবুকি দি সোমেশ্বৰ ৰাজখোৱা প্ৰমুখ্যে বয়োবৃদ্ধ চাৰিজন লোকক, নাট খোৱা ঠগীখনৰ সৈতে গ্ৰেপ্তাৰ কৰি নি লক্ষীমপুৰলৈ চালান দিলে। সেই সময়ত মহকুমাধিপতি আছিল জে. দাম ব্ৰেক চাহাব। এই গোচৰ তেখেতে বিচাৰ কৰিছিল। তেখেতে ধৰ্মীয় অনুষ্ঠানত ধৰ্মীয় কামত ব্যস্ত থকা লোকক গ্ৰেপ্তাৰ কৰি শান্তিভঙ্গ কৰিছা বুলি পুলিচক কৈ এনে গৰ্হিত কাম আগলৈ নকৰিবৰ কাৰণে সতৰ্ক কৰি নাট, ঠগীখনৰ সৈতে ৰাইজক খালাচ দিলে। এই কাৰ্যত

উপস্থিত বুদ্ধিৰ দ্বাৰা ৰাইজ ৰক্ষা পৰিল ।

উক্ত ঘটনাৰ কেইদিনমানৰ আগত অৰ্থাৎ ৮ আগষ্টৰ দিনা চেতীয়া গাঁৱত অনুষ্ঠিত এখন ৰাজহুৱা সভাৰ সংক্ৰান্তত নিম্নলিখিত লোকসকলক পুলিচে গ্ৰেপ্তাৰ কৰি লৈ যায়। বিচাৰত এখেতসকলৰ শাস্তি হয় এনেদৰে —

১। অনুৰাম ভূঞা, পিতা সভাৰাম, তেলীয়া গাঁও, ২ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০/ টকা জৰিমনা আৰু শাৰীৰিক অত্যাচাৰ।

২। ভাৰত ঠাকুৰীয়া, পিতা ফেন্দুকা, তেলীয়া গাঁও, ৩ মাহ সশ্ৰম কাৰাদণ্ড।

৩। টংকেশ্বৰ দত্ত, পিতা মিঠাৰাম, তেলীয়া গাঁও, বিচাৰাধীন বন্দী, সম্পত্তি হানি।

৪। সৰুৰাম দত্ত, তেলীয়া গাঁও, মাৰত ভীষণভাৱে ঘূণীয়া হৈছিল আৰু অপমানিত হৈছিল।

৫। বাপুৰাম দত্ত, পিতা সাধুৰাম, বাহাদুৰচুক, ১ মাহ সশ্ৰম কাৰাদণ্ড, জৰিমনা ২০ টকা।

১৯৪৩ চনৰ আগষ্ট মাহৰ ৩১ তাৰিখে এছাৰিখনা নামঘৰত এখন কৰ্মীসভা বহিছিল। গাঁওখন আছিল বানপানীয়ে চাৰিওফালে আগুৰা হাবিৰ মাজত। সভালৈ ৰাইজকো নিমন্ত্ৰণ জনোৱা হৈছিল। সভাখন যদিও গোপনে পতা হৈছিল, তথাপি পুলিচে সন্ধান পাই সভাস্থলীত উপস্থিত হৈছিগৈ। পুলিচ যোৱা দেখি মানুহবিলাকে পুলুকা-পুলুক কৰি পলাইছিল যদিও কেইজনমান কৰ্মীক পুলিচে ধৰি নি পিছত এৰি দিলে।

## পুলিচৰ বিলৈ, এজন লোকক থিয়গোৰ, কনকেশ্বৰ দত্ত ধৃত ঃ

উক্ত মিটিঙত যোগদান কৰিবলৈ অহা কেইবাজনো লোকৰ অঘটন ঘটিল। তাৰ ভিতৰত কমলাবৰীয়া ভোলা দত্ত পুলিচৰ ভয়ত পানীয়ে পানীয়ে দৌৰিবলৈ ধৰিলে, পুলিচো পিছে পিছে দৌৰ দিলে। পানীত বেছিকৈ দৌৰিব নোৱাৰা যেন দেখি চিপাহী এজনে দত্তৰ ভৰিলৈ গুলিয়াবলৈ সাজু হওঁতেই হঠাতে পানীৰ তলৰ গছৰ মূঢ়াত খুন্দা খাই বাগৰি পৰিল। তেওঁৰ গাৰ পৰা তেজ হোলোকা হোলোকে ওলাবলৈ ধৰিলে। অন্য দুজন চিপাহীয়ে আহত চিপাহীজনক তাৰ পৰা ডাঙি ওচৰৰ এজন মানুহৰ ঘৰলৈ লৈ গৈ তাত ঔষধ-পাতি বান্ধি পিছত গাড়ীত তুলি থানালৈ লৈ গ'ল। ইপিনে ভোলা দত্ত পানীয়ে পানীয়ে বহুদূৰ গৈ এটা দপানী থকা জানৰ নল-খাগৰিৰ জোপোহাৰ মাজত সোমালগৈ য'ত মিটিঙলৈ

আহি পুলিচ দেখি কনকেশ্বৰ দত্তই আত্মগোপন কৰি ৰহি আছিল। পুলিচ যোৱাৰ পিছত দুয়ো এখন নাও যোগাৰ কৰি কমলাবৰীয়া গাঁও পালেগৈ। ৰাতি দত্তই এই গাঁৱতে আশ্রয় লৈ থাকোতেই তেখেতৰ নিজা ঘৰত পুলিচে ঘেৰাও কৰিলে। ঘৰ খানাতালাচ কৰি পুলিচে দত্তক নাপাই তাৰ পিছদিনা ভোলা দত্তক গ্রেপ্তাৰ কৰি লৈ গ'ল। এখেত এসপ্তাহ হাজোতত থকাৰ পিছত বিচাৰত এদিনৰ ফাটেকৰ হুকুম হ'ল। মিটিঙলৈ যোৱা আন এজন লোক যোগেশ্বৰ বৰাই পুলিচ দেখি আঁতৰতে এঘৰত সোমাই গোহালিত পৰি থকা বেমাৰী গৰু এটা বিছলণীৰে জাকিবলৈ ধৰিলে। চিপাহীয়ে খেদি গৈ তেখেতৰ ফাঁকি বুজিব পাৰি কিয় গোৰ শোধালে আৰু গ্রেপ্তাৰ কৰি লৈ গ'ল। আদালতত বিচাৰত তেখেতৰ ১০ দিন সশ্রম কাৰাদণ্ডৰ হুকুম হ'ল।

বয়সস্থ কর্মী কনকেশ্বৰ দত্তৰ ওপৰত এজন পুলিচ বিষয়াৰ কৰা নজৰ আছিল। কাৰণটো আছিল, এজন লোকে সেই পুলিচ বিষয়াজনলৈ এটা গাখীৰৰ টেকেলি ঘোচ দিবলৈ আনিছিল। দত্তদেৱে পাই সেইটো হস্তগত কৰিছিল। সেই কাৰণেই পুলিচে পাই বুলি তেখেতে ভয় কৰিছিল। বাহিৰত তেখেতৰ ভয় হোৱাত আদালতত হাজিৰ হোৱাটোকে ঠিক কৰি ৪/৯/৪৩ তাৰিখে পর্দা লগাই এখন গৰু গাড়ীত উঠি যাত্রা কৰি যাওঁতে নগৰৰ পৰা আধামাইল দূৰত দত্তক বিচাৰি ফুৰা ৰহিমুদ্দিন আহমেদ নামৰ সেই পুলিচ বিষয়াজনৰ সৈতে বাস্তাতে ভেটা-ভেটি হ'ল। বিষয়াজনে গাড়ী ৰখাই পর্দা গুচাই, দত্তক নমাই কঁকালত ৰছীৰে বান্ধি পিঠিত 'পলৰীয়া আচামী' বুলি জাননী লিখি নগৰৰ বজাৰত কিছু সময় ঘূৰাই শকাই থানাৰ লকআপত ভৰালেগৈ। ইতিমধ্যে দত্তৰ এজন বন্ধুৱে খবৰটো পায়েই উকীল ধৰি মহকুমাধিপতিৰ ওচৰত এখন দৰ্খাস্ত দি দত্তক তৎক্ষণাৎ কাছাৰীলৈ অনালে। আদালতত হাকিমে দত্তক জেল হাজোতলৈ পঠালে। দত্তদেৱ পুলিচৰ মাৰৰ পৰা ৰক্ষা পৰিল; কিন্তু পুলিচৰ হাধ নিমিতিল। বিচাৰত তেখেতৰ কেইবাটাও অভিযোগৰ কাৰণে ছমাহ সশ্রম কাৰাদণ্ডৰ হুকুম হ'ল। পিছত যোৰহাট কাৰাগাৰলৈ নিয়াতহে দত্তৰ মনলৈ শান্তি আহিল।

## ৰঙালৰ চুকৰ কৰ্মী সন্মিলন :

৩০/৯/৪৩ তাৰিখে নাওবৈচাৰ ৰঙালৰ চুকত জিলা কৰ্মীসকলৰ এখন সন্মিলন বহিছিল। ইয়াত ২৬ জন কৰ্মীয়ে যোগদান কৰিছিল। যিসকল কৰ্মী ইতিমধ্যে

কাৰাগাৰৰ পৰা ওলাই আহিছিল। তেওঁলোক প্ৰায়েই ঘৰত সোমাই গৈছিল আৰু যিসকল তেতিয়াও বাহিৰত আছিল তেওঁলোকবো কেইবাজনো কৰ্মী ঘৰৰ পৰা একেবাৰে ওলাই অহাৰ কাৰণে ঘৰলৈ যোৱা নাছিল। ঘৰ এৰি অহা কৰ্মীসকলক জীৱনৰ এটা সংস্থান দিবৰ কাৰণে এই সভাত আলোচনা হৈছিল। সভাত সিদ্ধান্ত হ'ল যে যিবোৰ ঠাইত জনসাধাৰণৰ পূৰ্ণ সহযোগ পোৱা যাব তেনে ঠাইত গান্ধী কুটিৰ একোটা খুলি খাদী প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰভাষা প্ৰচাৰৰ ব্যৱস্থা কৰা হওক। খাদী প্ৰতিষ্ঠানটো ১২ জনী ছোৱালীৰে নাওবৈচাত আৰম্ভ কৰা হ'ল। এওঁবিলাকৰ পৰিচালনাৰ দায়িত্ব হেমেশ্বৰী ফুকনক দিয়া হ'ল।

## গান্ধী জয়ন্তী পালন :

২ অক্টোবৰৰ দিনা মহাত্মা গান্ধীৰ জয়ন্তী উৎসৱ জিলা হিচাপে সাদৰহুখোৱা নামঘৰত পালন কৰা হ'ল। জিলাখনৰ প্ৰায়বোৰ কৰ্মীয়েই এই উৎসৱত যোগদান কৰিছিল। গাঁওসমূহৰ পৰা পুৰুষ-মহিলা, যুৱক-যুৱতী সকলো আহি ইয়াত যোগদান কৰিছিল। কাৰ্যসূচীৰ সামুহিক প্ৰাৰ্থনাৰ পিছত মৌন সূত্ৰ যজ্ঞ হৈছিল। ৰাজহুৱা সভাত গান্ধীজীৰ জীৱন আলেখ্য আৰু স্বাধীনতা আন্দোলনৰ বিষয়ে আলোচনা চলিছিল। আলোচনাৰ আঁত ধৰিছিল মহানন্দ বৰাদেৱে।

সেই বছৰৰ ডিচেম্বৰ মাহৰ আৰম্ভণিতে বৰাৰ নেতৃত্বত নিৰুণ ভূঞা আৰু উমা দাস মধ্য সমষ্টিৰ পৰা যাত্ৰা কৰি ৫/১২/৪৩ তাৰিখে আন্দোলন পুনৰ জাগৰণৰ কাৰণে কৰ্মী সংগ্ৰহ কৰিবলৈ মৰনৈ বেবেজীয়া পালেগৈ। ইয়াত নিষ্ঠাবান কৰ্মী মেঘ ভৰালীক লগ লৈ গোটেই পূব অঞ্চল ভ্ৰমণ কৰি সভা-সমিতি পতা আৰু প্ৰচাৰ কাৰ্য চলোৱা এখন আঁচনি প্ৰণয়ন কৰি তাৰ ৰূপায়ণ আৰম্ভ কৰিলে। তেখেতসকলে প্ৰথমে জালভাৰিৰ ওচৰৰ বামুণ গাঁৱত ডম্বৰু চেতীয়াৰ যত্নত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰিলে। এই সভাত পূৰ্ণ ভৰালী আৰু তেওঁৰ ভনীয়েক হেম ভৰালীয়েও যোগদান কৰিছিল। সভাত ৰাইজৰ পৰা আৰ্থিক সহায় বিচৰাত উপস্থিত ৰাইজে ২০ টকা নগদ সংগ্ৰহ কৰি পুঁজি গঠনত সঁহাৰি জনালে। ইয়াৰ পৰাই ডম্বৰু চেতীয়া আৰু ডিম্বেশ্বৰ দাসে দলটোৰ লগত সহযাত্ৰী হ'ল। ইয়াৰ পিছত দ্বিতীয়খন ৰাজহুৱা সভা হৈছিল ঘাহী গাঁৱত। ইয়াত আনন্দ দত্ত আৰু কেইজনমান কৰ্মী লগ হৈ মুঠ ১০ জনীয়া এটা কৰ্মীদল গঠন কৰি সদলবলে যিলামৰা হৈ ৰঙদলনি পালেগৈ। এখেতসকল সকলোৰে গান্ধী

টুপী পিন্ধিছিল। দলটো যেতিয়া এনেদৰে গাঁৱৰ মাজেদি গৈছিল জনসাধাৰণে টুপী পিন্ধা ভলণ্টিয়াৰ দেখি আশ্চৰ্যবোধ কৰিছিল। কিয়নো তেওঁলোকৰ এটা ধাৰণা হৈছিল যে জেল-লাঠি খাই ভলণ্টিয়াৰবিলাক পলাই ফাঁট মাৰিছে। তেতিয়া দেখিলে তাৰ বিপৰীতটো। ইয়াতে সম্পাদক ভোগেশ্বৰ দত্তৰ বাসভৱন। ইয়াত ১৪/১২/৪৩ তাৰিখে তৃতীয়খন ৰাজহুৱা সভা পতা হ'ল। সভাত ৰাইজে সংগ্ৰহ কৰি কিছু পুঁজিবো যোগান ধৰিলে। ইয়াত ভোগেশ্বৰ দত্ত আৰু টঙ্কেশ্বৰ গগৈ দুয়ো যোগদান কৰাত দলটোৰ লোক কুৰিজন হ'ল। এই দলটো সমদলে গৈ ১৬ তাৰিখে ঘিলামৰা, ১৭ তাৰিখে মাছখোৱাৰ ঘাৰমৰাগাঁও, ১৮ তাৰিখে গোবিন্দপুৰ, ১৯ তাৰিখে ঢকুৱাখনাৰ বাগিচা গাঁৱৰ সৈতে মুঠ ৪ খন ৰাজহুৱা সভা পতা হ'ল। এইবাৰ কৰ্মী দলটোত মুঠ ৫০ জন হ'লগৈ। এদিন কৰ্মী দলটো মাছখোৱা গাঁৱত বহি ডিচেম্বৰ মাহৰ শেষত জাতীয় সপ্তাহ পালনৰ সিদ্ধান্ত কৰি তলৰ আঁচনিখন গ্ৰহণ কৰা হ'ল।

| তাৰিখ | স্থান | উৎসৱ |
|---|---|---|
| ২৬/১২/৪৩ | বৰদলনি | গান্ধীমুক্তি দিবস |
| ২৭/১২ | ঘিলামৰা | মহিলা দিৱস |
| ২৮/১২ | ঢকুৱাখনা | ছাত্ৰ সংহতি দিবস |
| ২৯/১২ | জীয়া মৰীয়াগাঁও | হৰিজন দিবস |
| ৩০/১২ | ভগামুখ „ | জাতীয় পতাকা দিবস |
| ৩১/১২ | দেৱলীয়াল „ | খাদী দিবস |

উক্ত আঁচনি মতে জিলাখনৰ পূব অঞ্চলৰ সেই ঠাইবিলাকত কাৰ্যসূচীসমূহ সুচাৰুৰূপে ৰাজহুৱাভাৱে পালন কৰা হ'ল। ইয়াৰ দ্বাৰা মানুহৰ অন্তৰৰ পৰা ভয় ভাব কিছু আঁতৰ হ'ল। আন্দোলনৰ প্ৰতি পুনৰ প্ৰেৰণা জাগৃত হ'ল।

সংগঠন আৰু পুনৰ জাগৰণৰ কামত মহানন্দ বৰা প্ৰমুখ্যে কৰ্মীসকল যেতিয়া পূব সমষ্টিলৈ গৈছিল তেতিয়া তেখেতসকলে মাছখোৱাত বহা কৰ্মী সভাত সেই সমষ্টিৰ কাৰণে এখন সংগ্ৰাম পৰিষদ তলত নাম লিখা লোকসকলেৰে গঠন কৰি দিয়া হ'ল।

সভাপতি বাসুদেৱ সত্ৰৰ সত্ৰাধিকাৰ শিৱ চন্দ্ৰ গোস্বামী, সদস্য (সকল) গণেশ শৰ্মা, কনক দত্ত, মেঘ ভৰালী, নোমল বৰুৱা, দ্বাৰিকা নাথ ফুকন, হীৰা নাথ ফুকন, পদ্ম মুক্তিয়াৰ, বাণেশ্বৰ দাস, জীৱন ফুকন, কুল প্ৰসাদ শইকীয়া।

পশ্চিম সমষ্টিৰ কাৰণেও এখন সংগ্ৰাম পৰিষদ গঠন কৰা হৈছিল। এই পৰিষদৰ সদস্যসকল আছিল বিশ্বনাৰায়ণ শাস্ত্ৰী সভাপতি, গোলাপ চন্দ্ৰ শইকীয়া, ৰত্নেশ্বৰ শৰ্মা, পূৰ্ণানন্দ বৰা, খগেশ্বৰ ভূঞা, গোপাল চন্দ্ৰ কোঁচ, মালভোগ বৰুৱা, লক্ষীৰাম দত্ত, ঘনকান্ত বৰা, বাবুলা শইকীয়া, লীলা শইকীয়া, তবোৰাম দত্ত, ডম্বৰুধৰ হাজৰিকা আৰু মহেন্দ্ৰ নাথ তালুকদাৰ।

## উপায়ুক্ত আৰু মৌজাদাৰসকললৈ পত্ৰ প্ৰেৰণ ঃ

পূব ৰণাঙ্গনত জাপানৰ হাতত বৃটিছ আৰু আমেৰিকাই যুজি ক্ৰমান্বয়ে পৰাজয় বৰণ কৰি পিছুৱাই আহি থকা সময়ত বৃটিছ কৰ্মচাৰীসকলে ৰাইজৰ পৰা ঠায়ে ঠায়ে ছলে বলে কৌশলে ধন-সোণ আদি সম্পত্তি নিজ দেশলৈ নি আছিল। তাৰ বাবে ভাৰতত বিশেষকৈ অসমত খাজনা আৰু টেক্সৰ নামত স্থাৱৰ, অস্থাৱৰ সম্পত্তি নীলাম বিক্ৰী কৰিছিল। এইবিলাক অতি সোনকালে আদায় কৰিবৰ কাৰণে মৌজাদাৰ আৰু গাঁওবুঢ়াৰ যোগে জাননী জাৰি কৰিছিল। সেই বাবে জিলা সংগ্ৰাম পৰিষদৰ ফালৰ পৰা জিলাধিপতি, মহকুমাধিপতিলৈ প্ৰতিবাদ জনাই পত্ৰ প্ৰেৰণ কৰা হৈছিল। ইয়াৰ নকল উঃ লক্ষীমপুৰ মহকুমাৰ পোষ্কৰজন মৌজাদাৰলৈ জিলা সংগ্ৰাম পৰিষদৰ সম্পাদক হৰি চন্দ্ৰ বৰুৱাই লিখি চহী কৰি, ছীল-মোহৰ মাৰি প্ৰেৰণ কৰিছিল। নকাৰী আৰু কদম মৌজাৰ মৌজাদাৰে সেই অনুৰোধ পত্ৰবোৰ বিহিত ব্যৱস্থা ল'বৰ কাৰণে মহকুমাধিপতিলৈ পঠাইছিল। তদুপৰি জিলাৰ উপায়ুক্ত (ডিব্ৰুগড়) ৰ ফালৰ পৰাও ব্যৱস্থা ল'বৰ কাৰণে নিৰ্দেশ অহাত পুলিচে সম্পাদক বৰুৱাক বিচাৰি ফুৰিছিল। ইয়াৰ আগতে নিৰণ ভূঞা জিলাৰ সম্পাদক হৈ থাকোতে, সেই সময়ত পুলিচে বচাগাঁও আৰু কনায়কা শান্তিসেনা শিবিৰ পুৰি ছাই কৰিছিল, তেনে ধ্বংসমূলক কাম নকৰিবৰ কাৰণে প্ৰতিবাদ কৰি মহকুমাধিপতিলৈ লিখিছিল। সেই অপৰাধৰ কাৰণেও ভূঞাক পুলিচে বিচাৰিছিল। বৰুৱা সেই সময়ত ভূঞাৰ ঘৰত ৰাতি খাই-বৈ থকাৰ সম্ভেদ ওচৰৰে এজন লোকে এদিন পুলিচক জনাইছিল। নগৰৰ পৰা ৩০/৯/৪৩ তাৰিখে সদলবলে পুলিচ আহি ভূঞাৰ ঘৰ দোকমোকালিতে ঘেৰাও কৰিলে। পুলিচে ঘেৰাও কৰাৰ আগতীয়া খবৰ পাই সাৱধানতা অৱলম্বন কৰি সেইদিনা উজনি অসম কংগ্ৰেছৰ এজন কৰ্মীক লক্ষীমপুৰ জিলাৰ আন্দোলনৰ এটা বিৱৰণ দি তেওঁৰ সৈতে ভূঞাৰ ঘৰত ৰাতি খাই-বৈ ওচৰৰে চেনিৰাম চেলেঙৰ ঘৰত

গোপনে শুই আছিলগৈ। সেইদিনা ভূঞাৰ ঘৰত সোমাই পুলিচে ঘৰ খানাতালাচ কৰিলে। তাত বৰুৱাৰ এটা পাঞ্জাবী চাৰ্টত ডায়েৰী, জিলা কংগ্ৰেছৰ মোহৰ আৰু কিছুমান ৰচিদ-পত্ৰ পাই সেইবোৰ চাৰ্টটোৰ সৈতে নিৰণ ভূঞাক গ্ৰেপ্তাৰ কৰি লৈ গ'ল। তেখেতক সেইদিনাই বিচাৰকৰ ওচৰত হাজিৰ কৰিলে। বিচাৰত ভূঞাক আন্দোলনত কাম কৰা আৰু বৰুৱাক ঘৰত আশ্ৰয় দিয়াৰ অপৰাধত ছমাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম বিহিলে। কাৰাগাৰত জেইলাৰে ভূঞাক কয়দীৰ হতুৱাই কাণত ধৰোৱা, দাণ্ডাবিৰি লগোৱা, এসপ্তাহ বেক হেণ্ডকাপ দিয়া আদি বিভিন্ন শাস্তি দি শেষত যোৰহাট জেললৈ অকলে খোজকঢ়াই লৈ গৈছিল। তেখেতক জৰিমনা ৫০/- টকাৰ কাৰণে ঘৰৰ অস্থাবৰ সম্পত্তি ক্ৰোক কৰি লৈ গৈছিল। কেইবাবাৰো ঘেৰাও কৰি পুলিচে যাবতীয় বস্তু লৈ যোৱাৰ কাৰণে ঘৰৰ মানুহে বহুত দিনলৈকে কলপাতত ভাত খাব লগা হৈছিল। নিৰণ ভূঞা তথা বংশীধৰ ভূঞাৰ ঘৰখন আছিল কংগ্ৰেছ কৰ্মীসকলৰ কাৰণে সকলো সময়তে আশ্ৰয়ৰ স্থল আৰু ঘৰৰ সকলোলোক দেশক ভালপোৱা, ত্যাগী। নিৰণ ভূঞাক নিয়া দিনৰ পৰা হৰি বৰুৱাই ঘৰৰ অৱস্থা আৰু দুখ বেজাৰৰ কাৰণে পানীগাঁও ত্যাগ কৰিলে। কাছাৰীৰ পৰা জিলা কংগ্ৰেছৰ ষ্টাম্প আৰু ডায়েৰীখনৰ বাহিৰে পঞ্জাবী চাৰ্টটো ঘূৰাই পালে। জিলা পৰিচালক ইন্দ্ৰেশ্বৰ শৰ্মাক কাৰ্যালয়ৰ সকলো কাগজ-পত্ৰ চমজাই দি সম্পূৰ্ণ আত্মগোপন কৰিলে। পুলিচে তেওঁক বিচাৰি চলাথ কৰিলে। এদিন এজন চি. আই. ডি. ইন্সপেক্টৰে বিহপুৰীয়াৰ পুলিচ লৈ সদলবলে গৈ পকাদল পথাৰত ধৰা পেলাই লিখা কাগজপত্ৰবোৰ দেখুৱাই বৰুৱাৰ স্বীকাৰোক্তি লৈ ইং ১৭/১/৪৪ তাৰিখে গ্ৰেপ্তাৰ কৰিলে। সেইদিনা থানাৰ লক আপত ৰাখি পিচদিনা জেল হাজোতলৈ প্ৰেৰণ কৰিলে। হাজোতত এসপ্তাহ থকাৰ পিছত আদালতে ছাত্ৰনেতা হিচাপে আন্দোলনত যোগ দিয়া, বে-আইনী কংগ্ৰেছৰ সদস্য, পুঁজি সংগ্ৰহ আৰু জিলা কৰ্তৃপক্ষলৈ সময়ে সময়ে পঠোৱা লিখাবিলাকৰ কাৰণে মুন্সিফ আব্বাচ আলীয়ে 'কাম নকৰো আৰু দেশদ্ৰোহী' বুলি চহী কৰি নিদিয়াৰ অপৰাধত ছমাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম বিহিলে।

## আন্দোলনৰ সামৰণি ঃ

বিয়াল্লিছ চনৰ আগষ্ট মাহৰ পৰা তিয়াল্লিছ চনৰ শেষলৈকে এই ডেৰ বছৰ সময় কংগ্ৰেছ কৰ্মীসকলে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি বহু কৰ্মী

কাৰাগাৰলৈ গ'ল, জৰিমনা ভৰিলে, সা-সম্পত্তি হেৰুৱালে আৰু শৰীৰ ঘূণীয়া কৰিলে। ঘৰ-দুৱাৰ এৰি অহা বাকী যিকেইজন থাকিল, তেওঁলোক ভগ্ন স্বাস্থ্য লৈ স্বাধীনতাৰ সপোন দেখি, সমাজ সংগঠন আৰু গঠনমূলক কামত ব্যস্ত হৈ আছিল। শেষত তেওঁলোকে অন্ন-বস্ত্ৰৰ কাৰণে চিন্তা কৰি ভাগৰি পৰিছিল। তেওঁলোকৰ দুখ-দুৰ্গতি কুলাই-পাচিয়ে নধৰা হৈছিল। সেইসকল কৰ্মীয়ে 'কৰিম কিম্বা মৰিম' মন্ত্ৰ ফাকি বাস্তৱত পৰিণত নোহোৱা পৰ্যন্ত ঘৰলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ কুণ্ঠাবোধ কৰিছিল।

আন্দোলন আৰম্ভ হোৱাৰ প্ৰাক্ মুহূৰ্তত এটি বিবৃতিযোগে মহাত্মা গান্ধীয়ে কৈছিল, "যিসকল বিপ্লৱীয়ে আন্দোলনৰ কাম কৰি ভাগৰি শেষ পৰ্যায়লৈকে ধৰা নিদিয়াকৈ আত্মগোপন কৰি থাকিবলগীয়া হ'ব, তেতিয়া তেওঁলোকে জীৱন ৰক্ষা কৰি আত্মসমৰ্পণ কৰা উচিত হ'ব।" মহাত্মাৰ এই বাণী সাৰোগত কৰি উঃ লক্ষীমপুৰ আন্দোলনৰ লেকেতীয় এই কৰ্মীসকলে ১৯৪৪ চনৰ জানুৱাৰী মাহৰ ২৪ তাৰিখে এঙাৰখোৱা গাঁৱত এখন কৰ্মী সভাত সমবেত হৈছিল। এই সভাত ৪৫ জন কংগ্ৰেছ কৰ্মীয়ে যোগদান কৰিছিল। সভাই সেই সময়ত আন্দোলন কৰা সম্ভৱ নহয় বুলি থিৰাং কৰি, মহাত্মাৰ বাণীৰ মান্যতা দি আগন্তুক স্বাধীনতা দিবস ২৬ জানুৱাৰী (যিটো দিনত ভাৰতবাসীয়ে স্বাধীনতাৰ শপতবাক্য প্ৰস্তাৱযোগে গ্ৰহণ কৰিছিল) ৰ দিনা সদলবলে কাছাৰী প্ৰাঙ্গণত জাতীয় পতাকা উত্তোলন কৰি ধৰা দিবলৈ সিদ্ধান্ত কৰিলে। এই সিদ্ধান্তৰ বিষয়ে কৰ্তৃপক্ষক জনাই দিয়া হ'ল। জিলা কৰ্তৃপক্ষই গোটেই মহকুমাতে যাতে কোনোৱে স্বাধীনতা দিবস পালন কৰিব নোৱাৰে তাৰবাবে নগৰৰ চাৰিওফালে আৰু নগৰৰ তিনিআলি-চাৰিআলিবিলাকত পুলিচ বাহিনী সন্থম কৰি ৰাখিলে।

## জাতীয় পতাকা উত্তোলনৰে স্বাধীনতা দিবস পালন আৰু আন্দোলনৰ সমাপ্তি ঃ

জানুৱাৰী মাহৰ ২৫ তাৰিখে এঙাৰখোৱাত ২৭ জন কংগ্ৰেছ কৰ্মী ৰাতি একেলগে থাকি পিচদিনা ২৬ জানুৱাৰী তাৰিখে কৰ্মীসকল মহানন্দ বৰাৰ নেতৃত্বত খৰখৰি পথাৰেদি আহি ডাকঘৰৰ কাষৰ বাট এটাইদি হঠাতে নগৰ ওলাই ১০ বজাত চিনিয়ৰ ই, এ. চি. আব্বাচ আলীৰ এজলাচৰ সন্মুখৰ খালী ঠাইত জাতীয় পতাকাৰ স্তম্ভ থিয় কৰি 'বন্দে মাতৰম' গাই পতাকা উত্তোলন কৰি পিছত

'বিজয় বিশ্ব ত্ৰিৰঙ্গ প্যাৰা' গীত গাই তাৰ পিছত এজন এজনকৈ প্ৰতিজনেই সংকল্প বাক্য পাঠ কৰিলে। এই খিনিতে এটা কথা উল্লেখ কৰিবলৈ থাকি গ'ল আগদিনা প্ৰতিশ্ৰুতিবদ্ধ হোৱা ২৭ জন কৰ্মী পিছদিনা যাত্ৰাৰ সময়ৰ পৰা ধৰি নগৰ গুলোৱালৈকে কমি কমি কৰ্মীৰ সংখ্যা মাত্ৰ ১০ জনহে বৈছিলগৈ। সেইদিনা পুলিচ বিষয়া আৰু চিপাহী-চন্তৰিবিলাক কাছাৰীৰ বাহিৰত থকাত পতাকা উত্তোলন কৰা সময়ত কংগ্ৰেছ কৰ্মীসকলক গ্ৰেপ্তাৰ কৰিবলৈ তেওঁলোক নাছিল। পিছত এজন পুলিচ বিষয়া আহি কৰ্মীসকল বৈ থকা অৱস্থাত তেওঁলোকক গ্ৰেপ্তাৰ কৰিলে। সেইদিনা গ্ৰেপ্তাৰ বৰণ কৰা কৰ্মীসকল আছিল টঙ্কেশ্বৰ গগৈ, বাপুৰাম দত্ত, ডম্বৰু চেতীয়া, কনক গায়ন, ৰত্ন বৰা (কমলাবৰীয়া), ফটিক চন্দ্ৰ ভূঞা, তিলক দত্ত, ভূবন বুঢ়াগোঁহাই, টুনি হাজৰিকা আৰু মহানন্দ বৰা। এই ঘটনাৰ সময়ত তাত যিবোৰ ৰাইজ সমবেত হৈ চাই আছিল সেইসকলক পুলিচে লাঠি চাৰ্জ কৰি খেদি দিলে।

২৮/১/৪৪ তাৰিখে জিলা পৰিচালক ইন্দ্ৰেশ্বৰ শৰ্মাক দোকমোকালিতে গ্ৰেপ্তাৰ কৰিলে। জিলা পৰিচালক শৰ্মা, সহ পৰিচালক মহানন্দ বৰা আৰু অধিনায়ক টুনি হাজৰিকা গ্ৰেপ্তাৰ হোৱাৰ পিছত সকলো প্ৰবীণ বিষয়ববীয়া পিঞ্জৰাবদ্ধ হ'ল। আন্দোলনৰো পৰিসমাপ্তি ঘটিল।

২৬ জানুৱাৰীৰ দিনা যিসকল গ্ৰেপ্তাৰ হৈছিল সেইসকল ৬ দিন জেল হাজোতত থকাৰ পিছত জেষ্ঠ মুন্সিফ আব্বাচ আলীয়ে লক্ষীমপুৰ জেলতে বিচাৰ কৰিলে। তেখেতসকলৰ বিৰুদ্ধে যিবোৰ সাক্ষী দিছিল সেইবোৰ মিছা সাক্ষী আছিল। বিচাৰত মহানন্দ বৰা, টুনিৰাম হাজৰিকা, ফটিক চন্দ্ৰ ভূঞাৰ ছমাহকৈ সশ্ৰম কাৰাদণ্ড হ'ল। ফটিক ভূঞা বহুত দিন পলাই থকাৰ কাৰণে আৰু দুমাহ হ'ল। বাকী টঙ্কেশ্বৰ গগৈ, বাপুৰাম দত্ত, ডম্বৰু চেতীয়া, কনক গায়ন, ৰত্ন বৰা, তিলক দত্ত আৰু ভূবন মোহন বুঢ়াগোঁওাই এই সাতজনৰ এশ টকাকৈ জৰিমনা অনাদায়ে তিনি মাহকৈ ফাটেকৰ হুকুম হ'ল। এখেতসকলে জৰিমনা নিদি কাৰাবৰণ কৰিলে। ইন্দ্ৰেশ্বৰ শৰ্মা ১০ দিন হাজোতত থকাৰ পিছত দহ মাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। উঃ লক্ষীমপুৰ কাৰাগাৰত তেতিয়া এই এঘাৰজনৰ উপৰি আগৰে পৰা থকা হৰিচন্দ্ৰ বৰুৱা আৰু নাৰায়ণ হাজৰিকাৰ সৈতে তেৰজন ৰাজনৈতিক নিৰ্যাতিত হৈছিল। ইয়াৰ পিছত এই মহকুমাত স্বাধীনতা আন্দোলন সংক্ৰান্তত কাৰো কাৰাবৰণ হোৱা নাছিল।

## লক্ষীমপুৰ কাৰাগাৰৰ কাহিনী ঃ

লক্ষীমপুৰ কাৰাগাৰত আগৰেপৰা দুৰ্নীতি চলি আছিল। সেই দুৰ্নীতি বিলাকৰ ভিতৰত প্ৰধান আছিল— (১) হাজোতিসকলক প্ৰতি সাজত চাউল দিছিল ৪ ছটাকৰ ঠাইত ৩ ছটাক, ফাটেকীয়াসকলক ৪ ছটাকৰ ঠাইত এপোৱা চাউলৰ ভাত দিয়া, (২) কাপোৰ ধুবলৈ চাবোনৰ পৰিবৰ্তে গেৰুৱা মাটি দিয়া, (৩) মাৰ ভাতত চাউলৰ পৰিমাণ কমাই দিয়া (৪) অন্য জিলাৰ কাৰাগাৰত ভাতখোৱা বাচন পিতলৰ পৰিবৰ্তে লোহাৰ বাটি দিয়া (কাৰণ এই বাটি খাদ্যৰ স্পৰ্শলৈ আহিলেই মামৰ উঠিছিল) (৫) গাত ঘঁহিবলৈ মিঠাতেল নিদিয়া (৬) ৰাজনৈতিক বন্দীসকলৰ দ্বাৰা সাধাৰণ কয়দীৰ দৰেই জেলৰ বাহিৰ আৰু ভিতৰত কাম কৰোৱা, (৭) সপ্তাহটোৰ ভিতৰত জিৰণিৰ দিন দেওবাৰেও কাম কৰোৱা, (৮) সাধাৰণ কয়দীয়ে ভোকত তত নাপাই বনৰীয়া কচু, ধানৰ মিহি ভুচি খোৱা ইত্যাদি। এনে ব্যৱহাৰ অকল যে কয়দীসকলক কৰিছিল তেনে নহয়, ৰাজনৈতিক বন্দীসকলৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছিল। এই দুৰ্নীতিবোৰৰ বিৰুদ্ধে সাধাৰণ কয়দীসকলে কোনো আপত্তি কৰিব নোৱাৰে। এদিন কাৰাগাৰৰ গুদামঘৰত বাবুচি এজনে ৰান্ধিবৰ কাৰণে চাউল জুখি থকা অৱস্থাত কয়দী এজন ওচৰেদি পাৰহৈ যাওঁতে তাত তেওঁৰ নজৰ পৰাৰ কাৰণে সেই কয়দীজনক জেইলাৰে বেতেৰে কোবালে, জোতাৰে চুতিয়াই লালু-কালু কৰিলে। ৰাজনৈতিক বন্দীসকলে জেইলাৰক এই দুৰ্নীতিবোৰ নিৰাকৰণৰ কাৰণে অনুৰোধ জনালে। তেওঁ ইয়াত কোনো গুৰুত্বই নিদিলে। সেইটো অপৰাধ গণ্য কৰি মহানন্দ বৰাক মাইকী ফাতেকত, হৰি বৰুৱা আৰু ভুবন বুঢ়াগোঁহাইক চেলত সুমাই তলাবদ্ধ কৰি থ'লে। বাকী ৰাজনৈতিক বন্দীসকলে প্ৰতিকাৰ বিচাৰি অনশন আৰম্ভ কৰিলে। জেইলাৰে অনেক ভাবুকি দি চালে; কিন্তু কোনো কামত নহা দেখি দুদিনমানৰ পিছত জেইল কৰ্তৃপক্ষই দাবীবিলাক মানি লোৱাত অনশন বন্ধ কৰা হ'ল। লগে লগে যিসকল লোকৰ ছমাহ বা তাতকৈ বেছি দিনৰ ফাটেক হৈছিল, সেইসকলৰ ভিতৰত হৰি চন্দ্ৰ বৰুৱাক সেই কাৰাগাৰতে ৰাখি মহানন্দ বৰা, ইন্দ্ৰেশ্বৰ শৰ্মা, টুনিৰাম হাজৰিকা আৰু ফটিক চন্দ্ৰ ভূঞাক ৰছীৰে সাঙুৰি খোজকঢ়াই গড়মুৰ সত্ৰইদি যোৰহাট কাৰাগাৰলৈ বদলি কৰিলে। বাকীসকল কৰ্মী ফাটেকৰ অন্ত হোৱাৰ পিছত ঘৰলৈ গ'ল। হৰি বৰুৱাক জমাদাৰে তেওঁৰ অফিচিয়েল কামত লগালে, সেই কামৰ উপৰিও, ঢেকীচালি, মুঢ়াচালিত কাম কৰালে। তেওঁ

অকলশৰীয়া হৈ পৰাত আৰু খাদ্যৰ দোষত স্বাস্থ্যৰ অৱনতি ঘটাত অসুস্থ হৈ পৰিল আৰু কোনো কাম কৰিব নোৱাৰা হ'ল। সেই অৱস্থাত জেইলাৰে এসপ্তাহ বেক হেণ্ডকাপ দিলে। ইতিমধ্যে মেলেৰীয়া জ্বৰে আক্ৰমণ কৰিলে। জেইলত পনীয়া কুইনাইন খাবলৈ দিছিল যদিও জ্বৰ নেৰিলে। শেষত কাণেৰে নুশুনা আৰু থিয় হ'ব নোৱাৰা অৱস্থাপ্ৰাপ্ত হ'ল। তেনে অৱস্থাতে মহকুমাধিপতি জে. দামব্ৰেক চাহাবে জেইল পৰিদৰ্শন কৰি বৰুৱাৰ অৱস্থাৰ ভু লৈ ডাক্তৰৰ দ্বাৰা বেজি দিয়াৰ হুকুম কৰিলে। এদিন বেজি এটা দিলে যদিও সি যথেষ্ট নোহোৱাত এসপ্তাহৰ মুৰত পুনৰ মেলেৰীয়া জ্বৰ আৰম্ভ হ'ল। এনেতে ফাটেকৰ অন্ত পৰি অহাত নিয়মীয়া ৰেমিচনৰ উপৰি কেইদিনমান বেছিকৈ ৰেমিচন দি কাৰাগাৰৰ পৰা মুক্তি দিলে। কাৰাগাৰৰ বাহিৰত চিকিৎসা কৰি তেওঁ কম দিনৰ ভিতৰতে আৰোগ্য লাভ কৰিলে।

## সৰ্বভাৰতীয় ঘটনাৱাজি আৰু আন্তৰ্জাতিক পৰিস্থিতি ঃ

১। ১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰীৰ দিনা কাৰাগাৰত কস্তুৰবা গান্ধীৰ মৃত্যু হ'ল।

২। উক্ত বছৰৰে মে' মাহৰ ৬ তাৰিখে বৃটিছ গৱৰ্ণমেণ্টে স্বাস্থ্যজনিত কাৰণত মহাত্মা গান্ধীক কাৰাগাৰৰ পৰা মুক্তি দিলে।

৩। ১৯৪৫ চনৰ ২৬ জুলাইত হোৱা বৃটেইনৰ সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দলৰ মিঃ উইলষ্টন চাৰ্চিলক পৰাস্ত কৰি বনুৱা দলৰ মিঃ ক্লিমেণ্ট এটলী বৃটিছ সাম্ৰাজ্যৰ প্ৰধানমন্ত্ৰী হ'ল।

৪। ১৪ জুনৰ দিনা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মৌলানা আবুল কালাম আজাদ প্ৰমুখ্যে নেতৃবৃন্দক চৰকাৰে কাৰাগাৰৰ পৰা মুকলি কৰি দিলে।

৫। ১৯৪৫ চনৰ ৭ মে'ৰ দিনা মিত্ৰ শক্তিৰ হাতত জাৰ্মান জাতি পৰাস্ত হ'ল।

৬। এই চনৰে ৬ আগষ্টৰ দিনা আমেৰিকাই জাপানৰ হিৰোচিমা আৰু নাগাচাকিত আনৱিক বোমা বিস্ফোৰণ কৰি জাপানক পৰাস্ত কৰি দ্বিতীয় মহাসমৰৰ অন্ত পেলালে।

৭। ভাৰতবৰ্ষত ১৯৪৬ চনৰ জানুৱাৰী মাহত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ল। পঞ্জাব আৰু বঙ্গদেশৰ বাহিৰে ভাৰতৰ বাকীবোৰ ৰাজ্যত কংগ্ৰেছে মন্ত্ৰী সভা গঠন কৰিলে। অসমতো গোপীনাথ বৰদলৈৰ কংগ্ৰেছ মন্ত্ৰীসভা গঠন

হ'ল। এইবাৰ এই নিৰ্বাচনত লক্ষীমপুৰৰ ৰাইজে কংগ্ৰেছ মনোনীত প্ৰাৰ্থী হেমচন্দ্ৰ হাজৰিকাদেৱক বিধায়ক হিচাপে নিৰ্বাচন কৰি পঠালে।

৮। মন্ত্ৰী মিছন

১৯৪৬ চনৰ ২৩ মাৰ্চৰ দিনা বৃটিছ প্ৰধানমন্ত্ৰী মিঃ ক্লিমেণ্ট এটলিয়ে এটা মন্ত্ৰী মিছন ভাৰতলৈ পঠাইছিল; ভাৰতৰ নেতাসকলৰ লগত আলোচনা ক্ৰমে ক্ষমতা হস্তান্তৰ আৰু উপায় পদ্ধতি নিৰ্দ্ধাৰণ কাৰণে। এই মিছনত আছিল, লৰ্ড পেথিক লৰেন্স, ছাৰ ষ্টেফৰ্ড ক্ৰিপচ আৰু মিঃ এ. ভি আলেকজেণ্ডাৰ। ক্ৰিপচৰ নেতৃত্বত অহা মন্ত্ৰী মিছনে ভাৰতৰ নেতৃবৃন্দৰ ওচৰত এখন গ্ৰুপিং আঁচনি ডাঙি ধৰিছিল। এই গ্ৰুপিং আঁচনি কংগ্ৰেছ আৰু মুছলিম লীগ উভয়ে মানি লৈছিল; কিন্তু এই আঁচনি অসমৰ প্ৰতিকূলে যোৱাত সেই সময়ৰ অসমৰ প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈদেৱে মহাত্মা গান্ধীৰ সহায়ত বলিষ্ঠ নেতৃত্বৰে ইয়াৰ বিৰোধ কৰাত মন্ত্ৰী মিছনৰ প্ৰস্তাৱ বিফল হ'ল। ফলত মন্ত্ৰী মিছন বিফল মনোৰথ হৈ ইংলণ্ডলৈ ঘূৰি গ'ল।

তাৰ পিছত ভাৰতক স্বাধীনতা প্ৰদান কৰাৰ মানসেৰে এটা অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰিবলৈ বৃটিছ চৰকাৰে সিদ্ধান্ত কৰি ভাইচৰয় লৰ্ড ৱাভেলক দায়িত্ব দিলে। তেওঁ কংগ্ৰেছ আৰু মুছলিম লীগক এই বিষয়ে জনাই দুয়োটা ৰাজনৈতিক দলৰপৰা অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰিবৰ কাৰণে প্ৰতিনিধিৰ তালিকা বিচাৰিলে। কংগ্ৰেছে এই প্ৰস্তাৱত সমৰ্থন জনালে; কিন্তু মুছলিম লীগে প্ৰথমে প্ৰত্যাখ্যান কৰিছিল যদিও ১৫ অক্টোবৰ দিনা অন্তৰ্বৰ্তী চৰকাৰত যোগদান দিবলৈ সন্মতি দিলে। ইতিমধ্যে ২ ছেপ্টেম্বৰৰ দিনা জৱহৰলাল নেহৰুৰ নেতৃত্বত ভাৰতৰ অন্তৰ্বৰ্তী চৰকাৰ গঠন হ'ল। ইয়াৰ আগতেই ১৯৪৬ চনৰ ৭ জুলাইত মৌলানা আবুল কালাম আজাদে ইস্তফা দিয়াত জৱাহৰলাল নেহৰু নিখিল ভাৰত কংগ্ৰেছ সভাপতি নিৰ্বাচিত হৈছিল। ১৯৪৬ চনৰ ১৬ আগষ্টৰ দিনটো মুছলিম লীগে ডাইৰেক্ট একচন দে (Direct Action Day) ঘোষণা কৰি সেইদিনাৰ পৰা কলিকতাত ধ্বংস কাৰ্য্য আৰম্ভ কৰিলে। হাজাৰ হাজাৰ লোকৰ প্ৰাণ হানি আৰু কোটি কোটি টকাৰ সম্পত্তি নষ্ট হ'ল। ইয়াৰ প্ৰতিক্ৰিয়া নোৱাখালি, বিহাৰ আৰু পঞ্জাৱত ঘটিল। সাম্প্ৰদায়িক সংঘৰ্ষই বিৰাট ৰূপ ধাৰণ কৰিলে।

১৯৪৭ চনৰ জুন মাহৰ ১৪ তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটীত ভাৰত বিভাজন প্ৰস্তাৱ গৃহীত হ'ল। মহাত্মা গান্ধীয়ে ভাৰত বিভাজন প্ৰস্তাৱত সন্মতি

জনালে। বৃটিছ চৰকাৰেও ১৯৪৭ চনৰ ১৮ জুলাইৰ দিনা সেই চনৰে ১৫ আগষ্টৰ দিনা ভাৰতক স্বাধীনতা দিয়াৰ দিন ঘোষণা কৰিলে।

## ভাৰতৰ স্বাধীনতা লাভ :

১৯৪৭ চনৰ আগষ্ট মাহৰ ১৪ তাৰিখে ৰাতি ১২বজাত বৃটিছ গবৰ্ণমেণ্টে ভাৰত-পাকিস্তান দ্বিখণ্ডিত কৰি স্বাধীনতা ঘোষণা কৰিলে। স্বাধীন ভাৰতৰ গবৰ্ণৰ জেনেৰেল হ'ল লৰ্ড মাউণ্ট বেটেন। মাউণ্ট বেটেনে ভাৰতক সোনকালে স্বাধীনতা দিয়াত বিশেষ অৰিহণা যোগাইছিল।

বৃটিছ প্ৰধানমন্ত্ৰীয়ে ১৪ আগষ্টৰ দিনা ৰাতি ১২বজাত ভাৰতৰ স্বাধীনতাৰ ঘোষণা কৰি বাণী দিয়াৰ লগে লগে সমগ্ৰ দেশৰ পৰ্বত-ভৈয়াম, নগৰ-চহৰ, গাঁও-ভূঁইৰ জনসাধাৰণ আনন্দত উৎফুল্ল হ'ল। অশোক চক্ৰ চিহ্নিত জাতীয় পতাকাৰ তলত ১৫ আগষ্টৰ দিনা জনগণে দশোদিশ মুখৰিত কৰি গাইছিল, 'বন্দে মাতৰম' আৰু 'জন গণ মন অধিনায়ক জয়হে' ৰাষ্ট্ৰীয় সঙ্গীত আৰু জয়ধ্বনি দিছিল, 'স্বাধীন ভাৰত কী জয়', 'ত্ৰিৰঙ্গ পতাকা কী জয়' আৰু 'মহাত্মা গান্ধীজী কী জয়'। ইয়াৰ উপৰি লক্ষীমপুৰ জিলাৰ গাঁৱে-ভূঞে নগৰে চহৰে সভা-শোভাযাত্ৰা কৰি নৃত্য বাদ্যৰ লগত দেশপ্ৰেমমূলক গীত গাই বুকুভৰা আনন্দেৰে প্লাবিত কৰিছিল আকাশ-পাতাল জনতাৰ মহামিলনৰ পণ্যক্ষেত্ৰ বিহপুৰীয়া আৰু লক্ষীমপুৰত। সেইদিনাৰ মহান উৎসৱ আগৰ কোনো ধৰণৰ জাতীয় বা ধৰ্মীয় উৎসৱৰ সমকক্ষ নাছিল। আনন্দ-মহানন্দত পৰিণত হৈ পৰমানন্দত মিলি গৈছিল। দেশৰ স্বাধীনতাৰ কাৰণে যুজ কৰোঁতে জনসাধাৰণে শাৰীৰিক, মানসিক আৰু আৰ্থিকভাৱে যি দুঃখ কষ্ট ভোগ কৰিছিল সেয়া পাহৰি গৈ সকলো আত্মহাৰা হৈছিল। সকলোৱে সমস্বৰে উচ্চাৰণ কৰিছিল স্বাধীন ভাৰত কী জয়, ত্ৰিৰঙ্গ পতাকাকী জয়, মহাত্মা গান্ধীজীকী জয়। সেই জয় মহতৰ পৰা মহিয়ান হওক। ভাৰত মাতৃৰ যোগ্য সন্তানসকলে শৃঙ্খলাবদ্ধ মাতৃৰ হাতৰ শিকলি ছিঙি নাগৰিক হিচাপে সেই দিনৰ পৰা পৃথিৱীত স্বাধীন জাতিৰ শাৰীত বুকু ফিন্দাই থিয় হ'ব পৰা হ'ল। জনগণ তথা চৰকাৰে ঘোষণা কৰিলে ভাৰতবৰ্ষ কল্যাণকামী আৰু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ।

## ভাৰত বিভাজনৰ প্ৰতিক্ৰিয়া :

ভাৰত বিভাজন হৈ ভাৰতবৰ্ষ আৰু পাকিস্তান দুখন স্বাধীন ৰাষ্ট্ৰ গঠন হোৱাৰ পৰাই দুয়োখনত যদিও শান্তি বিৰাজ কৰিব লাগিছিল, কিন্তু সেয়া হৈ নুঠিল। সাম্প্ৰদায়িক সংঘৰ্ষ পুনৰ আৰম্ভ হ'ল। প্ৰথমে নোৱাখালিতে আৰম্ভ হৈ সমগ্ৰ পূব পাকিস্তানত মুছলমানৰ দ্বাৰা হিন্দুৰ ওপৰত আক্ৰমণ চলিল। সংখ্যালঘিষ্ঠ হিন্দুসকলৰ ঘৰ-বাৰী, সা-সম্পত্তি সকলো লুট কৰিলে, অস্ত্ৰ-শস্ত্ৰৰ প্ৰহাৰত তেজৰ নৈ বৈ গ'ল। হিন্দুৰ মঠ-মন্দিৰ সকলো ধ্বংস হ'ল। হেজাৰে হেজাৰে হিন্দু ভগনীয়া ভাগি আহি অসমত আশ্ৰয় ল'লেহি। সেইদৰে হাজাৰে হাজেৰে মুছলমান লোক কলিকতা আদি ঠাইৰপৰা বাংলাদেশলৈ স্থানান্তৰ হ'ল। পূব পঞ্জাবৰ হিন্দু পশ্চিম পঞ্জাবলৈ, পশ্চিম পঞ্জাবৰ মুছলমান পূব পঞ্জাবলৈ ভাগি যাবলৈ ধৰিলে। আনকি ৰাজধানী দিল্লীতো হিন্দু আৰু শিখসকলে মুছলমানৰ ওপৰত অত্যাচাৰ চলালে।

এই হত্যাকাণ্ড মহাত্মা গান্ধীয়ে নীৰৱে চাই থাকিব নোৱাৰি, হিন্দু-মুছলমান-শিখ সকলো ধৰ্মাৱলম্বী লোকক লৈ আবেদন জনালে, হত্যাকাণ্ড বন্ধ কৰি মিলাপ্ৰীতিৰে বসবাস কৰিবলৈ। কিন্তু মহাত্মাৰ এই আকুল আহ্বানৰ প্ৰতি কোনোৰেও সঁহাৰি নজনোৱাত উপায়ান্তৰ হৈ ১৯৪৮ চনৰ ১২ জানুৱাৰীৰ পৰা আমৰণ অনশন আৰম্ভ কৰিলে। দেশৰ নেতাসকলে অনশনৰ খবৰ পাই অনশন ত্যাগ কৰিবলৈ অনুৰোধ কৰিলে। তেতিয়া মহাত্মাই ছটা চৰ্ত দিলে। তাৰ ভিতৰত মূল চৰ্তটো আছিল— হিন্দু আৰু শিখে মুছলমানৰ ওপৰত অত্যাচাৰ নকৰো বুলি প্ৰতিশ্ৰুতি দিব লাগিব। লগে লগে মৌলানা আবুল কালাম আজাদৰ নেতৃত্বত হাজাৰ হাজাৰ লোকে সেই চৰ্তসমূহ মানি লৈ চহী কৰি মহাত্মাৰ ওচৰত দাখিল কৰিলে। মহাত্মাই জনগণৰ আবেদনত সন্তুষ্ট হৈ ১৭ জানুৱাৰীৰ দিনা অনশন ভঙ্গ কৰিলে।

## স্বাধীনতাৰ আগে পাছে জিলা কংগ্ৰেছ কৰ্মীসকলৰ উন্নয়নমূলক কাম :

১৯৪৫ চনত উঃ লক্ষীমপুৰ নগৰৰ বহধলা পুখুৰীৰ পাৰত জিলা কংগ্ৰেছৰ এটি অস্থায়ী কাৰ্যালয় নিৰ্মাণ কৰা হৈছিল। এই কাৰ্যালয়তে এদিন জিলা কংগ্ৰেছ কমিটী বহি ১৯৪৬ চনৰ নিৰ্বাচনত অসম বিধানসভাৰ কাৰণে সেই সময়ৰ

বিধায়ক সৰ্বেশ্বৰ বৰুৱাৰ ঠাইত জনপ্ৰিয় নেতা হেমচন্দ্ৰ হাজৰিকাদেৱক প্ৰাৰ্থী মনোনীত কৰি নিৰ্বাচনত জয়যুক্ত কৰি বিধান সভালৈ পঠাইছিল। সেই সময়ৰ পৰাই কংগ্ৰেছ কৰ্মীসকলে কাৰাগাৰৰ পৰা ওলাই আহি সমাজৰ বিভিন্ন উন্নয়নমূলক কামত আত্মনিয়োগ কৰিছিল। তাৰ ভিতৰত কেইটামান তলত উল্লেখ কৰা হ'ল।

## ১। জাপজুপ কস্তুৰবা বিদ্যা মন্দিৰ :

বিহপুৰীয়া মৌজাৰ জাপজুপ পুখুৰীৰ উত্তৰ পাৰত কংগ্ৰেছ কৰ্মী খগেশ্বৰ ভূঞা, শৈলেন্দ্ৰ নাথ শইকীয়া, হৰিচন্দ্ৰ বৰুৱা, গোপাল চন্দ্ৰ কোঁচ, যোগেশ্বৰ বৰুৱা, ডম্বৰুধৰ হাজৰিকা, ফণীধৰ বৰা, পূৰ্ণ বৰা আদি কৰ্মীসকলৰ যত্নত কস্তুৰবা বিদ্যা মন্দিৰ নাম দি এখনি বালিকা বুনিয়াদী বিদ্যালয় ১৯৪৫ চনত কণ ল'ৰা মেধি নামৰ এজন লোকে দান কৰা আঢ়ৈ বিঘা মাটিত প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ কাৰণে খেৰী ঘৰ দান কৰিছিল ১ নং জাপজুপ গাঁৱৰ ৰাইজে আৰু এটা অৰ্দ্ধস্থায়ী ঘৰ দান কৰিছিল বদতি গৌৰী শঙ্কৰ মিলৰ মালিকে। ইয়াৰ নিম্ন প্ৰাইমাৰী আৰু মজলীয়া শাখাত সাধাৰণ শিক্ষাৰ উপৰি কপাহৰ সূতা কটা, চিলাই, গোঠা, কাপোৰ বোৱা আৰু হিন্দী শিক্ষা দিয়া হৈছিল। অবৈতনিক হিচাপে শিক্ষা দিছিল বলীন্দ্ৰ নাথ বৰুৱা, হৰিচন্দ্ৰ বৰুৱা, গোপাল চন্দ্ৰ কোচ, লাবণ্য দত্ত, সৰোজিনী বৰদলৈ আৰু বীণাপাণি বৰুৱা। এই অনুষ্ঠানটি কস্তুৰবা স্মাৰক নিধিৰ সদস্যা গুৱাহাটীৰ অমল প্ৰভা দাস (প্ৰতিনিধি) ৰ যত্নত প্ৰাদেশিক নিধিৰ স্বীকৃতি লাভ কৰি হেমপ্ৰভা ভৰালী আৰু কিৰণ বালা শইকীয়াক সেৱাগ্ৰাম আৰু গুৱাহাটীৰ শৰণীয়া আশ্ৰমত বুনিয়াদী প্ৰশিক্ষণ দি আনি শিক্ষয়িত্ৰী নিযুক্ত কৰি আবাসিক অনুষ্ঠান ৰূপে গঢ়ি তোলা হৈছিল। এই অনুষ্ঠানটিয়ে নিধিৰ ফালৰ পৰা দুগৰাকী শিক্ষয়িত্ৰী পাৰিশ্ৰমিক আৰু অনুষ্ঠানৰ খা-খৰচ পাইছিল। বাকীসকল শিক্ষক-শিক্ষয়িত্ৰীক মুষ্টি ভিক্ষা আৰু দান-বৰঙণি সংগ্ৰহ কৰি সামান্য পাৰিশ্ৰমিক দিয়া হৈছিল। পিছলৈ অনুষ্ঠানৰ খৰচৰ মাত্ৰা বৃদ্ধি হোৱাত আৰু অবৈতনিক হিচাপে খাটি থকা শিক্ষক-শিক্ষয়িত্ৰীসকলক পূৰা বেতন দিব লগা হোৱাত তদুপৰি বুনিয়াদী শাখাটো স্বনিৰ্ভৰশীল কৰিবলৈ আৱশ্যকীয় মাটিৰ অভাৱ হোৱাত বুনিয়াদী শাখাটো খেৰাজখাট মৌজাৰ পদ্মপুৰৰ ২৫ বিঘা চৰকাৰী মাটিলৈ স্থানান্তৰ কৰি অসমীয়া মজলীয়া আৰু প্ৰাইমাৰী শাখাটো লোকেল বোৰ্ডৰ অন্তৰ্ভুক্ত কৰা হ'ল। এসময়ত এই অনুষ্ঠানটি জাপজুপ পুখুৰীৰ দক্ষিণপাৰে

থকা বালক মজলীয়া স্কুলৰ লগ লগোৱা হ'ল।

## ২। পাণবাৰী বুনিয়াদী বিদ্যালয় ঃ

নাৰায়ণপুৰ মৌজাৰ পাণবাৰী গাঁৱত স্থানীয় কংগ্ৰেছ কৰ্মী উমাকান্ত ৰাজখোৱা, লীলা ভূঞা থানেশ্বৰ গগৈ, ৰমেশ বিদ্যাৰ্থী, নন্দেশ্বৰ শইকীয়া আদিৰ যত্নত এডোখৰ চৰকাৰী মাটিত বুনিয়াদী শিক্ষা পদ্ধতিৰ এখনি মাধ্যমিক বিদ্যালয ১৯৪৬ চনৰ জুলাই মাহত আৰম্ভ কৰা হ'ল। এই অনুষ্ঠানৰ পৰিচালক আছিল ৰাজখোৱাদেৱ নিজে। এই বুনিয়াদী বিদ্যালয়খনি গান্ধী স্মাৰক নিধিৰ অন্তৰ্ভুক্ত আছিল; আৰু তাৰ পৰাই সহায়-সহযোগিতা পাই আছিল। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনৰ সময়ত বৃটিছ চৰকাৰে নাৰায়ণপুৰ ঢলপুৰ আৰু খেৰাজখাট মৌজাৰ পৰা সংগ্ৰহ কৰা সমূহীয়া পাইকাৰী জৰিমনাৰ সমুদায় টকা ৰাইজৰ অনুৰোধ ক্ৰমে স্বাধীন অসম চৰকাৰে এই অনুষ্ঠানক দান দিলে। এই বুনিয়াদী অনুষ্ঠানটিৰ প্ৰতি চৰকাৰৰ পৰা নিয়মীয়া সহায়-সহযোগ নোপোৱাত আৰু ৰাইজৰ দ্বাৰাও সদায় চলাই থকা সম্ভব নোহোৱাৰ কাৰণে অনুষ্ঠানটি বুনিয়াদী শিক্ষাৰ পৰিবৰ্তে মধ্য ইংৰাজী বিদ্যালয়লৈ পৰিবৰ্তন কৰা হ'ল। ইতিমধ্যে নাৰায়ণপুৰ আৰু বিহপুৰীয়াত দুখন মহাবিদ্যালয় স্থাপন কৰা হ'ল। নাৰায়ণপুৰ মহাবিদ্যালয়ৰ কাৰণে পাণবাৰী বুনিয়াদী স্কুলৰ ঘৰটি এৰি দি মধ্য ইংৰাজী বিদ্যালয়ৰ কাৰণে আন এটা ঘৰ সাজি দিয়া হ'ল।

## ৩। ৰঙানদী মথাউৰি নিৰ্মাণ ঃ

১৯৪৫ চনত ৰঙানদীয়ে মথাউৰি খহাই তেলাহী আৰু কমলাবৰীয়া মৌজাৰ খেতি-পথাৰ, ঘৰ-বাৰী বিস্তৰ ক্ষতি সাধন কৰাত ৰাইজে চৰকাৰৰ সহযোগত এই মথাউৰীটো মেৰামতি কৰিলে। পোতাবিল নামৰ জান এটা বন্ধ কৰি দিলে। এই কাম ইন্দ্ৰেশ্বৰ শৰ্মা আৰু কনকেশ্বৰ দত্ত আৰু টুনিৰাম হাজৰিকাৰ নেতৃত্বত শাৰীৰিক, মানসিক ভাৱে আগবঢ়োৱা সেৱা অতুলনীয়। কামটো সম্পূৰ্ণ কৰোতে পাঁচ হাজাৰ মানুহৰ ২২ দিন লাগিছিল।

## ৪। পানীগাঁও চিকিৎসালয়

সেই সময়লৈকে পানীগাঁও অঞ্চলত চিকিৎসালয় নাছিল। নগৰৰ

চিকিৎসালয়লৈ অহা-যোৱা কৰোতে গাড়ীৰ অভাৱত ৰাইজে জীয়াতু ভুগিছিল। এই অভাৱ মোচনৰ কাৰণে স্থানীয় কংগ্ৰেছ কৰ্মীসকলে ৰাইজৰ লগত আলোচনা-বিলোচনাপূৰ্বক বিভাগীয় কৰ্তৃপক্ষ আৰু চৰকাৰৰ লগত যোগাযোগ কৰি এখন (দিচপেনচৰী) চিকিৎসালয় প্ৰতিষ্ঠা কৰিলে।

মুঠতে ১৯৩৫ চনৰ পৰা ১৯৮০/৮১ চনলৈকে উত্তৰ লক্ষীমপুৰত স্থাপন কৰা, প্ৰাইমাৰী স্কুলৰ পৰা মহাবিদ্যালয়লৈকে সকলো পুথিভঁৰাল আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, জনকল্যাণমূলক কাম স্বাধীনতা সংগ্ৰামী লোকসকলে যুদ্ধৰ প্ৰস্তুতিৰে ৰাইজৰ সহায়-সহযোগত ৰূপায়ণ কৰিছিল। আনকি গাঁৱৰ আলি-পদূলি নিৰ্মাণতো আগ ভাগ লৈছিল। গাঁও আৰু আঞ্চলিক ভিত্তিত পঞ্চায়ত প্ৰতিষ্ঠা গাঁওবিলাকত কংগ্ৰেছ সভ্য ভৰ্তি কৰি গাঁও আৰু মৌজা কংগ্ৰেছ কমিটী গঠন আৰু জিলা পৰ্যায়লৈকে নিৰ্বাচনৰযোগে সমিতি প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত কংগ্ৰেছ কৰ্মীসকল আৰু কংগ্ৰেছ অনুষ্ঠানহে ৰাইজৰ প্ৰিয় আছিল।

## মহাত্মা গান্ধীৰ মহাপ্ৰয়াণ ঃ

ইং ১৯৪৮ চনৰ ৩০ জানুৱাৰী। নতুন দিল্লীৰ বিৰলা ভৱনৰ সন্মুখৰ চোতালত। অন্য দিনৰ দৰে সেইদিনাও মোহন চাঁদ কৰম চাঁদ গান্ধীয়ে অন্যান্য লোকসকলৰ সৈতে প্ৰাৰ্থনা সভাত মিলিত হ'ল। প্ৰাৰ্থনা আৰম্ভ হ'ল। ইতিমধ্যে ফৰৱাৰ্ড ব্লকৰ নাথুৰাম গড্‌চে নামৰ এজন যুৱক মহাত্মাৰ ওচৰ চাপি বিভলভাৰেৰে গান্ধীলৈ লক্ষ্য কৰি গুলি কৰিলে। দুটা গুলি মহাত্মাৰ হৃদয় ভেদি সৰকি গ'ল আৰু এটা গুলি ভিতৰতে ৰৈ গ'ল। গান্ধীজীয়ে 'হে ৰাম' বুলি বাগৰি পৰিল। প্ৰাৰ্থনা সভাত হুলস্থুল লাগিল। মহাত্মাক শুশ্ৰূষাৰ কাৰণে ভিতৰলৈ নিলে। আততায়ী নাথুৰামক পুলিচে ঘটনাস্থলীতে গ্ৰেপ্তাৰ কৰিলে। বিচাৰত গড্‌চেৰ ফাঁচিৰ হুকুম হ'ল।

মহামানৱৰ মহাপ্ৰয়াণৰ খবৰ বিজুলীৰ গতিৰে সমগ্ৰ পৃথিৱীত প্ৰচাৰ হ'ল। সকলো ৰাষ্ট্ৰৰ সকলো জনসাধাৰণে দুঃখ প্ৰকাশ কৰিলে পৃথিৱীলৈ শান্তি বহন কৰি অনা এজন দেৱদূতৰ প্ৰত্যাগমনত আনকি বসুমতিয়েও শোকাভিভূত হৈ এটি মৃদু কম্পনেৰে সমবেদনা প্ৰকাশ কৰিলে। মহাত্মাৰ বিদেহী আত্মা পৰমাত্মাত লয় প্ৰাপ্ত হ'ল। ক্ষন্তেকৰ পিছতে ভাৰত চৰকাৰ তথা নেতৃবৃন্দই নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জনাই পবিত্ৰ দেহ ক্ৰব্যাদ অগ্নিত বিলীন কৰি দি উপবাস খাটিলে। মহাত্মাৰ চিতাভস্ম গঙ্গা, যমুনা, ব্ৰহ্মপুত্ৰ আদি কৰি ভাৰতৰ সকলো সৰোবৰ,

নদী-উপনদী আৰু তীৰ্থস্থানবিলাকত মহাসমাৰোহেৰে বৰেণ্য নেতাসকলে বিসৰ্জন দিলে। উত্তৰ লক্ষীমপুৰলৈ অহা চিতা-ভস্ম লক্ষীমপুৰৰ নেতৃবৃন্দই ৰঙানদীত বিসৰ্জন দিলে। এই চিতা-ভস্মৰ এটা অংশ পুষ্পসহ বিহপুৰীয়াই লাভ কৰি যোগেশ্বৰ বৰুৱাৰ নেতৃত্বত পশ্চিম অঞ্চলৰ কৰ্মী আৰু ৰাইজ সমন্বিতে চিচাপথাৰ ঘাটৰ ডিক্ৰং নদীত নিয়মমতে বিসৰ্জন দিয়া হ'ল। আদ্যশ্ৰাদ্ধ সেইদৰে কৰ্মীসকল উপবাসে থাকি নাম-কীৰ্তনেৰে মহাপয়োভৰেৰে পালন কৰিলে। সেইদিনা বিহপুৰীয়া নগৰখন লোকেৰে লোকাৰণ্য হৈ পৰিছিল। হাজাৰ হাজাৰ লোক সমবেত হৈ মহাত্মাৰ দুখত দুখিত হৈ নামঘোষা গাই গাই, শোভাযাত্ৰা কৰিছিল; ৰাজহুৱা সভা পাতি মহাত্মাৰ গুণানুকীৰ্তন কৰি অন্তৰৰ বেদনা পাতলাইছিল। মহাত্মা লোক চক্ষুৰ পৰা যদিও অন্তৰ্হিত হ'ল তেখেতৰ কৰ্মময় জীৱনৰ আদৰ্শসমূহ পৃথিবীত ৰৈ গ'ল। সেই আদৰ্শ সমূহ এচাম লোকে যদিও শ্ৰদ্ধা নকৰে, পৃথিৱীৰ সকলো দেশে মান্যতা দিছে। সত্যৰ পূজাৰী, জাতিৰ পিতা মহাত্মা গান্ধীৰ জীৱনৰ চানেকীৰে উত্তৰ পুৰুষ মহিয়ান হওক। পৰমেশ্বৰৰ ওচৰত এয়ে কামনা।

## ভাৰতৰ সংবিধান আৰু সাৰ্বভৌম গণতন্ত্ৰ ঃ

ভাৰতবৰ্ষই পূৰ্ণ স্বাধীনতা লাভ কৰাৰ আগলৈকে ১৯৩৫ চনৰ আইন মতেই শাসিত হৈ আহিছিল। সেই আইন মতে গৱৰ্ণৰ জেনেৰেলে ভাৰত শাসন কৰিছিল। স্বাধীন ভাৰতৰ সংবিধান সভাই ডাঃ ভীম ৰাও আম্বেদকাৰৰ নেতৃত্বত সাৰ্বভৌম ভাৰতৰ কাৰণে এখন সংবিধান ৰচনা কৰিছিল। এই সংবিধান ১৯৪৯ চনৰ ২৬ নবেম্বৰৰ দিনা ডঃ ৰাজেন্দ্ৰ প্ৰসাদৰ সভাপতিত্বত সংবিধান সভাত গৃহীত হৈছিল। ভাৰতীয় সংবিধানখন ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতবৰ্ষত বলবৎ হ'ল। তেতিয়াৰে পৰা এই দিবসটো গণতন্ত্ৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই সংবিধান মতে ডঃ ৰাজেন্দ্ৰ প্ৰসাদ ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি হ'ল। ভাৰতৰ এই সংবিধানত ৩৫৯ টা অনুচ্ছেদ আৰু ৯ টা অনুসূচী আছে। সংবিধানে জনসাধাৰণক সংবিধানৰ উৎস আৰু ৰাষ্ট্ৰৰ সাৰ্বভৌম ৰক্ষাৰ অধিকাৰী কৰিছে, আৰু ভাৰতবৰ্ষক সাৰ্বভৌম ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য হিচাপে ঘোষণা কৰিছে। সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতা এই সংবিধানৰ আধাৰস্বৰূপ।

## ১৯৫০ চনৰ প্ৰলয়ংকৰী ভূমিকম্প আৰু সোৱণশিৰি নদীৰ অভূতপূৰ্ব ধ্বংস লীলা ঃ

১৯৫০ চনৰ স্বাধীনতা দিবস পোন্ধৰ আগষ্টৰ দিনটো অসমবাসীয়ে দিনৰ ভাগত হিয়া উবুৰিয়াই আনন্দেৰে উদযাপন কৰিলে। সেইদিনা ৰাতি প্ৰায় ৮ মান বজাত একাধিক আৰু লেথাৰি নিছিগা ভূমিকম্পই গোটেই অসমখন বিশেষকৈ লক্ষীমপুৰ জিলাখন অৰুণাচলৰ একাংশৰ সৈতে লাও হেন্দালিৰ দৰে জোকাৰি পেলালে। এইটো ভূমিকম্প ইং ১৮৯৬ চনৰ সমকক্ষ আছিল।

ভূমিকম্পৰ ফলত ৰঙা নদীৰ লোহাৰ দলংখন মেৰামতি কৰিব নোৱাৰাকৈ টুকুৰা-টুকুৰকৈ ছিঙিল। অৰুণাচল প্ৰদেশত সোৱণশিৰি নদীৰ ওপৰত পাহাৰ খহি পৰাত পানীৰ সোঁত বন্ধ হৈ নদীখন একেবাৰে পানী নাইকিয়া হ'ল। অৰুণাচলত নদীখনৰ ওপৰ ভাগত পানী ৫ দিন আবদ্ধ হৈ থাকি ১৯ আগষ্টৰ দিনা গতি সলনি কৰি আগৰ গতিপথৰ পৰা দুমাইল পশ্চিমফালে জলৰাশি প্ৰবল সোঁতেৰে আকস্মিকভাৱে দ-বাম সমান কৰি বৈ আহি পথালিপাম বাগানখন ঘৰ-বাৰীৰ সৈতে পুঁতি পেলালে। নদীখনত পানী বুলিবলৈ নাছিল; কেৱল লুপঠুপীয়া বোকা, মাছ-কাছ, সাপ-বেং, জীৱ-জন্তু, মানুহৰ ঘৰ, গছ-গছনি এখন প্ৰকাণ্ড জাহাজৰ দৰে ভতিয়াই গৈ আছিল। মানুহে নদীত উটি যোৱা গছ, কাঠ-খৰিত উঠি নদী পাৰ হ'ব পাৰিছিল। জীৱ-জন্তু, মাছ-কাছ মৰি উছন হৈছিল। গাঁও-ভূঁই বোকাত পোত গ'ল। ভূমিকম্পৰ ফলতটো বহু ঠাই ফাটি চিটি তলৰ পৰা বোকা পানী ওলাইছিল, বহু ঠাই বহি গৈছিল নদী পৃষ্ঠও ওখ হৈছিল। খেতি কৰিবৰ কাৰণে মাটিবোৰ অনুপযুক্ত হৈছিল। ৰাস্তাবোৰ ফাটি চিৰা-চিৰ হৈছিল, বহি গৈ যান-বাহন চলাচলৰ সম্পূৰ্ণ অনুপযোগী হৈছিল। ডাঙৰ ডাঙৰ গছ উভালি পৰিছিল। স্থায়ী-অস্থায়ী হাজাৰ হাজাৰ ঘৰ, অনুষ্ঠান-প্ৰতিষ্ঠান ভাগি ছিগি চূৰ্ণাকৃত হৈছিল। প্ৰথম জোকাৰণিৰ পিছত ৰাতিটোৰ ভিতৰত প্ৰায় ৫০ টা মান জোকাৰণিৰ অনুভূত হৈছিল। ৰাতি ঘৰৰ ভিতৰত থাকিব নোৱাৰিছিল। বাহিৰৰ মুকলিত ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী, জীয়াৰী-বোৱাৰী থুপ পাতি বহি থাকোতে ৰাতি পুৱাইছিল। থিয় হৈ থাকিব নোৱাৰিছিল। ওচৰ চুবুৰীয়াৰ কাৰো ঘৰলৈ কোনো যাব পৰা সম্ভৱ নহৈছিল। ওলাই গ'লেই জানোচা মাটিৰ ফাটত সোমাই যাব লাগে; এনে সংশয় হৈছিল। মানুহে নিৰাহাৰে, চকুৰ টোপনি চকুতে মাৰ নিয়াইছিল।

এইদৰে দ্বিতীয় দিনাৰ পৰা কমি যোৱাতহে ভিতৰ সোমাব পৰা হৈছিল যদিও কেইবাদিনলৈকে জোকাৰণি অনুভৱ কৰা হৈছিল। সেইকেইদিন মানুহে আতঙ্কত দিন কটাইছিল। উঃ লক্ষীমপুৰ নগৰত সেইদিনা ৰাতি এজনী ছোৱালী মাটিৰ ফাটত সোমাই মৃত্যু হৈছিল।

সোৱণশিৰি নদীৰ বন্ধ হৈ থকা বোকাময় জলৰাশিয়ে কেইবা মাইলো বহল আৰু কেইবা মিটাৰো ওখ হৈ তীব্ৰ গতিৰে বৈ আহোঁতে মানুহৰ ঘৰ-দুৱাৰ ডুব গৈছিল, উটি-ভাহি গৈছিল, মানুহে গছ-গছনি, বাঁহনিত আশ্ৰয় লৈছিল। গছ-গছনি, জীয়া-মৰা জীৱ-জন্তু, মানুহ-দুনুহ জাহাজত উঠি যোৱাৰ দৰে গছৰ ওপৰত বগাই ভতিয়াই গৈছিল। মাছ-কাছ মৰি সাং হৈছিল। গৰু-ম'হ-ছাগলী, ঘোঁৰা, হাতী সকলো শই শই মৃত্যুৰ মুখত পৰিছিল। কাউৰী-শগুনে খাই শেষ কৰিব নোৱাৰিছিল। এই ধ্বংসলীলা বিশেষকৈ বৰদলনি, ঘিলামৰা, বেবেজীয়া, বিলমুখ, গোগামুখ, বালিগাঁও, পথালিপাম অঞ্চলত বেছি হৈছিল। গাঁৱৰ ৰাইজৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছিল। কেইবাদিনলৈকে, খাবলৈ আহাৰ আৰু থিয় হৈ থাকিবলৈ অকণমান ভূমি নাপাই শ শ মানুহ মৃত্যুৰ মুখত পৰিছিল। কোনোবা লোক গছ বা ঘৰৰ চালত উঠি থকা অবস্থাত সেই গছ আৰু ঘৰ উটি গৈছিল সেই লোকসকলক উদ্ধাৰ কৰোতা কোনো নোলাইছিল। মুঠতে এনেকুৱা দুৰ্গতি হৈছিল যে তাক বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। এই বিধ্বস্ত অঞ্চললৈ গৈ দুৰ্গত লোকসকলৰ বুজ ল'বলৈ যাবলৈ জল বা স্থল পথেৰে যোৱাটোও অসম্ভৱ হৈছিল।

পলমকৈ হ'লেও এই ঘটনা চৰকাৰৰ দৃষ্টিগোচৰ হৈছিল যদিও সেই অঞ্চললৈ সাহায্য আৰু সাহায্যকাৰী দল যাব নোৱাৰিছিল। যাতায়াতৰ পথ বিচ্ছিন্ন হোৱাৰ বাবে গাড়ী, নাও বা আন যান-বাহন চলাচল কৰা যথেষ্ট অসুবিধা হৈছিল। দুৰ্গত লোকসকলক সহায় কৰিবলৈ সেই সময়ৰ লক্ষীমপুৰ জিলা কংগ্ৰেছৰ সভাপতি লীলা ভূঞাৰ নেতৃত্বত শৈলেন্দ্ৰ নাথ শইকীয়া, ভোলা বৰুৱা, বাপুৰাম দত্ত, টঙ্কেশ্বৰ গগৈ আদিৰ এটা কৰ্মীৰ দলে প্ৰায় এমাহ সেই অঞ্চলত থাকি চৰকাৰৰ পৰা পঠোৱা ৰচদ-পাতি বহু কষ্টেৰে লৈ গৈ বিতৰণ আৰু উদ্ধাৰ কাৰ্য কৰিছিল। তদুপৰি মহাৰাষ্ট্ৰৰ বিল কিষাণ ভাণ্ডাৰীৰ নেতৃত্বত মহানন্দ বৰায়ো তাত সহায় কৰিছিল। যোগেশ্বৰ বৰুৱা, পূৰ্ণানন্দ দত্ত, কণপাই দত্ত, মেঘনাথ ভৰালী আদি কৰি কংগ্ৰেছ কৰ্মী আৰু চৰকাৰী কৰ্মচাৰী, মিলিটাৰী আদিৰ সহায়ত আৰু

সহযোগত পাঁচ ঠাইত পাঁচটা সাহায্য শিবিৰ খোলা হৈছিল। প্ৰপীড়িত লোকসকলক খাদ্য-সামগ্ৰী চৰকাৰৰ ফালৰপৰা দিয়াৰ উপৰি, কংগ্ৰেছ কৰ্মীসকলে স্থানীয়ভাৱে বিভিন্ন ঠাইত সংগ্ৰহ কৰি বিতৰণৰ কাৰণে তালৈ পঠাইছিল। তদুপৰি শ্ৰীমন্ত শঙ্কৰ মিছন, মাৰোৱাৰী ৰিলিফ ছ'চাইটি আৰু অসম মেডিকেল কলেজৰ ডাক্তৰ আৰু ছাত্ৰসকলৰ পৰাও খাদ্য-সামগ্ৰী যোগান ধৰিছিল। নিকামুল সত্ৰৰ সত্ৰাধিকাৰ স্বৰ্গীয় গহন চন্দ্ৰ গোস্বামীদেৱে শঙ্কৰ মিছনৰ পৰা অহা সাহায্য সমূহ অকল বেবেজীয়া শিবিৰত থকা ১৭৫৫ জন লোকক আৰম্ভণিৰ পৰা শেষলৈকে বিতৰণ কৰিছিল। এই শিবিৰৰ যোগেদি সহায় কৰা আন কৰ্মীসকল আছিল বিশ্বনাৰায়ণ শাস্ত্ৰী, বাপুৰাম দত্ত, বন বিভাগৰ কৰ্মচাৰী যুগল চন্দ্ৰ বৰা আৰু নীল প্ৰসাদ বৰা। এখেতসকলে দুৰ্গতসকলৰ সাহায্যত আৰম্ভণিৰ পৰা শেষলৈকে খাতিছিল। ৫/১০/৫০ তাৰিখে বিলমুখ সাহায্য শিবিৰত আছিল ৪৩৯১ জন। এই শিবিৰৰ দায়িত্বত আছিল উপপ্ৰতি সমাৰ্হতা যতীন চন্দ্ৰ কৰ। যোগান বিভাগৰ পৰিদৰ্শক গুণকান্ত গোস্বামীয়ে এবাৰ ২০০/ মোন চাউল আৰু দাইল নি সাহায্য দিছিল। বিধ্বস্ত অঞ্চলত যিবিলাক শিবিৰ পতা হৈছিল, সেই শিবিৰবিলাকত আশ্ৰয় লৈ থকা প্ৰপীড়িত লোক আছিল ১৪০৯৯ জন।

দুজন বিশিষ্ট কংগ্ৰেছ কৰ্মী তীৰ্থেশ্বৰ হাজৰিকা আৰু হৰিপদ দত্ত দুয়ো মৰণত শৰণ দি এই বিধ্বস্ত অঞ্চলৰ অৱস্থা পৰিদৰ্শন কৰিবলৈ গৈছিল। এখেতসকলে উল্লিখিত কৰ্মীসকলৰ পৰা ফালৰি কাটি ডি. এছ. পি এজনৰ সহায়ত বৰদৈ বামৰ ফালে থকা মিৰি গাঁওবোৰৰ খবৰ লৈছিল।

**১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত কাৰাবৰণ কৰা আৰু হাজোতত বাস কৰা লোকসকলৰ তালিকা (১৯৪১/৪২ চনৰ সত্যাগ্ৰহ কৰা সকলৰ বাদে। এইসকলৰ নাম আগত দিয়া হৈছে)**

| ক্ৰম নং | নাম | পিতাৰ নাম | ঠিকনা | নিৰ্য্যাতন |
|---|---|---|---|---|
| ১ | চেনি চন্দ্ৰ শইকীয়া | যাদুৰাম | মাধৱপুৰ | ৮/৯/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ২ | সৰ্বেশ্বৰ বৰুৱা | পদ্মেশ্বৰ | উঃ লক্ষীমপুৰ | ৭/৯/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ৩ | তীৰ্থেশ্বৰ হাজৰিকা | মহৰি | ,, | ৭/৯/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ৪ | ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী | দেহীৰাম | নাৰায়ণপুৰ | ৭/৯/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ৫ | খাগেশ্বৰ গগৈ | দুৰ্গা | মাধৱপুৰ | ১৫/৯/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ৬ | হেম চন্দ্ৰ হাজৰিকা | | উঃ লক্ষীমপুৰ নগৰ | ২২/৯/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ৭ | হেমকান্ত দুৱৰা | | বহগাথাৰ | ১৩/১০/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ৮ | পাণীন্দ্ৰ বৰুৱা | সোণাৰাম | হাৰমতি ১নং | ২৬/১০/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |

| ক্ৰম নং নাম | পিতাৰ নাম | ঠিকনা | নিৰ্য্যাতন |
|---|---|---|---|
| ৯ যোগেশ্বৰ বৰুৱা | চন্দ্ৰেশ্বৰ | বিহপুৰীয়া | ১৭/১২/৪২ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ১০ পূৰ্ণানন্দ দত্ত | মায়াৰাম | ধলপুৰ | ২০/৩/৪৩ গ্ৰেপ্তাৰ আৰু আটক বন্দী |
| ১১ হৰিপদ দত্ত | মুহিৰাম | ধলপুৰ | ৭/১০/৪২ গ্ৰেপ্তাৰ এবছৰ সশ্ৰম কাৰাদণ্ড ২৪/১/৪৩ তাং এ যোৰহাট কাৰাগাৰত আহত হয়। |
| ১২ লীলাৰাম ভূএগ | যদুৰাম | মাধৱপুৰ | ২৮/৪/৪৩ গ্ৰেপ্তাৰ তিনিমাহ হাজোতত বাস, এদিন ফাটেক গৃহবন্দী |
| ১৩ বিপুল চন্দ্ৰ দত্ত | নবীন | ধলপুৰ | এবছৰ সশ্ৰম কাৰাদণ্ড |
| ১৪ মহানন্দ বৰা | ভবাম | উঃ লক্ষীমপুৰ | ২৮/১/৪৪ গ্ৰেপ্তাৰ, ছমাহ সশ্ৰম কাৰাদণ্ড |
| ১৫ গোবিন্দ চন্দ্ৰ বৰা | কণ নাথ | ,, | ২৪/১০/৪২ গ্ৰেপ্তাৰ, এশ টকা জৰিমনা, অনাদায়ে ১ মাহ ফাটেক |
| ১৬ সাগৰ চন্দ্ৰ বৰা | লক্ষী নাথ | পাণীগাঁও | ৭/১০/৪২ গ্ৰেপ্তাৰ ১ বছৰ সশ্ৰম কাৰাদণ্ড ২৪/১/৪৩ তাং এ যোৰহাট কাৰাগাৰত আহত হয়। |
| ১৭ ফটিক চন্দ্ৰ ভূএগ | ভূধৰ | ,, | ২৮/১/৪৪ ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ১৮ নিৰুণ চন্দ্ৰ ভূএগ | কলীয়া | ,, | ৩০/৯/৪২ গ্ৰেপ্তাৰ ৬ মাহ সশ্ৰম কাৰাদণ্ড, সম্পত্তি হানি |
| ১৯ ৰত্নেশ্বৰ বৰা | বাপীৰাম | স'লাল গাঁও | ৭/১০/৪২ ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২০ কমল চন্দ্ৰ ভাগৱতী | | পানীগাঁও | ১ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২১ পোৱাল চন্দ্ৰ বৰা | সোণাৰাম | কেন্দুগুৰি | ২০/৯/৪৩, ২৫ টকা জৰিমনা, অনাদায়ে এমাহ ফাটেক |
| ২২ ভুবন চন্দ্ৰ বুঢ়াগোঁহাই | চন্দ্ৰেশ্বৰ | গোহাঁই টেকেলা | ৩১/৮/৪৩ গ্ৰেপ্তাৰ কৰি ১ দিন ফাটেক দিয়ে। ১০/৯/৪৩ তাং এ খালাচ হোৱাৰ পিচত ২৬/১/৪৪ তাং এ গ্ৰেপ্তাৰ কৰি তিনিমাহ ফাটেক দিয়ে। |
| ২৩ ৰত্নেশ্বৰ বৰা | মিনাই | কমলাবৰীয়া | ২৮/১/৪৪ তাং এ গ্ৰেপ্তাৰ কৰি ১০০/ জৰিমনা কৰে। অনাদায়ে ৩ মাহ ফাটেকৰ হুকুম হয়। জৰিমনা আদায় দিয়াত ১১/৪/৪৪ তাং এ খালাচ দিয়ে। |
| ২৪ হৰি চন্দ্ৰ বৰুৱা | কমল চন্দ্ৰ | বসতি জামুগুৰি | ১৭/১/৪৪ গ্ৰেপ্তাৰ ২৯/১ তাং ৰ পৰা ছমাহ সশ্ৰম কাৰাদণ্ড |

| ক্ৰম নং | নাম | পিতাৰ নাম | ঠিকনা | নিৰ্য্যাতন |
|---|---|---|---|---|
| ২৫ | মালভোগ বৰুৱা | | ভাতিবাহাৰ | ১৩/১০/৪২ „ ৩ মাহ সশ্ৰম কাৰাদণ্ড |
| ২৬ | ঘন কান্ত বৰা | টংকেশ্বৰ | অবাবাৰী | ৩ বছৰ সশ্ৰম কাৰাদণ্ড |
| ২৭ | ভবকান্ত বৰা | মাধৰাম | ভাতিবাহাৰ | ১৩/১০/৪২ „ ১৫ দিন হাজোতত ৰাখি ১ দিন ফাটেক দিয়ে। |
| ২৮ | মহেশ্বৰ বৰুৱা | যজ্ঞোৰাম | সাওকুছি | ৯ মাহ সশ্ৰম কাৰাদণ্ড |
| ২৯ | গাজাধৰ কুৰ্মী | মাণিক | এঙাৰখোৱা | ১০/৪/৪৩ তাং এ গ্ৰেপ্তাৰ কৰি ৩১/৮/৪৩ তাৰিখলৈকে হাজোতত ৰাখি ১ দিন ফাটেক দি খালাচ দিলে। |
| ৩০ | কান্দ্ৰা ওৰাং | কেতোৰা | „ | ২২/৩/৪৩ তাং এ গ্ৰেপ্তাৰ কৰি ১০ দিন হাজোতত ৰাখি ১/৪/৪৩ তাং এ ১ দিন ফাটেক দি এৰি দিলে। |
| ৩১ | সুকেশ চন্দ্ৰ চক্ৰৱৰ্তী | | কলাখোৱা | আহত আৰু এমাহ সশ্ৰম কাৰাদণ্ড। |
| ৩২ | ডম্বৰুধৰ চেতীয়া | মধু | চেতীয়াগাঁও | ২৬/১/৪৪ তাং এ গ্ৰেপ্তাৰ, ১০০/ টকা জৰিমনা অনাদায়ে ৩ মাহ সশ্ৰম কাৰাদণ্ড। |
| ৩৩ | কান্তৰাম চুতীয়া | আনন্দৰাম | কেকুৰী বেৰেঙীয়া | ৩০/৯/৪২ তাং গ্ৰেপ্তাৰ কৰি ৩ দিন হাজোতত ৰাখি এৰি দিলে। |
| ৩৪ | ফণীধৰ চুতীয়া | মধু | খাৰুৱা পথাৰ | ১৩/৮/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ ১৭/৮/৪৩ তাং এ খালাচ হ'ল। |
| ৩৫ | বাপুৰাম দত্ত | সাধুৰাম | বাহাদুৰ চুক | ৬/৯/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ ২০ টকা জৰিমনা বাবে এমাহ ফাটেক, পুনৰ ২৬/১/৪৪ তাং এ গ্ৰেপ্তাৰ হৈ ১০০ টকা জৰিমনাৰ বাবে ৩ মাহ সশ্ৰম কাৰাদণ্ড হ'ল। তাৰ আগতে ২৫/৬/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ ১ মাহ ফাটেক খালে। |
| ৩৬ | মুক্তা নাথ দাস | গোপী নাথ | বচাগাঁও | ৩০/৯/৪২ তাং এ গ্ৰেপ্তাৰ হৈ ১ দিন ফাটেকৰ পিচত ২/১০/৪২ তাং এ খালাচ হ'ল। |
| ৩৭ | সোণাৰৰ দাস | জালিৰাম | „ | ৩০/৯/৪২ তাং এ গ্ৰেপ্তাৰ হৈ ১ দিন ফাটেক খোৱাৰ পিছত ২/১০/৪২ তাং এ খালাচ হ'ল। |
| ৩৮ | তিলক দত্ত | ফটিক | এঙাৰখোৱা | ২৬/১/৪৪ তাং এ গ্ৰেপ্তাৰ হৈ ১০০ টকা জৰিমনাৰ কাৰণে ৩ মাহ ফাটেক খালে। |

| ক্ৰম নং নাম | পিতাৰ নাম | ঠিকনা | নিৰ্য্যাতন |
|---|---|---|---|
| ৩৯ বিষ্টু খৰা | বড়েশ্বৰ | যোৰহটীয়া গাঁও | ২ বছৰ অন্তৰীণ |
| ৪০ সোণাৰাম দত্ত | | খাৰুকটি | ৫০ টকা জৰিমনা |
| ৪১ ভুবন চন্দ্ৰ দাস | বাবুলা | বচাগাঁও | ৫০ টকা জৰিমনা |
| ৪২ সোণেশ্বৰ দাস | লাইতকীয়া | বচাগাঁও | ১৫ দিন হাজোত, ৫০ টকা জৰিমনা। |
| ৪৩ ঘনকান্ত দত্ত | কনকেশ্বৰ | পানীগাঁও | ৩১/৮/৪৩ গ্ৰেপ্তাৰ হৈ ১ দিন ফাটেকৰ পিছত ১০/৯/৪৩ খালাচ |
| ৪৪ কনকেশ্বৰ দত্ত | | লেচাইগাঁও | ২৭/১০/৪২ তাং এ গ্ৰেপ্তাৰ হৈ ২৫ টকা জৰিমনাৰ কাৰণে এমাহ ফাটেক। পুনৰ ৪/৯/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ ৩০ টকা জৰিমনাৰ কাৰণে ৩ মাহ ফাটেক যোৰহাট জেলত ভোগ কৰিলে। |
| ৪৫ গোলাপ চন্দ্ৰ দত্ত | যজ্ঞোৰাম | স'লাল গাঁও | ৭/১০/৪২ তাং এ গ্ৰেপ্তাৰ হৈ এদিন ফাটেক খাই ৯/১০/৪২ তাং এ খালাচ পালে। |
| ৪৬ চন্দ্ৰ নাথ দত্ত | লোকনাথ | জৰাবাৰী | ২/৩/৪৩ গ্ৰেপ্তাৰ হৈ ৬/৩/৪৩ এদিন কাৰাবাস খাতি মুক্তি পায়। |
| ৪৭ আনন্দ দত্ত | | ঢকুৱাখনী | ৭/২/৪২ তাং এ গ্ৰেপ্তাৰ হৈ আটক বন্দী স্বৰূপে ছিলেট জেললৈ স্থানান্তৰ হ'ল। |
| ৪৮ কনক চন্দ্ৰ গায়ন | টুনিৰাম | বাংচলীয়া গাঁও | ২৮/১/৪৪ তাং এ গ্ৰেপ্তাৰ হৈ ১০০ টকা জৰিমনাৰ পৰিৱৰ্তে ৩ মাহ সশ্ৰম কাৰাদণ্ড হ'ল। |
| ৪৯ টঙ্কেশ্বৰ গগৈ | কন নাথ | শিঙিমাৰী | ঐ |
| ৫০ থানুৰাম গগৈ | মালভোগ | জালুককটা। | ১৩/৩/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ হাজোতত থাকি বিচাৰত ১ দিন ফাটেকৰ পিছত ৩/৪/৪৩ তাং এ খালাচ হ'ল। |
| ৫১ টুনিৰাম হাজৰিকা | কন নাথ | হিন্দুগাঁও | ২৬/১/৪৪ তাং এ গ্ৰেপ্তাৰ হোৱাৰ পিছত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰিছিল। |
| ৫২ ডম্বৰুধৰ হাজৰিকা | সভাৰাম | কেন্দুগুৰি | ২৬/৬/৪৩ গ্ৰেপ্তাৰ হৈ ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰিলে। |
| ৫৩ বোগেশ্বৰী দাস হাজৰিকা | স্বাঃ মহেন্দ্ৰ হাজৰিকা | নগাঁও | ২৬/৬/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ ১ মাহ ফাটেক খাইছিল। |
| ৫৪ নাৰায়ণ চন্দ্ৰ হাজৰিকা | জিউৰাম | গৰুবন্ধা | ১০/১২/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ ৩ মাহ সশ্ৰম কাৰাদণ্ড হ'ল। |

| ক্রম নং নাম | পিতাৰ নাম | ঠিকনা | নির্য্যাতন |
|---|---|---|---|
| ৫৫ গোলাপ চন্দ্ৰ কলিতা | যজ্ঞোৰাম | স'লাল গাঁও | এবছৰ সশ্ৰম কাৰাদণ্ড |
| ৫৬ শইকীয়া কোঁচ | অনুৰাম | এঙ্গাৰখোৱা | ৩১/৮/৪৩ তাং এ গ্ৰেপ্তাৰ হৈ ৩ মাহ সশ্ৰম কাৰাদণ্ড হ'ল। ৩০ টকা জৰিমনা, ১ মাহ হাজোতত বাস |
The A.I.C.C. would yet again at this last moment in the interest of the world freedom renew this appeal to Britain and the United nations. But the committee feels that it is no longer justified in holding the nation back from endeavouring to assert its will against an imperialist and authoritarian government which dominates over it and prevents it from functioning in its own interest and in the interest of humanity. The committee resolves, therefore, to sanction for the vindication of India's inalienable right to freedom and independence. The starting of a mass struggle on non-violent lines on the widest possible scale, so that the country utilise all the non-violent strength it has gathered during the last twenty two years of peaceful struggle must inevitably be under the leadership of Gandhiji and the committee request him to take lead and to guide the nation in the steps to be taken.

The committee appeals to the people of India to face the dangers and hardships that will fall to their lot with courage and endurance

and to carry out its instructions as disciplined soldiers of Indias freedom. They must remember that non violence in the basis of this movement. A time may come when it may not be possible to issue instructions or for instructions to reach our people, and when no congress committee can function. When this happen, every man and woman who is participating in this movement must function himself or herself within the four corness of the general instructions issued. Every Indian who desires freedom and strives for it must be his own guide urging him on along the hard road where there is no resting place and which leads ultimately to the independency and deliverance of India.

Lastly whilst the A.I.C.C. has started its own view of the future government under free India. The A.I.C.C. wishes to make it quite clear to all concerned that by embarking on mass struggle it has no intention of gaining power for the congress. The power, when it comes, will belong to the whole people of India.

১৯৪২ চনৰ আগষ্ট মাহৰ পৰা ১৯৪৪ চনৰ জানুৱাৰী মাহলৈকে হোৱা আন্দোলনৰ খৰচ আনুমানিক ঃ—

জমা ঃ—

| | |
|---|---|
| অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ পৰা মাহিলি | |
| ১০০/- টকা হিচাবে ১৬ মাহত | ১,৬০০.০০ |
| ৰাইজৰ পৰা দান স্বৰূপে সংগ্ৰহ কৰা | ১৫,০০০.০০ |
| খৰচ ঃ | ১৬,৬০০.০০ |
| বিভিন্ন শিবিৰত হোৱা খৰচ | ১০,০০০.০০ |
| আঠুৱা দিয়া | ৫০০.০০ |
| যাতায়াত আদিত | ১,০০০.০০ |
| অন্যান্য খৰচ | ৫,১০০.০০ |
| মুঠ | ১৬,৬০০.০০ |

## হাতবাকী নাই

অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা প্ৰাক্তন ৰাজ্যপাল মহেন্দ্ৰ মোহন চৌধুৰীদেৱ উত্তৰ লক্ষীমপুৰলৈ আহি ১৯৪২-৪৩ চনত আন্দোলনত

হোৱা খা-খৰচ সম্পৰ্কত হিচাব বিচাৰোতে সেই সময়ত তেখেতক জাপজুপ গাঁৱৰ অমূল্য গোস্বামীৰ ঘৰত বহি জিলা কংগ্ৰেছৰ সভাপতি, সম্পাদক হৰি চন্দ্ৰ বৰুৱা আৰু ললিত শৰ্মাই এইদৰে এটা আনুমানিক হিচাব দিয়া হৈছিল।

## ভাৰত চৰকাৰৰ দ্বাৰা লক্ষীমপুৰৰ তাম্ৰপত্ৰপ্ৰাপ্ত মুক্তিযুঁজাৰুসকল

ভাৰতৰ স্বাধীনতা আন্দোলনত যিসকল লোকৰ ছমাহ বা তাতকৈ বেছিদিন আটক বা ফাটেক হৈ কাৰাগাৰত আছিল। সেইসকলৰ ভিতৰত, যিসকল সেই সময়ত জীৱিত আছিল সেইসকলক ভাৰত চৰকাৰৰ হৈ সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী মাননীয়া ইন্দিৰা গান্ধীয়ে সন্মান প্ৰদৰ্শন কৰি একোখন তাম্ৰপত্ৰ, একোখন ৰাষ্ট্ৰীয় পতাকা, কপাহৰ সূতাৰে তৈয়াৰ কৰা এধাৰি মালাৰে সম্বৰ্দ্ধনা জনাই দিল্লীৰ লালকিল্লাত ১৯৭২ খৃঃৰ ১৫ আগষ্টৰ দিনা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পিছতে সমগ্ৰ ভাৰতৰ ১১০০ মুক্তিযোদ্ধাক (স্বতন্ত্ৰ সৈনিক) প্ৰদান কৰিছিল। এই অনুষ্ঠানত উঃ লক্ষীমপুৰৰ পৰা সেই সময়ৰ জিলা কংগ্ৰেছৰ সভাপতি মহানন্দ বৰা, প্ৰবীণ কৰ্মী তীৰ্থেশ্বৰ হাজৰিকা দুয়ো গৈ তাম্ৰপত্ৰ গ্ৰহণ কৰিছিল। দেশৰ বাকী মুক্তিযোদ্ধাসকলক মহকুমাৰ সদৰবিলাকত ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে প্ৰদান কৰিছিল। উঃ লক্ষীমপুৰত ১৯৭৩ চনৰ ৩১ মে' তাৰিখে গান্ধী ময়দানত চৰকাৰী ভাৱে আয়োজন কৰা প্ৰতিনিধিমূলক এখন ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰীৰ হৈ সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী মাননীয় শৰৎ চন্দ্ৰ সিংহই ৫৬ জন মুক্তিযোদ্ধাক এই তাম্ৰপত্ৰ প্ৰদান কৰিছিল। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতিয়ে মুক্তিযোদ্ধাসকলক হাতে কটা কপাহৰ সূতাৰ মালা ডিঙিত পিন্ধাই দিছিল। মুখ্যমন্ত্ৰী সিংহ ডাঙৰীয়াই তাম্ৰপত্ৰৰ লগত অসমৰ স্বাধীনতা আন্দোলনৰ বিৱৰণ থকা, 'ভাৰতৰ মুক্তিযুঁজত অসম' নামৰ অসম মুক্তিযুঁজাৰু অভিবৰ্তন উপলক্ষে প্ৰকাশ কৰা এখনি পুস্তক প্ৰদান কৰিছিল। লগতে প্ৰতি মুক্তিযুঁজাৰুক একোখন প্ৰমাণপত্ৰও দিছিল। ভাৰত চৰকাৰে ভাৰতৰ যিসকল মুক্তিযোদ্ধাক এই তাম্ৰপত্ৰ প্ৰদান কৰিছিল সেইসকলক মাহে দুশ টকাকৈ কেন্দ্ৰীয় পেন্সনো দিছিল। এই পেন্সন কেইবাবছৰৰ মূৰে মূৰে এশ, দুশ, আঢ়েশকৈ বৃদ্ধি হৈ বৰ্তমান ইং ২০০১ চনত মৰগীয়া বানচসহ ৩৬০০/- টকা হৈছে।

অসম চৰকাৰেও অসমৰ মুক্তিযুঁজাৰুসকলক ১৯৮৯ চনৰ অক্টোবৰ মাহৰ

পৰা মাহে পাঁচশ টকাকৈ দিছে। অৱশেষত অসম চৰকাৰে অসমৰ মুক্তিযুঁজাৰুসকলক উক্ত চনৰ আগৰে পৰা ক্ৰমে ৬০, ১০০, ২০০ ৰ পৰা বঢ়াই নি পাঁচশ আৰু ১৯৯৩ চনৰ পৰা ১৫০০/- টকালৈ বৃদ্ধি কৰিছে। এই পেন্সন মুক্তিযুঁজাৰুজনৰ মৃত্যু হ'লে তেওঁৰ পুত্ৰ আৰু অবিবাহিত জীয়াৰীও ভোগ কৰাৰ ব্যৱস্থা আছে। বৰ্তমান তলত ভাৰত চৰকাৰৰ পৰা বিসকল লোকে তাম্ৰপত্ৰ পাইছিল সেইসকলৰ নাম দিয়া হ'ল।

| ক্ৰম নং | নাম | ঠিকনা |
|---|---|---|
| ১ | সৰ্বেশ্বৰ বৰুৱা | উঃ লক্ষীমপুৰ |
| ২ | হেম চন্দ্ৰ হাজৰিকা | ” |
| ৩ | তীৰ্থেশ্বৰ হাজৰিকা | ” |
| ৪ | মহানন্দ বৰা | ” |
| ৫ | উমাকান্ত ৰাজখোৱা | বাইদঙ্গিয়া গাঁও |
| ৬ | লীলাৰাম ভূঞা | পিছলাগুৰি, মাধৱপুৰ |
| ৭ | ধ্যানেশ্বৰ গগৈ | হাবুমুখি, ” |
| ৮ | হেমকান্ত দুৱৰা | [illegible] |
| ৯ | পূৰ্ণানন্দ দত্ত | ঢলপুৰ |
| ১০ | চেনিচন্দ্ৰ শইকীয়া | মাধৱপুৰ |
| ১১ | ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী | পাণবাৰী |
| ১২ | অকমান দত্ত | পানীগাঁও |
| ১৩ | অনন্ত দত্ত | ঢলপুৰ |
| ১৪ | অৰুণ গগৈ | বহপথাৰ |
| ১৫ | আনন্দ দত্ত | জীয়ামৰীয়া গাঁও |
| ১৬ | ইন্দ্ৰেশ্বৰ শৰ্মা | আজাদ |
| ১৭ | হৰিপদ দত্ত | ঢলপুৰ |
| ১৮ | পাণীন্দ্ৰ নাথ বৰুৱা | মাধৱপুৰ |
| ১৯ | খগেশ্বৰ ভূঞা | জাপজুপ |
| ২০ | গজিন্দ্ৰ কোঁৱৰ | বগুৰি |
| ২১ | গোলোক চন্দ্ৰ বৰুৱা | বিহপুৰীয়া |
| ২২ | গোলোক চন্দ্ৰ বৰা | ভাতিবাহাৰ |

| | | |
|---|---|---|
| ২৩ | গোলোক চন্দ্ৰ বৰা | শাওকুছি |
| ২৪ | চন্দ্ৰ নাথ দত্ত | নাৰায়ণপুৰ |
| ২৫ | টুনিৰাম হাজৰিকা | হিন্দুগাঁও, লক্ষীমপুৰ |
| ২৬ | ভদ্ৰেশ্বৰ কাকতি | কলাবাৰী |
| ২৭ | তাৰাপ্ৰসাদ শৰ্মা | বগীনদী |
| ২৮ | তুলসী শইকীয়া | শাওকুচী |
| ২৯ | গোলাপ চন্দ্ৰ শইকীয়া | সান্দহখোৱা |
| ৩০ | দেবেন চেতীয়া | শিমলুগুৰি, বঙতি |
| ৩১ | দোমাই শইকীয়া | দুলীয়া পথাৰ |
| ৩২ | নিবাৰণ ভূঞা | পানীগাঁও, গুৱাহাটী |
| ৩৩ | পূৰ্ণ তামুলী | জৰাবাৰি |
| ৩৪ | ফটিক চন্দ্ৰ ভূঞা | পানীগাঁও, যোৰহাট |
| ৩৫ | বোধেশ্বৰ বৰা | বৰবৰি গাঁও |
| ৩৬ | বিপুল দত্ত | ঢলপুৰ |
| ৩৭ | ভুলিৰাম বৰা | বহপথাৰ |
| ৩৮ | দ্বাৰিকা ফুকন | কলিতাগাঁও, খিলামৰা |
| ৩৯ | মহেন্দ্ৰ নাথ তালুকদাৰ | কাঁচিকটা |
| ৪০ | কমল পাচনি | তাতিবাহাৰ |
| ৪১ | মহেন্দ্ৰ নাথ ভূঞা | নাৰায়ণপুৰ |
| ৪২ | মুক্তিৰাম হাজৰিকা | শ্ৰীভূঞা |
| ৪৩ | [illegible] বৰা | স'লালগাঁও |
| ৪৪ | লক্ষীৰাম দত্ত | দুলীয়াপথাৰ |
| ৪৫ | লোকেশ্বৰ কাকতি | ৰঙবালি |
| ৪৬ | ললিত চন্দ্ৰ শৰ্মা | কমলাবাৰীয়া |
| ৪৭ | সূৰ্য্য প্ৰসাদ গুপ্তা | বিহপুৰীয়া |
| ৪৮ | সোণাৰাম শইকীয়া | সত্ৰশালী |
| ৪৯ | সাগৰ বৰা | পানীগাঁও |
| ৫০ | হৰকান্ত ভূঞা | শাওকুছি |

| | | |
|---|---|---|
| ৫১ | হৰিচন্দ্ৰ বৰুৱা | বদতি, জামুগুৰি |
| ৫২ | নন্দনাথ দলৈ | গোসাঁই পথাৰ, বিহপুৰীয়া |
| ৫৩ | কানু কোঁৱৰ | বহপথাৰ |
| ৫৪ | হেৰম্ব ফুকন | নবাগাঁও |
| ৫৫ | প্ৰিয়ৰাম দুৱৰা | বহপথাৰ |
| ৫৬ | মাণিক শৰ্মা বৰুৱা | চিনাতলী |

অসম চৰকাৰৰ দ্বাৰা প্ৰকাশিত লক্ষীমপুৰ জিলাৰ নিৰ্যাতনৰ চমু বিৱৰণ। নতুন দৈনিক ১৪ মে', ১৯৯২

## মোতামোতি হিচাব ঃ

১। বাজেয়াপ্ত কৰা বন্দুকৰ পৰিমাণ—২৯ টা

২। লক্ষীমপুৰ জিলা কংগ্ৰেছ কমিটীখন চৰকাৰে নিষিদ্ধ ঘোষণা কৰা তাং ৭ ছেপ্টেম্বৰ ১৯৪২। লক্ষীমপুৰ জিলা কংগ্ৰেছ কমিটীখন নিষিদ্ধ প্ৰত্যাহাৰ কৰা তাৰিখ ৩১ মে', ১৯৪৫।

৩। লক্ষীমপুৰ জিলাত পুলিচৰ গুলি চালনা হৈছিল ১ বাৰ।

৪। লক্ষীমপুৰ জিলাৰ সকলো শান্তিসেনা নিষিদ্ধ ঘোষণা কৰা তাৰিখ ৭ ছেপ্টেম্বৰ, ১৯৪২ । লক্ষীমপুৰ জিলাৰ সকলো শান্তিসেনা নিষিদ্ধ প্ৰত্যাহাৰ কৰা তাৰিখ ৩১ মে', ১৯৪৫

৫। উঃ লক্ষীমপুৰ চহৰত ১৯৪২ চনৰ ১০ ছেপ্টেম্বৰৰ দিনা সান্ধ্য আইন বলবৎ কৰা হৈছিল।

৬। গণ আন্দোলন আৰম্ভ হোৱাৰ পূৰ্বে চৰকাৰে ১৪৪ ধাৰা নিষেধাজ্ঞা বলবৎ কৰিছিল।

৭। সমগ্ৰ অসম প্ৰদেশৰ সমভূমি অঞ্চলত তলত লিখা দুখন আইন ১৯৪২ চনৰ ২১ মে'ৰ পৰা প্ৰবৰ্তন কৰিছিল।

(১) The Special Criminal Courts Ordinance, 1942

(২) Penathes Enhencement Ordinance, 1942

ইয়াৰ উপৰি ১৯৪২ চনৰ ৯ জুলাইৰ পৰা আইনৰ ৭নং ধাৰাটো প্ৰদেশখনৰ সকলোবোৰ সমভূমি অঞ্চলত প্ৰবৰ্তন কৰা হৈছিল।

৮। ১৯৪৩ চনৰ ৩১ ডিচেম্বৰ তাৰিখলৈকে লক্ষীমপুৰত বন্দী হোৱা লোকৰ সংখ্যা ৪৭৯ জন। তাৰ পিছত ১৯৪৪ চনৰ ১ জানুৱাৰীৰ পৰা ২৬ জানুৱাৰীলৈকে ১৩ জন। মুঠ ৪৯২। ইয়াৰ ভিতৰত ১৯৪২-৪৩ চনত আটকবন্দী ১০ জন, ফাটেক হয় ১০১ জনৰ। সৰ্বমুঠ ১১১ জন।

৯। পাইকাৰী জৰিমনা ১০,০০০ টকা

ভাৰত ত্যাগ আন্দোলনৰ সোণালী জয়ন্তী উদযাপন উৎসৱ অসম চৰকাৰে ৰাজধানী দিছপুৰত ১৯৯৩ চনৰ ৯ আগষ্টৰ দিনা অনুষ্ঠিত কৰি গোটেই অসমৰ লগতে লক্ষীমপুৰ জিলাৰ ন-পুৰণি মুক্তিযুঁজাৰুসকলক সদৃশ তাম্ৰপত্ৰ দিছিল সেই সকলৰ নাম তলত উল্লেখ কৰা হ'ল।

| ক্ৰম নং | নাম | ঠিকনা |
|---|---|---|
| ১ | পদ্মকান্ত কাকতি | দঙ্গিবিল |
| ২ | শৈলেন্দ্ৰ নাথ শইকীয়া | ভোগপুৰ চাৰিআলি |
| ৩ | তিলক মোহন দস্তিদাৰ | তালং গাঁও |
| ৪ | নবীন চন্দ্ৰ বৰুৱা | লালুক |
| ৫ | ফটিক চন্দ্ৰ ভূঞা | পানীগাঁও |
| ৬ | টুনিৰাম হাজৰিকা | হিন্দুগাঁও |
| ৭ | প্ৰিয়ৰাম দুৱৰা | বহপথাৰ |
| ৮ | সাগৰ চন্দ্ৰ বৰা | পানীগাঁও |
| ৯ | ৰত্নেশ্বৰ বৰা | স'লালগাঁও |
| ১০ | পুৰন্দৰ মহন্ত | দকুৱা, ঢলপুৰ |
| ১১ | কমলেশ্বৰ পাচনি | তাতিবাহাৰ |
| ১২ | অকমান দত্ত | পানীগাঁও |
| ১৩ | পূৰ্ণকান্ত তামুলী | জৰাবাৰী |
| ১৪ | থানেশ্বৰ গগৈ | হাৰমতি, নাৰায়ণপুৰ |
| ১৫ | বোধেশ্বৰ বৰা | ৰৰবৰি „ |
| ১৬ | গোলাপ চন্দ্ৰ শইকীয়া | সান্দহখোৱা |
| ১৭ | মুহিৰাম হাজৰিকা | শ্ৰীভূঞা গাঁও |
| ১৮ | ডিম্বেশ্বৰ ভূঞা | চাৰতি |
| ১৯ | দেবেন্দ্ৰ চেতিয়া | বঙ্গতি |
| ২০ | মহেশ্বৰ বৰুৱা | মাধৱপুৰ |

| | | |
|---|---|---|
| ২১ | বাপুৰাম দত্ত | বাহাদুৰ চুক |
| ২২ | মাণিক চন্দ্ৰ শৰ্মা | খ'ৰা চিনাতলী |
| ২৩ | হৰিচন্দ্ৰ বৰুৱা | বদতি জামুগুৰি |
| ২৪ | লীলাৰাম ভূঞা | পিছলাগুৰি |
| ২৫ | লক্ষীৰাম দত্ত | দুলীয়া পথাৰ |
| ২৬ | গজেন্দ্ৰ কোঁৱৰ | বঙ্গতি |
| ২৭ | সোণাৰাম শইকীয়া | ঢেকীয়াজুলি |
| ২৮ | উমাকান্ত ৰাজখোৱা | বাইদঙ্গিয়া |
| ২৯ | গেবেলা কোঁচ | গোগামুখ |
| ৩০ | মহেন্দ্ৰ বৰা | ৩ নং বাৰ্ড, উঃ লঃ টাউন |
| ৩১ | লম্বোদৰ দত্ত | চমুৱাগাঁও, চাবতি |
| ৩২ | চন্দ্ৰ নাথ দত্ত | তিনিকুৰীয়া |
| ৩৩ | বগামল দত্ত | বাংচেলীয়া |
| ৩৪ | নবীন চন্দ্ৰ বৰা | উঃ লক্ষীমপুৰ টাউন |
| ৩৫ | ভদ্ৰেশ্বৰ দত্ত | বাহাদুৰ চুক |
| ৩৬ | থানেশ্বৰ বৰা | ৰাজখোৱা গাঁও |
| ৩৭ | আদিৰাম গগৈ | শিয়ালবাৰী |
| ৩৮ | বিপিন দত্ত | গড়েহগা |
| ৩৯ | দেবেশ্বৰ কোচ | মোতৰ চুক |
| ৪০ | ভোলাৰাম দত্ত | আমতলা |
| ৪১ | উপেন্দ্ৰ নাথ দাস | বাহাদুৰ চুক |
| ৪২ | মনেশ্বৰ ভৰালী | কুমাৰ পটা |
| ৪৩ | মহিধৰ বৰুৱা | ধেনুধৰীয়া |
| ৪৪ | চিদানন্দ ফুকন | খাৰকাটি |
| ৪৫ | মহন্ত দত্ত | মাউতৰ চুক |
| ৪৬ | কালিৰাম দত্ত | পানীগাঁও |
| ৪৭ | মহিবুল হুছেইন হাজৰিকা | উঃ লক্ষীমপুৰ |
| ৪৮ | দেউৰাম শইকীয়া | চুতীয়া কাৰী |
| ৪৯ | খগেন্দ্ৰনাথ গোহাঁই বৰুৱা | নকাৰী |
| ৫০ | চন্দ্ৰকমল হাজৰিকা | গৰমুৰীয়া গাঁও |
| ৫১ | অভিৰাম বৰুৱা | চৰাইমৰীয়া |

| | | |
|---|---|---|
| ৫২ | গণেশ চন্দ্ৰ দত্ত | ৰবৰিল |
| ৫৩ | ইন্দ্ৰনাথ দত্ত | লেচাইগাঁও |
| ৫৪ | গোবিন চন্দ্ৰ দত্ত | ঘাৰমৰা |
| ৫৫ | জীৱন দত্ত | গড়েহগা |
| ৫৬ | চিত্ৰ খনিকৰ | চাৰতি |
| ৫৭ | ডিম্বেশ্বৰ দত্ত | হোকা চাপৰি |
| ৫৮ | নাৰায়ণ শহকৰ | উঃ লক্ষীমপুৰ টাউন |
| ৫৯ | যজ্ঞেশ্বৰ কাকতি | গড়েহগা |
| ৬০ | নিৰ্মল গগৈ | কদম |
| ৬১ | মদন হাজৰিকা | ভীমপৰা |
| ৬২ | দুৰ্গেশ্বৰ বুঢ়াগোঁহাই | গোঁসাই টেকেলা |
| ৬৩ | গোপাল চন্দ্ৰ ভূঞা | জবিচোপ |
| ৬৪ | সৰু ল'ৰা শইকীয়া | কুমাৰকটা |
| ৬৫ | লক্ষেশ্বৰ বৰুৱা | পানীগাঁও |
| ৬৬ | কনক চন্দ্ৰ গগৈ | টেঙাপনি |
| ৬৭ | বলোৰাম গগৈ | কুলাবালি |
| ৬৮ | কদ্ৰৰাম দত্ত | গড়েহগা, সোণাৰি |
| ৬৯ | মুহিধৰ কাকতি | দ'লহাত |
| ৭০ | ভৱকান্ত বৰা | তাতিবাহাৰ |
| ৭১ | কেশৱ চন্দ্ৰ মহন্ত | দ'লহাত |
| ৭২ | বিপিন খাতনিয়াৰ | হোঁকা চাপৰি |
| ৭৩ | প্ৰেমধৰ ভূঞা | পানীগাঁও |
| ৭৪ | জিনাৰাম ভূঞা | কাচিকটা |
| ৭৫ | মিঠাৰাম শইকীয়া | কুলবাৰী |
| ৭৬ | ঘনকান্ত বৰা | জৰাবাৰী |
| ৭৭ | বেখানাথ কোঁৱৰ | বিহপুৰীয়া |
| ৭৮ | ডম্বৰুধৰ চেতীয়া | জালভাৰী |
| ৭৯ | দণ্ডিৰাম দত্ত | ৰবজানি |
| ৮০ | ভুবাৰাম দত্ত | বিহপুৰীয়া |
| ৮১ | দয়ানন্দ হাতীবৰুৱা | শিমলুগুৰি |
| ৮২ | বংশীধৰ ভূঞা | পানীগাঁও |
| ৮৩ | মহিৰাম দত্ত | জালভাৰী |

| | | |
|---|---|---|
| ৮৪ | শিৱ নাথ হাজৰিকা | মাধৱপুৰ |
| ৮৫ | গুণাৰাম দত্ত | গড়েহগা |
| ৮৬ | ডিম্বেশ্বৰ মহন্ত | জকাই পেলোৱা |
| ৮৭ | মহানন্দ বৰা | উঃ লক্ষীমপুৰ টাউন |
| ৮৮ | বোধেশ্বৰ গগৈ | কৰছোং |
| ৮৯ | ৱাহিদ আলী | উঃ লক্ষীমপুৰ টাউন |
| ৯০ | ঘনশ্যাম কলিতা | ঘিলামৰা |
| ৯১ | সৰুকণ বৰা | বাঁহপাতি |
| ৯২ | মোহন চন্দ্ৰ ফুকন | জালভাৰী |
| ৯৩ | গদ্ধেশ্বৰ বৰকটকী | ভোলাবৰি |
| ৯৪ | ভুবন চন্দ্ৰ বৰুৱা | মাধৱপুৰ |
| ৯৫ | বংশীধৰ শৰ্মা | বৰমুৰীয়া, উঃ লঃ |
| ৯৬ | খৰ্গেশ্বৰ বৰা | পানীগাঁও |
| ৯৭ | মুনীন্দ্ৰ কুমাৰ বৰুৱা | বিহপুৰীয়া |
| ৯৮ | ঘনকান্ত ভুঞা | জৰাবাৰী |
| ৯৯ | অশ্বকান্ত গোস্বামী | মাহবাসত্ৰ |
| ১০০ | শুভেশ্বৰ ৰাজখোৱা | বগামুখ |
| ১০১ | ভীমলাল শৰ্মা | দঙ্গিবিল |
| ১০২ | ৰত্নেশ্বৰ শৰ্মা | স'লালগাঁও |
| ১০৩ | বোষেশ্বৰ খনিকৰ | ঘুনাসুতি |
| ১০৪ | টঙ্কেশ্বৰ দত্ত | তেলীয়াগাঁও |
| ১০৫ | ধনিৰাম গগৈ | ঢলপুৰ |
| ১০৬ | বাবুল বৰুৱা | বিহপুৰীয়া |
| ১০৭ | ভুতিৰাম পাঠক | গোগামুখ |
| ১০৮ | সোনাৰাম বৰা | সকৰাহী |
| ১০৯ | ৰাধানন্দ বৰা | জৰাবাৰী |
| ১১০ | সোণাৰাম ভুঞা | কোৱাদঙ্গা, দ'লহাট |
| ১১১ | গোবিন হাজৰিকা | চৰাইদলনি |
| ১১২ | গোবিন দত্ত | ঘাৰমৰা |
| ১১৩ | মেঘনাথ ভৰালী | শিয়ালবাৰী |
| ১১৪ | মহেন্দ্ৰ দস্তিদাৰ | চাবতি |
| ১১৫ | যজ্ঞৰাম ভুঞা | মাধৱপুৰ |

| | | |
|---|---|---|
| ১১৬ | মোহন হাজৰিকা | শ্ৰীভূঞা |
| ১১৭ | ডিম্বেশ্বৰ ভূঞা | চাবতি |
| ১১৮ | টিকেন্দ্ৰ নাথ হাজৰিকা | বৰদলনি |
| ১১৯ | অমূল্য গোস্বামী | বিহপুৰীয়া |
| ১২০ | ৰামেশ্বৰ বৰুৱা | জৰাবাৰী |
| ১২১ | ভোলাৰাম দত্ত | আমতলা |
| ১২২ | ডম্বৰু শইকীয়া | মৰিছাপথাৰ, বিহপুৰীয়া |
| ১২৩ | লীলা শইকীয়া | গোপলপুৰ |
| ১২৪ | গোপাল কোঁচ | হমৰা |
| ১২৫ | তিলেশ্বৰ বৰুৱা | দকুৱা, ঢলপুৰ |
| ১২৬ | বাপুৰাম বৰা | দেৰুগাএঁগা গাঁও |
| ১২৭ | পৰমানন্দ বৰা | বালিগাঁও, ঢকুৱাখনা |
| ১২৮ | ঈশেশ্বৰ হাজৰিকা | গোসাঁইপথাৰ, বিহপুৰীয়া |
| ১২৯ | পূৰ্ণ বৰা | দঙিবিল |
| ১৩০ | সোণাবৰ দাস | বছাগাঁও |
| ১৩১ | মুক্তানাথ ৰাজখোৱা | ঐ |
| ১৩২ | অৰুণ শইকীয়া | বগালীজান |
| ১৩৩ | হলিৰাম শইকীয়া | ২নং মতিয়া |
| ১৩৪ | নিধিৰাম শইকীয়া | মধুপুৰ, শঙ্কৰপুৰ |
| ১৩৫ | যোগেশ্বৰ চুতীয়া | গোগমুখ |
| ১৩৬ | কমল চন্দ্ৰ ভূঞা | নাৰায়ণপুৰ |
| ১৩৭ | ঘনকান্ত দাস | মহৰা, বৰচাপৰি |
| ১৩৮ | ভোবাৰাম গোহাঁই | ৰাইদঙিয়া |
| ১৩৯ | গোলোক চন্দ্ৰ বৰুৱা | বিহপুৰীয়া |
| ১৪০ | বংশীধৰ ভৰালী | মিছামাৰী, বৰদলনি |
| ১৪১ | ধনিৰাম দিহিঙীয়া | লালুআলি, ঘিলামাৰি |
| ১৪২ | তিলেশ্বৰ দাস | ৰমণী চুক |
| ১৪৩ | মুৰুলীধৰ দত্ত | বামুণগাঁও, ঢকুৱাখানা |
| ১৪৪ | ৰত্নেশ্বৰ কোঁচ | কমলাবৰীয়া |

১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত কাৰাবৰণ কৰা আৰু হাজোতবাস কৰা লোকসকল - (ইং ১৯৪১ চনৰ সত্যাগ্ৰহীসকলৰ বাদে)

| ক্ৰ নং | নাম | পিতৃ | ঠিকনা | দণ্ড |
|---|---|---|---|---|
| ১ | শ্ৰী চেনি চন্দ্ৰ শইকীয়া | বাবুৰাম | মাধবপুৰ | ৮/৯/৪২ তাং এ আটক বন্দী |
| ২ | " সৰ্বেশ্বৰ বৰুৱা | পদ্মেশ্বৰ | উঃ লক্ষীমপুৰ | ৭/৯/৪২ " দেৰ বছৰ |
| ৩ | " তীৰ্থেশ্বৰ হাজৰিকা | মহৰি | " | ৭/৯/৪২ " |
| ৪ | " ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী | দেৱীৰাম | পানবাৰী | ৭/৯/৪২ " |
| ৫ | " ঘনেশ্বৰ গগৈ | দুৰ্গা | মাধবপুৰ | ১৫/৯/৪২ " |
| ৬ | " হেম চন্দ্ৰ হাজৰিকা | | উঃ লক্ষীমপুৰ | ২২/৯/৪২ " |
| ৭ | " হেমকান্ত দুৱৰা | | বহলপাৰ | ১৩/১০/৪২ " |
| ৮ | " পানীন্দ্ৰ নাথ বৰুৱা | সোণাৰাম | হাৰমতি ১নং | ২৬/১০/৪২ " |
| ৯ | " যোগেশ্বৰ বৰুৱা | চন্দ্ৰেশ্বৰ | বিহপুৰীয়া | ১৭/১২/৪২ " |
| ১০ | " পূৰ্ণানন্দ দত্ত | মায়াৰাম | ঢলপুৰ | ২০/৩/৪৩ " |
| ১১ | " হৰিনন্দ দত্ত. | মুহিৰাম | " | ৭/১০/৪২ সশ্ৰম কাৰাদণ্ড ১ বছৰ |
| ১২ | " সাগৰ চন্দ্ৰ বৰা | লক্ষীনাথ | পানীগাঁও | ৭/১০/৪২ " |
| ১৩ | " যজ্ঞেশ্বৰ বৰা | থানীৰাম | স'লালগাঁও | ৭/১০/৪২ " |
| ১৪ | গোবিন্দ চন্দ্ৰ বৰা | কণ নাথ | উঃ লক্ষীমপুৰ | ২৪/১০/৪২ গ্ৰেপ্তাৰ, এশ টকা জৰিমনা আদায়ে এমাহ কাটক |
| ১৫ | " মালভোগ বৰুৱা | | ভাটিবাহাৰ | ১৩/১০/৪২ " সশ্ৰম কাৰাদণ্ড ৩ মাহ |
| ১৬ | " ভৱকান্ত বৰা | মাধৱা | " | ৩০ টকা জৰিমনা অনাদায়ে ১৫ দিন কাটক |
| ১৭ | " লীলাৰাম ভূঞা | যদুৰাম | শিলাগুৰি | ২৮/৪/৪৩ গ্ৰেপ্তাৰ, ৩ মাহ হাজোত বাস, ১ দিন কাটক, গৃহবন্দী |
| ১৮ | " বিপুল চন্দ্ৰ দত্ত | নবীন | ঢলপুৰ | সশ্ৰম কাৰাদণ্ড ১ বছৰ |
| ১৯ | " ভুবন বুঢ়াগোহাঁই | চন্দ্ৰেশ্বৰ | গোহাঁই টেকেলা | ৩১/৮/৪৩ তাং গ্ৰেপ্তাৰ কৰি ১ দিন কাটক দিয়ে। পুনৰ ২৮/১/৪৪ তাং গ্ৰেপ্তাৰ কৰি ৩ মাহ কাটক দিয়ে। |
| ২০ | " শ্ৰী হৰিচন্দ্ৰ বৰুৱা | শ্ৰী কমল কান্তি | জামুগুৰি | ১৭/১/৪৪ তাং, এ গ্ৰেপ্তাৰ, ৬ মাহ সশ্ৰম কাৰাদণ্ড |
| ২১ | " মহানন্দ বৰা | ভদ্ৰাম | উঃ লক্ষীমপুৰ | ২৮/১/৪৪ তাং গ্ৰেপ্তাৰ, ৬ মাহ সশ্ৰম কাৰাদণ্ড |

| ক্র নং | নাম | পিতা | ঠিকনা | দণ্ড |
|---|---|---|---|---|
| ২২ | কমল চন্দ্র ভাগবতী | | পানীগাঁও | সশ্রম কাৰাদণ্ড ১ বছৰ |
| ২৩ | „ গোপাল চন্দ্র বৰা | সোণাৰাম | কেন্দুগুৰি | ২০/৯/৪৩ তাং এ গ্রেপ্তাৰ, ২৫/- টকা জৰিমনা, অনাদায়ে এমাহ ফাটেক |
| ২৪ | „ কনকান্ত বৰা | টংকেশ্বৰ | জৰাবাৰী | সশ্রম কাৰাদণ্ড ৩ মাহ |
| ২৫ | „ নিকা চন্দ্র ভূঞা | কলীয়া | পানীগাঁও | ৩০/৯/৪২ তাং গ্রেপ্তাৰ ৬ মাহ সশ্রম কাৰাদণ্ড, সম্পত্তি হানি। |
| ২৬ | „ কাৰ্তিক চন্দ্র ভূঞা | ভূধৰ | পানীগাঁও | ২৮/১/৪৪ তাং গ্রেপ্তাৰ, ৬ মাহ ফাটেক |
| ২৭ | „ যজ্ঞেশ্বৰ বৰা | ঝিনাই | কমলাবৰীয়া | ২৮/১/৪৪ তাং গ্রেপ্তাৰ অনাদায়ে ৩ মাহ ফাটেক; জৰিমনা অদায় কৰি খালাচ হয়। |
| ২৮ | „ গাজাধৰ কুৰ্মী | মাণিক | এঙাৰখোৰা | ১০/৪/৪৩ তাং-এ গ্রেপ্তাৰ, ৩১/৮/৪৩ আংলৈকে হাজোতত ৰাখি ১ দিন ফাটেক দি এৰি দিয়ে। |
| ২৯ | „ কান্ধা উৰাং | কেতোৰা | „ | ২২/৩/৪৩ তাং-এ গ্রেপ্তাৰ কৰি হাজোতত ৰাখি ১/৪/৪৩ তাংত ১ দিন ফাটেক দি এৰি দিলে। |
| ৩০ | „ সুৰেশ চন্দ্র চক্রবর্তী | | কলাখোৰা | সশ্রম কাৰাদণ্ড ১ মাহ |
| ৩১ | শ্রী ভদ্ৰকান্ত চেতীয়া | মধু | চেতীয়াগাঁও, চকুৱাখনা | ২৬/১/৪৪ তাং এ গ্রেপ্তাৰ, ১০০/- টকা জৰিমনা অনাদায়ে ৩ মাহ ফাটেক। |
| ৩২ | কাঞ্চনাম চুতীয়া | আনন্দ | কেঁকুৰী বেৰেজীয়া | ৩০/৯/৪২ তাং গ্রেপ্তাৰ; ২/১০/৪২ তাং এ খালাচ। |
| ৩৩ | ফণীধৰ চুতীয়া | মধু | খাৰুৱা পথাৰ | ১৩/৮/৪৩ তাং এ গ্রেপ্তাৰ ১৭/৮/৪৩ তাং এ খালাচ |
| ৩৪ | বাপুৰাম দত্ত | সাধুৰাম | বাহাদুৰ চুক | ৬/৯/৪৩ গ্রেপ্তাৰ, ২০/- টকা জৰিমনা অনাদায়ে ১ মাহ ফাটেক। পুনৰ ২৮/১/৪৪ তাং এ গ্রেপ্তাৰ, ১০০/- টকা জৰিমনা অনাদায়ে ৩ মাহ ফাটেক। |

| ক্র নং | নাম | পিতা | ঠিকনা | দণ্ড |
| --- | --- | --- | --- | --- |
| ৩৫ | বুদ্ধেশ্বৰী দাস (হাজৰিকা) | | নগাঁও টাউন | ২৬/৬/৪৩ তাং-এ গ্রেপ্তাৰ কৰি হাজোতত ৰাখি ১ মাহ ফাটেক দিয়ে। |
| ৩৬ | মুক্তানাথ দাস | গোপীনাথ | বচাগাঁও | ৩০/৯/৪২ তাং-এ গ্রেপ্তাৰ কৰি ১ দিন ফাটেক দি ২/১০/৪৩ তাং খালাচ। |
| ৩৭ | সোনাৰাম দাস | জালিৰাম | ,, | ৩০/৯/৪২ তাং গ্রেপ্তাৰ কৰি ১ দিন ফাটেক দি ২/১০/৪২ তাং এ খালাচ দিয়ে। |
| ৩৮ | *তিলক দত্ত | ফটিক | এঙাৰখোৱা | ২৮/১/৪৪ তাং গ্রেপ্তাৰ ১০০/- টকা জৰিমনা অনাদায়ে ৩ মাহ ফাটেক। |
| ৩৯ | শ্ৰী নবীন চন্দ্ৰ বৰা | সোণাৰাম | বাঁহপাতি | ১৪/১০/৪২ তাং-এ গ্রেপ্তাৰ কৰি ১০ দিন হাজোতত ৰাখি ২৩/১০/৪২ তাৰিখে খালাচ দিয়ে। সম্পত্তিহানি। |
| ৪০ | সোণাৰাম দত্ত | | খাৰকাটি | ৫০ টকা জৰিমনা |
| ৪১ | ভুবন চন্দ্ৰ দাস | বাবুলা | বচাগাঁও | ৫০ ,, |
| ৪২ | সোণেশ্বৰ দাস | লাইটকীয়া | ,, | ১৫ দিন হাজোত বাস ৫০/- টকা জৰিমনা |
| ৪৩ | ঘন কান্ত দত্ত | কনকেশ্বৰ | পানীগাঁও | ৩০/৮/৪৩ তাং গ্রেপ্তাৰ ১ দিন ফাটেক দি ১০/৯/৪৩ তাং-এ খালাচ দিয়ে। |
| ৪৪ | *কনকেশ্বৰ দত্ত | | লেচাই গাঁও | ২৭/১০/৪২ তাং-এ গ্রেপ্তাৰ কৰি ২৫/- টকা জৰিমনা অনাদায়ে ১ মাহ ফাটেক পুনৰ ৪/৯/৪৩ তাং-এ গ্রেপ্তাৰ কৰি ৩০/- টকা জৰিমনা অনাদায়ে ৩ মাহ ফাটেক দি ২৪/৯/৪৩ তাং-এ যোৰহাট কাৰাগাৰলৈ স্থানান্তৰ কৰে। |
| ৪৫ | *গোলাপ চন্দ্ৰ দত্ত | যজ্ঞোৰাম | স'লালগাঁও | ৭/১০/৪২ তাং-এ গ্রেপ্তাৰ কৰি ১ দিন ফাটেক দি ৯/১০/৪২ তাং এৰি দিয়ে। |
| ৪৬ | ,, চন্দ্ৰ নাথ দত্ত | লোকনাথ | জৰাবাৰী | ২/৩/৪৩ তাৰিখে গ্রেপ্তাৰ কৰি নি ৬/৩/৪৩ তাৰিখে ১ দিন ফাটেক দি এৰি দিয়ে। |

| ক্র নং | নাম | পিতা | ঠিকনা | দণ্ড |
|---|---|---|---|---|
| ৪৭ | ,, আনন্দ দত্ত | | চকুবাখনা | ৭/২/৪৩ তাং-এ গ্রেপ্তাৰ কৰি আটক বন্দী কৰি ছিলেট জেললৈ স্থানান্তৰ কৰে। |
| ৪৮ | ,, কনক চন্দ্ৰ গায়ন | টুনিৰাম | বাৰচলীয়া গাঁও | ২৮/৪/৪৪ তাং এ গ্ৰেপ্তাৰ কৰি ১০০/- টকা জৰিমনা অনাদায়ে ৩ মাহ ফাটেক। |
| ৪৯ | ,, টংকেশ্বৰ গগৈ | কণ নাথ | শিঙিয়া | ঐ |
| ৫০ | ,, থানুৰাম গগৈ | মালভোগ | জালুক কটা | ১৩/৩/৪৩ তাং-এ গ্রেপ্তাৰ কৰি নি ১ দিন ফাটেক দি ৩/৪/৪৩ তাৰিখে খালাচ দিয়ে। |
| ৫১ | শ্ৰীটুনিৰাম হাজৰিকা | কণ নাথ | হিন্দুগাঁও | ২৮/১/৪৪ তাং-এ গ্রেপ্তাৰ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড বিহে। |
| ৫২ | " নাৰায়ণ হাজৰিকা | জিউৰাম | গজবন্ধা | ১০/১২/৪৩ তাং-এ গ্রেপ্তাৰ, ৩ মাহ ফাটেক। |
| ৫৩ | " ডম্বৰুধৰ হাজৰিকা | সভাৰাম | কেন্দুগুৰি | ২৬/৬/৪৩ তাং-এ গ্ৰেপ্তাৰ কৰি নি ৩ মাহ ফাটেক দিয়ে। |
| ৫৪ | ,, গোলাপ চন্দ্ৰ কলিতা | যজ্ঞোৰাম | স'লাল গাঁও | এবছৰ সশ্ৰম কাৰাদণ্ড। |
| ৫৫ | ,, শইকীয়া কোঁচ | নোনল | এণ্ডাৰখোৱা | ৩১/৮/৪৩ তাং-এ গ্রেপ্তাৰ, ১ মাহ ফাটেক। |
| ৫৬ | ,, নাৰায়ণ চন্দ্ৰ ফুকন | ৰুদ্ৰেশ্বৰ | স'লালগাঁও | ২০/১১/৪২ তা-এ গ্রেপ্তাৰ ৩ মাহ ফাটেক আৰু ৫০ টকা জৰিমনা। |
| ৫৭ | ,, দেবেন ফুকন | পৰমানন্দ | স'লালগাঁও | ১ মাহ সশ্ৰম কাৰাদণ্ড, ৫০ টকা জৰিমনা। |
| ৫৮ | শ্ৰীহেমেশ্বৰী ফুকন | স্বাঃ ভুবন | গোলাঘাট | ৩ মাহ ফাটেক। |
| ৫৯ | শ্ৰীৰত্নেশ্বৰ পূজাৰী | ৰমাকান্ত | কেন্দুগুৰি | ১ মাহ ফাটেক। |
| ৬০ | " তাৰাপ্ৰসাদ শৰ্মা | ধৰ্মেশ্বৰ | বগীনদী | ৭/১০/৪২ তাং-এ গ্ৰেপ্তাৰ, ১ বছৰ সশ্ৰম কাৰাদণ্ড। |
| ৬১ | লীলা শইকীয়া | | বেৰভঙা (সান্দহখোৱা) | ৪ মাহ সশ্ৰম কাৰাদণ্ড। |
| ৬২ | " ইন্দ্ৰেশ্বৰ শৰ্মা | ভৃগুৰাম | আজাদ | ২৯/১/৪৪ তাং-এ গ্ৰেপ্তাৰ, ১০ মাহ সশ্ৰম কাৰাদণ্ড। |
| ৬৩ | শ্ৰীবংশীধৰ শৰ্মা | | উঃ লক্ষীমপুৰ | ৩০/৯/৪২ তাং-এ গ্ৰেপ্তাৰ, ৩ মাহ ফাটেক আৰু ৫০ টকা জৰিমনা। |

| ক্র নং | নাম | পিতা | ঠিকনা | দণ্ড |
|---|---|---|---|---|
| ৬৪ | শৈলেন্দ্র নাথ শইকীয়া | ধনীৰাম | জামুগুৰি | ২৬/৪/৪৩ তাং-এ গ্রেপ্তাৰ, ১ মাহ কাটেক ২৬/৭/৪৩ তাং এ গ্রেপ্তাৰ ৪ মাহ হাজোত বাস। |
| ৬৫ | " ভাবত ঠাকুৰীয়া | | তেলীয়া গাঁও | ৩ মাহ সশ্রম কাৰাদণ্ড। |
| ৬৬ | " ৰাধিকা দত্ত | মহিম চন্দ্র | কাৰিগাঁও | ২ মাহ ১৫ দিন সশ্রম কাৰাদণ্ড। |
| ৬৭ | " কলিৰাম শইকীয়া | সভাৰাম | ভোগপুৰ | ৩ মাহ সশ্রম কাৰাদণ্ড। |
| ৬৮ | " পূর্ণানন্দ বৰা | সোনাৰাম | কেন্দুগুৰি | ৩ মাহ সশ্রম কাৰাদণ্ড। |
| ৬৯ | " পদ্ম মুক্তিয়াৰ | কাহীৰাম | ৰৰমলনি | ১/৪/৪৩ তাং-এ গ্রেপ্তাৰ ১ দিন কাটেক, ৬/৫/৪৩ তাং-এ খালাচ। |
| ৭০ | ৰমেন বিশ্বাস | | দ'লহাট | ৩ মাহ সশ্রম কাৰাদণ্ড। |
| ৭১ | চন্দ্র কান্ত বৈষ্ণব | | | ৩ মাহ সশ্রম কাৰাদণ্ড। |

## একনিষ্ঠ সক্রিয় কর্মীসকল

| ক্র নং | নাম | পিতা | ঠিকনা | বিৱৰণ |
|---|---|---|---|---|
| ১ | ললিত দত্ত | | এণ্ডাৰখোৱা | |
| ২ | বেণী মাধৱ দত্ত | | উঃ লক্ষীমপুৰ | |
| ৩ | মুকুন্দ দাস | | পানীগাঁও | |
| ৪ | জগদানন্দ গোস্বামী | | গহপুৰ | |
| ৫ | গোলাপ গগৈ মাধী | | খেৰখেৰী | |
| ৬ | কবীন্দ্র গগৈ | কন্দ্র নাথ | | |
| ৭ | কমল গগৈ | পদ্ম | গুৱাহাটী | |
| ৮ | উমা হাজৰিকা | | বাঁহপাতি | |
| ৯ | লক্ষেশ্বৰ খনিকৰ | | পলাসপৰা | |
| ১০ | পদ্ম ভূঞা | | বাঁহপাতি | |
| ১১ | অনুৰাম কোঁচ | তাৰক | কমলাবৰীয়া | |
| ১২ | লোকনাথ ভূঞা | | পানীগাঁও | |
| ১৩ | সোণমণি বৰা | | " | |
| ১৪ | বণ্ডাই বৰা | | " | |
| ১৫ | শিৱৰাম বৰুৱা | | এণ্ডাৰখোৱা | |
| ১৬ | কৃষ্ণৰাম বৰা | | উঃ লক্ষীমপুৰ টাউন | |
| ১৭ | হেমচন্দ্র বৰা | তুলসী | | |
| ১৮ | মণিৰাম বৰা | লাহৰ | | |
| ১৯ | দুর্গেশ্বৰ ত্যাগোৰাই | | বাঁহপাতি | |
| ২০ | পদ্ম বায়ন | | বাজখোৱা গাঁও | |

| ক্র নং | নাম | পিতা | ঠিকনা | বিৱৰণ |
|---|---|---|---|---|
| ২১ | প্ৰেমধৰ ভুঞা | কলীয়া | পানীগাঁও | |
| ২২ | যোগেশ্বৰ বৰা | | কমলাবৰীয়া | |
| ২৩ | কেঁহোৰাম বৰা | | ,, | |
| ২৪ | গুণদা বৰা | স্বাঃ মনেশ্বৰ | | |
| ২৫ | বাপুৰাম বৰা | | তাঁতিবাহাৰ | |
| ২৬ | উমাকান্ত দাস | | পানীগাঁও | |
| ২৭ | ঈশেশ্বৰ হাজৰিকা | যোগেশ্বৰ | বিহপুৰীয়া | |
| ২৮ | তীৰেশ্বৰ সন্দিকৈ | | ৰঙতি | |
| ২৯ | ঋষনাথ কোঁৱৰ | শিৱনাথ | ঢলপুৰ | |
| ৩০ | গগন চন্দ্ৰ কোঁৱৰ | যোৰহটীয়া | ঢলপুৰ | |
| ৩১ | জগত চন্দ্ৰ ফুকন | সৰ্বেশ্বৰ | খৰাপথাৰ | |
| ৩২ | সোনেশ্বৰ বাস্খোৱা | বাপুৰাম | কোৰাদণ্ডা | |
| ৩৩ | ৰত্নেশ্বৰ শৰ্মা | জয়ৰাম | স'লাল গাঁও | |
| ৩৪ | ৰূপন শইকীয়া | শুকুৰা | বাঁহপাতি | |
| ৩৫ | ৰত্নেশ্বৰ শৰ্মা | ভক্তো | বচাগাঁও | |
| ৩৬ | ডিম্বেশ্বৰ শৰ্মা | ৰূপেশ্বৰ | বচাগাঁও | |
| ৩৭ | গোবিন্দ শৰ্মা | ভৃগুৰাম | স'লাল গাঁও | |
| ৩৮ | দেৱেন শইকীয়া | হাঁহিৰাম | নাওবৈচা | |
| ৩৯ | পদ্মধৰ শইকীয়া | | ,, | |
| ৪০ | ক্ষেত্ৰেকেশ্বৰ শৰ্মা | | দঙ্গিবিল | |
| ৪১ | থানেশ্বৰ দত্ত | | ব.চুবা | |
| ৪২ | মেঘ নাথ ভৰালী | | | |

## পিকেটিং, শোভাযাত্ৰা বা অন্যপ্ৰকাৰে পুলিচৰ আঘাতপ্ৰাপ্ত আৰু অৰ্থহানি বা সম্পত্তি বাজেয়াপ্ত লোকৰ তালিকা

| ক্র নং | নাম | পিতা | ঠিকনা | ক্ষতিৰ বিৱৰণ |
|---|---|---|---|---|
| ১ | দুৰ্গেশ্বৰ বৰুৱা | সিদ্ধৰাম | সোণাৰীগাঁও | |
| ২ | মেঘনাথ ভৰালী | ধোপোক | চৰিবি | সম্পত্তি বাজেয়াপ্ত, আত্মগোপন কৰি আন্দোলন পৰিচালনা কৰিছিল। |
| ৩ | শ্ৰী বংশীধৰ ভুঞা | কলীয়া | পানীগাঁও | সম্পত্তি বাজেয়াপ্ত। |
| ৪ | পদ্ম বায়ন | | ৰাজখোৱা গাঁও | এখেতৰ পিঠিত পুলিচ উঠিছিল |
| ৫ | তুলসী নাথ বৰা | হেম বৰা | পানীগাঁও | বন্দুক বাজয়াপ্ত। |
| ৬ | ত্ৰাহিৰাম বৰা | | পদ্মপুৰ | পুলিচৰ আঘাটপ্ৰাপ্ত |

| ক্ৰ নং | নাম | পিতা | ঠিকনা | ক্ষতিৰ বিৱৰণ |
|---|---|---|---|---|
| ৭ | ভোলাই বৰা | মাধৰাম | গেৰুৱাএলা গাঁও | ঐ |
| ৮ | দুৰ্গাৰাম বৰা | | জৰাবাৰী | পুলিচে গ্ৰেপ্তাৰ কৰি লৈ গৈছিলে। |
| ৯ | লক্ষেৰাম বৰা | | পদুমপুৰ | ঐ |
| ১০ | জিলাৰাম ভূঞা | | কাচিকটা | শোভাযাত্ৰাত যাওঁতে পুলিচৰ মাৰত দাঁত ভাগে। |
| ১১ | প্ৰেমধৰ বৰা | | পদুমপুৰ | পুলিচে বাজহুৱাভাৱে বেত দিয়ে। |
| ১২ | খাতুক বৰা | | জৰাবাৰী | পুলিচে মৰিয়াই জোতাৰ সাঙি ভাৰ বোৱাইছিল। |
| ১৩ | বাবুলা বৰা | | " | পুলিচে বাজহুৱাভাৱে বেত দিয়ে। |
| ১৪ | দিল্লী ভূঞা | খোপোৰ | পাণবাৰী | এওঁ মহকুমাধিপতিৰ টুপী অপহৰণৰ বাবে প্ৰায় অৰ্দ্ধ বছৰ অজ্ঞাতবাস কৰিছিল। |
| ১৫ | দেহীৰাম বৰা | | মিছামাৰী | শোভাযাত্ৰাত বেয়াকৈ আহত হয়। |
| ১৬ | শ্ৰীউমাকান্ত বাজখোৱা | | বাইদলিয়া | পুলিচে এওঁক ধৰি নি থানাত গুৰুতৰভাৱে মাৰপিট কৰি পিছদিনা এৰি দিয়ে। ফলত এওঁ বহুদিন পৰি আছিল। |
| ১৭ | ˚যোগেশ্বৰ বৰা | | চৌধপুৰীয়া | ঐ |
| ১৮ | শ্ৰীকালিৰাম দত্ত | কণ ল'ৰা | পানীগাঁও | পুলিচে অনেক অত্যাচাৰ কৰে। |
| ১৯ | ˚গোলাপ দত্ত | মুকুতা | স'লালগাঁও | পুলিচে বন্দুক বাজেয়াপ্ত কৰে। |
| ২০ | ভোলানাথ দাস | | পানীগাঁও | পুলিচে অত্যাচাৰ কৰে। |
| ২১ | ধনকান্ত দত্ত | | " | ঐ |
| ২২ | দেউতি দত্ত | | হোঁকাচাপৰি | ঐ। |
| ২৩ | ভিমেশ্বৰ দত্ত | | হোকাচাপৰি | পুলিচে অত্যাচাৰ কৰিছিল। |
| ২৪ | দীঘলা ডেকা | | খাৰকাটি | ষ্টাম্প ভেণ্ডৰ চাকৰি বৰখাস্ত কৰি সম্পত্তি বাজেয়াপ্ত কৰে। |
| ২৫ | নন্দেশ্বৰী দত্ত | | পেৰাভাৰী | গ্ৰেপ্তাৰ কৰি নি পিছত এৰি দিয়ে। |
| ২৬ | সোণেশ্বৰী দত্ত | | দেকাএলা গাঁও | ঐ |
| ২৭ | জয়ৰাম দত্ত | | তাঁতিবাহাৰ | শোভাযাত্ৰাত পুলিচৰ হাতত আহত। |
| ২৮ | ৰেৱতী মোহন দে | | ঢলপুৰ | পুলিচে এখেতৰ দোকান ভাঙি সম্পত্তি নষ্ট কৰি তেখেতক বেছিকৈ মাৰপিট কৰে। |

| ক্ৰ নং | নাম | পিতা | ঠিকনা | দণ্ড |
|---|---|---|---|---|
| ২৯ | ভুলেন্দ্ৰ নাথ ডেকা | | যোৰহটীয়া গাঁও | পুলিচৰ মাৰ খায়। |
| ৩০ | গোলাপ চন্দ্ৰ গগৈ | | কদম | সম্পত্তি নষ্ট হয়। |
| ৩১ | বলোৰাম গগৈ | | কদম | পুলিচৰ মাৰ খায়। |
| ৩২ | মাটিৰাম গন্ধিয়া | | তাঁতিবাহাৰ | ,, |
| ৩৩ | অবিনাশ ঘোষ | | ঢলপুৰ | পুলিচে দোকান ভাঙে, সম্পত্তি নষ্ট কৰে আৰু গুৰুতৰভাৱে মৰিয়ায়। |
| ৩৪ | গঙ্গাধৰ হাজৰিকা | | হিন্দুগাঁও | মণ্ডল চাকৰিৰ পৰা বৰ্খাস্ত কৰে। |
| ৩৫ | গুণকান্ত হাজৰিকা | | খাৰকাটি | হাজোত বাস। |
| ৩৬ | ভোলাৰাম হাজৰিকা | | ,, | পুলিচৰ মাৰ খায়। |
| ৩৭ | ভোলাৰাম হাজৰিকা | | তাঁতিবাহাৰ | ,, |
| ৩৮ | ধনীৰাম হাজৰিকা | | সাওকুছি | ,, |
| ৩৯ | কণ্ঠিৰাম হাজৰিকা | | মিছামৰীয়া | ,, |
| ৪০ | উপেন্দ্ৰ নাথ হাতীবৰুৱা | | বগুতি | ,, |
| ৪১ | দয়ানন্দ হাতীবৰুৱা | | বগুতি | ,, |
| ৪২ | সুমলা সন্দিকৈ | স্বাঃ জীৱেশ্বৰ | বগুতি | শোভাযাত্ৰাত পুলিচৰ মাৰত আধামৰা হয়। |
| ৪৩ | ডিম্বেশ্বৰ কলিতা | কান্তিৰাম | বাহাদুৰ চুক | ডাক পিয়ন চাকৰি ইস্তফা দিয়ে। |
| ৪৪ | গোপাল কাকতি | ৰূপাই | বৰবালি | পুলিচৰ মাৰ খায়। |
| ৪৫ | সিন্ধুৰাম খাউণ্ড | | মিছামৰীয়া | শোভাযাত্ৰাত পুলিচৰ মাৰ খোৱাৰ উপৰি কৰ্তৃপক্ষৰ সঙ্গিন প্ৰহাৰ কৰে। |
| ৪৬ | যোগেশ্বৰ মহন্ত | | মৈদমীয়া গাঁও | পুলিচৰ দ্বাৰা আঘাতপ্ৰাপ্ত। |
| ৪৭ | গুৰুপ্ৰসাদ শৰ্মা | ধৰ্মেশ্বৰ | গোঁওহিগাঁও | সম্পত্তি নষ্ট। |
| ৪৮ | পানীৰাম শৰ্মা | পূৰ্ণ | বচাগাঁও | সম্পত্তি নষ্ট। |
| ৪৯ | ৰজক সোণাৰী | | পাণীগাঁও | সম্পত্তি নষ্ট। |
| ৫০ | মুকুন্দ শৰ্মা | সোণাৰাম | সন্দাল গাঁও | সম্পত্তি নষ্ট হোৱাৰ উপৰিও পুলিচৰ মাৰ খায়। |
| ৫১ | বাবুলাল শৰ্মা | সোণেশ্বৰ | বচাগাঁও | সম্পত্তি নষ্ট হয়। |
| ৫২ | কণ আইটি শইকীয়া | | [illegible]টি | পুলিচৰ হাতত আহত। |
| ৫৩ | মহেন্দ্ৰ নাথ হাজৰিকা | গোপেন | ঢলপুৰ | পুলিচৰ অত্যাচাৰ আৰু হাজোত বাস। |
| ৫৪ | দুৰ্গাচৰণ কৰ | | ডিব্ৰুগড় ঢলপুৰ | দোকান ভাঙি পৰিয়ালক মাৰপিট কৰে, সম্পত্তি হানি। |
| ৫৫ | জীতেন দত্ত | নবীন | ঢলপুৰ | এওঁৰ ভাতৃদ্বয়ক পুলিচে ধৰিব নোৱাৰি এওঁক মাৰপিট কৰে, |

| ক্রমাংক | নাম | পিতা | ঠিকনা | দণ্ড |
|---|---|---|---|---|
| | | | | দোকান নষ্ট কৰে আৰু হাজোতত থাকে। |
| ৫৬ | ফটিক চন্দ্ৰ বৰা | | নিজ্যাৰবীয়া | শোভাযাত্ৰাত পুলিচৰ মাৰ খায়। |
| ৫৭ | লোকেশ্বৰী চুটীয়া | | কাচিকটা | শোভাযাত্ৰাত পুলিচৰ মাৰ খায়। |
| ৫৮ | বৰ্তীৰাম ,, | | যাৰজান | এওঁক শোভাযাত্ৰাত এনেকৈ মাৰপিট কৰে যাৰ ফলত ঘৰত গৈ ১৫ দিনৰ ভিতৰতে মৃত্যুমুখত পৰে। |
| ৫৯ | ভেকোলা বায়ন | | কাচিকটা | ঐ |
| ৬০ | ধনকান্ত বাঁঢে | | যাৰজান | ঐ |
| ৬১ | ইন্দ্ৰেশ্বৰ দত্ত | | গড়েহাগী | শিক্ষা ত্যাগ. সম্পত্তি নষ্ট। |
| ৬২ | ঘনশ্যাম | | ,, | ,, |
| ৬৩ | শ্ৰী গুণকান্ত বৰুৱা | পুদুৰাম | জামুগুৰি | শোভাযাত্ৰাত লাঠিৰ মাৰত আহত হয়। |
| ৬৪ | লীলাধৰ বৰা | | তাতিবাহাৰ | নামঘৰত ভকতৰ শৰীত পুলিচে প্ৰহাৰ কৰে। |
| ৬৫ | ঈশেশ্বৰ হাজৰিকা | | গোসাঁইপথাৰ | সক্ৰীয় কৰ্মী |

# ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামৰ লক্ষীমপুৰ জিলাৰ নেতৃস্থানীয় লোকসকলৰ চমু পৰিচয়

**উজনি অসমৰ সাধাৰণ পৰিচালক তথা গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ**

**১।ঁ পীতাম্বৰ দেৱ গোস্বামী**

**গড়মূৰ সত্ৰ, মাজুলী**

জন্ম - ২৮ জেঠ, ইং ১৮৮৫ খৃঃ

পিতা - চিত্ৰ চন্দ্ৰ দেৱ গোস্বামী,

মাতৃ - দুৰ্গেশ্বৰী দেৱী

সত্ৰাধিকাৰ হয় - ২৫ মাৰ্চ ১৯১৪ খৃঃ

এখেতে ১৯২১ চনত মহাত্মা গান্ধীৰ স্বদেশী আন্দোলনত আকৃষ্ট হৈ অসমৰ বিভিন্ন ঠাইলৈ গৈ সভা-সমিতি পাতি কানি আৰু মাদক দ্ৰব্য নিবাৰণ কৰিবলৈ ৰাইজক বুজনি দিছিল। মানুহবিলাকক ধাৰ্মিক আৰু স্বাৱলম্বী হ'বলৈ পৰামৰ্শ দিছিল। এখেতে বিধবা বিবাহ প্ৰচলন, অস্পৃশ্যতা বৰ্জন আদি গঠনমূলক আৰু সমাজ সংস্কাৰৰ বিভিন্ন কামৰ উপদেশ দি জাতি তথা দেশ গঠনত ব্ৰতী হৈছিল। ১৯৩২ চনত অসম ৰাষ্ট্ৰীয় সন্মিলনত সভাপতিত্ব কৰিছিল। ইয়াৰ আগতে তেখেতে অসমত হৰিজন সংঘ প্ৰতিষ্ঠা কৰি সভাপতিস্বৰূপে সংঘৰ কাম কৰিছিল। ১৯৪১ চনৰ সত্যাগ্ৰহ আন্দোলনত আইন অমান্য কৰি গাঁৱে গাঁৱে ঘূৰি ফুৰাৰ কাৰণে অসম চৰকাৰে এখেতক ১৯৪২ চনৰ ৩ অক্টোবৰ তাৰিখে গড়মূৰ সত্ৰত অন্তৰীণৰ আদেশ দিছিল। ১৯৪৩ চনত এখেতে উজনি অসম কংগ্ৰেছৰ সাধাৰণ পৰিচালক হিচাপে আন্দোলন পৰিচালনা কৰিছিল। আমাৰ উঃ লক্ষীমপুৰতো এই আন্দোলন সত্যাগ্ৰহৰ আৰ্হিত চলাবলৈ নিৰ্দেশ দিছিল। ১৯৪২ চনৰ ৯ ছেপ্টেম্বৰৰ দিনা এখেতে পানীগাঁও বাহৰৰ পৰা এটা বিৰাট শোভাযাত্ৰাৰে লক্ষীমপুৰ নগৰত বাহাল থকা ১৪৪ ধাৰা আইন অমান্য কৰিবলৈ নিৰ্দেশ দিছিল আৰু সেই মতে আইন অমান্য কৰা হৈছিল। তাৰ পৰিপ্ৰেক্ষিতত পিছদিনা তেখেতে মহকুমাধিপতি পুৰী চাহাবৰ কাঢ়া নিৰ্দেশত নিজ সত্ৰলৈ প্ৰত্যাৱৰ্তন কৰিলে। ১৯৪৩ চনৰ ৫ আগষ্টত সত্ৰাধিকাৰক চৰকাৰে আটক বন্দী কৰি যোৰহাট কাৰাগাৰত ৰাখিলে। ১৯৪৬ চনত এখেতে মিকিৰ পাহাৰলৈ পৰ্বত-ভৈয়ামৰ সমন্বয় সাধনৰ কাৰণে গৈ পদব্ৰজে ফুৰি ২০ খন প্ৰাইমাৰী বিদ্যালয় প্ৰতিষ্ঠা কৰি ধৰ্ম, ভাষা, সংস্কৃতিৰ

প্ৰসাৰ আৰু প্ৰচাৰ কৰিছিল। এখেতে পাকিস্তানী (বিদেশী)ৰ দ্বাৰা অসম ভৰি পৰাৰ উপক্ৰম দেখি 'বিনা ৰক্তপাতে অসম আক্ৰমণ' নামৰ এখন মুকলি চিঠিৰ জৰিয়তে প্ৰতিকাৰ কামনা কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুলৈ লিখিছিল। এখেতে বাগানৰ বনুৱাৰ মাজত শংকৰদেৱৰ প্ৰৱৰ্তিত নাম, ধৰ্ম, কলা-কৃষ্টি প্ৰচলন কৰাইছিল। অসমৰ সত্ৰাধিকাৰ সকলৰ ভিতৰত এখেতেহে কেৱল পৰাধীনতাৰ শিকলি ছিঙি ভাৰতবৰ্ষক মুক্ত কৰিবলৈ সত্ৰীয়া সন্মানীয় গাদী এৰি ওলাই আহিছিল।

২। লোকবৰেণ্য ˇসৰ্বেশ্বৰ বৰুৱা,

উঃ লক্ষীমপুৰ

জন্ম- ২৩ আহিন, ইং ১৮৮৫ চন,

মৃত্যু- ইং ২/৬/৭৫

পিতা- দুৰ্গেশ্বৰ বৰুৱা।

বৰুৱাদেৱে ১৯১৫ চনত কলিকতাৰ পৰা আইনৰ স্নাতক উপাধি লৈ লক্ষীমপুৰ নগৰত ওকালতি আৰম্ভ কৰে। ১৯১১ চনত কলিকতাত বহা নিখিল ভাৰত কংগ্ৰেছ মহাসভাত স্বেচ্ছাসেৱক হিচাপে কাম কৰিছিল। এখেত কংগ্ৰেছৰ ধীৰপন্থীৰ সমৰ্থক আছিল। এখেত ১৯২১, ২৪, ২৯, ৩৩ আৰু ৩৬ চনত লক্ষীমপুৰ জিলা কংগ্ৰেছৰ সভাপতি আছিল। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত এখেত ডেৰ বছৰ কাল আটক বন্দী আছিল। ১৯২৪ চনৰ পৰা ১৯৫১ চনলৈকে অসম বিধানসভাৰ সদস্য আছিল। তেখেত যদিও মন্ত্ৰী নাছিল অসমৰ মন্ত্ৰী, ডা-ডাঙৰীয়াসকলে তেখেতৰ মন্ত্ৰণা গ্ৰহণ কৰিছিল। তেখেতে গীতাৰ টীকা লিখি প্ৰকাশ কৰিছিল। বৰুৱা ডাঙৰীয়া সাহিত্যিক আৰু বুৰঞ্জীবিদ আছিল। তেখেত নগৰ পালিকাৰ সভাপতি আৰু মহকুমা শিক্ষা ব'ৰ্ডৰ চেয়াৰমেন আছিল। লক্ষীমপুৰৰ ৰাইজৰ গুৰিয়াল হিচাপে উন্নয়নমূলক বহুতো কাম কৰিছিল। ভাৰত চৰকাৰৰ পৰা মুক্তিযুঁজাৰুৰূপে তেখেতে তাম্ৰপত্ৰ আৰু পেন্সন লাভ কৰিছিল।

৩। ˇহেম চন্দ্ৰ হাজৰিকা

উঃ লক্ষীমপুৰ

এখেত আছিল একনিষ্ঠ, সৰবৰহী আৰু নিভাজ কৰ্মী আৰু সত্যবাদী, বক্তা, সৰল স্বভাৱৰ, আত্মভিমান ৰহিত ব্যক্তি। এখেত আছিল মক্কেলসকলৰ কাৰণে জনপ্ৰিয় উকীল। ইং ১৯৩০ চনৰ পৰা তেখেতে কংগ্ৰেছৰ সক্ৰিয় কৰ্মী হিচাপে

কাম কৰিছিল। গান্ধীবাদত দৃঢ় বিশ্বাসী আছিল। ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত প্ৰথম জিলা পৰিচালক হিচাপে গাঁৱে-ভূঞে পদব্ৰজে ফুৰি লক্ষীমপুৰত সংগ্ৰামৰ যি অগনি প্ৰজ্বলিত কৰিলে সেই অগ্নিশিখা বহুদিনলৈকে বাঢ়ি গৈছিল। আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ হৈ উঠিছিল। সেই চনতে তেখেত আটক বন্দী হৈ ৩ বছৰ কাল কাৰাগাৰত আছিল। ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈকে এখেতে দুবাৰ লক্ষীমপুৰ জিলাৰ বিধায়ক আছিল। শিক্ষা বৰ্ডৰো চেয়াৰমেন আছিল।

৪। শশী ফুকন (শশীধৰ ফুকন)

উঃ লক্ষীমপুৰ নগৰ, পিতা - তুৰাৰাম

জন্ম ইং ১৮৯২ খৃঃ

এখেত আগতে ব্যৱসায়ী আছিল। বদতিঘাটত শ'মিল থাকোতে এখেতে লক্ষীমপুৰৰ পৰা মটৰ লাঞ্চৰ সহায়ত কাঠ যোগান ধৰিছিল। ১৯২১ চনত মহাত্মা গান্ধী গুৱাহাটীলৈ আহোতে এখেতে ব্যৱসায় এৰি গান্ধী যাত্ৰী দলক লগ কৰি আৰু তেওঁৰ কামত মুগ্ধ হৈ কংগ্ৰেছত যোগদান কৰে। লক্ষীমপুৰত সেই সময়ত কংগ্ৰেছ প্ৰতিষ্ঠা কৰাসকলৰ ভিতৰত ফুকন অন্যতম। তেখেতে নিজৰ মাটিত এটি চাংঘৰ সাজি তাত ৪০/৫০ জনকৈ যুৱকৰ স্বেচ্ছাসেৱক শিবিৰ পাতি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। শিবিৰৰ যাৱতীয় খৰচ ফুকনদেৱে বহন কৰিছিল এই কাৰ্যত মাক আৰু ভায়েক গগন চন্দ্ৰ ফুকনৰো সম্পূৰ্ণ সহযোগ আছিল। এখেত উঃ লক্ষীমপুৰত কংগ্ৰেছ প্ৰতিষ্ঠাৰ বাটকটীয়া। তেখেতে মহাত্মা গান্ধীৰ ওঠৰ দফা গঠনমূলক কামৰ সম্পূৰ্ণ বিশ্বাসী আছিল। কপাহৰ পৰা সুতাকটা, কাপোৰ বোৱা আদি কামত নিজে আৰু মাকে আত্মনিয়োগ কৰিছিল। শিবিৰত সূতা কাটি, কাপোৰ বৈ স্বেচ্ছাসেৱকসকলে পৰিধান কৰিছিল। এই কামটো কৰিবৰ কাৰণে চন্দ্ৰকুমাৰ দে নামৰ এজন ঠিকাদাৰে ৫০ টা সূতা কটা যঁতৰ সাতটা শিবিৰলৈ দান কৰিছিল। সেই সময়ত এই শিবিৰৰ পৰা ৭৫ জন স্বেচ্ছাসেৱকে বৃটিছৰ ৰঙা ঘৰত ভাত খাব লগা হৈছিল। তাৰ ভিতৰত ফুকন দেৱৰ ৬ মাহ কাৰাদণ্ড হৈছিল। তেখেত ডিব্ৰুগড় কাৰাগাৰত থকা সময়ত পুলিচে তেখেতৰ ঘৰ খানাতালাচ কৰি ঘৰৰ যাৱতীয় অস্থায়ী সম্পত্তি নীলাম বিক্ৰী কৰি দিছিল। এখেত আমৰণ দেশ হিতৈষী আছিল।

৫। তীর্থেশ্বৰ হাজৰিকা;

উঃ লক্ষীমপুৰ নগৰ

পিতা - মহৰি,

জন্ম ইং ২/১০/১৯০১

মৃত্যু - ২২/৭/৮৫



হাজৰিকা এজন মেধাবি ছাত্ৰ আছিল। নিম্ন প্ৰাইমাৰী স্কুলৰ বৃত্তি পৰীক্ষাত এখেতে অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিছিল। হাইস্কুলত পঢ়ি থকা অৱস্থাতে এখেতে ১৯২১ চনত ভাৰতীয় জাতীয় কংগেছত যোগদান কৰিছিল। তাৰ পিছত তেখেতে কলিকতা আইন কলেজৰ পৰা ওকালতি পাছ কৰি উঃ লক্ষীমপুৰ কাছাৰীত ওকালতি আৰম্ভ কৰে। হাজৰিকাই কটন কলেজত পঢ়ি থাকোতেই ১৯২৬ চনত গুৱাহাটীত বহা নিখিল ভাৰত কংগ্ৰেছ মহাসভাত যোগদান কৰিছিল। তেখেতে কলিকতাৰ আইন কলেজত পঢ়ি থাকোতে এদিন নেতাজী সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত হোৱা এটা শোভাযাত্ৰাত যোগদান কৰোতে পুলিচৰ লাঠি চাৰ্জত আহত হৈছিল। হাজৰিকাই ভাৰতৰ স্বাধীনতা আন্দোলনৰ সকলো কাযসূচীত আন্তৰিকতাৰে সহযোগ কৰিছিল।

ইং ১৯৪২ চনৰ ছেপ্টেম্বৰ মাহৰ ৭ তাৰিখে হাজৰিকাদেৱ চাবতিৰ এখন ৰাজহুৱা সভালৈ হিন্দী শিক্ষক ৰমেশ চন্দ্ৰ বিদ্যাৰ্থীৰ সৈতে গৈ থকা অৱস্থাত পুলিচে দুয়োকে গ্ৰেপ্তাৰ কৰি নি আটক বন্দী কৰিলে। ইং ১৯৪৪ চনত সকলো আটক বন্দী ভাৰত চৰকাৰে মুকলি কৰি দিওঁতে লক্ষীমপুৰৰ সকলো মুকলি হ'ল। তাৰ পিছতো এখেত ১ বছৰ কাল আটক বন্দী হৈ আছিল। ওকালতি বন্ধ আছিল। ভাৰতৰ স্বাধীনতা উৎসৱত ১৯৪৭ চনৰ ১৫ আগষ্টত সহযোগ কৰি নিজে ধন্য হৈছিল। ১৯৭২ চনৰ ১৫ আগষ্টৰ দিনা ভাৰত চৰকাৰে প্ৰদান কৰা তাম্ৰপত্ৰ মুক্তিযোদ্ধা মহানন্দ বৰাৰ সৈতে দিল্লীলৈ গৈ তাৰ ৰাজভৱন ৰাষ্ট্ৰপতিৰ পৰা গ্ৰহণ কৰি নিজে কৃতাৰ্থ হৈছিল। তেখেত জিলা কংগ্ৰেছৰ সভাপতি আৰু লোকেল বোৰ্ডৰ চেয়াৰমেন আছিল। তেখেত এজন সত্যবাদী আৰু নিষ্ঠাৱান লোক আছিল।

**৬। ৺পাণীন্দ্ৰ নাথ বৰুৱা,**

**হাৰমতি, মাধৱপুৰ।**

পিতা - সোণাৰাম।

জন্ম ইং ১৯০৯ চন, মৃত্যু ২৬/৪/৮২ ইং।



এখেত এজন ৰাজহ বিভাগৰ লাট মণ্ডল আছিল। কংগ্ৰেছৰ অসহযোগ আন্দোলনত এখেতে ১৯৩১ চনত চাকৰি ত্যাগ কৰি জনহিতকৰ কামত আত্মনিয়োগ কৰে। ১৯৩৬ চনত নাৰায়ণপুৰ ৰায়ত সভাত যোগদান কৰি ১৯৩৭ চনৰ পৰা কংগ্ৰেছৰ সদস্য হয়। ১৯৪১ চনত একক সত্যাগ্ৰহ আন্দোলনত যোগদান কৰি সত্যাগ্ৰহ কৰাত এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সহযোগ কৰি কাম কৰাত ২৬/১০/৪২ তাং-এ গ্ৰেপ্তাৰ হৈ আটক বন্দী হয়। কাৰাগাৰৰ পৰা ওলাই অহাৰ পিছত এখেতে সমাজৰ বহু উন্নয়নমূলক কামত আত্মনিয়োগ কৰে। নিজৰ অঞ্চলত নিম্ন প্ৰাইমাৰী স্কুল, মধ্য ইংৰাজী স্কুল আৰু ৰঙ্গমঞ্চ আদি অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠাত ৰাইজৰ লগত সহযোগ কৰিছিল। এখেত এজন খুহুতীয়া কথকী লোক আছিল। কাৰাগাৰত থাকোতে (যোৰহাট) এখেতে নেতা আৰু কৰ্মীসকলক হাঁহিৰ খোৰাক যোগাইছিল।

এইজনা প্ৰিয় সমাজকৰ্মী কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়।

**৭। ৺হৰিপদ দত্ত, ঢলপুৰ**

**পিতা - মুহিৰাম।**

**জন্ম ১৯০৩ খৃঃ মৃত্যু ১৯৯০।**



এখেতে ১৯২৬ খৃঃ ঢলপুৰত আসাম বন্ধু কোম্পানী নামৰ এটি সমবায় অনুষ্ঠান প্ৰতিষ্ঠা কৰি তাৰ মেনেজাৰ হৈছিল। মাজতে কিছু দিন ঢলপুৰ মজলীয়া স্কুলৰ শিক্ষক আছিল। পোষ্টমাষ্টৰ চাকৰি এৰি ১৯২৬ চনত পাণ্ডুত বহা নিখিল ভাৰত কংগ্ৰেছ মহাসভাত স্বেচ্ছাসেৱক হিচাপে যোগদান কৰিছিল। সেই দিনাৰ পৰা তেখেতে আজীৱন কাল জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ মহাত্মা গান্ধীৰ ১৮ দফীয়া গঠনমূলক কামত আত্মনিয়োগ কৰি গোটেই জিলাখনত খাদী প্ৰচাৰ কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত উঃ লক্ষীমপুৰ জিলাৰ দ্বিতীয় পৰিচালক হিচাপে আন্দোলন পৰিচালনা

কৰি সেই চনৰে ২২ ছেপ্টেম্বৰৰ দিনা পানীগাঁও, আজাদ আদি ঠাইৰ পৰা নগৰ অভিমুখে অহা এটা শোভাযাত্ৰাত নেতৃত্ব দি আহোঁতে পুলিচে গ্ৰেপ্তাৰ কৰে। বিচাৰত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। যোৰহাট কাৰাগাৰৰ ভিতৰত এবাৰ মাৰপিট হওঁতে মাৰত তেখেতৰ মূৰ ফাটিছিল। এখেত ১৯৩৫-৩৬ চনত নাৰায়ণপুৰ ৰায়ত সভাৰ সভাপতি, ১৯৩৭-৩৮ চনত নাৰায়ণপুৰ, ঢলপুৰ আৰু খেৰাজখাট মৌজাৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটীৰ সভাপতি, জিলা শ্ৰমিক সংঘৰ সভাপতি আৰু লক্ষীমপুৰ জিলা সমবায় সমিতিৰ সভাপতি আছিল। ইয়াৰ বাহিৰেও তেখেতে স্থানীয় অনেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৃষ্ঠপোষক আৰু সভাপতিৰ দায়িত্ব লৈ সমাজ গঠন আৰু উন্নয়নত ব্ৰতী আছিল। মুক্তিযোদ্ধা হিচাপে তেখেতে তাম্ৰপত্ৰ আৰু পেন্সন পাইছিল।



৮। লীলাৰাম ভূঞা, পিছলাগুৰি, মাধৱপুৰ
পিতা - যদুৰাম।
জন্ম- ইং ৪/১১/১৯১১, মৃত্যু ইং ১৪/৫/৯৭

ইং ১৯৩৫ চনত নাৰায়ণপুৰ ৰায়ত সভাৰ সম্পাদক আছিল। কংগ্ৰেছৰ বিকল্প এই কমিটী ভঙ্গ হোৱাত পুনৰ নাৰায়ণপুৰ, ঢলপুৰ আৰু খেৰাজখাট মৌজা কংগ্ৰেছৰ সম্পাদক হয়। ১৯৩৬-৪১ চনলৈকে কলাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল। ১৯৪১ চনত সত্যাগ্ৰহ আন্দোলনত সত্যাগ্ৰহ কৰি এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৪২ চনৰ গণ বিপ্লৱত জিলাৰ চতুৰ্থজন পৰিচালক হিচাপে কাম কৰি থকা অৱস্থাত ২৮/৪/৪৩ তাং-এ গ্ৰেপ্তাৰ কৰে। ২ মাহ ১৫ দিন হাজোতত থকাৰ পিছত মুক্তি দি ঘৰত নজৰ বন্দী কৰি ৰাখে। ১৯৪৯-৫২ চনলৈ জিলা কংগ্ৰেছৰ সভাপতি হৈ থাকোতে ১৯৫০ চনত উঃ লক্ষীমপুৰত হোৱা প্ৰলয়ঙ্কৰী ভূমিকম্পত কংগ্ৰেছ কৰ্মীসকলৰ সৈতে বিপদগ্ৰস্ত ৰাইজক উদ্ধাৰৰ কামত সহায় কৰে। ১৯৫৬-৫৭ চনত লক্ষীমপুৰ জিলা শ্ৰমিক সংঘৰ সভাপতি, ১৯৫৮ চনত নাৰায়ণপুৰ গাঁও পঞ্চায়তৰ সভাপতি। ১৯৭১-৭৩ চনত নাৰায়ণপুৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি আছিল। স্থানীয় হাইস্কুল, নিম্ন প্ৰাইমাৰী স্কুল প্ৰতিষ্ঠা কৰিছিল। অসম মুক্তিবাহিনীক হিংসা পৰিহাৰ কৰি মহাত্মাৰ আদৰ্শ আৰু অহিংসা নীতি গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়াৰ কাৰণে এই বাহিনীয়ে ধৰি নি এমাহ বন্দী কৰি ৰাখে। এখেতে ২৫/৫/৯২

তাং-এ অসম কংগ্ৰেছে আৰম্ভ কৰা 'শান্তিযাত্ৰা' গুৱাহাটীত উন্মোচন কৰে। ভূএগ্ৰাদেৱে অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা মুক্তিযুঁজাৰুৰূপে পোৱা পেন্সনৰ উপৰিও চৰকাৰৰ পৰা অতিৰিক্ত আৰু এহেজাৰ টকা সন্মানজনক পেন্সন লাভ কৰে। শঙ্কৰী কলা-কৃষ্টি আৰু সাহিত্যত কিছু হাত আছিল। বাতৰি কাকতৰ (অগ্ৰদূত) এজন স্থায়ী প্ৰবন্ধ প্ৰকাশক আছিল।

**৯। ইন্দ্ৰেশ্বৰ শৰ্মা, আজাদ**

**পিতা - ভৃগুৰাম শৰ্মা।**

**জন্ম ১৯০৫ খৃঃ**



শৰ্মাদেৱৰ পূৰ্বৰ ঘৰ স'লাল গাঁৱত আছিল। ইং ১৯৩০ চনৰ পৰাই এখেত কংগ্ৰেছৰ সভ্য আছিল। এখেত নৰ্মাল ৩য় বাৰ্ষিক উত্তীৰ্ণ আছিল। পানীগাঁৱত এখন অসমীয়া মজলীয়া স্কুল প্ৰতিষ্ঠা কৰি তেখেত তাৰ প্ৰধান শিক্ষক আছিল। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত এখেতে শিক্ষক পদ ত্যাগ কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। '৪৩ চনৰ শেষভাগত এখন জিলা সংগ্ৰাম সমিতিৰ ৫ম জন পৰিচালক হিচাপে ১৯৪৪ চনৰ জানুৱাৰী মাহত গ্ৰেপ্তাৰ বৰণ কৰি ১০ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। পিছত এখেত আজাদৰ শিক্ষক বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক আছিল। এখেতে বিভিন্ন উন্নয়ন আৰু গঠনমূলক কামৰ উদ্যোগী কৰ্মী আছিল। এখেতে ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেন্সন লাভ কৰিছিল। এজন জনপ্ৰিয় লোক আছিল।

**১০। গোবিন্দ চন্দ্ৰ বৰা, উঃ লক্ষীমপুৰ**

**পিতা - কণ বৰা,**

এখেত উঃ লক্ষীমপুৰ কাছাৰীৰ ভাল মোক্তাৰ আছিল। এখেতে ৰঙানদী গৰাখহনীয়াৰ পৰা ৰাইজক বচাবলৈ গড়মূৰীয় সত্ৰাধিকাৰ প্ৰভুক আমন্ত্ৰণ কৰি আনি তেখেতৰ আহ্বান ক্ৰমে প্ৰীড়িত ৰাইজৰ দ্বাৰা ৰঙানদীৰ এটা বান্ধ ১৯৩২ চনত সম্পূৰ্ণ কৰে। ৰাইজৰ দুখ মোচন হয়। স্বাধীনতা আন্দোলনৰ এখেত লক্ষীমপুৰৰ ৩য় জন পৰিচালক আছিল। ২৪/১০/৪২ তাং-এ গ্ৰেপ্তাৰ হৈ এমাহ কাল ২য় শ্ৰেণীৰ কাৰাবন্দী আছিল। ১০০/- টকা জৰিমনাৰ কাৰণে ঘৰ খানাতালাচ

কৰে আৰু সম্পত্তি নীলাম কৰে। ১৯৬৭ চনৰ পৰা ৫ বছৰ বিধায়ক আছিল। জিলা শিক্ষা বোৰ্ডৰ চেয়াৰমেন আছিল।

**১১। ˚খাদেশ্বৰ গগৈ, হাৰমতি, নাৰায়ণপুৰ**

**পিতা- দুৰ্গাৰাম গগৈ,**

**মৃত্যু- ৯/১২/২০০০ চন।**

এখেতে বিহপুৰীয়া লোহিত-ডিক্ৰং হাইস্কুল আৰম্ভ কৰোতে স্কুলত শিক্ষক হিচাপে যোগদান কৰিছিল। ১৯৪১ চনৰ সত্যাগ্ৰহ কৰি ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰিছিল। এখেতৰ নেতৃত্বত লক্ষীমপুৰ জিলা সেৱাদল বাহিনী গঠন কৰা হৈছিল। এই বছৰত পণ্ডিত জৱহৰলাল নেহৰু উত্তৰ লক্ষীমপুৰলৈ আহোতে এই সেৱাদল বাহিনীয়ে আদৰণি জনাইছিল। ১৯৩৯ চনত গোলাঘাট সেৱাদল শিবিৰত প্ৰশিক্ষণ লৈ আহি জিলা অধিনায়ক স্বৰূপে উত্তৰ লক্ষীমপুৰত সহ অধিনায়ক যোগেশ্বৰ বৰুৱাৰ সৈতে লগ হৈ ২৮০০ জন স্বেচ্ছাসেৱক বাহিনী এটা গঠন কৰিছিল। এই সেনাবাহিনীটো লৈয়েই ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰি বৃটিছৰ ভাৰত ত্যাগ আন্দোলনৰ সফল আৰম্ভণি কৰিছিল। এই বছৰৰে ৯ ছেপ্টেম্বৰৰ দিনা গ্ৰেপ্তাৰ হৈ ২ বছৰ আটক বন্দী হৈছিল। কাৰাগাৰৰ পৰা ওলাই অহাৰ কিছুদিনৰ পিছত অসম চৰকাৰে নতুনকৈ গঠন কৰা গৃহৰক্ষী বাহিনী উঃ লক্ষীমপুৰৰ কামাণ্ডেণ্ট আছিল। নাৰায়ণপুৰ আঞ্চলিক পঞ্চায়তৰ এখেত সম্পাদক আছিল। আনুষ্ঠানিক আৰু সামাজিক বিভিন্ন কামৰ বলিষ্ঠ উদ্যোক্তা আছিল। এখেতে কেন্দ্ৰীয় চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেন্সন পাইছিল।



**১২। ˚যোগেশ্বৰ বৰুৱা,**

**পিতা - চন্দ্ৰেশ্বৰ বৰুৱা,**

**গোসাঁইপথাৰ, বিহপুৰীয়া**

**জন্ম- ১৯১৭ জুলাই, মৃত্যু- ৮/৩/৫৮**

এখেতে ১৯৩৭ চনতে কংগ্ৰেছত যোগদান কৰিছিল। বিহপুৰীয়া লোঃ উঃ হাইস্কুলৰ পৰা শিক্ষকতা ত্যাগ কৰি ১৯৪১ চনৰ সত্যাগ্ৰহ আন্দোলনত সত্যাগ্ৰহ কৰি ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰিছিল। ১৯৩৯ চনত গোলাঘাট সেৱাদল বাহিনীৰ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ লৈ অধিনায়কৰ সহযোগত লক্ষীমপুৰত সেৱাদল বাহিনী গঠন কৰে।

বৰুৱাদেৱ এই সেৱাদল বাহিনীৰ সহ অধিনায়ক আছিল। এখেতে ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত যোগদান কৰি এই বছৰৰ শেষলৈকে শিবিৰসমূহ আৰু সেনাবাহিনী পৰিচালনা কৰি আছিল। থানেশ্বৰ গগৈদেৱ গ্ৰেপ্তাৰ হোৱাৰ পিছত বৰুৱাদেৱ সেনাধিনায়ক হয়। সংগ্ৰামৰ সময়ছোৱাত পুলিচে এখেতৰ ঘৰ বহুবাৰ খানাতালাচ কৰি গৰু-ছাগলী, কাঁহী-বাটি আদি অস্থাৱৰ সম্পত্তি বাজেয়াপ্ত কৰিছিল আৰু সেইবোৰ নীলাম কৰি ঘৰখন সৰ্বস্বান্ত কৰিছিল। ১৭/১২/৪২ তাৰিখে ধৰা পৰি ২ বছৰ আটক বন্দী হৈ আছিল। এখেতৰ প্ৰাধান্যতাত বিহপুৰীয়াত প্ৰথম স্বাধীনতা মহোৎসৱ আৰু ৩০ জানুৱাৰী '৪৮ চনত গান্ধী তিৰোভাব দিৱস মহা সমাৰোহেৰে উৎযাপন হৈছিল। ১৯৫৮ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা নিঃ ভাঃ কংগ্ৰেছ মহাসভাত স্বেচ্ছাসেৱক বাহিনীৰ নায়ক হিচাপে সহায় আগবঢ়াইছিল। বৰুৱাদেৱ এজন ভাল অভিনেতা, গায়ক, বাদক, সুন্দৰ বক্তা আৰু পাকৈত চিকাৰী আছিল। তদুপৰি তেখেত দানী-মানী, উদাৰ ব্যক্তি আৰু ত্যাগী পুৰুষ আছিল। সৰ্বসাধাৰণৰ প্ৰিয়পাত্ৰ আছিল। এখেতে ভাৰত চৰকাৰৰ পৰা সন্মান পেন্সন পাইছিল। শেষত এটা বাছ দুৰ্ঘটনাত পৰি অকাল মৃত্যুবৰণ কৰিলে।

১৩। শ্ৰীমহানন্দ বৰা, উঃ লক্ষীমপুৰ নগৰ।
পিতা- ভৰাম।
জন্ম- ছেপ্টেম্বৰ ১৯১০ ইং।

১৯৪২ চনত এখেতে মোক্তাৰী পাছ কৰে। ১৯৪৩ চনৰ প্ৰথম ভাগত এখেতে লক্ষীমপুৰ জিলাৰ স্বাধীনতা আন্দোলনত যোগদান কৰে। তাৰ আগতে এখেতে মঙ্গলদৈত আন্দোলনত যোগদান কৰি দুবাৰ কাৰাবাস খাতিছিল। ১৯৪৩ চনৰ মাৰ্চ মাহৰ পৰা উঃ লক্ষীমপুৰত ১৯৪১ চনৰ আৰ্হিত সত্যাগ্ৰহ আন্দোলন চলোৱা হৈছিল। এই সময়ত উঃ লক্ষীমপুৰত এটা মৃত্যু বাহিনী গঠন কৰা হৈছিল। বৰা দেৱে ইয়াৰ প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪৩ চনত এখেত প্ৰথমে পশ্চিম সমষ্টিৰ পৰিচালক আৰু তাৰ পিছত জিলাৰ সহকাৰী পৰিচালক হৈছিল। ১৯৪৪ চনৰ ২৬ জানুৱাৰীৰ দিনা ১১ জন কৰ্মী লৈ কাছাৰী ফিল্ডত জাতীয় পতাকা উত্তোলন কৰি লক্ষীমপুৰৰ স্বাধীনতা আন্দোলনৰ সামৰণি মাৰে। বিচাৰত এখেতৰ ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। এখেতৰ নেতৃত্বত কাৰাগাৰত চলা কিছু দুৰ্নীতি নিবাৰণ হয়। বৰাদেৱ এজন অগ্ৰণী দেশকৰ্মী আছিল। তাৰ কিছু বিৱৰণ তলত উল্লেখ কৰা হ'ল —

১৯৪৭-৪৮ জিলা কংগ্ৰেছ সভাপতি আছিল।

১৯৪৯ চনত গাঁও উন্নয়ন বিষয়া আছিল। ১৯৫০ চনৰ লক্ষীমপুৰৰ অভূতপূৰ্ব ভূমিকম্প আৰু বানপানীত প্ৰপীড়িত ৰাইজক 'ৰিলিফ' দিয়াত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

১৯৫৩ চনত উঃ লক্ষীমপুৰ লোকেল বোৰ্ডৰ চেয়াৰমেন হৈছিল।

১৯৫৪ লালুক মৌজাত ডিক্ৰং নদীয়ে গতি কৰা নতুন গতি ৰাইজ আৰু কৰ্তৃপক্ষৰ দ্বাৰা বোধ কৰিছিল।

১৯৫৭ চনৰ নিৰ্বাচনত অসম বিধানসভালৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল।

১৯৫৮ চনত জিলা কংগ্ৰেছৰ কাৰ্যালয়ৰ এটি স্থায়ী ভৱন আৰম্ভ কৰিলে।

১৯৫৯ চনত নাগপুৰত বহা নিঃ ভাৰত কংগ্ৰেছ মহাসভাত প্ৰতিনিধি হিচাপে যোগদান কৰে।

১৯৬১ চনত মহকুমা পৰিষদৰ সভাপতি হয়। এই বছৰতে আচাৰ্য্য বিনোৱাজীৰ সৈতে ভূদান সংগ্ৰহৰ কাৰ্যত জিলাখন পদব্ৰজে ভ্ৰমণ কৰে।

১৯৬২ চনৰ নিৰ্বাচনত বিধানসভালৈ পুনৰ নিৰ্বাচিত হয়।

১৯৬৪ চনত অনশন কৰি উঃ লক্ষীমপুৰ কলেজৰ কাৰণে ৮০ বাণ্ডুল টিনপাত লাভ কৰে।

১৯৬৭ চনত নগৰত সোৱণশিৰি সেৱাশ্ৰম পাতি অৰুণাচল পৰ্বত-ভৈয়ামৰ শুভেচ্ছা লয় আৰু তেখেত তাৰ অধ্যক্ষ হয়।

৬৮ চনত উঃ লক্ষীমপুৰ নগৰত 'অসম ৰাজ্যিক নিৰ্যাতিত কৰ্মী সন্মিলনৰ সভাপতি হৈ সন্মিলন সাফল্যমণ্ডিত কৰে। এই চনতে উঃ লক্ষীমপুৰ নগৰত অনুষ্ঠিত হোৱা দক্ষিণ-পূৱ এছিয়ান যুৱক সন্মিলনৰ কাম সম্পূৰ্ণ কৰে।

১৯৭৯ চনত সোৱণশিৰি সেৱাশ্ৰমৰ দ্বাৰা ভাৰতৰ বিভিন্ন ঠাইত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ বিৰচিত নাটসমূহৰ অভিনয় প্ৰদৰ্শন কৰি অসমীয়া সাহিত্য, সংস্কৃতিৰ প্ৰদৰ্শন কৰা হৈছিল।

১৯৮১ চনত অসম মুক্তি যুঁজাৰু সন্মিলনৰ ৰাজ্যিক সভাপতি আছিল।

১৯৮৩ চনত সমাপ্ত হোৱা অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত হোৱা নৃশংসতা তদন্ত কৰিবলৈ দিয়া তদন্ত আয়োগৰ উদ্বোধন কৰিছিল ৰবাদেৱে। এই আয়োগৰ প্ৰতিবেদন প্ৰকাশ হৈছিল ২০/৮/৮৪ তাৰিখে। ইয়াৰ উপৰি তেখেতে সমাজৰ বহুত উন্নয়নমূলক কামত ব্যস্ত আছিল। এখেত এজন আদৰ্শনীয় আৰু গঠনমূলক

কৰ্মী আছিল। বৰ্তমান তেখেতে বাৰ্দ্ধক্যৰ দ্বাৰা পীড়িত।



১৪। শ্ৰী শৈলেন্দ্ৰ নাথ শইকীয়া।
পিতা - ॰ ধনিৰাম শইকীয়া।
ঠিকনা - গাঁও- ভোগপুৰ,
ডাক - ভোগপুৰ চাৰিআলি,
মৌজা - খেৰাজখাট। জিলা - লক্ষীমপুৰ।
(পূৰ্বৰ ঠিকনা - বদতি জামুগুৰি গাঁৱৰ পৰা ১৯৭৬ চনত উপৰোক্ত স্থানলৈ উঠি আহে।)
জন্ম - ইং ১৯২২ চন। মৃত্যু- ইং ৩১-৮-১৯৯৬।

শিক্ষা ১৯৪১ চনত বিহপুৰীয়া লোহিত ডিক্ৰুং হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত প্ৰথম বৰ্ষৰ প্ৰথমজন ছাত্ৰ হিচাপে উত্তীৰ্ণ হয়।

**স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ ঃ**

পিতৃ-মাতৃ, অগ্ৰজ আৰু দেশনেতাসকলৰ প্ৰেৰণাত প্ৰবেশিকা পৰীক্ষা দিয়াৰ পিছতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সেৱক ৰূপে দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশগ্ৰহণ কৰে। লক্ষীমপুৰ জিলাৰ পুব অঞ্চলত প্ৰায় ৩ মাহ কাল থাকি আন্দোলনৰ সংগঠন প্ৰচাৰ শান্তিসেনা-মুক্তিসেনা শিবিৰ পৰিচালনা কৰে। শোভাযাত্ৰাত যাওঁতে ঢকুৱাখনা থানাৰ পুলিচে গ্ৰেপ্তাৰ কৰি কিছু সময়ৰ পিছত এৰি দিয়ে। ১৯৪৩ চনৰ জানুৱাৰী মাহত বিহপুৰীয়া পুলিচে মনেসজা ঘৰ জালি গোচৰত অভিযুক্ত কৰি শ্ৰীগোলোক চন্দ্ৰ বৰুৱা, শ্ৰীডম্বৰুধৰ শইকীয়া (মৰিছা পথাৰ) আৰু এই শইকীয়াক বিহপুৰীয়া থানাৰ পুলিচে গ্ৰেপ্তাৰ কৰি ৩ মাহ উঃ লক্ষীমপুৰ কাৰাগাৰৰ হাজোতত ৰাখি প্ৰমাণৰ অভাৱত কাৰাগাৰৰ পৰা এৰি দিয়ে।

পিছত ১৯৪৩ চনৰ ২৫ জুনৰ দিনা বিহপুৰীয়া মৌজাৰ পুথুৰীপৰীয়া নামঘৰত কুশল কোঁৱৰৰ আদ্যশ্ৰাদ্ধ পালনৰ সভাঘৰৰ পৰা বিহপুৰীয়া থানাৰ পুলিচে শ্ৰীশইকীয়াৰ লগতে শ্ৰীবুদ্ধেশ্বৰী দাস আৰু শ্ৰীডম্বৰুধৰ হাজৰিকা তিনিওকে ৩ মাহলৈ কাৰাদণ্ড বিহিলে। শ্ৰীশইকীয়াক ইয়াৰ উপৰি আৰু ৬০ টকা জৰিমনা অনাদায়ে এমাহ কাৰাদণ্ড বিহিলে।

উন্নয়নমূলক কামত আত্মনিয়োগ —

১। বিহপুৰীয়া মৌজাৰ জাপজুপ গাঁৱত ১৯৪৪ চনত প্ৰতিষ্ঠা কৰা কস্তুৰাবা বিদ্যা মন্দিৰৰ প্ৰতিষ্ঠাপকসকলৰ ভিতৰত অন্যতম।

২। অসম গৃহৰক্ষী বাহিনীৰ লক্ষীমপুৰ জিলা শাখাৰ এজন বিষয়া।

৩। লক্ষীমপুৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক

৪। গাঁওৰক্ষী বাহিনীৰ অবৈতনিক সংগঠক।

৫। উঃ লক্ষীমপুৰ লোকেল বোৰ্ডৰ দুবাৰ অপ্ৰতিদ্বন্দ্বী সদস্য।

৬। বিহপুৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি

৭। কেইবাটাও সমবায় আৰু শিক্ষানুষ্ঠানৰ বিষয়ববীয়া আৰু সদস্য।

৮। বহু বিদ্যালয়, পুথিভঁৰাল, নাট্যানুষ্ঠান, প্ৰতিষ্ঠাত সক্ৰিয় অংশগ্ৰহণ কৰা কৰ্মী।

লক্ষীমপুৰ জিলাৰ পুব অঞ্চলত ১৯৫০ চনৰ ১৫ আগষ্টত হোৱা প্ৰলয়ঙ্কৰী ভূমি কম্পৰ লগতে মহাপ্ৰলয় স্বৰূপ সোৱণশিৰি নদীৰ বলিয়া বানে যি অনিষ্ট সাধন কৰিলে সেই অঞ্চলৰ দুৰ্গত ৰাইজ সকলক এখেতে মৰণত শৰণ লৈ দেশ-বিদেশৰ পৰা অহা আৰু স্থানীয় কৰ্মীসকলৰ সহযোগত কৰ্মী হিচাপে সেৱা আগবঢ়াইছিল। এখেত এজন আমৰণ সমাজকৰ্মী আছিল।

এখেতে অসম আৰু ভাৰত চৰকাৰৰ পৰা মুক্তিযুঁজাৰু স্বৰূপে পেন্সন লাভ কৰিছিল। ৩১/৮/৯৬ তাৰিখে নিজা ঘৰত পৰিবাৰ, দুটি ল'ৰা আৰু দুজনী জীয়ৰী এৰি ইহলীলা সম্বৰণ কৰিলে।

**১৫। শ্ৰীহৰিচন্দ্ৰ বৰুৱা**



**পিতা - ঁকমল চন্দ্ৰ বৰুৱা**

**জন্ম - খৃঃ ১৯২২, আহিন মাহ।**

**ঠিকনা - বসতি জামুগুৰি গাঁও, ডাক - জাপজুপ,**

শিক্ষা - বিহপুৰীয়া এম. ভি. স্কুলৰ পৰা প্ৰথম উত্তীৰ্ণ হৈ বিহপুৰীয়া লোঃ ডিঃ হাইস্কুলত ৯ম শ্ৰেণীলৈকে পঢ়া।

স্বাধীনতা আন্দোলনত অংশগ্ৰহণ -

ইং ১৯৪২ চনত ভাৰতৰ স্বাধীনতা আন্দোলনত লোহিত ডিক্ৰুং হাইস্কুলৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে গোটেই স্কুলৰ সমূহ ছাত্ৰ-ছাত্ৰীক লৈ ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাবে সহযোগ কৰে। এই আন্দোলনত

আগষ্ট মাহত স্বেচ্ছাসেৱক হিচাপে, তাৰ পিছত মুক্তিসেনা, আৰু পশ্চিম সমষ্টিৰ সংগ্ৰাম সমিতিৰ সম্পাদক হয়। ১৯৪৩ চনত জিলা সংগ্ৰাম সমিতিৰ সম্পাদক হৈ গোটেই জিলাত কাৰ্য সম্পাদন কৰে। ১৯৪৪ চনৰ ১৭ জানুৱাৰীৰ দিনা গ্ৰেপ্তাৰ হৈ এসপ্তাহ হাজোতত থাকি ছমাহ সশ্ৰম কাৰাদণ্ড উঃ লক্ষীমপুৰ জিলা কাৰাগাৰত ভোগ কৰে। কাৰগাৰত অন্য কয়দীসকলৰ প্ৰাপ্য সুবিধাৰ দাবী কৰাত এসপ্তাহ পিছফালে হাতকেৰেয়া লৈ চেলত থাকি শেষৰ ৩ মাহকাল মেলেৰিয়া ৰোগত ভুগি উঃ লক্ষীমপুৰ কাৰাগাৰৰ পৰা মুক্তি পালে। ১৯৪৪ চনৰ পৰা কংগ্ৰেছ কৰ্মী হিচাপে বিহপুৰীয়া জামুগুৰি অঞ্চলত বিভিন্ন গঠনমূলক কামত আত্মনিয়োগ কৰে। তাৰ ভিতৰত বিহপুৰীয়া মৌজা কংগ্ৰেছৰ সম্পাদক, অসম কস্তুৰবা স্মাৰক নিধিৰ সহায় লৈ জাপজুপ কস্তুৰবা বিদ্যা মন্দিৰ প্ৰতিষ্ঠা, তাৰ শিক্ষক, সম্পাদক, জাপজুপ গ্ৰাম ঈকাই প্ৰতিষ্ঠা। জাপজুপ ডাকঘৰ প্ৰতিষ্ঠা, জামুগুৰি এল. পি, নেহৰু এম. ই আৰু হাইস্কুল প্ৰতিষ্ঠানত সক্ৰিয় সহযোগ আৰু বদতি জামুগুৰি গোপী বৰদলৈ পুথিভৰাঁল প্ৰতিষ্ঠাই প্ৰধান।

ইয়াৰ উপৰি ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ স্বাধীনতা উৎসৱত বিহপুৰীয়াত যোগদান, ২৬ জানুৱাৰী ১৯৫০ চনত সাৰ্বভৌম স্বাধীনতা উৎসৱত উঃ লক্ষীমপুৰ নগৰত যোগদান কৰে।

১৯৫৪ চনত সমূহীয়া উন্নয়ন খণ্ড বিহপুৰীয়াত গ্ৰামসেৱক পদত যোগদান কৰি ১৯৮৫ চনলৈকে চৰকাৰীভাৱে সমাজসেৱা কৰে। ১৯৭২ চনত ভাৰত চৰকাৰৰ পৰা ৰাজনৈতিক নিৰ্যাতীত স্বৰূপে তাম্ৰপত্ৰ আৰু পেন্সন লাভ কৰে। ইং ২৮/১/৮০ তাং-এ বিহপুৰীয়া নগৰত মহাত্মা গান্ধীৰ গুণমুগ্ধসকলৰ যত্নত সমূহীয়াভাৱে মাৰ্বল পাথৰৰ মোহন দাস কৰম চাঁদ গান্ধীৰ মূৰ্তি প্ৰতিষ্ঠা। অসমৰ বিদেশী খেদা আন্দোলনৰ সমৰ্থক হিচাপে ১৫/৫/৮০ তাং-এ তাম্ৰপত্ৰ চৰকাৰক ঘূৰাই দিয়ে। তদুপৰি বিহপুৰীয়া চিনেমাহল প্ৰতিষ্ঠাপকসকলৰ অন্যতম ব্যক্তি।

গঠনমূলক কৰ্মী আৰু সেৱক হিচাপে আজীৱন দেশ সেৱাত ব্ৰতী থকা অৱস্থাত তলত উল্লিখিত কামত আত্মনিয়োগ কৰিছিল —

২৯/৩/৯৮ তাৰিখে লক্ষীমপুৰ জিলা মুঃ যুঃ সন্মিলনৰ দুবছৰলৈ সভাপতি হয়। এইখিনি সময়ৰ ভিতৰত গোলাঘাট ৰাজ্যিক সন্মিলনত যোগদান, ১৯৭২ চনৰ ভাৰতবৰ্ষৰ স্বাধীনতা সোণালী জয়ন্তী উদযাপনত সহযোগ (উঃ লক্ষীমপুৰত) আৰু অসম চৰকাৰৰ দ্বাৰা মুক্তিযুঁজাৰুসকলক তাম্ৰপত্ৰ প্ৰদানত যোগদান। ১৯৯৮

চনত পাকিস্তানে কার্গিল আক্রমণ কৰাত যুদ্ধত নিহত হোৱা শ্বহীদসকলৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে লক্ষীমপুৰ জিলা মুঃজুঃসংৰ সভাপতি হিচাপে কৰা শ্বহীদ তৰ্পণ জিলা পুথি ভঁৰালত সভা উদ্বোধন আৰু শ্বহীদসকলৰ কল্যাণৰ কাৰণে ডেৰ হাজাৰ পেঞ্চনৰ টকা দান আৰু মুক্তিযোদ্ধাসকলৰ পৰাও দান সংগ্ৰহ কৰি প্ৰদান কৰিছিল। ১৯/৯/৯৯ তাৰিখে সোৱণশিৰি সেৱাশ্ৰমত লক্ষীমপুৰ জিলা মুঃজুঃ সন্মিলন জিলা মুক্তিযুঁজাৰুসকলৰ সতি-সন্ততিসকলৰ এখনি সন্মিলন পাতি তেওঁলোকৰ ভৱিষ্যৎ কল্যাণৰ কাৰণে এখন সমিতি গঠন কৰি দিয়ে। যোৱা ২৬, ২৭ আৰু ২৮ ফেব্ৰুৱাৰী ২০০০ তাৰিখে জিলা মুক্তিযুঁজাৰু সন্মিলনৰ যোগে ৰাজ্যিক আৰু জিলা সন্মিলন পতা হয়। ৰাজ্যিকৰ ত্ৰয়োদশ বছৰৰ কাৰণে এই দ্বিবাৰ্ষিক অধিৱেশনতে পূৰ্বৰ সমিতিৰ পৰিৱৰ্তে এখন নতুন সমিতি গঠন কৰি দিয়াত শ্ৰীবৰুৱাই এই দায়িত্বৰ পৰা অব্যাহতি পায়।

তেখেতে ভাৰতৰ স্বাধীনতা আন্দোলনৰ উত্তৰ লক্ষীমপুৰ জিলাৰ এটি বিৱৰণ ভৱিষ্যতৰ পুৰুষলৈ ৰাখি যাবৰ কাৰণে জিলাৰ মুক্তিযুঁজাৰু সন্মিলনৰ কৰ্মী সকলৰ লগত পৰামৰ্শ কৰি এখন বুৰঞ্জী সংকলন সমিতি গঠন কৰি তাৰ সহযোগত 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত উঃ লক্ষীমপুৰ'ৰ ভূমিকা নাম দি প্ৰণয়ন কৰে। পুথিখন এতিয়া প্ৰকাশৰ প্ৰতীক্ষাত আছে।

**১৬। পূৰ্ণানন্দ দত্ত, ঢলপুৰ।**

**পিতা - মায়াৰাম।**

এখেতে ১৯৩৫ চনতে কংগ্ৰেছত যোগদান কৰে। সত্যাগ্ৰহ আন্দোলনত সত্যাগ্ৰহ কৰাৰ কাৰণে এখেতৰ এবছৰ সশ্ৰম কাৰাদণ্ড হয়। ১৯৪২ চনৰ গণ বিপ্লৱত এখেতে সক্ৰিয়ভাৱে বহু দুখ-কষ্ট কৰি আন্দোলনৰ কাম চলাইছিল। ১৯৪৩ চনত এখেত জিলাৰ পশ্চিম সমষ্টিৰ পৰিচালক আছিল। সেই বছৰতে ২০ মাৰ্চৰ দিনা পুলিচে গ্ৰেপ্তাৰ কৰি এখেতক আটক বন্দী কৰিলে। দত্তদেৱ প্ৰথমে ঢলপুৰ গাঁও পঞ্চায়ত তাৰ পিছত নাৰায়ণপুৰ আঞ্চলিক পঞ্চায়ত আৰু তাৰ পিছত লক্ষীমপুৰ মহকুমা পৰিষদৰ সভাপতি হৈছিল আৰু মাধৱদেৱ কলেজৰ পঃ সঃ সম্পাদক আছিল। ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু কেন্দ্ৰীয় পেঞ্চন পাইছিল।

১৭। ^ হেম কান্ত দুৱৰা।
গাঁও - বহুপথাৰ। নাৰায়ণপুৰ
পিতা - মোহোৰাম

১৯৪২ ৰ আন্দোলনৰ পূৰ্বৰ পৰাই দুৱৰাদেৱ কংগ্ৰেছৰ সক্ৰিয় সভ্য আছিল। ১৯৪২ চনত আন্দোলন পৰিচালনা কৰিবৰ কাৰণে যিখন জিলা জৰুৰী শাখা গঠন কৰি দিয়া হৈছিল দুৱৰাদেৱ সেই সমিতিৰ সম্পাদক আছিল। সেই বছৰতে এখেতক পুলিচে গ্ৰেপ্তাৰ কৰি আটক বন্দী কৰিছিল। এখেতে আন্দোলনৰ আগৰ বছৰ কংগ্ৰেছৰ সাংগঠনিক সম্পাদক হিচাপে পদব্ৰজে জিলাখন ভ্ৰমণ কৰি ২৫ খন প্ৰাথমিক কংগ্ৰেছ কমিটী গঠন কৰিছিল। দুৱৰাদেৱ সত্যবাদী, একনিষ্ঠ আৰু আজীৱন সমাজ সেৱক আছিল। ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেন্সন পাইছিল।

১৮। ^ চেনি চন্দ্ৰ শইকীয়া, মাধৱপুৰ
পিতা - যাদুৰাম।
জন্ম- ইং ১০/৯/১৯০৩, মৃত্যু - ৬/১২/১৯৬৯

১৯৩৫ চনত এখেতে কংগ্ৰেছত যোগদান কৰিছিল। তেতিয়াৰ পৰা শইকীয়াদেৱ কংগ্ৰেছৰ গঠনমূলক কৰ্মী আছিল। সত্যাগ্ৰহ আন্দোলনত এখেতে সত্যাগ্ৰহ কৰি ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰিছিল।

১৯৪২ চনৰ গণ বিপ্লৱত শইকীয়াদেৱে আন্দোলনত সক্ৰিয়ভাৱে লাগি থকাত পুলিচে গ্ৰেপ্তাৰ কৰি আটক বন্দী কৰিলে। কাশীধামৰ বৃন্দাবনত অসম সত্ৰ সংঘৰ উদ্যোক্তাসকলে যি এটি নামঘৰ প্ৰতিষ্ঠা কৰিছিল সেইসকলৰ ভিতৰত শইকীয়াদেৱো অন্যতম। এওঁ সৰৱৰহি, হাঁহীমুখীয়া আৰু আজীৱন সমাজকৰ্মী আছিল। ভাৰত চৰকাৰৰ পৰা এখেতে তাম্ৰপত্ৰ আৰু পেন্সন লাভ কৰিছিল।

১৯। শ্ৰীউমাকান্ত ৰাজখোৱা,
ৰাইদঙ্গিয়া গাঁও, নাৰায়ণপুৰ
পিতা - কানুৰাম।

